

দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 236 ত্ৰিবিংশ বছৰ, সংখ্যা- ২৩৬, ২৫ জুলাই, শনিবাৰ, ২০২৬, ৮ শাওন, ১৯৪৫ শক, BATORI KAKOT, Saturday, 25 July, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা




### উদ্ধাৰ-সাহায্যৰ অগ্ৰগতিৰ পৰ্যালোচনাৰ পিছত দিছপুৰত সংবাদমেলত মুখ্যমন্ত্ৰী

# অসমত দুৰ্যোগসদৃশ পৰিৱেশৰ সৃষ্টি হৈছে

**তিনিখন জিলা ভয়ানক বানৰ গ্ৰাসত পৰিছে ঃ চৰাইদেউত ১০, শিৱসাগৰত ২১, যোৰহাটত ৮ গৰাকী লোকৰ মৃত্যু ঃ ৮ জন এতিয়াও সন্ধানহীন ঃ গুৱাহাটী- ডিব্ৰুগড়- তিনিচুকীয়াৰ পৰা বান সাহায্য প্ৰেৰণ কৰা হৈছে**



**ষ্টাফ ৰিপৰ্টাৰ, ২৪ জুলাই ঃ** বান পৰিস্থিতিৰ মোকাবিলা আৰু চলি থকা উদ্ধাৰ-সাহায্য কাৰ্যৰ অগ্ৰগতি পৰ্যালোচনাৰ উদ্দেশ্যে জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বৈঠকৰ অন্তত সংবাদমেল সম্বোধন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীয়ে কয়— অসমত এটা দুৰ্যোগসদৃশ পৰিৱেশৰ সৃষ্টি হৈছে। নাগালেণ্ডত হোৱা অভাৱনীয় পৰিৱেশৰ বাবে ৩ জিলা বানৰ গ্ৰাসত পৰিছে। ১৮ আৰু ২০ জুলাইৰ মাজত অসম, মণিপুৰ আৰু মেঘালয়ত যথেষ্ট বৰষুণ হয়। কিন্তু নাগালেণ্ডত সাধাৰণ বৰষুণতকৈ ১৮১ শতাংশ অধিক বৰষুণ হয়। ৱাখা আৰু মন জিলাই ৪৫ শতাংশ বেছি বৰষুণ পায়। চৰাইদেউত গড় হিচাপত ■ এঘাৰ পৃষ্ঠাত

**শিৱসাগৰত উদ্ধাৰ**

## বানত নাগালেণ্ডৰ পৰা উটি আহিল হাতী

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২৪ জুলাই ঃ** প্ৰলয়ংকৰী বানত নাগালেণ্ডৰ পৰা উটি আহিল হাতী। নাগালেণ্ডৰ নামচাঙৰ পৰা ■ এঘাৰ পৃষ্ঠাত

**দ্ৰুতগতিত বৃদ্ধি হৈছে ব্ৰহ্মপুত্ৰৰ জলস্তৰ**

## গুৱাহাটীত ফেৰী সেৱা বন্ধৰ নিৰ্দেশ

**উমানন্দ মন্দিৰৰ কাষত লুইতৰ প্ৰবাল সোঁত**

**ষ্টাফ ৰিপৰ্টাৰ, ২৪ জুলাই ঃ** ব্ৰহ্মপুত্ৰৰ জলস্তৰ দ্ৰুতগতিত বৃদ্ধি পোৱা আৰু তীব্ৰ সোঁতৰ সৃষ্টি হোৱাৰ ফলত গুৱাহাটীত ফেৰী সেৱা সাময়িকভাৱে বন্ধ কৰা হৈছে। যাত্ৰীসকলৰ সুৰক্ষাৰ স্বাৰ্থত এই সিদ্ধান্ত গ্ৰহণ কৰিছে ■ এঘাৰ পৃষ্ঠাত

**পঞ্চম দিনাও অপৰিৱৰ্তিত উজনিৰ বান পৰিস্থিতি**

## বানত সৰ্বস্বান্ত হাজাৰ হাজাৰ পৰিয়াল

**ঘৰ-বাট-পথাৰ একাকাৰ ঃ শিবিৰত হাজাৰ হাজাৰ বৰ্নাত্যৰ হাহাকাৰ**



**ষ্টাফ ৰিপৰ্টাৰ, ২৪ জুলাই ঃ** পঞ্চম দিনাও উজনি অসমত অপৰিৱৰ্তিত হৈ আছে বান পৰিস্থিতি। পানী সামান্য কমিছে যদিও এতিয়াও কমা নাই বিপদ। বিপদসীমাৰ ওপৰেৰে বৈ আছে নৈসমূহৰ পানী। ৫ দিন ধৰি বানৰ মাজত ■ এঘাৰ পৃষ্ঠাত

**বান পৰিস্থিতিক লৈ নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ সংবাদমেল**

## শীঘ্ৰেই অসমলৈ আহিব কেন্দ্ৰীয় উচ্চস্তৰীয় প্ৰতিনিধি দল



**ষ্টাফ ৰিপৰ্টাৰ, ২৪ জুলাই ঃ** অসমৰ শেহতীয়া ভয়াবহ বান পৰিস্থিতিৰ প্ৰসংগ কেন্দ্ৰীয় কেবিনেট বৈঠকত উত্থাপন কৰা হৈছে আৰু অতি শীঘ্ৰেই দিল্লীৰ পৰা এখন উচ্চস্তৰীয় কেন্দ্ৰীয় প্ৰতিনিধি দল অসমলৈ প্ৰেৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। বুধবাৰে নতুন দিল্লীত অনুষ্ঠিত এখন সংবাদমেলত তেওঁ এই কথা প্ৰকাশ কৰে। সোণোৱালে কয় যে, বানপানীৰ ফলত ৰাজ্যৰ ৰৱখন জিলাত ৭ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। এই দুৰ্যোগত এতিয়ালৈকে ৪৭গৰাকী লোকে ■ এঘাৰ পৃষ্ঠাত

**১১ জিলাত ৭.২১ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত**

## প্ৰলয়ংকাৰী বান ঃ ২৪ ঘণ্টাত আৰু ৬ জনৰ প্ৰাণহানি

**ষ্টাফ ৰিপৰ্টাৰ, ২৪ জুলাই ঃ** যোৱা ২৪ ঘণ্টাত আৰু ৬জন লোকৰ মৃত্যু হৈছে। ইয়াৰে শিৱসাগৰ জিলাত ৪জন আৰু চৰাইদেউ জিলাত ২জন লোকৰ মৃত্যু হোৱাৰ তথ্য প্ৰকাশ পাইছে। অব্যাহত বৰষুণৰ ফলত বান পৰিস্থিতি অধিক জটিল হৈ পৰিছে। বৰ্তমান ৩৭টা ৰাজহ চক্ৰ আৰু ৮৮৩খন গাঁও বানপানীত ■ এঘাৰ পৃষ্ঠাত

## ধুবুৰীত বাঢ়নী পানীত পৰি ছাত্ৰীৰ মৃত্যু

**বাতৰি কাকত, ধুবুৰী, ২৪ জুলাই ঃ** ধুবুৰীত বাঢ়নী পানীত পৰি কৰুণ মৃত্যুৰ সাৱটি লয় এগৰাকী ১৭ বছৰীয়া ছাত্ৰীয়ে। ধুবুৰীৰ শিশু পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী আকছাৰা গোৱালাই আজি পুৱা প্ৰায় ১০ বজাত ঘৰৰ কাষৰ গদাধৰ নৈত পৰি মৃত্যুমুখত পৰে। উল্লেখ্য যে ধুবুৰীৰ ১ নং ৱাৰ্ডৰ ■ এঘাৰ পৃষ্ঠাত

## গুৱাহাটীৰ কৃত্ৰিম বান ঃ নলা-নৰ্দমা পৰিষ্কাৰ, জাবৰ নিষ্কাশন তীব্ৰতৰ কৰাৰ নিৰ্দেশ



**এছ অ' পি- বাৰ্ষিক কেলেণ্ডাৰ প্ৰস্তুতৰ আদেশ মন্ত্ৰী কৌশিক ৰয়ৰ**

**ষ্টাফ ৰিপৰ্টাৰ, ২৪ জুলাই ঃ** গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি জনতা ভৱনৰ ব্লক বিত থকা কাৰ্যালয়ৰ সভাকক্ষত গুৱাহাটীৰ সাম্প্ৰতিক বান পৰিস্থিতি আৰু কৃত্ৰিম বান প্ৰতিৰোধৰ ক্ষেত্ৰত সংশ্লিষ্ট সংস্থাসমূহৰ প্ৰস্তুতিৰ পৰ্যালোচনাৰ উদ্দেশ্যে এখন পৰ্যালোচনা সভাত অনুষ্ঠিত কৰে। সভাত মন্ত্ৰীগৰাকীয়ে গুৱাহাটী পৌৰ নিগম, লোক নিৰ্মাণ বিভাগ, ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষ আদি সকলো সংশ্লিষ্ট সংস্থাক ■ এঘাৰ পৃষ্ঠাত




# গোৱালপাৰাত বাহকজনিত ৰোগৰ সজাগতা অভিযান

**বাতৰি কাকত, ধূপধৰা, ২৪ জুলাইঃ** গোৱালপাৰা জিলাতো বাহকজনিত ৰোগসমূহ মেলেৰিয়াকে আদি কৰি ডেংগু, জাপানী এনকেফেলাইচিছ আদি সম্পৰ্কে জনসাধাৰণক সজাগতা বৃদ্ধিৰ বাবে জিলা স্বাস্থ্য সমিতি গোৱালপাৰাৰ তৰফৰ পৰা বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে।মন কৰিবলগীয়া যে বাহকজনিত ৰোগৰ লক্ষণ, ভয়াৱহতা আৰু ইয়াৰ চিকিৎসা তথা ইয়াৰ পৰা কিদৰে হাত সাৰিব তাৰ ওপৰত বিভিন্ন অঞ্চলত সজাগতা সভা পাতি ৰাইজক সজাগ কৰা হৈছে। ইপিনে স্বাস্থ্য কৰ্মীসকল ঘৰে ঘৰে গৈ ৰাইজক সজাগ কৰি তোলাৰ লগতে পত্ৰিকাও বিতৰণ কৰাৰ লগতে জ্বৰৰ লক্ষণ দেখা ৰোগী তথা পৰিয়ালৰ লোকসকলক তেজৰ নমুনা সংগ্ৰহ কৰি তেজ পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য জ্বৰ, গাঁঠিৰ বিষ,মূৰৰ বিষ,চকুৰ পিছফালে বিষ, ভ্ৰম বকা আদি হ'ল বাহকজনিত ৰোগৰ লক্ষণ। গতিকে এই লক্ষণ সমূহ দেখাৰ লগে লগে চিকিৎসকৰ পৰামৰ্শ ল'বলৈ ৰাইজক জিলা স্বাস্থ্য সমিতিৰ তৰফৰ পৰা অনুৰোধ জনোৱাৰ লগতে মহ খেদিব পৰা দ্ৰব্য ব্যৱহাৰ লগতে শৰীৰ সম্পূৰ্ণ ঢাকি ৰখা কাপোৰ পিন্ধা আৰু নিজৰ চৌহদত বা কোনো পাত্ৰত পানী জমা হ'ব নিদিবলৈ আৰু শুৱাৰ সময়ত আঠুৱা তৰি শুৱলৈ জনসাধাৰণক প্ৰেছ বাৰ্তা যোগে জিলা স্বাস্থ্য সমিতিৰ গোৱালপাৰা তৰফৰ পৰা অনুৰোধ জনাইছে।

# ৰৌতাত গ্ৰীষ্মকালীন পাঠদান

**ওদালগুৰি, ২৪ জুলাইঃ** বি টি চি চৰকাৰৰ মুখ্য কায্যবাহী সদস্য হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফ চৰকাৰে আয়োজন কৰা গ্ৰীষ্মকালীন পাঠদান ওদালগুৰি জিলাৰ ৰৌতাৰ অগ্ৰণী শিক্ষানুষ্ঠান দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২২ জুলাইত সামৰণি পৰে। যোৱা ৩ জুলাইৰ পৰা আৰম্ভ হোৱা দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজন কৰা গ্ৰীষ্মকালীন পাঠদান ৰৌতাৰ দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়কে ধৰি সমগ্ৰ বিটিচি অঞ্চলতেই আয়োজন কৰা হৈছিল। উক্ত গ্ৰীষ্মকালীন পাঠদান অনুষ্ঠানত দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰ সকলে পাঠ গ্ৰহণ কৰাৰ লগতে বি টি চি পৰিষদীয় চৰকাৰৰ এই পদক্ষেপক আদৰণি জনায়ে। দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ লক্ষ্মী চেঢ়াই আৰু গ্ৰীষ্মকালীন পাঠদান পৰিচালনা সমিতিৰ আহ্বায়ক জাকিৰ হুচেইনে জানিবলৈ দিয়ে যে চলিত জুলাই মাহৰ, তাৰিখৰ পৰা আৰম্ভ হোৱা গ্ৰীষ্মকালীন পাঠদানত ৰৌতা অঞ্চলৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ প্ৰায় তিনিশ জন ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। উক্ত গ্ৰীষ্মকালীন পাঠদানত উক্ত অঞ্চলৰ পাৰ্গত শিক্ষকসকলে বড়ো আৰু অসমীয়া মাধ্যমৰ কলা, বাণিজ্য, বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠদান আগবঢ়ায়ে। উক্ত গ্ৰীষ্মকালীন পাঠদান সামৰণী অনুষ্ঠানত অম্বাগাওঁ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূবন শৰ্মা পৰ্যবেক্ষক অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা বিষয়ত বিশেষ মনোযোগ দি আগুৱাই যাবলৈ আহ্বান জনায়। দণ্ড চহৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ লক্ষ্মী চেঢ়াইয়ে জনায় যে বি টি চি চৰকাৰৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে বিশেষকৈ শিক্ষা বিভাগত গুৰুত্ব দি গ্ৰীষ্মকালীন পাঠদানকে ধৰি দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে যোৱা মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণসকলক সম্বৰ্ধনা জনোৱাৰ লগতে বি টি চি অঞ্চলৰ ভিতৰত এশ শতাংশ নম্বৰ প্ৰাপ্ত ছাত্ৰ ছাত্ৰীসকলক বিশেষ সন্মান সহ নগদ ধনৰাশিৰে সহযোগ কৰাৰ লগতে মাতৃ ভাষা বড়ো, অসমীয়া, নেপালী, চান্তালীকে ধৰি ভাৰতীয় আধুনিক ভাষাত অধ্যনৰত ছাত্ৰ-ছাত্ৰীয়ে সৰ্বোচ্চ নম্বৰ প্ৰাপক সকলকো বিশেষ সহযোগ ৰাশিৰে সাহায্য প্ৰদান কৰি নিজ নিজ মাতৃ ভাষাক সন্মান কৰি অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলক বাচনি কৰি বিশেষ পেকেজেৰে সহায় আগবঢ়াব বুলি ঘোষণা কৰা কাৰ্যক বিটিচি বাসী জনসাধাৰণে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন চৰকাৰক ধন্যবাদ জনায়ে।

# মৈৰাবাৰীত কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবীত মুছাৰ উত্তাল প্ৰতিবাদ



**লাহৰীঘাট, ২৪ জুলাই ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী বজাৰত আজি মুছলিম ছাত্ৰ সন্থা (মুছা)-ই কেন্দ্ৰীয় চৰকাৰ আৰু শিক্ষা বিভাগৰ দুৰৱস্থাৰ বিৰুদ্ধে এক উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। সংগঠনটোৱে (চিজেপি) -ৰ প্ৰতি সমৰ্থন জনোৱাৰ লগতে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ তাৎক্ষণিক পদত্যাগৰ দাবী জনায়। দুপৰীয়াৰ ভাগত মৈৰাবাৰী বজাৰৰ মাজ-মজিয়াত অনুষ্ঠিত প্ৰতিবাদত মুছাৰ নেতৃত্বত শতাধিক প্ৰতিবাদকাৰীয়ে হাতে হাতে প্লে-কাৰ্ড আৰু বেনাৰ লৈ চৰকাৰ বিৰোধী শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীয়ে 'নৰেন্দ্ৰ মোদী চৰকাৰ হায় হায়', 'শিক্ষা মন্ত্ৰী হুচিয়াৰ' আৰু 'ধৰ্মেন্দ্ৰ প্ৰধান পদত্যাগ কৰক' আদি শ্লোগান দিয়ে। প্ৰতিবাদস্থলীত ভাষণ প্ৰদান কৰি মুছাৰ কেন্দ্ৰীয় সভাপতি আশ্বিক ৰাব্বানীয়ে কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা নীতিৰ তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, 'কেন্দ্ৰীয় চৰকাৰৰ জনবিৰোধী নীতি আৰু শিক্ষা খণ্ডৰ বিফলতাৰ বাবেই আজি দেশৰ ছাত্ৰ সমাজ ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হৈছে।' তেওঁৰ লগতে মুছা'ৰ সাধাৰণ সম্পাদক (প্ৰশাসনিক) ৰফিকুল ইছলামে অভিযোগ কৰে যে বৰ্তমানৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ কাৰ্যকালত দেশৰ শিক্ষা ব্যৱস্থা ধ্বংসৰ মুখলৈ গৈছে আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অনিশ্চিত হৈ পৰিছে। চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ দাবীসমূহ শীঘ্ৰে মানি লোৱা নহ'লে সংগঠনটোৱে আগন্তুক দিনত অধিক তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলিও তেওঁ সকীয়াই দিয়ে উল্লেখ্য যে, এই প্ৰতিবাদী কাৰ্যসূচীত মুছাৰ মৰিগাঁও জিলা সভাপতি কুতুব উদ্দিন সাধাৰণ সম্পাদক আজিবুৰ ৰহমানকে ধৰি জিলা সমিতি আৰু মৈৰাবাৰী আঞ্চলিক সমিতিৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তাৰ লগতে অঞ্চলটোৰ বহু সংখ্যক ছাত্ৰ আৰু সাধাৰণ লোক উপস্থিত থাকে।

# ডিব্ৰুগড়ত মানকটা শতদল শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠা-'ৰংমন' দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ জুলাই ঃ** শিশু-কিশোৰৰ মাজত ভাষা, সাহিত্য, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি অনুৰাগ জগাই তোলাৰ লক্ষ্যৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় 'কুঁহি' উপ-সমিতিৰ উদ্যোগত, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহযোগত আৰু মানকটা শতদল শাখা সাহিত্য সভাৰ আতিথ্যত মানকটা কছাৰীবাৰীস্থিত শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত পাঁচদিনীয়া কেন্দ্ৰীয় 'কুঁহি' অনুষ্ঠান আৰু শিশু ভাওনা সমাৰোহৰ অনুষ্ঠিত হয়। ২২ জুলাইৰ পৰা ২৬ জুলাইলৈ অনুষ্ঠিত এই অনুষ্ঠানৰ অংশ হিচাপে প্ৰতিদিনে সন্ধিয়া শিশু ভাওনা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানৰ প্ৰথম দিনাই মানকটা শতদল শাখা সাহিত্য সভাৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু বিশিষ্ট ৰহস্য সাহিত্যিক, 'দস্যু ভাস্কৰ চিৰিজ'ৰ স্ৰষ্টা 'ৰংমন' নামেৰে পৰিচিত ৰবীন দে'ৰ সোঁৱৰণত 'ৰংমন দিৱস' উদযাপন কৰা হয়। দিনৰ আৰম্ভণিতে শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোনোৱাল শইকীয়াই সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে সাহিত্যিক ৰবীন দে'ৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। মুকলি সভাত সভাপতি কুসুম সোনোৱাল শইকীয়াই পৌৰোহিত্য কৰে আৰু সম্পাদক নৱনীতা শ্যাম উৰঙীয়াই সভা পৰিচালনা কৰে। সভাত ৰবীন দে'ৰ অসমীয়া ৰহস্য সাহিত্যলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বিষয়ে বিশদ আলোচনা কৰা হয়। এই উপলক্ষে শাখা সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ 'অন্তৰীক্ষ' উন্মোচন কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অজয় সিংহই। অৰুণিমা বৰুৱা আৰু দীপৰেখা সোনোৱালে সম্পাদনা কৰা ৰবীন দে'ৰ সোঁৱৰণী স্মাৰক গ্ৰন্থ 'ৰংমন' উন্মোচন কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য নোমল চন্দ্ৰ গগৈয়ে। সন্ধিয়া অনুষ্ঠিত শিশু ভাওনা সমাৰোহ উদ্বোধন কৰি বিশিষ্ট অতিথি ড° অনিল শইকীয়াই ভাওনাৰ ঐতিহাসিক, সাহিত্যিক আৰু সাংস্কৃতিক তাৎপৰ্যৰ ওপৰত বক্তব্য আগবঢ়ায়। তেওঁ কয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে সৃষ্টি কৰা ভাওনা হৈছে গীত, নৃত্য, সংলাপ, শ্লোক, পদ আৰু প্ৰাৰ্থনাৰ এক অনন্য সমন্বয়, য'ত সদায় ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় প্ৰতিফলিত হয়। তেওঁ লগতে উল্লেখ কৰে যে ভাওনাৰ প্ৰতিটো অংগতে নৃত্য আৰু সংগীতৰ সুনিপুণ সমন্বয় লক্ষ্য কৰা যায় আৰু এই ঐতিহ্যবাহী শিল্পকলাই ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ ক্ষেত্ৰতো বিশেষ স্বীকৃতি লাভ কৰাৰ যোগ্য। সাম্প্ৰতিক বানপানী আৰু দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি তেওঁ সকলোৱে মংগল কামনাৰে এক মিনিট মৌন প্ৰাৰ্থনা কৰাৰ আহ্বান জনায়। অনুষ্ঠানত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক অজিত বুঢ়াগোঁহাই, সাংগঠনিক সম্পাদক উৎপল সোণোৱাল, অসম লেখিকা সন্থাৰ সম্পাদিকা উদয়ন্তী হাজৰিকা দত্ত, বৰপথাৰ শাখা সাহিত্য সভাৰ সভাপতি ৰুদ্ৰ গগৈ, ডিব্ৰুগড় শাখা সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোঁহাই, সম্পাদক ৰাতুল বুঢ়াগোঁহাই, উপ-সভাপতি যাদৱ গগৈ, মানকটা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পোনা সোণোৱাল, বাণীপুৰৰ ৰামধেনু শাখা সাহিত্য সভাৰ সভাপতি ভূষণজ্যোতি সন্দিকৈ, সোনোৱাল কছাৰী যুৱ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজীৱ সোণোৱালকে ধৰি বিভিন্ন শাখা সাহিত্য সভাৰ বিষয়ববীয়া আৰু বহু সংখ্যক সাহিত্যপ্ৰেমী উপস্থিত থাকে। বিয়লি অনুষ্ঠিত 'কুঁহি' অনুষ্ঠানত শিশু আৰু কিশোৰ-কিশোৰীসকলে দলীয় শ্ৰদ্ধা?লি আলেখ্য, নৃত্য, বাদ্য, অভিনয়, কবিতা আবৃত্তি, সংগীত, সুৰ সমলয় আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান মনোমোহাকৈ পৰিৱেশন কৰি দৰ্শকৰ প্ৰশংসা লাভ কৰে। প্ৰথম দিনা শিশু সকলে 'সীতা হৰণ বালী বধ' শীৰ্ষক ভাওনা প্ৰদৰ্শন কৰে।

# বঙাইগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত 'মাই ভাৰত'ত পঞ্জীয়ন শীৰ্ষক সভা




**বঙাইগাঁও, ২৪ জুলাইঃ** বঙাইগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বৃহস্পতিবাৰে জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত ভাৰত চৰকাৰৰ অধীনস্থ 'মাই ভাৰত' নামৰ যুৱ উন্নয়নমূলক অনুষ্ঠানত ১৫-২৯ বছৰ বয়সৰ যুৱক-যুৱতীসকলৰ ১৫ আগষ্টলৈকে চলিব লগা পঞ্জীকৰণ সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয় । আৰম্ভণীতে বঙাইগাঁও জিলাৰ মাই ভাৰত কাৰ্যালয়ৰ বিষয়-ববীয়াই এই সন্দৰ্ভত প্ৰতিবেদন পাঠ কৰে। জিলা আয়ুক্তই স্নাতকোত্তৰ পৰ্যায়লৈকে বিভিন্ন শিক্ষানুষ্ঠানত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলৰ পঞ্জীকৰণৰ বাবে উৎসাহিত কৰিবলৈ সভাত উপস্থিত বিভিন্ন শিক্ষানুষ্ঠানৰ অধ্যক্ষসকলক অৱগত কৰে । বৰ্তমান গৰমৰ বন্ধ চলি থকাৰ পৰিপ্ৰেক্ষিতত আগষ্ট মাহত স্কুল -কলেজৰ নামভৰ্তি আৰু নিয়মীয়া পাঠদান আৰম্ভ হোৱাৰ লগে লগেই পঞ্জীয়ন প্ৰক্ৰিয়াৰ কামো ত্বৰান্বিত হ'ব বুলি শিক্ষানুষ্ঠানৰ মুৰব্বী বিষয়াসকলে আয়ুক্তগৰাকীক অৱগত কৰে । সভাত জিলা আয়ুক্ত গৰাকীয়ে আনুষ্ঠানিক শিক্ষা সমাপ্ত হোৱা তথা ২৪-২৯ বছৰ বয়সৰ যুৱক-যুৱতীসকলৰ পঞ্জীয়নৰ বাবে বিভিন্ন চৰকাৰী বিভাগৰ জৰিয়তে প্ৰচলন হৈ থকা আঁচনিসমূহ বিশেষকৈ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দৰে আঁচনিৰ হিতাধীকাৰী আৰু আত্ম-সহায়ক গোটৰ ২৯ বছৰ অনুৰ্দ্ধৰ যুৱক -যুৱতীসকলক পঞ্জীয়ন ব্যৱস্থাৰ আওঁতালৈ আনিবলৈ পৰামৰ্শ দিয়ে । একেদৰে ক্ৰীড়া বিভাগৰ অধীনত ১৫-২৯ বছৰ বয়সৰ খেলুৱৈসকলক প্ৰশিক্ষকসকলৰ জৰিয়তে পঞ্জীয়ন কৰাবলৈ ক্ৰীড়া বিভাগৰ বিষয়-ববীয়াক আয়ুক্ত গৰাকীয়ে নিৰ্দেশ দিয়ে । আয়ুক্ত গৰাকীয়ে কয় যে ৰাজ্য চৰকাৰৰ বিভিন্ন চৰকাৰী বিভাগত ২৯ বছৰৰ অনুৰ্দ্ধৰ বৃহৎ সংখ্যক প্ৰতিভাবান কৰ্মচাৰী আছে । এইসকল কৰ্মচাৰীকো বিভাগীয় মুৰব্বীৰ জৰিয়তে এই পঞ্জীয়ন প্ৰক্ৰিয়াৰ লগত অন্তৰ্ভুক্ত কৰাবলৈ আয়ুক্ত গৰাকীয়ে মতপোষণ কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ কুমাৰ দাস, অতিৰিক্ত আয়ুক্ত মৌচুম প্ৰতীম নাথৰ লগতে বিভিন্ন শিক্ষানুষ্ঠানৰ অধ্যক্ষসকল আৰু বিভাগীয় মুৰব্বীসকল উপস্থিত থাকে।

# অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে শিৱসাগৰ জিলা প্ৰশাসনৰ কঠোৰ সকীয়নী

**ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ২৪ জুলাই ঃ** শিৱসাগৰ জিলাৰ সাম্প্ৰতিক বিধ্বংসী বান পৰিস্থিতিৰ সুযোগ লৈ একাংশ অসাধু ব্যৱসায়ীয়ে খাদ্য আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰ কৃত্ৰিম মূল্যবৃদ্ধি কৰাৰ বাতৰি প্ৰশাসনৰ দৃষ্টিগোচৰ হৈছে। জিলা প্ৰশাসনে এনে অসাধু কাৰ্যকলাপত লিপ্ত হোৱা অসাধু ব্যৱসায়ীসকলক তীব্ৰ সকীয়নী প্ৰদান কৰিছে। এই সংকটৰ সময়ত গ্ৰাহকক হাৰাশাস্তি কৰা বা অতিৰিক্ত মূল্য লোৱা প্ৰমাণিত হ'লে সংশ্লিষ্ট ব্যৱসায়ীৰ বিৰুদ্ধে আইনগতভাৱে অতি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।সমগ্ৰ জিলাবাসীক আহ্বান জনোৱা হৈছে যে-যদি কোনো ব্যৱসায়ীয়ে সামগ্ৰীৰ অন্যায্য মূল্য দাবি কৰে বা কক্সলা বজাৰ কৰাৰ চেষ্টা কৰা প্ৰত্যক্ষ কৰে, তেনেক্ষেত্ৰত তাৎক্ষণিকভাৱে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ সৈতে ৯১০১১৯৩৪৭৫ ( ছাজিদ আলী) নম্বৰত হোৱাটছএপ অৱগত কৰাৰ লগতে জনগণক সজাগ আৰু প্ৰশাসনক সহযোগিতা আগবঢ়াবৰ বাবে শিৱসাগৰ জিলা প্ৰশাসনে আহ্বান জনাইছে।

# হোজাইৰ এ কে আজাদ হাইস্কুলত গ্ৰীষ্মকালীন কৰ্মশালা

**বাতৰি কাকত, হোজাই, ২৪ জুলাই ঃ** হোজাই জিলা প্ৰশাসন আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত বিধানসভা সমষ্টি ভিত্তিত বৰহাৰৰ এ কে আজাদ হাইস্কুলত অনুষ্ঠিত ৰপ্ত দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ বৃহস্পতি বাৰে সামৰণি পৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত সাংস্কৃতিক বিকাশ আৰু দক্ষতা বিকাশৰ লক্ষ্যৰে আয়োজন কৰা এই কৰ্মশালাখনত নৃত্য, সংগীত, যোগ, অংকন, আবৃত্তি আৰু ব্যক্তিত্ব বিকাশৰ বিভিন্ন প্ৰশিক্ষণ প্ৰদান কৰা হয়।কৰ্মশালাৰ সামৰণি অনুষ্ঠানত বিদ্যালয়ৰ প্ৰধান শিক্ষক মাধৱ শৰ্মাই আঁত ধৰে। এই মুকলি অনুষ্ঠানত ডবকা পৌৰসভাৰ কাৰ্যবাহী বিষয়া প্ৰশান্তি ভট্টাচাৰ্য, মোৰাঝাৰ জিলা পৰিষদৰ সদস্যা হিনা আমৰিন,বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নজমুল ইছলাম,শিক্ষা বিভাগৰ বিষয়াকে ধৰি স্থানীয় সমাজসেৱীৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু বিপুল সংখ্যক শিক্ষাৰ্থী উপস্থিত থাকে। এই সামৰণি অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা বিদাৰ্থী সকলে নৃত্য, সংগীত আৰু আবৃত্তি আদি প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। ইয়াৰ ফলত সমগ্ৰ অনুষ্ঠানটো উৎসৱমুখৰ পৰিৱেশেৰে ভৰি পৰে। জিলা প্ৰশাসনৰ এই পদক্ষেপে গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ প্ৰতিভা বিকাশৰ সুযোগ প্ৰদান কৰিছে বুলি অভিভাৱকসকলে মত প্ৰকাশ কৰাৰ লগতে বিদ্যালয়খনৰ প্ৰধানশিক্ষকক একমুখে প্ৰশংসা কৰে।কৰ্মশালাত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলৰ মাজত শেষত আনুষ্ঠানিকভাৱে স্বীকৃতি-পত্ৰ বিতৰণ কৰি অনুষ্ঠানৰ সামৰণি পৰে।

# ডিব্ৰুগড় জিলা শাখাৰ আৰ্থিক সাহায্য বানপীড়িতলৈ ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ জুলাই** ভাৰতীয় ৰেডক্ৰছ চক্সছাইটিৰ মানৱীয় আদৰ্শ আৰু সেৱাৰ চেতনাৰে অনুপ্ৰাণিত হৈ ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ ডিব্ৰুগড় জিলা শাখাই চৰাইদেউ জিলা আৰু উজনি অসমৰ সংলগ্ন অঞ্চলসমূহত সংঘটিত প্ৰলয়ংকাৰী বানপৰিস্থিতিত ক্ষতিগ্ৰস্তলোকৰ সহায়ৰ উদ্দেশ্যে জৰুৰীকালীন এক মানৱীয় পদক্ষেপ গ্ৰহণ কৰে। জিলা শাখাৰ সদস্যসকলৰ স্বতঃস্ফূৰ্ত সঁহাৰি আৰু উদাৰ সহযোগিতাৰ ফলত অতি কম সময়ৰ ভিতৰতে কিছু অৰ্থ সংগ্ৰহ কৰি এই সাহায্য ৰাশি ইতিমধ্যে বানপীড়িতলোকৰ কল্যাণৰ বাবে চৰাইদেউ জিলাৰ ৰেডক্ৰছ চ'ছাটিইটিৰ সম্পাদকৰ লগত আলোচনাৰ মৰ্মে তেওঁলোকৰ চ'ছাইটিৰ বেঙ্ক একাউণ্টলৈ এই সাহায্য প্ৰেৰণ কৰা হৈছে আৰু তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। এই সন্দৰ্ভত জিলা শাখাৰ সভাপতি ড° পংকজ কুমাৰ শ্ৰুতিকৰে কয় যে, "সাহায্যৰ পৰিমাণ হয়তো বৃহৎ নহ'ব পাৰে, কিন্তু ইয়াৰ মাজত নিহিত হৈ আছে আমাৰ সদস্যসকলৰ গভীৰ মানৱীয় দায়বদ্ধতা, সহমৰ্মিতা আৰু দুৰ্যোগৰ সময়ত অসহায়লোকৰ কাষত থিয় দিয়াৰ আন্তৰিক দায়বদ্ধতা। আমি বিশ্বাস কৰোঁ, এনে এক দুৰ্যোগৰ সময়ত এই অৱদানে ও বানপীড়িত পৰিয়ালসমূহক কিছু সকাহ দিয়াৰ লগতে নতুন সাহস আৰু আশাৰ সঞ্চাৰ কৰিব। তেওঁ লগতে কয় যে, ভৱিষ্যতেও যিকোনো প্ৰাকৃতিক দুৰ্যোগ সংকটৰ সময়ত ভাৰতীয় ৰেডক্ৰছ চ'ছাইটি, ডিব্ৰুগড় জিলা শাখাই সম্ভৱপৰ সকলো সহায় আগবঢ়াবলৈ সদায় প্ৰতিশ্ৰুতিবদ্ধ। এই কাৰ্যসূচীত আন্তৰিকতাৰে আৰ্থিক অৱদান আগবঢ়োৱা জিলা শাখাৰ সকলো সদস্য তথা উপ -পৃষ্ঠপোষক সকললৈ চ'ছাইটিৰ সভাপতিয়ে গভীৰ কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# মৰিগাঁৱৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ত বিদায় সম্বৰ্ধনা

**মৰিগাঁও, ২৪ জুলাই ঃ** মৰিগাঁও জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ উদ্যোগত বুধবাৰে কাৰ্যালয় প্ৰাংগণত দুই অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানতে কাৰ্যালয়ৰ স্বাস্থ্য প্ৰশিক্ষক, বিশিষ্ট কবি সাহিত্যিক জ্যোতিষ বৰ্মন আৰু উচ্চবৰ্গৰ সহায়ক চিত্ৰকান্ত শৰ্মাৰ কৰ্মময় জীৱনৰ বৰ্ণিল যাত্ৰাৰ প্ৰতি সন্মান জনাই জাপি, গামোচা, শৰাই, মানপত্ৰ, গ্ৰন্থৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। মৰিগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰাৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ আঁত ধৰে জ্যেষ্ঠ কৰ্মচাৰী নৱ কুমাৰ মেধিয়ে। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মাই অৱসৰগ্ৰহণ কৰা কৰ্মচাৰীদ্বয়ৰ সুদীৰ্ঘ কৰ্মজীৱন আৰু জনসাধাৰণৰ প্ৰতি আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ ওপৰত আলোকপাত কৰি দুয়োৰে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। অনুষ্ঠানটোত প্ৰাক্তন যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অৰুণ কুমাৰ নাথ, স্বাস্থ্য বিষয়া ডাঃ জয়া বড়ো, পিনাকীভূষণ মহন্ত, জেষ্ঠ গাণনিক বিষয়া সূৰ্য পাতৰ প্ৰমুখ্যে কেবাগৰাকীও কৰ্মচাৰীয়ে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীদ্বয়ৰ নিষ্ঠা, কৰ্তব্যপৰায়ণতা আৰু কাৰ্যালয়লৈ আগবঢ়োৱা অনবদ্য সেৱাৰ কথা সোঁৱৰণ কৰে। অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত স্বাস্থ্য প্ৰশিক্ষক জ্যোতিষ বৰ্মনে এটি চমু ভাষণ প্ৰদান কৰি চাকৰি জীৱনত লাভ কৰা অভিজ্ঞতা, জিলাবাসীৰ বাবে পালন কৰা দায়িত্ব-কৰ্তব্য আৰু মৰিগঞা সমাজজীৱনৰ প্ৰতিআগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ বিষয়ে বৰ্ণনা কৰে।

# গুৱাহাটীত অসম লেখিকা সমাজৰ আইন সজাগতা সভা




**গুৱাহাটী, ২৪ জুলাই ঃ** অসম লেখিকা সমাজৰ উদ্যোগত আৰু কামৰূপ মহানগৰ জিলা লেখিকা সমাজৰ সহযোগত মহানগৰীৰ গড়চুকৰ আহোমগাঁওস্থিত এছ কে হাজৰিকা কলেজৰ প্ৰেক্ষাগৃহত এখন আইন সজাগতা সভা অনুষ্ঠিত হৈ যায়। যোৱা ১৯ জুলাইত অনুষ্ঠিত হোৱা 'মহিলাৰ ওপৰত ঘৰুৱা অত্যাচাৰ-উৎপীড়ন আৰু প্ৰতিকাৰৰ উপায়' শীৰ্ষক আইনী সজাগতা সভাখনত সভাপতিত্ব কৰে অসম লেখিকা সমাজৰ সভাপতি পদুমী গগৈয়ে। বন্তি প্ৰজ্বলন কৰে অসম লেখিকা সমাজৰ উপ-সভাপতি দীপ্তি গগৈ বৰুৱাই। সভাৰ উদ্দেশ্য বাখ্যা কৰে প্ৰতিভা দেৱী দস্তিদাৰে। আদৰণি ভাষণ প্ৰদান কৰে কামৰূপ মহানগৰ জিলা লেখিকা সমাজৰ সভাপতি ৰত্না ৰংচেহনপীয়ে। সভাখন উদ্বোধন কৰে অসম লেখিকা সমাজৰ উপদেষ্টা বিশিষ্ট লেখক ধীৰেন শৰ্মাই। আইনী সজাগতা সভাখনত মূল সমল ব্যক্তি ৰূপে উপস্থিত থাকে এন ই এফ আইন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা ড° ৰুমা বৰদলৈ। তেওঁ সমাজৰ কেৰোণবোৰ, আইনৰ সুৰক্ষাবোৰৰ বিশদভাবে আলোচনা কৰি কয় যে মাতৃসকলে কন্যা সন্তানসকলক সৰুৰে পৰা মানসিকভাবে সবল কৰি তুলিব লাগিব আৰু ল'ৰা-ছোৱালীৰ মাজত পাৰ্থক্যৰ সৃষ্টি নকৰি ছোৱালীবোৰক স্বাৱলম্বী হ'বলৈ প্ৰেৰণা যোগাব লাগিব। সভাত লেখিকা সমাজৰ আইন উপ-সমিতিৰ মুখ্য আহ্বায়ক তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা লক্ষ্মী মিশ্ৰই নাৰী সম্পৰ্কিত আইনৰ উদ্ধৃতি দি নাৰীয়ে কোন কোন সময়ত কি কি আইনী পন্থা ল'ব লাগে সেই সন্দৰ্ভত আলোচনা কৰে। অসম লেখিকা সমাজৰ সম্পাদক জ্যোতি মালাকৰ কাকতিয়ে জানিবলৈ দিয়া মতে তামুলপুৰ জিলা লেখিকা সমাজৰ মাধুৰী দাস, অৰ্চনা চৌধুৰী, কামৰূপ জিলা লেখিকা সমাজ, ৰঙিয়াৰ সবিতা বৰ্মন, বীণা মহন্ত, কামৰূপ মহানগৰৰ ৰঞ্জনা দেউৰী, প্ৰাগজ্যোতিষপুৰ আঞ্চলিক লেখিকা সমাজৰ কাঞ্চন কেজৰিৱাল, মধ্য গুৱাহাটীৰ হিৰন্ময়ী পাঠক, ললিতা বৈশ্য প্ৰমুখ্যে বিভিন্ন প্ৰান্তৰ পৰা অহা লেখিকা সকলৰ লগতে আহোমগাঁৱৰ প্ৰায় অৰ্দ্ধশতাধিক মহিলাই এই আইনী সজাগতা সভাত উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় প্ৰতিভা দেৱী দস্তিদাৰে।

No.DPRD/BTC/(15th FC)UT(X)/Udl-02/2026/09 Dated Kokrajhar the 15th July, 2026

**PRESS NOTICE**

***(e-Procurement)***

The Director, P&RD, BTC, Kokrajhar invites bids for implementation of work "Const. of RCC slab culvert at Jhilkhakhat Don Bosco School" for an amount not exceeding of Rs. 21,00,000.00 (Rupees twenty one lakhs) only under 15th Finance Commission Untied Grant (1st & 2nd instt.) for the year 2025-26 during 2026-27 from the registered contractors of Class-I & Class-II (A, B & C) category of Assam PWD (Roads) / (Building), BTC.

Details may be seen at website http://assamtenders.gov.in and also at the Office of the undersigned during office hours.

Sd/- Director,
Panchayat & Rural Development,
BTC, Kokrajhar

**IPR(BTC)/C/2026-27/846**

## জুৰীয়াত আৰক্ষীৰ অভিযানত এক ড্ৰাগছ সৰবৰাহকাৰী

**বাতৰি কাকত, জুৰীয়া, ২৪ জুলাইঃ** নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে জুৰীয়া আৰক্ষীৰ এক অভিযানত কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী আব্দুল আলিক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী আব্দুল আলিৰ ঘৰ জুৰীয়াৰ কেন্দুগুৰিত। যোৱা নিশা এক গোপন সূত্ৰৰ ভিত্তিত জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কাৰ্তিক বাচাকৰ নেতৃত্বত আৰক্ষীৰ এটি দলে জুৰীয়াৰ নগাবন্ধাৰ পৰা আব্দুল আলিক আটক কৰাৰ লগতে উক্ত ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰে। অধিক তথ্যৰ বাবে ড্ৰাগছ সৰবৰাহকাৰী আব্দুল আলিক জেৰা অব্যাহত ৰাখিছে জুৰীয়া আৰক্ষীয়ে।

### অবৈধ শিল-কয়লা খননৰ পৰিণতিতেই পৰোক্ষভাবে প্ৰলয়ংকাৰী বানৰ সৃষ্টি শিৱসাগৰ-চৰাইদেউ জিলা

# অসম-নগালেণ্ড চৰকাৰে অবৈধ শিল-কয়লা খনন কাৰ্য বন্ধ কৰা উচিত ঃ মতিউৰ ৰহমান

**বাতৰি কাকত, ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ জুলাই ঃ** অসম নগালেণ্ড সীমান্তত দিখৌ নদীৰ বুকুত থকা শিলাখণ্ড নদীৰ স্বভাবিক গতিৰ ক্ষতি কৰি অবৈধভাবে খনন কৰি নি থকাৰ ফলতেই পাহাৰৰ মাটি বৰষুণৰ ফলত খহি ব্যাপক খহনীয়া হৈ আছিল কেইবা বছৰৰ পৰা । সেয়ে এই প্ৰলয়ংকাৰী বানৰ সৃষ্টি হ'ল বুলি সন্দেহ কৰাৰ থল আছে বুলি অসম সন্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে কয় । এক প্ৰেছ বিজ্ঞপ্তিত মতিউৰ ৰহমানে কয় যে দিখৌ নদীৰ বিভিন্ন ঠাইত ব্যাপক গৰাখহনীয়াও সৃষ্টি হৈ আছিল । প্ৰায় ১৬০ কিলোমিটাৰ দীঘল দিখৌ নদীৰ উৎপত্তি হৈছে নগালেণ্ডৰ জুনহেব'টো জিলাৰ নুৰুটো পাহাৰৰ পৰা । অতিশয় মনোমোহা প্ৰাকৃতিক পৰিৱেশেৰে নুৰুটো পাহাৰৰ পৰা নামি অহা এই দিখৌ নদীয়ে মোককচাং আৰু লুংলেই জিলাৰ মাজেৰে বৈ গৈ অসমত প্ৰৱেশ কৰি শেষত দিখৌ মুখত মহাবাহু বৰ লুইতত বিলীন হৈ গৈছে । দিখৌ নদীৰ জৈৱ বৈচিত্ৰ্যও উল্লেখনীয় । দিখৌ নদীত ৩০ বিধ পাহাৰুৱা মাছৰ প্ৰজাতিও আছে । স্থানীয় মৎস্য জীৱী লোকৰ জীৱিকাৰ ক্ষেত্ৰত ইয়াৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে । অবৈধ শিল আৰু কয়লা খননে জৈৱ বৈচিত্ৰ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে আৰু বহু প্ৰজাতিৰ মাছও বিলুপ্ত হৈ গৈছে । এই দিখৌ নদী হাজাৰ হাজাৰ বছৰ ধৰি কৃষি, পৰিৱেশ আৰু জনজীৱনৰ বাবে সম্পদ ৰূপে পৰিগণিত হৈ আহিছে বুলিও ৰহমানে সকীয়াই দিয়ে । ২০১৯ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ত নাজিৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক দেৱব্ৰত শইকীয়াই ৬২ ২০১৯ নং ৰাজহুৱা স্বাৰ্থজড়িত আবেদনত দিখৌ নদীৰ বুকুত চলি থকা অবৈধ শিলৰ খনন কাৰ্য বন্ধ নকৰিলে নদীখনৰ ব্যাপক ক্ষতি হোৱাৰ লগতে ভয়ানক বানপানী আৰু গৰাখহনীয়াই অঞ্চলটোৰ প্ৰচুৰ ক্ষতি সাধন কৰিব বুলি আবেদন জনাইছিল । ২০১৯ চনৰ ২১ অক্টোবৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে অবৈধ শিল খনন ৰোধ কৰিবলৈ বিশেষ 'মাইনচ এণ্ড মিনাৰেলছ টাস্ক ফোৰ্চ' গঠন কৰিবলৈ আৰু নদী সংৰক্ষণৰ বাবে উচ্চ ক্ষমতা সম্পন্ন সমিতি গঠন কৰাৰ নিৰ্দেশ দিছিল । কিন্তু দুৰ্ভাগ্যজনক ভাবে চৰকাৰে আজিলৈকে সেই নিৰ্দেশ পালনেই নকৰিলে । বৰ্তমান দিখৌ নদীৰ ব্যাপক-প্ৰলয়ংকাৰী বানপানী আৰু গৰাখহনীয়াই ঘৰ-বাৰী, সা-সম্পত্তি, অসংখ্য পোহনীয়া জন্তু আৰু ৪৮ জন মানুহৰ মৃত্যু ঘটাইছে । এতিয়াও শতাধিক লোক নিখোজ হৈ আছে । দিখৌ নদীৰ ক্ষেত্ৰত ২০১৯ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশ যথাযথভাবে কাৰ্যকৰী কৰা হ'লে বৰ্তমানৰ মানুহ আৰু জীৱজগতৰ এনে কৰুণ আৰু অ-পূৰণীয় ক্ষতি নহ'লহেঁতেন বুলি ৰহমানে অতি ক্ষোভেৰে কয় । সেয়ে এচাম লুণ্ঠনকাৰী মানুহৰ জঘণ্য অপৰাধ আৰু অসৎ কাৰ্যৰ বাবেই এই ভয়ানক দুৰ্যোগ আৰু ক্ষতি হ'ল ।লগতে ৰহমানে আৰু কয় যে অসম নগালেণ্ড সীমান্তত অবৈধ ভাবে চলি থকা কয়লা খননৰ বাবেও বহু প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈ আছিল । এই গাতবোৰত পানী জমা হৈ ডাঙৰ ডাঙৰ পুখুৰীৰ দৰে হৈ পৰিছিল । সেইবোৰো ব্যাপক বৰষুণৰ ফলত খহি আহি দিখৌ নদীৰ বুকুত পৰি ব্যাপক বানৰ সৃষ্টিত অৰিহণা যোগাইছিল । এনে অপৰিকল্পিত অবৈধ কয়লা খনন কাৰ্যও এই ব্যাপক বান তথা দুৰ্যোগৰ কাৰণ । জানিব পৰা মতে নাগালেণ্ডে অসম চৰকাৰক আগতিয়াকৈ এনে দুৰ্যোগৰ সম্ভাৱনাৰ কথা জনাইছিল । কিন্তু অসম চৰকাৰে সময়মতে উচিত ব্যৱস্থা লৈ চাইৰেণ বজাই ৰাইজক সাৱধান কৰি দিয়া হেতেন কিছু পৰিমাণে সা-সম্পত্তি আদি ৰক্ষা কৰিবলৈ সক্ষম হ'লহেতেন বুলি ৰহমানে কয় । অসম ৰাজ্যিক দুৰ্যোগ প্ৰৱন্ধন প্ৰাধিকৰণ বিভাগে এই ক্ষেত্ৰত দায়িত্ব আৰু কৰ্তব্য পালন কৰা নাই। সেয়ে এই বিভাগৰ মুখ্য কাৰ্যবাহী বিষয়া সহ উচ্চ পদস্থ বিষয়াসকলক শীঘ্ৰে চাকৰিৰ পৰা বৰ্খাস্ত কৰা উচিত বুলি ৰহমানে কয় । এইয়া ক্ষমাৰ অযোগ্য অপৰাধ । বৰ্তমান দি থকা বান সাহায্যও পৰ্যাপ্ত হোৱা নাই । বহু ঠাইত খাদ্য সামগ্ৰী বিতৰণ সমানুপাতিক হোৱা নাই । কিছুমান ঠাইত খাদ্য-সামগ্ৰী দূৰৰ কথা খোৱা পানীয়েই পোৱা নাই। কিছুমান ৰাজনৈতিক দালালে সাহায্য সামগ্ৰীও লুণ্ঠন কৰাৰ অভিযোগ উঠিছে । ৰহমানে কয় যে দুয়োখন জিলাৰ আয়ুক্ত দুগৰাকীয়ে নিজৰ বিশেষ দল লৈ অঞ্চলে অঞ্চলে নিৰীক্ষণ চলাই থকা উচিত যাতে সাহায্য সঠিকভাবে বিতৰণ কৰাত কোনো পক্ষপাতিত্ব নহয় ।

# নলবাৰীত এটা মুখ্য পথে বিপদ কঢ়িয়াই আনিছে ৰাইজৰ ঃ মুখ্য পথৰ ঠায়ে-ঠায়ে গাত সদৃশ পৰিৱেশ



**বাতৰি কাকত, ধমধমা, ২৪ জুলাই ঃ** নলবাৰী জিলাৰ নলবাৰী চহৰৰ পৰা নলবাৰী মেডিকেল কলেজলৈ যোৱা মুখ্য পথটোত বিশেষকৈ সন্ধাত পথৰ দুৰৱস্থা পৰিলক্ষিত হয় ।ইয়াকলৈ অতিষ্ঠ হৈ পৰিছে পথছাৰী। নলবাৰী চহৰলৈ পূব প্ৰান্তৰ পৰা আহিবলৈ তথা নলবাৰী চহৰৰ পৰা নলবাৰী মেডিকেল কলেজলৈ যাবলৈ ব্যৱহাৰ কৰা মুখ্য পথটোত বিশেষকৈ সন্ধা শ্ৰীমন্ত শংকৰদেৱ নামঘৰৰ পৰা সন্ধা ৰেল গেইটৰ ওচৰলৈ পথটোৰ ভিন্ন প্ৰান্তত গাত সদৃশ পৰিৱেশৰ সৃষ্টি হৈছে। এই গাত সমূহৰ বাবে ইতিমধ্যে কেইবাটাও সৰু-ডাঙৰ দূৰ্ঘটনা সংঘটিত হৈছে। সন্ধিয়া যেতিয়া এই পথেৰে লোক সকলে যান-বাহনৰে অহা-যোৱা কৰে ভূলঃবশত গাতত পৰে। ফলশ্ৰুতিত সৰু-ডাঙৰ দূৰ্ঘটনা সংঘটিত হয় ।ইয়াৰ ফলত পথছাৰীয়ে উক্ত শোচনীয় পথৰ বাবে ঠাইখিনিক তিৰষ্কাৰ কৰে। আনহাতে ভুক্তভূগি ৰাইজে বিভাগীয় কতৃপক্ষক তথা নলবিৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাক অতি শিঘ্ৰে পথটো মেৰামতী কৰিবলৈ আহ্বান জনাই। লগতে ক্ষোভ প্ৰকাশ কৰি কয় যে উক্ত পথেৰে মন্ত্ৰী-বিধায়ক-প্ৰশাসনিক বিষয়া সকলে বিভিন্ন সময়ত অহা-যোৱা কৰে যদিও পথটোৰ কথা এবাৰো চিন্তা নকৰে।এই পথটোৰ বাবে যেন ভৱিষ্যতে কাৰো দুৰ্ঘটনা নহয়। সেয়ে অতি শিঘ্ৰে বিভাগীয় কতৃপক্ষক ব্যৱস্থা লবলৈ স্থানীয় ৰাইজে আহ্বান জনাই।

*কাৰাগাৰত বন্দী বহু শিখ*

## মুক্তিৰ দাবীত ১৪ৰাজ্য পদব্ৰজে ভ্ৰমণ শিখ যুৱকৰ

**বাতৰি কাকত, তেজপুৰ, ২৪ জুলাই ঃ** কাৰাগাৰত বন্দী হিচাপে শাস্তিৰ ম্যাদ উকলি যোৱাৰ পিছতো পঞ্জাৱৰ বহুসংখ্যক শিখ লোকক কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হোৱা নাই। বৰ্তমানেও পঞ্জাৱৰ লগতে দিল্লীকে ধৰি দেশৰ বিভিন্ন ৰাজ্যৰ কাৰাগাৰত এনে বহুসংখ্যক লোক বন্দী হৈ আছে। এনে ঘটনাৰ প্ৰতিবাদত বিগত প্ৰায় নমাহে পঞ্জাৱৰ এজন শিখ যুৱকে দেশযোৰা পদযাত্ৰা কৰি শাস্তিৰ ম্যাদ অতিক্ৰম কৰা সত্বেও কাৰাবন্দী হৈ থকা সকলৰ মুক্তিৰ দাবী জনাইছে। পঞ্জাৱৰ পৰা পদযাত্ৰা কৰি এইজন যুৱক শোণিতপুৰৰ বালিপৰাত উপস্থিত হোৱাৰ পিছত আজি তেওঁ যাত্ৰা কৰিছে অৰুণাচল প্ৰদেশলৈ। পঞ্জাৱৰ এই যুৱক জনৰ নামৰ জেচ্ছা সিং খালছা। উল্লেখযোগ্য যে, যুৱকজনে ইতিমধ্যে দেশৰ ৰ খন ৰাজ্য পদব্ৰজে ভ্ৰমণ কৰি অসমত উপস্থিত হোৱাৰ পাছত তেওঁ বালিপৰাত উপস্থিত হয়হি আৰু ইয়াৰপৰাই তেওঁ অৰুণাচল প্ৰদেশলৈ যাত্ৰা কৰে ।অৰুণাচল প্ৰদেশ হ'ল তেওঁৰ এই যাত্ৰাৰ ১৪সংখ্যক ৰাজ্য। শাস্তিৰ ম্যাদ উকলাৰ পাছতো বৰ্তমান পৰ্যন্ত কাৰাবন্দী হৈ থাকিবলগীয়া হোৱা শিখ বন্দী সকলক শীঘ্ৰেই মুকলি কৰি দিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনোৱা জেচ্ছা সিং খালছা নামৰ যুৱকজনে লগতে কয় যে,এনে ঘটনাৰ বিৰুদ্ধে ইতিমধ্যে পঞ্জাৱতো এক প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। এইপ্ৰতিবাদ বাবৰ খালছা ৰাজ সিঙৰ নেতৃত্বত অব্যাহত আছে ।আনহাতে এই ক্ষেত্ৰত দেশৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ জেচ্ছা সিং খালছাই এই পদযাত্ৰা কৰিছে বুলি সংবাদমাধ্যমৰ আগত সদৰি কৰে। আনহাতে,তেওঁ যাত্ৰাৰ সময়ত অসমৰ ৰাইজৰ আতিথ্যৰো শলাগ লয়।

## ৰতিকান্ত তালুকদাৰৰ সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভা

**বাতৰি কাকত, টিহু, ২৪ জুলাই ঃ** টিহুৰ শিয়ালমাৰী (কৃষ্ণপুৰী চুবুৰি) নিবাসী শিল্পী, খেলুৱৈ, সমাজহিতৈষী ব্যক্তি ৰতিকান্ত তালুকদাৰৰ এটি আৱক্ষ মূৰ্তি আৰু এখন সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভা অহা ৩ আগষ্ট সোমবাৰে দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। এই উপলক্ষে সিদিনা শিয়ালমাৰীত (কৃষ্ণপুৰী চুবুৰি) পুৱাৰ ভাগত ভাগৱত পাঠ কৰাৰ পাছত ১০ বজাত আৱক্ষ মূৰ্তি উন্মোচন আৰু সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব। সোঁৱৰণী গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি দিবাকৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিতব্য সভাত আৱক্ষ মূৰ্তি উন্মোচন কৰিব গুৱাহাটীৰ শান্তি সাধনা আশ্ৰমৰ কুলপতি হেমভাইয়ে, সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট সাহিত্যিক তথা বি এইচ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব শ্ৰীশ্ৰীকৃষ্ণপুৰী মানৱধৰ্ম প্ৰচাৰিণী সংঘৰ প্ৰাক্তন সভাপতি বগাৰাম বৰ্মন আৰু সাহিত্য একাডেমী বঁটা প্ৰাপক ড° অঞ্জলি দৈমাৰীয়ে। উক্ত কাৰ্যসূচীত সোঁৱৰণী গ্ৰন্থৰ লেখক-লেখিকা, শুভাকাংক্ষী,আত্মীয় স্বজন আৰু বন্ধু-বান্ধৱ সকলক উপস্থিত থাকিবলৈ গ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদক গুণজিত মেধি আৰু ডা° হীৰকজ্যোতি তালুকদাৰে আহ্বান জনাইছে।

## জাগীৰোডত সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা সামৰণি

**বাতৰি কাকত, জাগীৰোড, ২৪ জুলাই ঃ** জাগীৰোড সমজিলাৰ অন্তৰ্গত ঐতিহাসিক পশ্চিম জোনবিলৰ মহিলা সকলৰ উদ্যোগত প্ৰথম বাৰৰ বাবে অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতাখনি বুধবাৰে সফল সামৰণি পৰে। প্ৰতিকূল বতৰৰ মাজতো বুধবাৰে পশ্চিম জোনবিল ৰঙ্গমঞ্চত অনুষ্ঠিত এই প্ৰতিযোগিতাত নগাঁও, মৰিগাঁও হোজাই আদি কেইবাখনো জিলাৰ দিহানামৰ দলসমূহে অংশগ্ৰহণ কৰি সমগ্ৰ অঞ্চলটো হৰি নামৰ ধ্বনিৰে মুখৰিত কৰি তোলে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি পুৱা ৮:০০ বজাত পতাকা উত্তোলন কৰে সভানেত্ৰী প্ৰমিলা দেউৰীয়ে আৰু বন্তি প্ৰজ্বলন কৰে জাগী ভকত গাঁও শাখা সাহিত্য সভাৰ সভাপতি মিনতি দেৱীয়ে। তাৰ পাছতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে শিক্ষয়িত্ৰী চেনেহী ডেকাই। উক্ত অনুষ্ঠিনত অসম সত্ৰ মহাসভাৰ মৰিগাঁও জিলা সমিতিৰ উপদেষ্টা ক্ষীৰোদ গোস্বামী, অসম সত্ৰ মহাসভাৰ মৰিগাঁও জিলা সমিতিৰ সম্পাদক বিমল বৰকাকতি, সমাজকৰ্মী শান্তনু হাজৰিকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত সাহিত্য, সংস্কৃতি, আধ্যাত্মিক আদি ক্ষেত্ৰৰ সৈতে সংপৃক্ত হৈ অঞ্চলটোলৈ বিশেষ অৰিহণা আগবঢ়োৱা আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলক আৰু পুৰস্কাৰ দাতাসকলক সম্বৰ্ধনা জনাই উদ্যোক্তাসকলে। আবেলি ৩ বজাত পশ্চিম জোনবিল গাঁৱৰ কণমানি সকলে পৰিৱেশন কৰা এটি দিহানামেৰে প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰা হয়। জানিব পৰা মতে বিক্ৰম বৰা আৰু হিমু বৰা বিচাৰক হিচাপে উপস্থিত থকা প্ৰবল প্ৰতিদ্বন্দ্বিতামূলক প্ৰতিযোগিতা খনিত ১৯ টা দলে অংশগ্ৰহণ কৰে। শেষ নিশা ওলোৱা ফলাফল অনুসৰি শংকৰ মাধৱ শিল্পী সমাজৰ নামতি দল আৰু ৰুদ্ৰাক্ষ মালা নামতি দলটোৱে যুটীয়াভাৱে অধিকাৰ কৰে প্ৰথম স্থান। একেদৰে যুটীয়াভাৱে দ্বিতীয় স্থান অধিকাৰ কৰে ৰাধাকৃষ্ণ আৰু কৃষ্ণচূড়া নামতি দল দুইটাই। মণিকাঞ্চন শিল্পী সমাজ দিহানাম দল আৰু দয়ানিধি দিহানাম দলে যুটীয়াভাৱে লাভ কৰে তৃতীয় স্থান। বিচাৰকৰ তিনিটাকৈ উদগনি পুৰস্কাৰ লাভ কৰে ক্ৰমে ময়ুৰ পংখী দিহানাম দল, শংকৰী কলা কৃষ্টি দিহানাম দল আৰু কৃষ্ণাই নামতি দলে। শ্ৰেষ্ঠ তাল বাদকৰ সন্মান লাভ কৰে পাঞ্চজন্য দিহানাম দলে। আনহাতে শ্ৰেষ্ঠ নেগেৰা বাদকৰ সন্মান আজুৰি আনে মণিকাঞ্চন শিল্পী সমাজে আৰু শ্ৰেষ্ঠ নামতিৰ খিতাপ লাভ কৰে নৱজাগৰণ চেমনীয়া নামতি দলৰ নামতিয়ে। উল্লেখ্য যে শান্তনু হাজৰিকা আৰু কনকেশ্বৰ ডেকাই আঁতধৰা আধ্যাত্মিক অনুষ্ঠানটোতে বিজয়ী প্ৰতিযোগী সকলক নিৰ্দিষ্ট কৰি থোৱা নগদ ধনেৰে পুৰস্কৃত কৰা পৰিলক্ষিত হয়।

# আই নৈয়ে ভাবুকিৰ সৃষ্টি কৰিছে বৰঘোলা-আমগুৰিৰ মাজত থকা মথাউৰি

**বাতৰি কাকত, নাজিৰা, ২৪ জুলাইঃ** বৰঘোলা-কাহিবাৰী পকী দলঙৰ আধা কিলোমিটাৰ মান উজনিৰ দিশৰ আই নৈখনে খহনীয়াৰ সৃষ্টি কৰাত বৃহত্তৰ সৃজনগ্ৰাম অঞ্চললৈ ভাবুকিৰ সৃষ্টি হৈছে । উত্তৰৰ পৰা দক্ষিণ দিশে বৈ যোৱা আই নৈখনে চলিত বাৰিষাত তীব্ৰ খহনীয়াৰ সৃষ্টি কৰি কেবা শ বিঘা মাটি নৈৰ বুকুত বিলীন কৰিছে । সম্প্ৰতি নৈ খনে ধেনুভিৰীয়া হৈ যি মাত্ৰাত খহনীয়া আৰম্ভ কৰিছে ,সেই মাত্ৰা অব্যাহত থাকিলে এই বাৰিষাতে নাইবা অহা বাৰিষাত বৰঘোলা আৰু আমগুৰিৰ মাজত থকা মথাউৰিটো বা মথাউৰিৰ ওপৰত বনোৱা লোকনিৰ্মান বিভাগৰ পথটো তচনচ কৰিব । যদি মথাউৰিৰ ওপৰত থকা পথটো তচনচ হয় তেতিয়াহলে বৃহত্তৰ সৃজনগ্ৰাম অঞ্চলক আই নৈৰ বাঢ়নী পানীয়ে প্লাৱিত কৰিব । মনকৰিবলগীয়া এই যে বৃহত্তৰ সৃজনগ্ৰাম অঞ্চলক আই নৈৰ বাঢ়নী পানীৰ পৰা বৰঘোলা-সিদলসতী মথাউৰিটোৱে সুৰক্ষা প্ৰদান কৰি আহিছে । সেই মথাউৰিটোৱে বৰঘোলাৰ পৰা চক্ৰশিলালৈকে থকা অংশছোৱা চৰকাৰে চিচিল্লকৰে পকীকৰণ কৰিছে । শেহতীয়াভাৱে আই নৈ খনে য'ত খহনীয়াৰ তাণ্ডৱ সৃষ্টি কৰিছে তাৰ পৰা বৰঘোলা-সিদলসতী মথাউৰিটোৰ দুৰত্ব আনুমানিক ৩-৪ শ মিটাৰ মান হে হ'ব । ইয়াৰ উপৰি মথাউৰিটো আৰু বৰ্তমান বৈ থকা নৈখনৰ গৰাৰ মাজত আছে আই নৈখনৰে মৰাসুঁতি ।



সেই মৰাসুঁতিৰ কিছু সুঁতি আছে মথাউৰিটোৰ একেবাৰেই কাষতে । অৰ্থাৎ নৈখনৰ খহনীয়া অব্যাহত থাকিলে নৈ খনৰ পৰা আনুমানিক ১০০-১৫০ মিটাৰ কাষত বা তাতকৈ কম দুৰত্বত থকা মৰাসুঁতিৰ সতে সংযোগ হ'লেই নৈখনে নতুন ৰূপ লোৱাৰ সম্ভাৱনা জাগ্ৰত হৈ পৰিছে । সৰ্পিল গতিত বৈ যোৱা আই খনে ৰাখালডুবীৰ আই নৈৰ দলংৰ পাছতে নৈখনৰ সোঁফালৰ নাচনগুৰি , চেচাপানী, হুৱামাৰাৰ অংশত খুন্দা মাৰি চিধাই খুন্দা মাৰিছে বাওঁফালৰ বাঁশবাৰী, তিলপুখুৰি এলেকাত আৰু তাৰপাছত সোঁফালৰ আমগুৰি, চিল্যাপাৰাৰ অংশছোৱাত খুন্দা মাৰি আৰম্ভ কৰিছে খহনীয়াৰ । সেই খহনীয়াই ভাবুকিৰ সৃষ্টি কৰিছে বৰঘোলা আৰু আমগুৰিৰ মাজত থকা মথাউৰিৰ অংশছোৱাক। এই বছৰৰ খহনীয়াত বহু লোকৰ মৰাপাট, শালিধান, ৰবিশস্যৰ বাগান সহ বহু শ বিঘা মাটি নিচিহ্ন কৰিছে । সময় থাকোঁতে নৈখনৰ খহনীয়া ৰোধ নকৰিলে অনাগত দিনত আশী ,নব্বৈ দশহত হোৱা বানপানীৰ পুনৰাবৃত্তি হ'ব বুলি নৈ পৰীয়া ৰাইজ সকলে ধাৰণা কৰি লৈছে । নব্বৈ দশকত হোৱা প্ৰলয়ংকাৰী বানত বৃহত্তৰ সৃজনগ্ৰামৰ ৭০ শতাংশ মাটিত বোকাৰ পলসে কৰিছিল নষ্ট । মৰি গৈছিল বাৰীৰ তামোল পান । বিধ্বস্ত হৈ পৰিছিল বাট পথ, ৰাস্তাঘাট। শ শ লোক হৈ পৰিছিল নিশাটোৰ ভিতৰতে কঙাল। সেই পৰিৱেশৰে পুনৰাবৃত্তি হ'ব যদিহে চৰকাৰে শীঘ্ৰে আই নৈৰ খহনীয়াক ৰোধ নকৰে। ৰাইজে বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছে।

## ভূৰাগাঁৱত গৰু সহ স্থানীয় ৰাইজে কৰায়ত্ত কৰিলে চোৰ

**বাতৰি কাকত, ভূৰাগাঁও, চ২৪ জুলাই ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত হাতীলৰুৱা পথাৰ গাঁৱত নিশা চুৰি গৰুসহ স্থানীয় ৰাইজে এটা গৰু চোৰ হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। স্থানীয় লোকে গৰু সহ কৰায়ত্ত কৰা চোৰটোৰ নাম ছাদ্দাম হুছেইন। ঘটনাৰ সন্দৰ্ভত জানিব পৰা মতে, ভূৰাগাঁও থানাৰ অন্তৰ্গত পশ্চিম বালিডোংগা গাঁৱৰ পৰা যোৱা নিশা এহাল গৰু চোৰ হয় ।পাছত অঞ্চলটোত গৰু চুৰি খবৰটো মুখে মুখে বিয়পি পৰাত অঞ্চলটোৰ হাতীলৰুৱা পথাৰ গাঁৱত স্থানীয় লোকে পুৱতি নিশা এহাল গৰু সহ এজনক কৰায়ত্ত কৰে। পাছত খবৰ পাই পশ্চিম বালিডোংগা গাঁৱৰ আব্দুল ছাত্তাৰ নামৰ গৰুৰ গৰাকীজন ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ হোৱা গৰু হাল চিনাক্ত কৰে। ইফালে গৰু চোৰটোয়ে বটালিমাৰী গাঁৱৰ ছাদ্দাম হুছেইন বুলি ৰাইজৰ আগত নিজৰ পৰিচয় দিয়ে। উল্লেখ্য যে চোৰটোৰ কবলৰ পৰা স্থানীয় লোকে চুৰি গৰু এহাল লগতে চুৰিকাৰ্যত ব্যৱহাৰ কৰা বহু সা- সামগ্ৰী জব্দ কৰে ।পাছত স্থানীয় ৰাইজে ধৃত চোৰটোক ভূৰাগাঁও থানাৰ আৰক্ষীৰ হাতত চমজাই দিয়ে। প্ৰণিধানযোগ্য যে লাহৰীঘাট আৰু ভূৰাগাঁও থানাৰ এলেকাধীন বিভিন্ন গাঁৱত গাওঁৰক্ষী বাহিনীৰ নিস্ক্ৰিয়তাৰ আৰু অবাধে গঢ়ি উঠা কছাইখানা সমূহৰ বাবেই দিনক-দিনে অবাধ হাৰত গৰু চুৰি কাৰ্য বৃদ্ধি পাই আহিছে আৰু এই ক্ষেত্ৰত স্থানীয় আৰক্ষী প্ৰশাসনৰ নিলিপ্ত ভূমিকাও ৰহস্যজনক বুলি একাংশ গো-পালকে গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰিছে ।সেয়েহে এই ক্ষেত্ৰত জিলা প্ৰশাসনৰ হস্তক্ষেপ দাবী জনাইছে।

### বানত দিশহাৰা ৰংপুৰ-ৰুদ্ৰসাগৰৰ বৃহত্তৰ অঞ্চলৰ জনসাধাৰণ

# আপোন ঘৰত সোমাব পৰা নাই বানাক্ৰান্ত ঃ বিভিন্ন প্ৰান্তত চৰকাৰী সাহাৰ্য নোপোৱাৰ অভিযোগ

**বাতৰি কাকত, খাইৰুদ্দিন আহমেদ, ২৪ জুলাই ঃ** সংহাৰী বানৰ কবলত শিৱসাগৰত হাজাৰ হাজাৰ পৰিয়ালৰ ঘৰ আজিও জলমগ্ন। জিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে বাঢ়নী পানীত ঐতিহাসিক ৰংপুৰ আৰু ৰুদ্ৰসাগৰৰ বিভিন্ন গাঁও এতিয়াও পানীৰে পৰিপূৰ্ণ হৈ আছে। কিছু পৰিমাণে পানী কমিছে যদিও আজি পুনৰ দিখৌ নদীৰ জলস্তৰ বৃদ্ধি পোৱাত শংকিত হৈ পৰিছে নৈপৰীয়া ৰাইজৰ লগতে নগৰাঞ্চলৰ ৰাইজো। ইতিমধ্যে ৰংপুৰ আৰু ৰুদ্ৰসাগৰৰ বহু প্ৰাচীন কীৰ্তিচিহ্নৰ চৌপাশত পানীৰে পৰিপূৰ্ণ হৈ আছে। ঐতিহাসিক তলাতল ঘৰৰ ন-দুৱাৰ আৰু পানী দুৱাৰৰ পথ পানীৰ তলত। চাৰিওফালৰ পানীৰে আৱৰি আছে আহোম ৰাজত্বৰ খাৰ-বাৰুদ মজুত ৰখা গোলাঘৰ । আনহাতে বৃহত্তৰ জয়সাগৰ অঞ্চলটোত ডিমৌ নদীৰ পানী সোমাই অহাৰ ফলত ডিমৌ পথাৰ, ৰূপহী আৰু জেৰেঙা পথাৰ জলমগ্ন হোৱাৰ লগতে ইয়াৰ দাতিকাষৰীয়া অঞ্চলসমূহ ক্ৰমে জোলাগাঁও, চিপাহীগাঁও, আমগুৰি, মেটেকা, বগীদল,সুন্দৰপুৰ, জয়ানগৰ, শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ প্ৰাংগণ, শিৱসাগৰ বিশ্ববিদ্যালয়ৰ মূল প্ৰৱেশ পথ, জোনাকী নগৰ, ৰুদ্ৰসাগৰকে ধৰি বিস্তৃত এলেকা জলমগ্ন কৰি তোলাৰ লগতে শ শ পৰিয়ালৰ লক্ষ লক্ষ সা- সম্পত্তি আজিও পানীতে আৱদ্ধ। বহু বে- চৰকাৰী অনুষ্ঠান আৰু স্থানীয় যুৱসকলকে বানাক্ৰান্ত ৰাইজক সহায়ৰ হাত আগবঢ়োৱাৰ বিপৰীতে চৰকাৰী পক্ষ কিম্বা জিলা প্ৰশাসনে তেনে কোনো সহায়ৰ হাত আগবঢ়োৱা নাই বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। একেদৰে দিখৌৰ বাঢ়নী পানীৰে জলমগ্ন কৰি তোলা শেনছোৱা, শেনচোৱা লিগিৰা, ভাটী বনগাঁও, ভটীয়াপাৰ, দিছিয়াল, লাহিঙ্গীয়া, মঠাদাং, মৌপুৰীয়া, হাতীখোঁক, আমগুৰি ঘাট, মেটেকা ঘাট, পানীচুকি, সিংহদুৱাৰকে ধৰি বিভিন্ন অঞ্চল দিখৌৰ বাঢ়নী পানীয়ে বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে আজি পৰিমিত বহু পৰিয়ালৰ পানীৰ তলতে আছে নিজৰ আপোন ঘৰখন। চৰকাৰীভাৱে যিমানখিনি সাহায্য লাভ কৰিব লাগিছিল সেয়া কেৱল এপাচি শাকত এটি জলকীয়াৰ দৰে হৈ পৰিছে। খাদ্য সামগ্ৰী বাদেই এটুপি খোৱাপানীৰ বাবে হাতলে বাটলে চাব লগা হৈছে। এইক্ষেত্ৰত স্থানীয় ৰাইজ তথা বিভিন্ন দল- সংগঠন, অনুষ্ঠান আগবাঢ়ি আহি পাৰ্যমানে বানাক্ৰান্ত ৰাইজক সহায়ৰ হাত আগবঢ়োৱাটো সঁচাই প্ৰশংসনীয়। জানিব পৰা মতে, ৰংঘৰ চাৰিআলি মছজিদ কমিটি, আমগুৰি গাঁওৰ যুৱ সমাজৰ লগতে কেইবাটাও অনুষ্ঠানে বিভিন্ন প্ৰান্তৰ বানাক্ৰান্ত ৰাইজক খাদ্য সামগ্ৰী, পানী আৰু বস্ত্ৰ যোগান অব্যাহত ৰাখিছে। ইয়াৰোপৰিও ৰংঘৰ চাৰিআলিৰ বৰমজছিদ, আমগুৰি গাঁও বৰমজছিদ, হাতীখোঁক, জয়সাগৰ, ন-আলি, পি- দিন নগৰ আদিকে ধৰি বিভিন্ন মছজিদত এনে দুদৰ্শাৰ পৰা পৰিত্ৰাণ বিচাৰি নেদেখাজনৰ ওচৰত সমূহীয়া দোৱা- প্ৰাৰ্থনা কৰিছে। আনহাতে বেতবাৰী-হাঁহচৰা আদি অঞ্চলৰ পৰা বাগৰি অহা বানে ষ্টেচন চাৰিআলিৰ পৰা পশ্চিম যমুনা ৰোড, জেঙনীকটীয়া, বনীয়াবাৰী, দলমুখ চাৰিআলি, বৰ্ডিং ৰোড, বাবুপট্টি, ধাইআলি, মেলাচকৰ, ফুকননগৰকে ধৰি নগৰৰ প্ৰতিটো প্ৰান্তেই জলমগ্ন হৈ আছে। স্বাভাৱিকতেই যিমান চৰকাৰী সাহাৰ্য প্ৰদান কৰিব লাগিছিল সেয়া নাই হোৱা বুলিও আন এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ইফালে অ'এনজিচিৰ কেন্দ্ৰীয় কাৰখানাকে ধৰি বহুকেইটা কাৰ্যালয় বানৰ সন্ত্ৰাসত বন্ধ কৰি দিবলগীয়া হৈছে। দৰিকাপাৰত দৰিকা নৈৰ পানীয়ে বুৱাই পেলোৱাত বৃহত্তৰ বেতবাৰী, খেলুৱা নিমাইজান, ভাধৰা, চেঙেলীবাৰী আদি অঞ্চল আজিও জলমগ্ন হৈ আছে। নগৰৰ দৰিকাপাৰ, খাটপথাৰ, এটি ৰোডৰ লগতে জিলা পৰিৱহন বিষয়াৰ কাৰ্যালয়, গুৰুদ্বাৰ, নামঘৰ, বহুকেইখন প্ৰাথমিক বিদ্যালয় এতিয়াও পানীৰ মাজত। নগৰীয়া জন জীৱন একপ্ৰকাৰ স্তব্ধ হৈ পৰিছে বুলিব পাৰি। ষ্টেচন চাৰিআলিৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথটো বন্ধ কৰি দিয়া হৈছে। জিলাখনৰ সকলো প্ৰান্তত একে সময়তে দিখৌ, দিচাং, জাঁজী, দৰিকা, ডিমৌ নদীৰ তাণ্ডৱত দিশহাৰা হৈ পৰিছে শিৱসাগৰ জিলা প্ৰশাসন। সীমিত উদ্ধাৰ অভিযানৰ সমলৰ বাবে এতিয়াও পানীত আৱদ্ধ হৈ আছে শ শ লোক। শিৱসাগৰ নগৰৰ পানীত এতিয়ালৈকে কোনো সহায় আগবঢ়াব পৰা নাই জিলা প্ৰশাসনে। আশ্ৰয়- খাদ্য-পানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে ৰাইজ। সম্প্ৰতি দিখৌৰ জলস্তৰ কিছু পৰিমাণে বৃদ্ধি হোৱাত শংকিত হৈ পৰিছে নৈপৰীয়া ৰাইজৰ লগতে নগৰাঞ্চলৰ ৰাইজ। এইক্ষেত্ৰত জিলা প্ৰশাসন সক্ষম হৈ নুঠিলে হাজাৰ হাজাৰ বানাক্ৰান্ত ৰাইজৰ আৰু অধিক বিস্তৰ ক্ষতিসাধন হ'ব যে সেয়া নিশ্চিত।

# সম্পাদকীয় বিশেষ

## ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প ‘বৰ্ণবোধ’

**হিমাংশু ৰঞ্জন ভূঞা**

‘ৰামধেনু যুগ’ ৰ প্ৰতিষ্ঠিত গল্পকাৰ সকলৰ ভিতৰত ড° ভবেন্দ্ৰনাথ শইকীয়াই এখন বিশেষ আসন অধিকাৰ কৰি আছে। ১৯৪৭ চনতে, হাইস্কুলত পঢ়ি থকা অৱস্থাতে তেওঁ ‘উদয়’ নামৰ আলোচনী এখনত ‘পথ নিৰূপন’ নামৰ এটি গল্প লিখিছিল। তেতিয়াৰ পৰা মৃত্যুপৰ্যন্ত তেওঁ গল্প ৰচনাত ব্ৰতী হয় তেওঁৰ প্ৰকাশিত গল্পসংকলন সমূহ হৈছে - ‘প্ৰহৰী’, ‘বৃন্দাবন’, ‘গহ্বৰ’, ‘সেন্দুৰ’, ‘শৃংখল’, ‘তৰংগ’, ‘এই বন্দৰৰ আবেলি’, ‘ভবেন্দ্ৰ নাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প’, ‘আকাশ’, ‘উপকণ্ঠ’ আৰু ‘সান্ধ্যভ্ৰমণ’। ইয়াৰোপৰি ২০০৬ চনত অসমৰ আগশাৰীৰ পুথি প্ৰকাশক ‘বনলতা’ই প্ৰকাশ কৰি উলিয়াইছে তেওঁৰ ৮৮ টা গল্পৰ একত্ৰ সংকলন ‘ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পসমগ্ৰ’। ড° ভবেন্দ্ৰনাথ শইকীয়াই গল্পৰ পৰিস্থিতি আৰু চাৰিত্ৰিক অভিব্যক্তি বৰ আচ্ছাদনীয় ৰূপত প্ৰকাশ কৰিছিল। তেওঁৰ গল্পত বৰ্ণনাৰ চমকপ্ৰদ উপস্থাপন পোৱা যায়। বিষয়বস্তুৰ সকলো কথাই তেওঁ খুটি নাটি মাৰি বৰ্ণনা কৰে। সৰু সৰু কথাৰ ওপৰত এনেদৰে দৃষ্টি নিবদ্ধ কৰে যে তাৰ আঁৰত লুকাই থকা বহল প্ৰেক্ষাপট পঢ়ুৱৈৰ আগত স্পষ্ট হৈ পৰে। মন কৰিব লগা যে ড° শইকীয়াই তেওঁৰ গল্পৰ মাজেৰে তেওঁৰ নিজা ধাৰণা কেতিয়াও পাঠকৰ আগত জোৰকৈ দাঙি ধৰিব বিচৰা নাই, ফলত বৰ্ণনা পাঠকৰ আগত অভিনৱ আৰু চিত্তবিনোদী ৰূপত ধৰা দিয়ে। গল্প কাহিনীৰ গতিধাৰা সৰল নহয় যদিও, পাঠকৰ উৎসুক্য ধৰি ৰাখিব পাৰিছে। তেওঁৰ গল্পত ব্যক্তিচৰিত্ৰৰ বৈচিত্ৰময়তা আৰু প্ৰাত্যাহিক জীৱনৰ এটি উৎকেন্দ্ৰীক মূহুৰ্ত্ত লক্ষ্য কৰা যায়।

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ আগবয়ৰ গল্পবোৰত এক ৰোমান্টিক চেতনাই প্ৰচন্নভাৱে ক্ৰীয়া কৰা দেখা যায়। পূৰ্ববৰ্ত্তী ৰোমান্টিক গল্পকাৰসকলৰ সৈতে তেওঁৰ গল্পৰ পাৰ্থক্য এয়ে যে ড° শইকীয়াই ৰোমান্টিক গল্পকাৰসকলে এৰি যোৱা বিন্দুত তেওঁৰ গল্প আৰম্ভ কৰিছে। তাৰোপৰি, এনে গল্পবোৰত ৰোমান্টক পৰিস্থিতিৰ বাস্তৱ ৰূপায়ণ পোৱা যায়। স্থান বিশেষে নাটকীয় দৃষ্টিভঙ্গী পৰিলক্ষিত হয়। নাট্যধৰ্মী বচনভঙ্গী আৰু পৰিৱেশ সৃষ্টিৰ মাধুৰ্য্যৰ বাবে ড° ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পই আজিকোপতি পাঠসমাজৰ সমাদৰ লাভ কৰি আহিছে।

‘বৰ্ণবোধ’ ড° ভবেন্দ্ৰনাথ শইকীয়াৰ এটা বহুলপঠিত জনপ্ৰিয় গল্প। অতি সাধাৰণ মানুহৰ বিষয়েও শইকীয়াই অসাধাৰণ গল্প ৰচনা কৰে। ‘বৰ্ণবোধ’ গল্পৰ মূল চৰিত্ৰ তিনিটা বনকৰা ল'ৰা-ছোৱালী। দুগৰাকী বাইভনী কুন্তলা আৰু মাখনী ঘৰলৈ আহিছে - সৰু ভনীয়েক চিত্ৰাৰ বিবাহ উপলক্ষে। মাখনীৰ ল'ৰা মন্টুক ৰাখিবলৈ তাইৰ বনকৰা ছোৱালী পাটগাভৰু জয়ন্তীও আহিছে। কুন্তলাৰ ছোৱালী কাজলক ৰাখিবলৈ কম বয়সীয়া বনকৰা ছোৱালী ৰমা আহিছে আৰু গজেন হ'ল তেওঁলোকৰ পিতৃগৃহত কাম কৰা ল'ৰা - সি কিছু ধেমেলীয়া।

বিয়াঘৰত পযেককাল একেলগে থাকি সিহঁত তিনিওটাৰে হোৱা অভিজ্ঞতাৰ আলমত গল্পৰ কাহিনীভাগ আগবাঢ়িছে। তিনিওটা সাধাৰণ চৰিত্ৰ ড° শইকীয়াই তেওঁৰ তীক্ষ্ণ পৰ্যৱেক্ষণৰ সহায়ত মনণশীল ৰূপত অংকন কৰিছে। বিয়াঘৰত কোলাৰ পৰা এখন্তেকো ননমা মন্টু ক লৈ হোৱা জয়ন্তীৰ দুৰৱস্থাৰ ছবি অংকণত ড° শইকীয়াই তেওঁৰ পৰ্যৱেক্ষণ ক্ষমতাৰ চূড়ান্ত পৰিচয় দিছে। ৰমাই জয়ন্তীক ‘বাইদেউ’ বুলি মতাত তাইৰ অন্তৰাত্মা জিকাৰ খাই উঠিছিল। তাই কুশল উকীলৰ ঘৰত দুটা ল'ৰা ছোৱালীক ডাঙৰ দীঘল কৰিছিল। সিহঁতে তাইক তাই আশা কৰা মতে ‘বাইদেউ’ নুবুলিলে। মুন্নাইও বায়েককহে বাইদেউ বুলি মাতিবলৈ শিকিলে, জয়ন্তীক ‘জন্তী’ বুলি মাতিবলৈ ল'লে। ড° শইকীয়াই এইদৰে অতি নিমাখিত ছোৱালী এজনীৰো সুক্ষ্মতাঁৰ ডালত কপঁনি তুলিবলৈ সক্ষম হৈছে। দুসপ্তাহ ধৰি এই বনকৰা ল'ৰা-ছোৱালী কেইটা একেলগে থকাত সিহঁতকেইটাপৰস্পৰে ওচৰ চাপি আহিছিল। ৰমাই অলপ লিখা পঢ়া জানে। তাই সিহঁতহালক চিঠি দিয়াৰ কথা কৈছিল আৰু তাৰে প্ৰস্তুতি হিচাপে সিহঁতক বৰ্ণবোধ কৰাইছিল। জয়ন্তীয়েও ‘ক’টো লিখিব পৰা হৈছিলগৈ। ৰমাই গজেনৰ হতুৱাই পোষ্টকাৰ্ড অনাই পোষ্টকাৰ্ড দুখনত তাইৰ আৰু গজেনৰ ঠিকনা লিখি জয়ন্তীৰ হাতত দিছিল।

বিয়া শেষ হ'ল, বিয়াঘৰ নিজম পৰিল। গল্পটোৰ ‘ক্লাইমেক্স’ গজেন, ৰমা আৰু জয়ন্তী ঘৰা ঘৰি যোৱাৰ আগদিনা গধূলি। সেইদিনা গধূলিতে লাইন গ'ল। বিয়াঘৰৰ ভাগৰুৱা মানুহবোৰ আৰু লাইটৰ মিস্ত্ৰী বিচাৰি ওলাই নগ'ল। সন্ধিয়াৰ পাছতে কেচুঁৱাবোৰৰ লগতে ডাঙৰবোৰো কোনো সাৰ সুৰ নোহোৱা হ'ল। কেৱল কলৰ পাৰত লেম এটা আৰু কাঁহি বাতি এদ'ম লৈ বহিল জয়ন্তী, ৰমা আৰু গজেন। এবাৰ এন্ধাৰৰ সুযোগ লৈ গজেনে জয়ন্তীক সুধিলে- ‘মই তোক কথা এটা কওঁনে জয়ন্তী ?’ পিছে সেই কথাটো জয়ন্তীক আৰু তাৰ কোৱা নহ'ল।

পিছদিনা ৰমা আৰু জয়ন্তী ঘৰা ঘৰি গ'ল। জয়ন্তীৰ মনটো উৰুঙা উৰুঙা লাগিল। এদিন ৰাতি মাখনীৰ ঘৰত অকলশৰীয়া কোঠাটোত ইকাটি সিকাটি কৰি তাই চিঠি লিখিবলৈ বহিল। কাৰণ সেইদিনা তাইৰ নামত ৰমাৰ পৰা অহা চিঠিখন বাইদেৱেকে তাইক পঢ়ি শুনাইছিল। ৰমাই যিমানখিনি পঢ়িব পাৰে, তাই সিমানখিনি লিখিব নোৱাৰিব। তাই ৰমাৰ নাম লিখা পোষ্টকাৰ্ডটো আতঁৰাই গজেনৰ ঠিকনা লিখা পোষ্টকাৰ্ডটো তুলি ল'লে। গজেনে তাইক সুধিছিল - ‘মই তোক কথা এটা কওঁনে জয়ন্তী?’, সি আকৌ সুধিছিল - ‘কওঁনে কথা এটা?’ অলপীয়া পোহৰত কলমটো ঘহাঁই ঘহাঁই তাই জনা একমাত্ৰ আখৰটো লিখিলে - ‘ক’। এয়াই আছিল গজেনে সোধা প্ৰশ্নটোৰ উত্তৰ। লেখক ড° শইকীয়াই অবিস্মৰণীয় ভাষাৰে এনেদৰে গল্পটোৰ সামৰণি মাৰিছে - “ পৃথিৱীৰ অজস্ৰ ভাষাৰ অযুত বিননী সেই এটা আখৰৰ বিন্দুৰে বিন্দুৰে সোমাই গ'ল।”

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ নামকৰণো তাৎপৰ্যপূৰ্ণ। শিৰোনামে সদায় কথাবস্তুৰ ইংগিত বহন কৰে। ‘বৰ্ণবোধ’ শব্দৰ অৰ্থ হৈছে আখৰৰ ধাৰণা। আখৰৰ চিনাকী বা আখৰ সম্পৰ্কীয় ধাৰণাৰ ভিত্তিত ড° শইকীয়াই ‘বৰ্ণবোধ’ গল্পটো ৰচনা কৰিছে। নিৰক্ষৰ এজনী ছোৱালীয়ে বৰ্ণমালাৰ ‘ক’ আখৰটো লিখিবলৈ শিকিয়েই তাইৰ হৃদয়ৰ সমস্ত আকূতি সেই আখৰটোৰ মাজেৰে প্ৰকাশ কৰিছে। সেইদিশৰ পৰা গল্পটোৰ ‘বৰ্ণবোধ’ নামটো যঠেষ্ট অৰ্থব্যঞ্জক। অন্যহাতেদি ড° ভবেন্দ্ৰনাথ শইকীয়াই গল্পটোত চৰিত্ৰৰ নাটকীয় ভংগী আৰু পুংখানুপুংখবৰ্ণনাৰ চমকপ্ৰদ উপস্থাপনৰে গল্পটো ৰচনা কৰিছে। চৰিত্ৰ আৰু পৰিস্থিতিৰ খুটি নাটিৰ বৰ্ণনাৰ ক্ষেত্ৰত তেওঁৰ লগত ফেৰ মাৰিব পৰা গল্প অসমীয়া সাহিত্যত বিৰল। প্ৰতিটো চৰিত্ৰৰ মনৰ অৱস্থা আৰু পৰিস্থিতিৰ উপস্থাপন, ‘বৰ্ণবোধ’ গল্পটোত তেওঁ পাঠকৰ আগত বিশেষভাৱে উপস্থাপিত কৰিছে। যাৰ বাবে ‘বৰ্ণবোধ’ - এটা সুখপাঠ্য, জনপ্ৰিয় গল্পত পৰিণত হৈছে।

*‘বৰ্ণবোধ’ ড° ভবেন্দ্ৰনাথ শইকীয়াৰ এটা বহুলপঠিত জনপ্ৰিয় গল্প। অতি সাধাৰণ মানুহৰ বিষয়েও শইকীয়াই অসাধাৰণ গল্প ৰচনা কৰে। ‘বৰ্ণবোধ’ গল্পৰ মূল চৰিত্ৰ তিনিটা বনকৰা ল'ৰা-ছোৱালী। দুগৰাকী বাইভনী কুন্তলা আৰু মাখনী ঘৰলৈ আহিছে - সৰু ভনীয়েক চিত্ৰাৰ বিবাহ উপলক্ষে। মাখনীৰ ল'ৰা মন্টুক ৰাখিবলৈ তাইৰ বনকৰা ছোৱালী পাটগাভৰু জয়ন্তীও আহিছে। কুন্তলাৰ ছোৱালী কাজলক ৰাখিবলৈ কম বয়সীয়া বনকৰা ছোৱালী ৰমা আহিছে আৰু গজেন হ'ল তেওঁলোকৰ পিতৃগৃহত কাম কৰা ল'ৰা - সি কিছু ধেমেলীয়া।*

## যুৱপ্ৰজন্মৰ শ্ৰমৰ কোনো বিকল্প নাই

**০০০ বৰ্তমান সমাজত পৰিলক্ষিত হয় যে, সুযোগ সুবিধা হস্তগত কৰি এক শ্ৰেণীৰ মানুহে আন এক শ্ৰেণীৰ মানুহ ভাগ কৰি ঠেলি দিছে ঘৃণা আৰু উপলুঙা বঞ্চনাৰ নীৰন্ধ্ৰ অন্ধকাৰলৈ, ‘শ্ৰমিক শ্ৰেণী’ৰ নামেৰে। সমাজখনৰ বৃহৎ অত্যাৱশ্যকীয় কৰ্মৰ বোজা সেই শ্ৰমিক শ্ৰেণীৰ ওপৰত জাপি দি স্বাৰ্থপৰ সমাজে গঠন কৰিছে মানৱ সমাজৰ শোষণৰ এক কলংকিত অধ্যায়। আচলতে সুস্থ-সৰল জীৱনৰ বাবেই মানুহে গঠন কৰি লয় ‘সমাজ’ঙ্গ আৰু সেই সমাজৰ উন্নতিৰ চিন্তাৰে নিজ সামৰ্থ্য অনুযায়ী, শক্তি প্ৰয়োগেৰে পৰিশ্ৰম কৰা উচিত আৰু কৰণীয়। ০০০**

**■ মোছলিমা বেগম**

শ্ৰম অবিহনে পৃথিৱীৰ কোনো কামেই সম্পাদিত হ'ব নোৱাৰে। পৰিশ্ৰম অবিহনে কোনেও সফলতাৰ শিখৰ আজুৰিব নোৱাৰে। প্ৰত্যেক মানুহেই সামৰ্থ্য বা শক্তি অনুযায়ী সৃষ্টিত অৰিহণা যোগাব লাগে। শ্ৰম এক অনবদ্য উপচাৰ, য'ত সভ্যতাৰ সৌধ অপৰূপ হৈ উঠে। যুৱ-প্ৰজন্মৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে এই পৰিশ্ৰমৰ অৱদানেই সৰ্বশ্ৰেষ্ঠতাৰ ৰূপ বুলি আশংকা কৰা হয়। শ্ৰম অবিহনে হৈ নুঠে সভ্যতাৰ বিকাশ। আৰু বিকাশৰ আদিতে সক্ৰিয় হ'ব লাগিব আজিৰ সমাজৰ যুৱচাম। উভতি চালেই দেখা যায় এই শতিকাৰ সমুন্নতিৰ মূলতে আছে যুগ-যুগান্তৰৰ মানৱ সমাজৰ কঠোৰ শ্ৰমৰ অৱদান। পৰিশ্ৰমৰ দান হিচাপে গঢ়ি তোলা হৈছে সভ্যতাৰ অনবদ্যৰ তিলোত্তমা মূৰ্তি। ভিন্ন শ্ৰমৰ মিলিত প্ৰচেষ্টাত গঢ়ি উঠিছে সভ্যতা-সমন্বয়ৰ মিলনভূমি, য'ত সম্ভৱ হৈছে সভ্যতাৰ অনৱদ্য বিকাশ।

আদিৰ পৰা বৰ্তমানলৈ মানৱ সমাজৰ নিৰ্মাণৰ প্ৰধানতই হ'ল - পৰিশ্ৰম। য'ত বিকশিত হয় মানুহৰ সুপ্ত প্ৰতিভা। সমাজত যি সকল ব্যক্তিয়ে প্ৰতিভাৱান হিচাপে প্ৰতিষ্ঠিত হৈছে, তেওঁলোকেই গঢ়ি থৈ গৈছে সৃষ্টিৰ আজন্মৰ সাঁকো,বিকশিত প্ৰতিভাই বঢ়াইছে সৌষ্ঠৱ। প্ৰকৃতাৰ্থত শ্ৰম অবিহনে আত্মপ্ৰকাশ নহয় প্ৰতিভাৰ। মানৱ সমাজ যেনেকৈ সভ্যতাৰ সৃষ্টিকাৰী, তেনেকৈ নিজ ভাগ্যৰো নিৰ্মাতা নিজৰ শ্ৰম। সকলো প্ৰকাৰৰ কামেই সকলো মানুহৰ কৰণীয়। জাতি-ধৰ্ম নিৰ্বিশেষে কৰ্মৰ কোনো পাৰ্থক্য নাই, সৰু-বৰ নাই। প্ৰতিভাৰ মূলতেই শ্ৰম, যি শ্ৰমৰ অবিহনে প্ৰতিভা হৈ পৰে কোঙা। শ্ৰমৰ বিনিময়তেই ধৰণীয়ে ৰূপ পায় নতুনত্বৰ, পৰিৱৰ্তনৰ। সেয়ে কোৱা হয়, শ্ৰমৰ বিকল্প একোৰেই নাই।

বৰ্তমান সমাজত পৰিলক্ষিত হয় যে, সুযোগ সুবিধা হস্তগত কৰি এক শ্ৰেণীৰ মানুহে আন এক শ্ৰেণীৰ মানুহ ভাগ কৰি ঠেলি দিছে ঘৃণা আৰু উপলুঙা বঞ্চনাৰ নীৰন্ধ্ৰ অন্ধকাৰলৈ, ‘শ্ৰমিক শ্ৰেণী’ৰ নামেৰে। সমাজখনৰ বৃহৎ অত্যাৱশ্যকীয় কৰ্মৰ বোজা সেই শ্ৰমিক শ্ৰেণীৰ ওপৰত জাপি দি স্বাৰ্থপৰ সমাজে গঠন কৰিছে মানৱ সমাজৰ শোষণৰ এক কলংকিত অধ্যায়। আচলতে সুস্থ-সৰল জীৱনৰ বাবেই মানুহে গঠন কৰি লয় ‘সমাজ’ঙ্গ আৰু সেই সমাজৰ উন্নতিৰ চিন্তাৰে নিজ সামৰ্থ্য অনুযায়ী, শক্তি প্ৰয়োগেৰে পৰিশ্ৰম কৰা উচিত আৰু কৰণীয়। কিন্তু যেতিয়াই এই কৰ্ম কৃতকাৰ্য নহয়, তেতিয়াই সমাজত সৃষ্টি হয় অবাঞ্চিত সামাজিক বিশৃংখলতাৰঙ্গ আৰু পৰিণতিতেই বৰ্তমান সমাজত আহি পৰিছে নিম্ন মানসিকতাৰ জাতি ভেদ প্ৰথা। ইয়াৰ জলন্ত উদাহৰণৰ ক্ষেত্ৰত ভাৰতো পিছ পৰা নহয়। শ্ৰমিক শ্ৰেণীৰ পৰিশ্ৰমৰ সৃষ্টিক কোনো সমাজে কোনো কালতেই যোগ্য প্ৰাপ্য আৰু সন্মান প্ৰদৰ্শন কৰা নাই। যাৰ পৰিপ্ৰেক্ষিতত আজিৰ শোষিত শ্ৰমিকে আধুনিক যুগত প্ৰত্যেকৰে মৰ্যদা উপলব্ধি কৰি ঐক্যবদ্ধ হৈছে শ্ৰমিক সংঘৰ পতাকাৰ তলতঙ্গ য'ত প্ৰতিফলন কৰিছে যে, পৃথিৱীৰ প্ৰত্যেক সমাজৰ উৎপাদনৰ চতুৰঙ্গিক উপাদানৰ ভিতৰত শ্ৰমেই হৈছে, মুখ্য উপাদান।

পৰিৱৰ্তনশীল সময়ে সমাজত আনি দিছে এক কৰ্মমুখৰতাৰ ঢৌ। শ্ৰমৰ পৰিপক্কতাই সমাজত কিছু দৃষ্টি আৱদ্ধ কৰিছে নতুন-প্ৰজন্মৰ। প্ৰতিখন দেশত আজি শ্ৰমিক-সংঘ আৰু শ্ৰমিক কল্যাণ সমিতি স্বীকৃতি প্ৰাপ্ত ঙ্গ বৰ্তমান ভাৰততো বহু শ্ৰমিক কল্যাণ সমিতি গঠন হৈছে। এই সময়তে সমন্বয়ৰ যোগেদি শ্ৰেণী বিভাজন নোহোৱাকৈ সমাজৰ প্ৰয়োজন আৰু সৃষ্টিত সকলোৱে নিজ সামৰ্থ্য অনুযায়ী অৰিহণা যোগোৱা নিত্যান্তই প্ৰয়োজনীয় সময় আহি পৰিছে। প্ৰতিটো প্ৰজন্মৰ প্ৰত্যেকেই বুদ্ধিবল, বাহুবল, অৰ্থবল কিম্বা শ্ৰমবল প্ৰত্যেকৰে ন্যায়সঙ্গত মূল্যৰ বিনিময় হওক। আৰু এই পৰিক্ৰমাই বৰ্তমান যুগৰ নৱ-প্ৰজন্মৰ আদৰ্শ হওক।

## অসমৰ নাট্য-জগতৰ অক্লান্ত অভিনেতা উপেন শৰ্মা

**চন্দন ভাগৰতী**

নাট্যাভিনয়ৰ ক্ষেত্ৰত এক চহকী পৰম্পৰা আছে অসমত। লোকনাট্য বা শংকৰী যুগৰ নাট্য-পৰম্পৰাৰ কথা নক'লেও যোৱাটো শতিকাৰ প্ৰথমাৰ্দ্ধত অসমত যি পেছাদাৰী নাট্য আন্দোলনৰ সূচনা হৈছিল, তাৰ পিছত স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত অচ্যুত লহকৰে পাতনি মেলা ভ্ৰাম্যমাণ থিয়েটাৰৰ জয়যাত্ৰাই এই কথাকেই প্ৰতীয়মান কৰে। ইয়াৰ সৈতে জড়িত প্ৰতিগৰাকী শিল্পী তথা কলা-কুশলীৰ বাবে এইক্ষেত্ৰত সামাজিক দায়বদ্ধতা আছিল মুখ্য, তাৰ পিছতহে আছিল পেছাদাৰিত্ব। ফলত আটায়ে এক বিশেষ আত্মোৎসৰ্গাৰ মনোভাবেৰে এই জগতখনত নিজকে বিলীন কৰি দিছিল। তাৰেই ফচল হিচাপে ইয়াৰ নাটকসমূহত আছিল একোটা ইতিবাচক বাৰ্তা আৰু অভিনেতা-অভিনেত্ৰীসকলৰ অভিনয়ত আছিল প্ৰাণ ঢালি চৰিত্ৰসমূহ ৰূপায়ণৰ আন্তৰিক হেঁপাহ। সেইবাবে তেনে বহু নাটকেই আজিও অগণন ৰসগ্ৰাহী দৰ্শকৰ মনৰ মণিকোঠাত জীৱন্ত হৈ আছে আৰু একো একোটা চৰিত্ৰই তেওঁলোকৰ মনৰ দপোণত আজিও ভুমুকি মাৰেহি। তেনে নাটকসমূহৰ মাজৰে ভাগ্যদেৱী থিয়েটাৰৰ ‘মিলন-মালা’ নাটকৰ বিপ্লৱৰ চৰিত্ৰটো, ৰূপকোঁৱৰ থিয়েটাৰৰ ‘মল্লিকা’ নাটকৰ চন্দ্ৰ চৌধুৰীৰ সৈতে অভিনয় কৰা দামোদৰ চন্দ্ৰ চাংকাকতিৰ খুহুতীয়া চৰিত্ৰটো, ‘কলংকিনী নায়িকা’ নাটকৰ কালুৰ চৰিত্ৰটো, ‘কাঞ্চনজংঘা’ নাটকৰ ঈশ্বৰ চন্দ্ৰ দাসৰ চৰিত্ৰটো, লখিমী থিয়েটাৰৰ ‘আকাশীগংগা’ নাটকৰ কৃপণ মহাজনৰ চৰিত্ৰটো, ‘পুৰস্কাৰ’ নাটকত বিজু ফুকনৰ সৈতে কৰা ৰবিৰ চৰিত্ৰটো, ‘মইনামতী’ নাটকৰ আশী বছৰীয়া শ্ৰীকান্ত গাঁওবুঢ়াৰ চৰিত্ৰটো, নটৰাজ থিয়েটাৰৰ ‘বেউলা’ নাটকৰ লেঙাৰ চৰিত্ৰটো, ‘এদিন’ নাটকৰ জেকব নামৰ মূল চৰিত্ৰটো, নিশ্চয় সেইসময়ৰ দৰ্শকসকলৰ মনত আছে। এনে অনেক নাটকত খুহুতীয়া, ল'ৰা, বুঢ়া আদি সকলো চৰিত্ৰতে অভিনয় কৰি দৰ্শকৰ মন মুহিবলৈ সক্ষম হোৱা এইগৰাকী অভিনেতাই হ'ল উপেন শৰ্মা। আজিৰ ভ্ৰাম্যমাণ নাট্যজগতত প্ৰতিভাতকৈ গ্লেমাৰে প্ৰাধান্য পোৱাৰ ফলত এসময়ত ভ্ৰাম্যমাণৰ মঞ্চত অগণন দৰ্শকক বিনোদন দিয়া সুদক্ষ অভিনেতাসকৰ প্ৰায়ভাগেই আজি এলাগী হৈ পৰাৰ দৰে উপেন শৰ্মাইও ভ্ৰাম্যমাণ থিয়েটাৰ জগতখনৰ পৰা আঁতৰি আহিবলগীয়া হৈছে। পিছে অভিনয়ৰ প্ৰতি হেঁপাহ আৰু শ্ৰদ্ধা আজিও অটুট থকা বাবেই অভিনয়লৈ পিঠি দিয়া নাই তেওঁ। ভ্ৰাম্যমাণ থিয়েটাৰ জগতখনৰ পৰিধিৰ বাহিৰত আজিও উপেন শৰ্মাৰ অভিনয়ে ৰসগ্ৰাহী দৰ্শকক আমোদ দি আছে। বিশেষকৈ পশ্চিম নলবাৰী অঞ্চলৰ অপেছাদাৰী নাট্য ক্ষেত্ৰখনত উপেন শৰ্মাৰ বলিষ্ঠ অভিনয়ে অগণন দৰ্শকক নাটক উপভোগৰ আনন্দ প্ৰদান কৰি আছে। জীৱনৰ চাৰে তিনি কুৰি বছৰ বয়স পাৰ কৰিলেও প্ৰবীণ অভিনেতাগৰাকীয়ে নতুনচাম দৰ্শককো সমানেই অভিনয়ৰ সোৱাদ প্ৰদান কৰি থাকিব পৰাটো তেওঁৰ অভিনয় প্ৰতিভাৰ এক সুকীয়া বৈশিষ্ট্য হিচাপে বিবেচিত হৈছে।

নলবাৰী জিলাৰ টিহুৰ ওচৰৰ ঐতিহ্যমণ্ডিত আৰু সংস্কৃতিবান গাঁও বালিত জন্মগ্ৰহণ কৰা উপেন শৰ্মাৰ তেজত আছে অভিনয়। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থাকোঁতেই ‘ভাৰতমাতা’ নামৰ এখন চুটি নাটকত অভিনয় কৰি ল'ৰালিতে নিজৰ অভিনয় প্ৰতিভাৰ পৰিচয় দিছিল তেওঁ। সেয়াই আছিল আৰম্ভণি। তাৰ পিছত প্ৰতি বছৰে বিদ্যালয়ৰ সৰস্বতী পূজা, গাঁৱৰ ৰাজহুৱা অনুষ্ঠান আদিত অনুষ্ঠিত নাটকত অভিনয় কৰি পোৱা প্ৰশংসাই তেওঁক এদিন ভ্ৰাম্যমাণৰ মঞ্চত উপবিষ্ট কৰালে। ১৯৭০ চনত তেওঁ নলবাৰী জিলাৰ ককয়াৰ আদ্য বৰ্মন প্ৰযোজিত আৰু কমলা বৈস্তৱ (চক্ৰৱৰ্তী), ওস্তাদ উদয় চন্দ্ৰ ভাগৰতী তথা ৰমেশ মহন্ত পৰিচালিত ‘অসম নাট্য সংঘ’ত এগৰাকী অভিনেতা হিচাপে যোগদানেৰে ভ্ৰাম্যমাণ জগতখনত পদাৰ্পণ কৰে। তাৰ পিছত তেওঁ আৰু উভতি চাবলগীয়া হোৱা নাই। নটৰাজ থিয়েটাৰ, ভাগ্যদেৱী থিয়েটাৰ, সুৰদেৱী থিয়েটাৰ, মকুণ্ড থিয়েটাৰ, লখিমী থিয়েটাৰ, ৰূপকোঁৱৰ থিয়েটাৰ, আৱাহন থিয়েটাৰ আদি প্ৰায়কেইখন আগশাৰীৰ থিয়েটাৰত তেওঁ সুদীৰ্ঘ পঁচিশ বছৰ কাল বিভিন্ন নাটকৰ বহু ধৰণৰ চৰিত্ৰত অভিনয় কৰে। এই সময়ছোৱাত ডঃ ভবেন্দ্ৰনাথ শইকীয়া, আব্দুল মজিদ, মহেন্দ্ৰ বৰঠাকুৰ, ভবেন বৰুৱা, ৰত্ন ওজা, তছদ্দুক ইউছুফ, উগ্ৰ মেনাকে ধৰি অনেক বিশিষ্ট নাট্যকাৰ-পৰিচালকৰ সান্নিধ্য লাভ কৰাৰ লগতে তেওঁ চন্দ্ৰ চৌধুৰী, বিজু ফুকন আদি প্ৰসিদ্ধ অভিনেতাৰ সৈতে অভিনয় কৰাৰো সুযোগ লাভ কৰে। সুদীৰ্ঘ পঁচিশ বছৰে ভ্ৰাম্যমাণৰ মঞ্চত দপদপাই থাকি ১৯৯৯ চনত তেওঁ ভ্ৰাম্যমাণ নাট্য জগতখনৰ পৰা আঁতৰি আহে।

ভ্ৰাম্যমাণ থিয়েটাৰৰ জগতখন এৰি আহিলেও এই পৰ্যন্ত থমকি ৰোৱা নাই তেওঁ। ২০০০ চনত টি এছ প্ৰডাকছনৰ বেনাৰত নিৰ্মিত আৰু গুৱাহাটী দূৰদৰ্শন যোগে সম্প্ৰচাৰিত ‘ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ’ নামৰ তেৰটা খণ্ডৰ ধাৰাবাহিক এখনত তেওঁ অভিনয় কৰে। ধাৰাবাহিকখনত অভিনয় কৰা আন আন শিল্পীসকলৰ ভিতৰত আছিল নিপন গোস্বামী, মলয়া গোস্বামী আদি আগশাৰীৰ অভিনেতা-অভিনেত্ৰীসকল। ২০০৩ চনত ‘ৰূপকোঁৱৰ কলা পৰিষদ, চামতা’ৰ উদ্যোগত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে আয়োজিত এক বিশেষ অনুষ্ঠানত মঞ্চস্থ কৰা ‘লভিতা’ নাটকৰ ইলাহী বক্সৰ ভাওত অভিনয় কৰি তেওঁ দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। তাৰপিছত ‘নসত্ৰ সাংস্কৃতিক কেন্দ্ৰ, অসম’ৰ সহযোগত অসমৰ আগশাৰীৰ অপেছাদাৰী নাট্যগোষ্ঠী ‘শ্ৰীমন্ত কলা নিকেতন’ৰ জৰিয়তে গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনৰ উপৰি ভাৰতৰ বিভিন্ন ঠাইৰ বিখ্যাত ৰংগমঞ্চত অসমৰ প্ৰাচীন লোকনাট্য ওজাপালি আধাৰিত নাট্যশৈলীৰে কৰুণাকান্ত ডেকা ৰচিত আৰু ৰমণী বৰ্মন পৰিচালিত ‘শুনা শুনা সভাসদ’ নাটকত অভিনয় কৰি প্ৰশংসিত হয়। তদুপৰি অসমৰ আগশাৰীৰ অপেছাদাৰী নাট্যগোষ্ঠী ‘ভাওনা সাংস্কৃতিক অনুষ্ঠান’, চামতাৰ সৌজন্যত অসমৰ অন্যতম লোকসংস্কৃতি কামৰূপী ঢুলীয়া বা ভাইৰাৰ সমলযুক্ত নাট্যশৈলীৰে ঘন বৈশ্য ৰচিত আৰু পৰিচালিত ‘চানমাই’ নাটকখনিত অভিনয়েৰে উত্তৰ প্ৰদেশৰ ‘শ্বাহজাহানপুৰ ৰংগ মহোৎসৱ’ত থলুৱা লোক-সংস্কৃতিৰ নাটক প্ৰতিযোগিতাত পুৰস্কৃতও হয়। ২০১৬ চনত প্ৰাগ চেনেলে আয়োজন কৰা লোক-সংস্কৃতি নাট প্ৰতিযোগিতাতো নাটখনে বিশেষ সমাদৰ লাভ কৰে। তদুপৰি প্ৰতি বছৰে পৰম্পৰাগতভাৱে বালি গাঁৱত শ্ৰীশ্ৰী শ্যামা পূজা উপলক্ষে অনুষ্ঠিত নাট্যানুষ্ঠানৰ নাটকৰ পৰিচালনা আৰু অভিনয়তো সুদীৰ্ঘ দিন ধৰি ভাগ লৈ আহিছে তেওঁ। সুদীৰ্ঘ পঁচিশ বছৰে অসমৰ বিভিন্ন ভ্ৰাম্যমাণ মঞ্চত অভিনয় কৰাৰ পিছতো এই পৰ্যন্ত নাটকৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ থকা প্ৰবীণ অভিনেতাগৰাকীক তেওঁৰ এই অৱদানৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা হিচাপে ইতিমধ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে সম্বৰ্দ্ধনাও জনাইছে।

আচলতে একোগৰাকী শিল্পীৰ হঠাতে সৃষ্টি নহয়, এয়া এক জন্মগত প্ৰতিভাৰহে স্ফুৰণ। প্ৰবীণ অভিনেতা উপেন শৰ্মাৰ ক্ষেত্ৰতো এয়া সঁচা। নাটকেই তেওঁৰ জীৱন। ক'বলৈ গ'লে ওৰেটো জীৱন তেওঁ নাটকক লৈহে অতিবাহিত কৰিলে আৰু সেই উদ্যম এই চাৰে তিনিকুৰি বছৰ বয়সৰ পিছতো অটুট ৰাখিব পৰাটোৰ মূলতেই হ'ল তেওঁৰ নাটকৰ প্ৰতি থকা আন্তৰিক টান। এইগৰাকী বিশিষ্ট অভিনেতাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ, যাতে তেওঁ আমাৰ নাটকৰ ক্ষেত্ৰখনক আৰু অধিক সমৃদ্ধ কৰিব পাৰে।

## ভাল মানুহ হিচাপে গঢ় ল'বলৈ বহুত সময় লাগে

**■ চন্দ্ৰ শেখৰ পৰাজুলী**

আমি মানুহ হিচাপে জন্ম গ্ৰহণ কৰাৰে পৰা নিজ নিজ সময়, পৰিৱেশ,পৰিস্থিতি অনুসৰি নিৰ্দিষ্ট এক লক্ষ্য বা উদ্দেশ্য আগত ৰাখি জীৱন আগবঢ়ায় লৈ যাবলৈ ধৰো। তাৰে মাজতে সুস্থিৰ ভাৱে যদি জীৱন পৰিচালিত কৰা নাযায় তেন্তে বৰ্তমান সময়ত অতি দ্ৰুত গতিত জীৱন ধ্বংস দিশলৈ গতি কৰা ঠায়ে ঠায়ে পৰিলক্ষিত হ'বলৈ ধৰিছে। আৰু অন্যান্য বহু মানুহৰ ক্ষেত্ৰতে জীৱন একেবাৰে মাজত গৈ থমকি যোৱা দেখা যায়। অৰ্থাৎ তেওঁলোক সম্পূৰ্ণ ৰূপে সফলো নহয় আৰু সম্পূৰ্ণ ৰূপত বিফলতাৰ সন্মুখীন হৈছে বুলি কব্বলেওঁ বেয়া হয়। আনহাতে তাৰে মাজতে একেবাৰে সামান্য পৰিমানৰ মানুহে জীৱনত সম্পূৰ্ণ ৰূপে সফলতাৰ মুখ দেখিবলৈ সক্ষম হয় নহয়নে? আচলতে মই ইয়াতে একেবাৰে সামান্যতম সফলতাৰ আৰম্ভ কৰি একেবাৰে সফলতাৰ শিখৰত উপনীত হোৱা সকলোবোৰ ব্যক্তিকে সফলতাৰ শাৰীত ৰাখিবলৈ যত্ন কৰিছোঁ। কাৰণ আজিকালি সফলতাৰ সিদ্ধান্ত বা সফলতাৰ বৈশিষ্ট্য আগতকৈ বহু অধিক ৰূপত পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। কিয়নো আজিকালি ইন্টাৰনেটৰ মাধ্যমৰ লগত জড়িত হৈয়ো বিভিন্ন দিশত নিজ নিজ ঠাইত আনতকৈ অধিক ৰূপত সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱা দেখা যায়। সেয়েহে এতিয়া নিজ ব্যক্তিত্বৰ মাজত আনতকৈ কিছু পৃথক বা আনতকৈ বহুত অধিক সুন্দৰ ৰূপত যিকোনো বিষয় -বস্তুবোৰে প্ৰদৰ্শন বা উপস্থাপন কৰিবলৈ সক্ষম হলেই এতিয়া কিছু কিছু পৰিমাণে সফলতাৰ শ্ৰেণীত মানুহে ৰাখিবলৈ ইচ্ছা প্ৰকাশ কৰা দেখিবলৈ পোৱা যায়। সেয়েহে বৰ্তমান সময়ত সফলতা মাপকাঠি বা সফলতাৰ সূত্ৰ ইমান একেবাৰে জটিল বুলি বিবেচনা কৰিব নোৱাৰি। বৰ্তমান সময়ত সঁচা অৰ্থত কবলৈ গলে,একেবাৰে কম পৰিশ্ৰমৰ বিনিময়তে আৰু একে ৰাতিৰ ভিতৰতে সফলতা অৰ্জন কৰাৰ বহু উদাহৰণ আমাৰ মাজত বিৰাজমান আছে। কিন্তু মোৰ এনে অনুভৱ হয় যে,বৰ্তমান সময়ত আমি কেৱল সফলতাৰ পিছত দৌৰি ফুৰাৰ বাবে নিজকে এজন মানুহ হিচাপে গঢ় দিবলৈ দিনক দিনে পাহৰিবলৈ ধৰিছো। কাৰণ মই কমান আগতে উল্লেখ কৰিছোঁ যে, বৰ্তমান সময়ত সফলতা একে ৰাতিৰ ভিতৰতে অৰ্জন কৰিব পাৰি কিন্তু সফলতা অৰ্জন কৰাৰ দৰে একে ৰাতিৰ ভিতৰতে এজন মানুহ একেবাৰে প্ৰকৃত অৰ্থত মানুহ হৈ গঢ় লোৱাটো সম্ভৱপৰ নহয়। এতিয়া এজন মানুহ আৰু এজন প্ৰকৃত অৰ্থত মানুহৰ মাজত থকা পাৰ্থক্যবোৰ কি কি হয় বুলি মোক যদি কোনোবাই প্ৰশ্ন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে তেন্তে এই প্ৰশ্নটোৰ উত্তৰবোৰ নিজৰ মাজতে বিচাৰিবলৈ যত্ন কৰিলে বহু কম সময়ৰ ভিতৰতে সঠিক উত্তৰ সমূহ নিজৰ মাজতে বিচাৰি পাবলৈ সক্ষম হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। সফলতা তেতিয়াহে একেবাৰে স্থিৰ হৈ থাকিব যেতিয়া সফলতাৰ লগত ভাল ব্যক্তিত্ব সাঙোৰ খাইপৰে। অৰ্থাৎ বৰ্তমানে উচ্চব্যক্তিত্বৰ অধিকাৰী নোহোৱাকৈওঁ সফলতা অৰ্জন কৰিবলৈ সক্ষম হয় যদিওঁ সেই সফলতা কেতিয়াওঁ দীৰ্ঘস্থায়ী হৈনাথাকে। সেয়েহে প্ৰথমতে এজন ভাল মানুহ হিচাপে গঢ় লবলৈ নিজকে সময় দিব লাগে। তাৰ পৰিৱৰ্তন সময়চোৱাত যদি আপোনাৰ হাতত সফলতা আহি পৰে তেন্তে বহুত ভাল কথা। আৰু যদি এজন ভাল ব্যক্তিত্বৰ অধিকাৰী হৈওঁ আপুনি ভবামতে জীৱনত সফলতা পাবলৈ সক্ষম নহয় তথাপিও কিন্তু আপোনাক এজন সফল ব্যক্তিৰ শাৰীতে ধৰি ৰাখিব পাৰি। কাৰণ বৰ্তমানে সফলতাবোৰ ক্ষনভৰতে আহিপৰে কিন্তু ভাল মানুহ হিচাপে গঢ় ল'বলৈ বহুত সময় লাগে।

দৈনিক বাতৰি বাকত সত্য আৰু ন্যায়ৰ সপক্ষে

# ইতিহাসত চৰাইবাহী অঞ্চলৰ সৃষ্টি ৰহস্যঃ এক আলোকপাত



ড° কমল চন্দ্ৰ নাথ

'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী।' জননী আৰু জন্মভূমি স্বৰ্গতকৈয়ো শ্ৰেষ্ঠ, কিয়নো যি দেশ বা ঠাইত জন্ম লভি সেই ঠাইৰ বায়ু-পানী, বতাহ খাই জীৱন অতিবাহিত কৰা হয়, য'তেই থাকি জীৱনৰ খ্যাতি বা সুকীৰ্তি অৰ্জন কৰি জগতৰ জয় গান গাব পাৰিছোঁ, তেনে অসম মাতৃৰ কোলাত থাকি জননীৰ জয়গান গোৱা সবাৰে কৰ্তব্য। প্ৰাচীনকালৰে পৰা মহাকাব্যই জননীৰ জয়গান গাই আহিছে। শ্ৰীৰামচন্দ্ৰই লংকা জয় কৰাৰ পিছতো স্বৰ্ণলংকা এৰি ভাৰত জননী অযোধ্যালৈ ঢাপলি মেলিছিল। আলেকজেণ্ডাৰ চেলকাকে নিৰ্বাসিত হৈ সাগৰৰ মাজত থাকোঁতে এডাল কাঠৰ আশ্ৰয়ত নিজ জন্মভূমিলৈ ঘুৰি আহিছিল। সেয়ে হৈছে জননী অথবা জননীৰ প্ৰতি পুত্ৰৰ স্নেহ-শ্ৰদ্ধা। সেইবাবেই নিজৰ জন্মস্থানৰ বিষয়ে আঁতিগুৰি মাৰি জনাতো সকলোৰে প্ৰয়োজনীয় কথা। 'চৰাইবাহী' মধ্য অসমৰ মৰিগাঁও জিলাৰ পূৰ-প্ৰান্তত অৱস্থিত বিশাল গাঁৱৰ সমষ্টিৰে নানা জাতি-উপজাতিৰ সমন্বয়ত সংগঠিত এখন বৃহৎ গাঁও। এই অঞ্চলৰ জন্ম ৰহস্য থাউকতে সামৰিব বিচৰাতো সম্ভৱ নহয়। তথাপিও বৰ্তমান আৰু ভৱিষ্যতলৈ চিহ্ন সংৰক্ষণৰ নিমিত্তে সৰু কথাবোৰতে বৃহত্তৰ চানেকি বিচাৰি যেনেকৈ নহওঁক লিপিবদ্ধ কৰি ৰাখিবলৈ যত্ন কৰা হৈছে। আজি আমি এই লিখনিৰ জৰিয়তে অঞ্চলটিৰ কেইখনমান গাঁৱৰ নামৰ সৃষ্টি ৰহস্য ভেদ কৰিবৰ বাবে প্ৰয়াস কৰিছো। অঞ্চলৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ মুখৰ পৰা তাহানিতে ক্ষেত্ৰ অধ্যয়নৰ যোগেদি লাভ কৰা তথ্যৰ ভিত্তিতহে ইয়াক প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে। ইতিহাস আৰু অঞ্চলৰ পৰা প্ৰকাশিত লিখিত অলিখিত বহু তথ্যৰ ওপৰত নিৰ্ভৰ কৰি ইয়াক লিপিবদ্ধ কৰিব বিচৰা হৈছে। গতিকে দুই এঠাইত আগাডেৰা হোৱাতো নিশ্চয় স্বাভাৱিক। তথাপিও যিমান পাৰি সত্য তথ্যৰ ওপৰত নিভয় কৰি ইয়াক প্ৰকাশৰ দিহা কৰা হৈছে। আমি বাস কৰা গাঁও, চুবুৰী আনকি অঞ্চলটিৰ নামৰ সৃষ্টি ৰহস্যৰ বিষয়ে সকলোৰে জনাতো দৰকাৰ। কিন্তু দুৰ্ভাগ্য, আমি নিজে জন্ম গ্ৰহণ কৰা গাঁওখনৰ নামতোনো কেনেকৈ হ'ল তাকেই বেছিভাগেই নাজানো। নাজানো পৰিয়ালটিৰ বা উপৰি পুৰুষৰ বিষয়ে। যাহওঁক আজি আমি বৃহৎ চৰাইবাহীত থকা বিভিন্ন গাঁৱৰ নামৰ উৎপত্তিৰ আৰত থকা ৰহস্যৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰিছোঁ। এই আলোচনাত দেখা পোৱা যাব 'চৰাইবাহী'ৰ নামৰ লগত বৰভগীয়া আৰু মায়েংগীয়াৰ গাঁওকেইখনক কেনেদৰে শিকলীৰ দৰে গাঁঠি থোৱা আছে। সময়ৰ সোঁতত পুৰণি স্মৃতি নিঃচিহ্ন হৈ গ'লেও মুখৰ কথাৰে পৰৱৰ্তী সময়ত সি জীপাল হৈ থাকে। ইতিহাসৰ পম খেদি গ'লে খৃঃ নৱম-দশম শতিকাৰ পৰাই এই অঞ্চলত মানুহৰ বসতিৰ প্ৰমাণ পোৱা যায়।অঞ্চলৰ প্ৰায়বোৰ লোকেই আজিও নাজানে যে শংকৰী-যুগৰ সময়ৰ পৰাই ইয়াতো সাহিত্যৰ ধাৰা বৈ আছে। সংৰক্ষিত হৈ আছিল বহু পুৰণি সাঁচিপতীয়া পুথি। কালৰ গ্ৰাসত সি অৱশ্যে নিঃশেষ হৈ গৈছে। আজিও নাজানে এই অঞ্চলৰ যে আধুনিক শিক্ষাৰ একপ্ৰকাৰ বাটকটীয়া স্বৰ্গীয় গোপীনাথ বৰদলৈ (মেধিগাঁও)। কৰ্মসূত্ৰে ৰহাৰ বাসিন্দা হৈ ৰহা অঞ্চলৰ সিংহ-পুৰুষ হিচাপে খ্যাতি লাভ কৰিছিল। অকল আধুনিক শিক্ষাৰ বাটকটীয়াই নহয়, অঞ্চলৰ প্ৰথম লেখক হিচাপেও খ্যাত, প্ৰথম এমভিপাছ, প্ৰথম চৰকাৰী কৰ্মচাৰী আৰু প্ৰথম নৰ্মাল পাছ ব্যক্তি।

মৰিগাঁও জিলাৰ পূৱ প্ৰান্তত নগাঁও- মৰিগাঁও ৰাজআলিৰ উত্তৰ দিশত আৰু চিৰ প্ৰবাহমান স্বচ্ছন্দ সোণাই নদীৰ দক্ষিণত বৃহৎ চৰাইবাহী অঞ্চল চিৰ জ্যোতিষ্মান। ৰাজআলি আৰু সোণাই নদীক সংযোগ কৰিছে বৰভগীয়া, মিকিৰভেটা, ধিং গড়কাপ্তানি উপ-ৰাজআলিয়ে। উক্ত আলিক বুকুত সাবটি লৈয়ে সোঁৰে বাঁওৰে গঢ় লৈ উঠিছে বৃহৎ চৰাইবাহীৰ কৌটি-কলীয়া ঐতিহ্য মণ্ডিত চহা অসমীয়া সঁচা সংস্কৃতি, লোক বিশ্বাস আৰু পৰম্পৰা। উক্ত ৰাজআলিৰ দক্ষিণে গাতে লাগি থকা বৃহৎ 'কাছধৰা' বিল আৰু সুদীৰ্ঘ সোণাই নদীৰ মাজত উত্তৰা- দক্ষিণাকৈ প্ৰায় তিনি কিলোমিটাৰ ঠাই আগুৰি থকা এই ভূ-খণ্ডৰ সোঁমাজত বিৰাজ কৰিছে যেন চৰণীয়া পথাৰখনে। সেয়েহে মৌচাকৰ দৰে এই পথাৰখনিকে কেন্দ্ৰ কৰি এখন দুখনকৈ বহুত সৰু বৰ গাঁও, চুবুৰী থুপ খাই পৰিল। বৰভগীয়া, ব্ৰাহ্মণগাঁও, কাঁহিবাৰী, কাছধৰা, মায়েংগীয়া, বড়িগাঁও, মেধিগাঁও, বেলগুৰি, খাইগৰীয়া, ন-খণ্ডীয়া, নিজ চৰাইবাহী, আহোমগাঁও, বুঢ়াগোঁসাই থান, মাজগাঁও, লোঙামুখ, ভোমোৰাগুৰি, শিমলুগুৰি আৰু বহুতো সৰু ডাঙৰ চুবুৰীৰ সমষ্টিয়েই বৃহৎ চৰাইবাহী অঞ্চল। সকলোৰে উমৈহতীয়া সম্পদ মাজমজিয়াত অৱস্থিত ৰাইজৰ বুকুৰ কুটুম উক্ত চৰণীয়া পথাৰখনৰ কাষে কাষে বৰ্তমান গঢ়লৈ উঠিছে অঞ্চলৰ উল্লেখযোগ্য অনুষ্ঠান প্ৰতিষ্ঠানসমূহ। ইয়াৰ লগতে আছে অনুষ্ঠানসমূহৰ সেৱা লাভ কৰিব পৰা সুন্দৰ যাতায়তৰ ব্যৱস্থা। বৰ্তমান এই বৃহৎ অঞ্চলটিত নাথ (যোগী), লালুং, মিকিৰ, কাৰ্বি, কোঁচ, আহোম, চুতীয়া, ব্ৰাহ্মণ, হীৰা, কৈৱৰ্ত, কেইঘৰমান মুছলমান, হৰিজন আৰু বিহাৰী সম্প্ৰদায়ৰ লোকে মিলাপ্ৰীতিৰে বসবাস কৰি আছে। ইয়াৰে বৰভগীয়া, মায়েংগীয়া, খাইগৰীয়াত 'নাথ' (যোগী) সম্প্ৰদায়ৰ লোক, কাছধৰাত কৈৱৰ্ত, বেলগুৰিত কোঁচ, মায়েংগীয়াৰ পশ্চিমত মুছলমান, মেধিগাঁও আৰু বড়িগাঁৱত চুতীয়া, আহোমগাঁৱত আহোম, নিজ চৰাইবাহীত কোঁচ, লালুং, মিকিৰ, হীৰা, কাঁহিবাৰীত লালুং, মিকিৰ, আৰু কাৰ্বি, ভোমোৰাগুৰিত কোঁচ, লালুং, ব্ৰাহ্মণ, লোঙামুখ আৰু মাজগাঁৱত লালুং, বৰভগীয়া আৰু খাইগৰীয়াত কিছুসংখ্যক ব্ৰাহ্মণ সম্প্ৰদায়ৰ আৰু বৰভগীয়া বকুলতলত কেইঘৰমান হৰিজন আৰু বিহাৰী সম্প্ৰদায়ৰ পৰিয়ালৰ বসতি। জনসংখ্যা হিচাপে অঞ্চটিত 'নাথ'(যোগী) সম্প্ৰদায়ৰ লোকেই সৰ্বাধিক। ইয়াৰ পিছতে লালুং জনগোষ্ঠী। প্ৰত্যেকে নিজা নিজা জাতীয় সংস্কৃতি বজাই ৰাখি সদায় স্ব-ধৰ্ম পালন কৰি আহিছে।

এই অঞ্চলত কোন যুগৰ পৰা মানুহে প্ৰথম বসতি আৰম্ভ কৰিছিল সেই সম্বন্ধে বুৰঞ্জীত বিশেষ তথ্য নাই। তথাপিও কিংবদন্তীৰ সূত্ৰ ধৰি চালে ক'ব পাৰি যে, খৃঃ ৯ম শতিকাৰ মায়ঙৰ 'শগুণপুৰী' পাহাৰস্থ 'বৰাগী থানৰ' পৰা তান্ত্ৰিক সহজীয়া বৌদ্ধ সন্ন্যাসীৰ এটা দলে পূৱলৈ আহি এই ঠাইত বৈছিলহি। তাতে কিছুদিন থাকি তেওঁলোক অন্য ঠাইলৈ গুছি যায়। তেওঁলোকে প্ৰতিষ্ঠা কৰা কেইখনমান থান আৰু লগত অনা দুই এছটা শিলৰ ভগ্নাৱশেষ আজিও অঞ্চলটিত বিদ্যমান। সিয়ে অঞ্চলত থকা বৰ্তমান বামুণ গোসাঁই থান হিছাপে পৰিগণিত বুলি ভবাৰ স্থল আছে। ১৯৬০ চনত মিকিৰভেটা চোৱাতবড়িত আবিষ্কৃত তিনিখন তামৰ ফলিত (অসম চৰকাৰৰ পুৰাতত্ব বিভাগত বৰ্তমান সংৰক্ষিত) দশম শতিকাৰ পালবংশীয় ৰজা ৰত্নপালে কৰা দেৱোত্তৰ ভূমিদানৰ কথা উল্লেখ আছে। কেৰেলা বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগে Journal of Indian History vol. L.V. part-I 1877' 3 এই ফলিৰ বিষয়ে বিস্তৰ আলোচনা কৰিছে। তাৰোপৰি ১৯৮৮ চনত চতাবৰ বেঙেনাআতিত উদ্‌ঘাটিত দুখন তামৰ ফলিতো ৰজা ৰত্নপালে কৰা ভূমিদানৰ কথা উল্লেখ আছে। এই সূত্ৰ ধৰিলে এই অঞ্চলত জনবসতি দশম শতিকাৰ পৰা ভৰ হৈছে বুলি ক'ব পাৰি। স্বৰ্গদেউ জয়ধ্বজ সিংহই (১৬৪৮ খৃঃ) কপিলীমুখত ৰহা চকী স্থাপন কৰি জয়ৰাম কটকীৰ হাতত অৰ্পণ কৰিলত তেওঁ দাঁতিয়লীয়া সমাজৰ লগত আলোচনা কৰি 'গোভা' আৰু 'খলা'ৰ পৰা ৰংখাৰপ কুলৰ মিকিৰ আৰু মাছেৰেং কুলৰ লালুং আনি যি তিনিখন পোৱালী ৰাজ্য স্থাপন কৰিলে তাৰে মিকিৰ ৰাজ্যৰ ভিতৰত চৰাইবাহী অঞ্চলে অন্তৰ্ভুক্তি লাভ কৰা ইতিহাস প্ৰমাণিত (দেওধাই অসম বুৰঞ্জী, পৃঃ ১৩৩-১৩৫) ।আহোম ৰজা ৰুদ্ৰসিংহই কেপ্টেইন ৰাডাৰৰ সহায়ত সম্পন্ন কৰা পিয়ল অনুসৰি নগাওঁ জিলা ১৪টা মহলত বিভক্ত হয় আৰু ৩নং মহলটো 'মিকিৰ পুৰৰ' অন্তৰ্গত হোৱা চৰাইবাহীত বিভিন্ন জাতি আৰু ধৰ্ম সম্প্ৰদায়ৰ লোকে ভৰি পৰে। গতিকে দেখা গ'ল চৰাইবাহী মিকিৰ ৰাজ্যৰ এক বৃহৎ অঞ্চল আছিল। মিকিৰ ৰজাই শাসনৰ সুবিধাৰ বাবে জনচেৰেক পালি ৰজাৰ সৃষ্টি কৰিলে। সেই অনুযায়ী চৰাইবাহী অঞ্চলৰ শাসনভাৰ পৰিল বেলগুৰিৰ ৰজত সিংহ ৰজাৰ ওপৰত। তেওঁৰ বংশলতা এনেধৰণৰ- ৰজত সিং- চৰাই সিং-আৰ্য্যা সিং ।ইয়াৰ পিছত ভৰত ৰজা- আদৰ ৰজা লম্বোদৰ ৰজা- লেবা ৰজা- ধাতু ৰজা-মিলন ৰাজকুমাৰ (বৰ্তমান)। ১৮৫১ চনত ডেভিদ স্কট্ চাহাবে আহোমৰ অধিনস্থ পাঁচোৰজা আৰু সাতোৰজাৰ ৰাজ্যাঞ্চল কেইবাটাও মৌজাত ভাগ কৰি দিয়ে। সেইমতে চৰাইবাহী মৌজাৰ ভাৰ পৰে 'ভকত ৰজা'ৰ ওপৰত। ৰাজহ আদায় আৰু কাৰ্যালয়লৰ মুখ্য বিষয়াৰূপে চৰাইবাহীত 'কাকতি' নিযুক্ত হয়। আজিও চৰাইবাহীৰ ন-খণ্ডিয়া চুবুৰীটোত 'কাকতি' পৰিয়ালকেইঘৰ মান আছে। (চৰাইবাহীৰ প্ৰাচীন ইতিহাসত এভুমুকিঃনৰৰাম নাথ, ফেৰেংগাদাও, ১৯৯৬, পৃঃ ৫-৬ )। চৰাইবাহী অঞ্চলৰ প্ৰাচীন বহু ঐতিহ্য আজি বৰ অবহেলিত হৈ আছে। কালৰ বুকুত ই নিঃচিহ্ন হৈ যোৱাৰ উপক্ৰম হৈছে। আজি এই শুভক্ষণত অঞ্চলটিৰ পৰম্পৰাগত ঐতিহ্য আৰু সংস্কৃতি, মঠ-মন্দিৰ, ৰজাদিনীয়া পুখুৰী, ঠাই, বৃহৎ সাঁচিপতীয়া পুথিত হয়তো ইয়াৰ বুৰঞ্জী লিখা আছিল। কিন্তু বহু আশাৰে সি পোহৰৰ বাট বিচাৰি আন্ধাৰতে জহি খহি পমি চিন চাব নোহোৱা হৈ গ'ল। কোনে দিব আজি তাৰ লুপ্ত খটিয়ান, কোনে ল'ব তাৰ হিচাপ। আহকচোন যাওঁ ইয়াৰ সৃষ্টি ৰহস্য বিচাৰি- জন্মলগ্নৰে পৰা চৰাইবাহীৰ ভূমিখণ্ড ওখ টিলা সদৃশ। যিয়ে ইয়াৰ ঐতিহ্য বহন কৰাৰ এক প্ৰথম কাৰণ। এই ওখ ঠাই খণ্ডত নানা ধৰণৰ জাৰণিৰে ভৰা কাৰণে হয়তো ইয়াৰ নাম 'চৰাবাস' ৰাখিলে। অৰ্থাৎ ওখ ঠাইত বসতি। কিংবদন্তীৰ মতে প্ৰৱল বানপানীৰ ফলতো কোনো কালে এই ঠাই তল নগৈছিল। যাৰ ফলত বিভিন্ন ঠাইৰ পৰা ওখ ঠাই বিচাৰি বহু চৰাই চিৰিকটি, জীৱ-জন্তু আৰু মানুহৰ প্ৰব্ৰজন ঘটিছিল। পিছত সেই লোকসকল তাতেই স্থায়ী হৈ ৰৈছিল। ইফালে এই জাৰণিবোৰত অসংখ্য চৰাই চিৰিকটিৰো আনকি ম'ৰা চৰাইয়োৰো বাঁহ আছিল। সেয়েহে চিন্তাশীল ব্যক্তিসকলে মন্তব্য কৰে যে অনেক জাতীয় চৰাইৰ আগমনে এই ঠাইখনিৰ ৰূপসজ্জা বৃদ্ধি কৰে আৰু সেই অনুসৰি ঠাইখনিৰ নাম 'চৰাইবাহী' হয়। অন্যহাতে বিভিন্ন সময়ত বানৰ কবলৰ পৰা ৰক্ষা পাবলৈ অহা মানুহৰ আগৰে পৰা যে ইয়াত কিছুসংখ্যক মানুহৰ বসতি আছিল সি সত্য। ক্ৰমে মানুহৰ মুখত 'চৰাবাস' শব্দই ৰূপ সলাই 'চৰাবাসী' আৰু পিছলৈ সিয়ে 'চৰাইবাহী' হোৱা বুলি অনুমান কৰাৰ স্থল আছে। দ্বিতীয়তে, চৰাইবাহীৰ বিভিন্ন চুবুৰী আৰু গাঁৱৰ নামে প্ৰমাণ কৰে বিভিন্ন ঠাইৰ পৰা অহা ঠাইবোৰৰ নামৰ লগত বৰ্তমানৰ চুবুৰী বা গাঁৱবিলাকৰ নামৰ হুবহু মিল থকাৰ কথা। সেইমতে বৃহৎ চৰাইবাহীৰ দক্ষিণ দিশত থকা বৰভগীয়াৰ লোকসকল নাথ (যোগী) সম্প্ৰদায়ৰ। বানপানীৰ কবলত কামৰূপ জিলাৰ বৰভাগ মৌজাৰ পৰা লোকসকল ভাগি আহিছিল আৰু সেই মানুহখিনিৰেই পৰিয়াল বাঢ়ি গৈ কালক্ৰমত এই গাঁওখনক 'বৰভগীয়া' আৰু বৰ্ত্তমান ইয়াৰ নাম 'বৰভগীয়া গাঁও' হ'ল। এই গাঁৱৰ ভিতৰত থকা ব্ৰাহ্মণ গাঁৱৰ লোকসকলো সেই বৰভাগৰ পৰাই অহা বুলি কিংবদন্তী শুনা যায়। কাঁহিবাৰীত থকা মানুহখিনি মিকিৰ ৰজাৰ দিনৰে পৰা মিকিৰ আৰু লালুং হিচাপেই খ্যাত। মায়েংগীয়াত বসতি কৰা লোকসকল ইতিহাস প্ৰসিদ্ধ মায়ং অঞ্চলৰ পৰা অহা। সেইবাবে এই গাঁৱৰ নাম মায়েংগীয়া হয়। খাইগৰীয়া গাঁৱত বাস কৰা লোকসকল ৰহা অঞ্চলৰ খাইগড়ৰ পৰা অহা বাবে গাঁৱখনৰ নাম খাইগৰীয়া নামে নামাকৰণ হ'ল। মায়েংগীয়াৰ পশ্চিমফালে থকা শিমলুগুৰিৰ লোকসকল পূৰ্বতে হাতীবাট শিমলুগুৰিৰ পৰা অহা, সেয়ে চুবুৰীটোৰ নাম শিমলুগুৰি আৰু বাসিন্দাসকলক শিমলুগুৰিয়া বোলে। আহোম গাঁৱৰ লোকসকল পুৰণি ৰহাচকী আৰু মেধিগাঁৱৰ নিবাসীসকলো উজনি অসমৰ পৰা অহা লোক। ইফালে কাছধৰা, সাতগাঁৱৰ লোকসকলে সাতটা বিভিন্ন ঠালৰ পৰা আহি গোট খোৱা লোক। সেয়ে ইয়াৰ নাম সাতগাঁও হয়। বাকী চৰাইবাহীত থকা লোকসকল যেনে-হীৰা, কোঁচ, লালুং, ব্ৰাহ্মণ আদি লোকসকল পূৰ্বৰে পৰা ইয়াৰে বাসিন্দা বুলি ভৱাৰ স্থল আছে। কাৰণ 'নিজ চৰাইবাহী' নামাকৰণে এই কথাৰ সাক্ষ্য বহন কৰে। ঐতিহাসিক দৃষ্টিৰে চালে দেখা যায় ধৰ্মীয় ক্ষেত্ৰত প্ৰায় সকলো ব্যক্তিৰে প্ৰথম আৰু একমাত্ৰ পূজা সেৱাৰ কেন্দ্ৰস্থল আছিল চৰাইবাহীৰ 'বুঢ়াগোসাঁই থান'খন। থানখন শৈৱ ধৰ্মী। কাৰণ তাত প্ৰথম অৱস্থাত 'শিৱলিংগহে' প্ৰতিষ্ঠা কৰা আছিল আৰু বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি থকা শিলো সংৰক্ষিত হৈ আছিল। বুৰঞ্জী প্ৰসিদ্ধ পিতৃহন্তা আৰিমত্তৰ ৰাজত্বৰ সময়ত অসমত শাক্ত আৰু শৈৱ ধৰ্ম্মই বিশেষভাৱে গা কৰি উঠিছিল। পিতৃ বধৰ প্ৰায়চিত্তৰ বাবে আৰিমত্তই বিভিন্ন ঠাইত মঠ মন্দিৰ বিগ্ৰহ পুখুৰী আদি খন্দাইছিল। তাৰেই স্মৃতি হিছাপে 'বুঢ়াগোসাঁই থান', 'মঠৰবড়ি থান' আৰু 'মহাদেওশালি থান'(ৰহা) আদিৰ সৃষ্টি বুলি অনুমান কৰাৰ স্থল আছে। ঠিক সেই সময়তে মিকিৰ ৰজাই বৰ্তমান কাঁহিবাৰী গাঁৱৰ পুৱ দিশত থকা গড় সদৃশ বৃহৎ আকাৰৰ পুখুৰীতো খন্দাইছিল। সি বৰ্তমানেও 'ৰজাপুখুৰী' হিচাপে জিলিকি আছে। ইয়াৰ কাষতে থকা কাঁহিবাৰী গাঁৱত আজিও মিকিৰ আৰু লালুং লোকসকলে বসতি কৰি আছে। ইয়াৰ নিচেই কাষতে তেওঁলোকৰ উপাস্য দেৱতাৰ নামত 'উৎলাং' নামে আন এটি পুখুৰী নিজৰ সুবিধাৰ কাৰণে খান্দি লয়। দুয়োটা পুখুৰীৰ জন্ম প্ৰায় একে সময়তে। মিকিৰ সৈন্যই কছাৰী সৈন্যক ভেটিবৰ বাবে য'ত বাধা প্ৰদান কৰিছিল সেই ঠাই আজিও 'মিকিৰভেটা' নামে খ্যাত আৰু তাৰ পশ্চিমে মিকিৰে কছাৰী সৈন্যক ৰোধ কৰিবৰ বাবে এটা গড় মাৰিছিল। সেই ঠাই আজিও 'গড়মাৰি' নামে জনাজাত। চৰাইবাহীত সমূহ ৰাইজে ঐতিহাসিক স্মৃতিৰে আৰু ঐক্যতাৰে প্ৰতি বছৰে ব'হাগ মাহত মহা সমাৰোহেৰে প্ৰথম অৱস্থাত 'বুঢ়া গোসাঁই থানৰ' 'গোসাঁই'ৰ আসনক এবাৰ মুকলি বাকৰিলৈ উলিয়াই আনি গোসাঁই উলিওৱা মেলা উদযাপন কৰে। প্ৰাচীন পৰম্পৰা হিচাপে আজিও বেলগুৰি ৰজাঘৰৰ পৃষ্ঠপোষকতা আৰু তিৱাসকলৰ পূৰ্ণ সহযোগত এই মেলা মহা পয়োভৰেৰে উদযাপন কৰি বুৰঞ্জীৰ পোৱালী ৰজাবিলাকৰ স্মৃতি বহন কৰে। পুৰণি চৰাইবাহীৰ অন্য সম্প্ৰদায়ৰ লগতে জনজাতীয় লোকসকলে এই 'গোঁসাই উলিওৱা' উৎসৱটি প্ৰধান বাৰ্ষিক উৎসৱ হিচাপে পালন কৰে। প্ৰথম অৱস্থাত 'বুঢ়াগোসাঁই' থানৰ পৰাহে বিগ্ৰহ বা আসন উলিওৱা হৈছিল যদিও পিছলৈ ইয়াৰ অনুসাংগিক হিচাপে বৰভগীয়া, মায়েংগীয়া আৰু নিজ চৰাইবাহীৰ বৰ্ণসত্ৰৰ পৰাও (বৰোণৰ মেলা) গোঁসাইৰ আসন আনি পৰিপূৰ্ণ নিয়ম নীতিৰে এই উৎসৱ পালন কৰি আহিছে। তিৱা(লালুং) জনজাতীয়সকলৰ 'ঢাল-বাৰু' খেলা ইয়াৰ এটা আৰ্কষণীয় দিশ। জনজাতীয় সকলৰ এটি উল্লেখযোগ্য উৎসৱ হ'ল 'মালদকোৱা' উৎসৱ। বছৰটোৰ বাবে অপায় অমংগল দূৰ কৰাৰ মানসেৰে আহাৰ মাহত ভূত-প্ৰেত, দেৱ-দেৱতা আদি অপশক্তিবোৰক গাঁৱৰ পৰা খেদিবৰ বাবে এই উৎসৱ পালন কৰিছিল। চৰাইবাহীৰ পূৱ মূৰৰ পৰা বিভিন্ন বেশত সজ্জিত হৈ মদ্যপান কৰি জনজাতিসকলে উগ্ৰমূৰ্তি ধাৰণ কৰি বেলগুৰিত থকা ৰজা ঘৰত ভোজন আৰু মদ্যপান কৰি ওচৰতে থকা এটি বিশেষ পুখুৰীলৈ যাত্ৰা কৰে। তাতে ৰজাই যোগান ধৰা খাদ্য গ্ৰহণ কৰি হাতত লৈ যোৱা কাঠ-বাহঁৰ জাঠি-জোংবোৰ দ' গাত খান্দি পুতি থয়। তাকেই 'মালপোতা' বোলে। মায়েংগীয়া আৰু বেলগুৰি গাঁৱৰ পশ্চিমত আজিও সেই পুখুৰীটো 'মদখোৱা' পুখুৰী আৰু কাষতে অস্ত্ৰ পোতা ঠাইখনিক 'মালপোতা' নামে জনা যায়। ইয়াৰ লক্ষ্য আছিল বেমাৰ আজাৰ মাৰিমৰক আদিৰ পৰা গাঁৱবাসীক বছৰটোৰ বাবে ৰক্ষা কৰা।নিজ চৰাইবাহী গাঁৱৰ জনজাতি 'মিথিকুলৰ' পৰিয়ালত পুৰণিকলীয়া ৰীতে মতে 'বৰঘৰ সেৱা' নামৰ এবিধ মাংগলিক অনুষ্ঠান উদ্যাপন কৰাৰ নিয়ম আছে। ইয়াত আজিও গঁড়ৰ চামৰাৰ দুখন ঢাল, তিনিপাত বাৰু, এপাত কাঁড় প্ৰতিষ্ঠা কৰা আছে। তাৰ সন্মুখতে বিভিন্ন উপাচাৰ দি এই পূজা কৰা হয়। পুৰণি ঐতিহ্য আৰু সেই জাতিৰ স্বাক্ষৰ বহনকাৰী উপযুক্ত মাধ্যম হ'ল লিখিত সাহিত্যৰাজি। আমাৰ পিতৃ-পিতামহে আৰু মহাপুৰুষসকলে সাঁচিপাতৰ পুথিবোৰত বহু কষ্টৰে এই সাহিত্যৰাজি লিপিবদ্ধ কৰিছিল। কেঁহৰাজ, চৰুচাই, বৰা চাউল, গৰুমুত্ৰ, লোৱাচুৰ, শিলিখা আৰু আমৰ চালৰ পৰাই 'মহী বা চিয়াহী' তৈয়াৰ কৰি সাঁচিগছৰ বাকলিত আৰু তুলা পাতত বিশাল সাহিত্যৰাজি লিপিবদ্ধ কৰি চৰাইবাহীৰ সাহিত্যৰ ভঁড়াল বহু টনকীয়াল কৰি থৈ যোৱাৰ প্ৰমাণ পোৱা যায়। কিন্তু নানা ধৰণৰ জনবিশ্বাস, বানপানী, ধুমুহা, অগ্নিসংযোগ আদি প্ৰাকৃতিক বিপৰ্যয়, গৃহস্থৰ অনাদৰ, দৰিদ্ৰতা, উঁই পোকৰ আক্ৰমণ আৰু বিভিন্ন এশএবুৰি কাৰণত অঞ্চলৰ বহু পুৰণি পুথি ধ্বংস হৈ গ'ল। অৱশ্যে এই লেখকৰ ব্যক্তিগত প্ৰচেষ্টাত আৰু ক্ষেত্ৰ অধ্যয়নৰ ফলত এতিয়াও চৰাইবাহীত বহু সাঁচিপতীয়া পুথি থকাৰ প্ৰমাণ আছে। বৰ্তমান চৰাইবাহী মহাবিদ্যালয়ত বিশেষ লক্ষ্য আগত ৰাখি এটি 'পুৰণি পুথি সংৰক্ষণ কেন্দ্ৰ' স্থাপন কৰা হৈছে আৰু ইতিমধ্যে বহুপুৰণি পুথি তাত সংৰক্ষণ কৰা হৈছে। উক্ত পুথিসমূহ বৰ্তমান অসম চৰকাৰৰ শংকৰদেৱ কলাক্ষেত্ৰৰ সহযোগত সুন্দৰকৈ সংক্ষণৰ ব্যৱস্থা কৰি মহাবিদ্যালয়ত পুনৰ সংৰক্ষণৰ বাবে চমজাই দিয়ে। এইয়া এক সুন্দৰ প্ৰচেষ্টা।

চৰাইবাহী অঞ্চলৰ এক উল্লেখযোগ্য সৰ্বস্মৰণীয় সাংস্কৃতিক দলিল হ'ল 'ত্ৰি-বাৰ্ষিক কমিটি ভাওনা মহোৎসৱ'। ১৮৫৮ চনৰ পৰাই চৰাইবাহীত কমিটি ভাওনাৰ মূল সোঁতটো বৈ অহাৰ প্ৰমাণ পোৱা যায় বুলি অঞ্চলৰ সন্মানীয় বয়োবৃদ্ধ ব্যক্তিসকলৰ মুখৰ পৰা শুনা যায় আৰু চৰাইবাহীত এই উৎসৱে বিশেষভাৱে স্বীকৃতি লাভ কৰি আজিলৈকে যুগান্তকাৰী হৈ চলি আহিছে। ই আঞ্চলিক ৰাইজৰ এক মহান ঐক্যতাৰ জ্বলন্ত নিৰ্দশন। বৰ্তমান চৰাইবাহীৰ নাথ মন্দিৰ, শংকৰ মন্দিৰ আৰু বৰিগাৱঁৰ ৰাস মণ্ডপত একত্ৰে প্ৰতি তিনি বছৰৰ ৰাস পূৰ্ণিমাত চৰাইবাহীৰ সমূহ জনসাধাৰণে কমিটি ভাওনা উদ্যাপন কৰি আহিছে। বৃহৎ চৰাইবাহী অঞ্চলৰ শংকৰী কলা কৃষ্টিৰ প্ৰাণকেন্দ্ৰ 'সাৰ্বজনীন শ্ৰীমন্ত শংকৰ মন্দিৰ' প্ৰতিষ্ঠা কৰা হয় ১৯১৫ চনত। প্ৰাৰম্ভিক অৱস্থাত এজোপা প্ৰকাণ্ড ঘট গছৰ তলত ভাগৱত চৰ্চা হৈছিল আৰু পৰৱৰ্তী সময়ত তাৰ তলতেই মন্দিৰ প্ৰতিষ্ঠা কৰা হৈছিল। সেয়ে ইয়াৰ পুৰণি নাম 'বৰত তল নামখোলা' হিচাপে জনা যায়। চৰাইবাহীৰ জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাৰ লাইখুটাও এই ঠাইয়েই বুলি ক'ব লাগিব। ধৰ্ম সংস্কৃতিৰ সমীক্ষাত দেখা যায় চৰাইবাহীৰ লোকসকল প্ৰধানকৈ বৈষ্ণৱ ধৰ্মালম্বী। ধৰ্মচৰ্চাৰ বাবে অঞ্চলটিত সৰু ডাঙৰ প্ৰায় ৪০টাতকৈয়ো অধিক নামঘৰ প্ৰতিষ্ঠিত। সকলোতে নিয়মীয়াকৈ প্ৰতি সন্ধ্যাতে বন্তি জ্বলোৱা আৰু ডবা শংখধ্বনি কৰা হয়। চৰাইবাহী গৰিষ্ঠ সংখ্যক নাথ (যোগী) সম্প্ৰদায়ৰ লোকসকলৰ মাজত জাতীয় সংস্কৃতি তথা চিৰাচৰিত সুপ্ত ৰীতিক জাগ্ৰত কৰাৰ মানসেৰে এক নতুন অধ্যায়ৰ সূচনা কৰা হ'ল। জন্মসূত্ৰে শিৱগোত্ৰত জন্ম লভি স্ব-ধৰ্ম আৰু স্ব-কৰ্মৰ আচৰণৰ ৰীতি-নীতি সম্পৰ্কে বিজ্ঞ, জ্ঞানী, বিদ্বান লোকসকলৰ সহযোগত ১৯২৫ চনৰ এটি শুভক্ষণত সুযোগ্য গুৰু মহান কৰ্মযোগী বাবা শ্ৰীমৎ স্বামী পুষ্পকৰ নাথজীয়ে অসমৰ বিভিন্ন ঠাইত যোগ ধৰ্ম প্ৰচাৰ কৰি আহি চৰাইবাহীত উপস্থিত হ'লহি। তেখেতৰ সান্নিধ্য লাভ কৰি 'নাথ'(যোগী) লোকসকলে তেখেতৰ পৰামৰ্শ মতেই 'উপনয়ন বা লগুণ' ধাৰণৰ সমস্ত কৰ্ম ও মন্ত্ৰৰ (গায়ত্ৰী) ব্যৱস্থা গ্ৰহণ কৰিবলৈ পূৰ্ণ সুযোগ পালে (উজনি বুঢ়া খেলৰ নামঘৰত)। সেই সময়ৰ বিজ্ঞ পুৰোহিত বামুনবড়ি গাৱঁৰ শ্ৰদ্ধাৰ গম্ভীৰ নাথ পণ্ডিতদেৱে পৌৰহিত্য কাম কৰি এক পৱিত্ৰ নতুন সংস্কাৰ আনি দিলে। তেতিয়াৰ পৰা বৰ্তমানলৈকে সেই নিয়মকে বলবৎ কৰি 'নাথ' লোকসকলৰ মাজত উপনয়ন ধাৰণৰ কাৰ্য নিৰৱচ্ছিন্নভাৱে চলি আছে। এসময়ত চৰাইবাহীত ওজাপালিৰ বিশেষ জনপ্ৰিয়তা আৰু বহুল প্ৰচলন আছিল। ইয়াৰ লগতে এসময়ত মায়েংগীয়াৰ পশ্চিমে শিমলুগুৰিত থকা 'পদুম কুঁৱৰী' থানত শিমলুগুৰিৰ মুছলমান সম্প্ৰদায়ৰ লোকসকলেও লগ হৈ 'পদ্মাদেৱী' আৰু 'মাৰৈ' পূজা সম্পাদন কৰিছিল। হিন্দু মুছলমানৰ এই সহযোগী মনসা বা পদ্মা পূজাৰ কথা আজিও মানুহৰ মুখত শুনা যায়। এই সমন্বয়ৰ সংস্কৃতিটোক 'ফেৰাজী কৃষ্টি' আখ্যা দিয়া হৈছে। অৱশ্যে বৰ্তমান ই লুপ্তপ্ৰায়। অঞ্চটিত বহু পুৰণি শিলগোঁসাই থান ব্ৰাহ্মণ গোঁসাই থান আৰু গৰখীয়া থানৰ লগতে নিজ চৰাইবাহীত থকা 'বৰ্ণসত্ৰ' আৰু 'কাছধৰা বিল' ৰ পাৰত থকা দৌল মন্দিৰৰ কথাও উল্লেখ কৰিবই লাগিব। ইয়াৰ বাহিৰেও মালঠাকুৰ পূজা, ডিঙা পূজা, শনি পূজা, মাৰৈ পূজা, ৰাতিসেৱা, মাৰ্গীয় ওজা-পালি, ডেকাচাং, তান্ত্ৰিক সাধন আদিৰ লগতে গদালবৰীয়া গীত, বৰতৰ গীত, মুগা চোঙৰ গীত, লা-হি-লা-লি গীত আদিৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। এসময়ত এইবোৰ গীতে চৰাইবাহী ডেকা-গাভৰুৰ মুখত আখৈ ফুটাদি ফুটিছিল। বনঘোষাৰ প্ৰচণ্ড প্ৰতাপত নিজঞ্জাল পথাৰ ৰজনজনাই গৈছিল। আজি যেন সকলো হেৰাই যোৱাৰ উপক্ৰম। ইয়াৰ বাবে দায়ী উত্তৰ পুৰুষ। এইখিনিতে এটা কথা উল্লেখ কৰিবই লাগিব যে,এই অঞ্চলতেই বিয়াল্লিছৰ স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ তিলক ডেকাৰ জন্ম স্থান। ইয়াতেই স্বাধীনতা সংগ্ৰামী ১৯৪২ চনৰ ২৪ নৱেম্বৰত পাণবাৰী আৰু পানীখাইতি ৰে'ল ষ্টেচনৰ মাজৰ নলঘুলীত বৃটিছৰ ৰে'লগাড়ীৰ লগতে প্ৰায় সাতশৰো অধিক বৃটিছ সৈন্য নিধন কৰা ১১জনীয়া বীৰৰ অন্যতম নায়ক প্ৰয়াত কামেশ্বৰ বৰদলৈদেৱৰো জন্মস্থান। অঞ্চলটি স্বাধীনতা সংগ্ৰামৰ এক মূল ঘাটি হিচাপে ভাৰতীয় ইতিহাসত সদায় চিনাক্ত হৈ থাকিব।

মুঠতে সদৌ শেষত এটা কথা উল্লেখ কৰিবই লাগিব যে, ইতিহাসৰ পাতত চৰাইবাহীৰ কথা আৰু কীৰ্তিচিহ্নসমূহৰ স্থান বিশেষভাৱে উল্লেখযোগ্য। বহুতো কীৰ্তিচিহ্ন নামমাত্ৰহে স্মৃতিৰ লগত বৰ্তমান জড়িত হৈ আছে। এইয়া কিন্তু অঞ্চলৰ বাবে এক দুৰ্ভাগ্যজনক কথা। সেয়েহে পুৰণি সকলো ইতিহাস সম্বলিত তথ্য উদ্ঘাটন কৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে নিশ্চয় আৰু অধিক তথ্য ওলাই পৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। সেয়েহে আমি যুৱ প্ৰজন্মক বিশেষভাৱে আহ্বান জনাও যে, অঞ্চলৰ লুপ্ত হ'ব খোজা সকলো ইতিহাস সম্বলিত ঘটনা কীৰ্তিচিহ্ন, পুৰণি-পুথি পাঁজি আদি আজি উদ্ধাৰ আৰু বিশ্লেষণ কৰি সকলোকে নতুনৰ সোৱাদ দিয়ক। আমি ভাৱো তেতিয়াহে বিশ্বৰ ইতিহাসত চৰাইবাহী সদায় জিলিকি থাকিব। এইয়া আমাৰ একান্ত ব্যক্তিগত অনুৰোধ।

'সোণত সুৱগা' বৰ্তমান চৰাইবাহী অঞ্চলত থকা পুৰণি গাঁও, চুবুৰী, পুখুৰী, ঠাই, পথাৰ, হোলা আদিৰ নাম এনেধৰণৰ- ৰজাপুখুৰী, উৎলাংপুখুৰী, মদ খোৱা পুখুৰী, ৰেণুপুখুৰী, মাদৈ পুখুৰী, পদুমপুখুৰী, চেলাপুখুৰী, কুপতি পুখুৰী, বৰপুখুৰী, সৰু পুখুৰী, তিনিটাপুখুৰী, খলাইপুখুৰী, কেকুৰী পুখুৰী, টিলিকাপুখুৰী, খান্দাপুখুৰী, বৰহোলা, সৰুহোলা, জখলাপোতা হোলা, শেলেপীয়া পথাৰ, চেলা পুখুৰী পথাৰ, উটুঙা পথাৰ, দময়া কেঞা বাত, শিলগোসাঁই থান, বামুণ গোসাঁই থান, পদুমকুৱঁৰী থান, কুমাৰ হ'লা, বিলৰনেজা, কাছধৰা দৌল, শৰাইভাঙা পথাৰ, বৰতল পথাৰ, বেচামাৰি পথাৰ, নলডোবা পথাৰ, ঘোঁৰাবাক পথাৰ, খলিহামাৰি পথাৰ, হাতীডোবা পথাৰ, দামোদৰৰ পথাৰ, বৰঢাপ, বৰামাৰা, বালীয়া ঘুলি, ভাঙামুৰ, সোনাইপাৰ, চুৰ খুলি, বড়ি, নাহাকাটা মাকৰ, বুৰাবাৰী, ন-বাৰী, শেতালী পথাৰ, বুৰাআলি, বকুলতল, কদমতল, তেতেলীতল, বৰত তল, কাছধৰা বিল, জানৰ গৰা, সোনাই গৰা, বিলৰ টোপ, বামুণৰ আলি, বামুণৰ বড়ি, শিমলুতল, কৈলাশ, চাংলাং, আইমাটি, মুগাচোং, কটিজোকৰা বাৰী, বকৰাখাল, জানৰ টোপ, গনামাৰা, বৰ্ণসত্ৰ, ওখভেটি, লতিমাৰি পথাৰ, হৰহৰীয়া পথাৰ, নতুৰা ডোভা, যমুনা হলা, কেটেৰা পুখুৰী, বাবাজী হলা, চিকাৰ বড়ি, মহাদেউশালি, ফৰঙাই চুক, গোসাঁইখন্দা জান, বৰ্ণমেলা, মাজ বড়ি, কবিৰাবড়ি, সাতভনীৰ আলি, বুঢ়াগাঁও, মেনাশিমলু, বেছাপতি, হাটিপতী, কুঁহিমাৰি, ন-খন্দা, সাতগাঁও, বৰসন বিল, দাবলাং, ডোমৰ হ'লা, ঢোল কোবোৱা চুক, শান্তিপুৰ, বেপাৰী চুক, সাতৰ চুবুৰী, ন-ঘৰীয়া চুক, গাঁওবুঢ়া চুক, মিকিৰ চুক, খাটনিয়াৰ চুক, মাজৰ চুবুৰী, দলৈ চুক, জাকৈ চুক, দ-গাঁও চুক, বাকৰি চুক, ফৰিঙৰ ডোবা, পচতীয়া, দলনি, পকামুৰা ঘোল, বৰামাৰা টোপ, বৰঘাট, নঘাট, আমতলি, ভূতনাথ মন্দিৰ, ঘোঁৰাপাক, ডিমৰুগুৰি হাড়, গড়মাৰি ঘাট, তিনিখুঁতি, মুৰহানা জান, শলীয়ামাৰি পথাৰ, বৰজান, ভেলৌ পাৰ, গোসাঁই উলিওৱা বাকৰি, কেতেৰা পাৰ, চোংবড়ি,বালিশেৰীয়া, বুঢ়া গোসাঁই থান, ঢোলবোৱা চুক, ভেলৌ পাৰ, পুৱ-বৰভগীয়া, অমৰাতলি, বুঢ়াগাঁও, কাঁহিবাৰী, লালুং গাঁও, উৎলাং, ভাটিমুৰ, বামুণ গাঁও, বকুলতল, বৰভগীয়া, পুব বৰভগীয়া, কাছধৰা, কুমাৰগাঁও, ডোমগাঁও, কলিতাগাঁও, হীৰাগাঁও, নিগম, মাজগাঁও, ভোমোৰাগুৰি, মায়েংগীয়া, ন-বাৰী, দৰ্জিচুক, বেলগুৰি, শিমলুগুৰি, বড়িয়ালী, বড়িগাঁও, বড়িচুক, খাইগৰীয়া, আহোমগাঁও, আহোম-খাইগৰীয়া, চৰাইবাহী, নিজ-চৰাইবাহী, ন-খণ্ডীয়া, তেতেলীতল, চন্দ্ৰপুৰ আদি এই ঠাইবোৰেৰে চৰাইবাহী অঞ্চল সদাবিদ্যমান।

## মৃগতৃষ্ণা

ৰাধা ৰাম ব্ৰহ্ম

কল্পতৰু নাম তোমাৰ
যদিও য'ত আছে মতৰ মনোমালিন্য
পদূলিৰ মুৰত বাট চাওঁ তোমালৈ
বুকুৰ মাজত বৈ থকা তোমাৰ মৃত্যুঞ্জয় কথা
অযথা যেন কথা- সেয়ে তুমি কল্পতৰু হ'বই নোৱাৰা
নাপাহৰো তোমাক জীয়াই থকালৈকে,
কল্পনাৰ সাগৰত ডুবি থাকিম
তোমাৰ কথাকে সোঁৱৰি লিখিম বহু কথা
তোমাৰ অতীতৰ কথাবোৰ - যত আছে লিখা
যুগ্ম জীৱনৰ পাতনি মেলাৰ পৰিকল্পনা
এটি-দুটি ল'ৰা ছোৱালীৰে ভৱিষ্যত জীৱনৰ
সেইবোৰ কথা মই অন্তিম ক্ষণত প্ৰকাশ কৰিম
মই এই সংসাৰত নাথাকিলেও
সোণালী আখৰেৰে লিখা থাকিব-
কৰ্ম জীৱনৰ দিনপঞ্জীত মৃণালিনী তুমি

মই বলিয়াৰ দৰে হৈ যাম
বিচাৰি যাম অজানা ঠাইলৈ
যেন ময়ূৰপংখী হৈ পাখি মেলি উৰি যাম
তুমি মৃগতৃষিকা হৈ হয়তো আগুৱাই গৈ থাকিবা
ধৰালৈ চকু ফুৰাই যাম, আছানো ক'ত তুমি ???
ক'বলৈ নাপাহৰিম তুমি কোৱা হেঁপাহৰ কথাবোৰ
জীয়া ফাঁকিৰ প্ৰতিশ্ৰুতি, সেয়ে কল্পতৰ নোহোৱা তুমি
কল্পতৰু নাম-তুমি হ'বই নোৱাৰা কল্পতৰু
তথাপি তুমি মোক জীয়াই থাকিবলৈ শক্তি দিয়া
জীয়াই থাকো মানে নাপাহৰিম তোমাক
কন্দুওৱা গেছৰ দৰে তোমাৰ পিছে পিছে
থাকিম ঘুৰি যাযাবৰী হৈ
তুমি নথকা হৃদয়ত দহিকতৰাৰ দৰে থাকিম ---

# শতবৰ্ষত কটনৰ উদ্ভিদবিজ্ঞান বিভাগৰ গৌৰৱোজ্জ্বল শতবাৰ্ষিকী সমাৰোহৰ শুভাৰম্ভ

**গুৱাহাটী,২৪জুলাই ঃ** কটন বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগে ২২ জুলাইত বিভাগটোৰ শতবৰ্ষ উদযাপনৰ শুভাৰম্ভ কৰে। ১৯২৭ চনত প্ৰতিষ্ঠা লাভ কৰা এই বিভাগে এশ বছৰীয়া গৌৰৱোজ্জ্বল যাত্ৰাৰ স্মৃতিচিহ্ন বহন কৰি বছৰজোৰা বিভিন্ন কাৰ্যসূচীৰে শতবৰ্ষ উদযাপনৰ সূচনা কৰে। এই উদযাপনৰ উদ্বোধনী অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা বিশিষ্ট শিক্ষাবিদ অধ্যাপক ড° অমৰজ্যোতি চৌধুৰীয়ে মুখ্য অতিথি আৰু শতবৰ্ষ উদযাপনৰ উদ্বোধনী বক্তা হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা, অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড° জয়দ্বীপ বৰুৱা, বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° হীৰেণ ডেকা, জীৱবিজ্ঞানৰ ডীন অধ্যাপক অৰূপ হাজৰিকা আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী ড° ঋতুপৰ্ণা পতোৱাৰী কাকতি মঞ্চত উপস্থিত থাকে। লগতে শৈক্ষিক পঞ্জীয়ক, বিভিন্ন বিভাগৰ ডীন, বিশিষ্ট প্ৰাক্তন শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক, শিক্ষাৰ্থী আৰু বহু আমন্ত্ৰিত অতিথিৰ উপস্থিতিত অনুষ্ঠানটো গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয়। উদ্বোধনী অনুষ্ঠানত অধ্যাপক অমৰজ্যোতি চৌধুৰীয়ে 'Botany of Hundred Springs' শীৰ্ষক স্মাৰক ভাষণ প্ৰদান কৰি কয় যে, কটন বিশ্ববিদ্যালয় (পূৰ্বৰ কটন মহাবিদ্যালয়)ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ এশ বছৰীয়া যাত্ৰা উদযাপন কেৱল সময়ৰ দৈৰ্ঘ্য উদযাপন নহয়, ই বহু প্ৰজন্মৰ জ্ঞানচৰ্চা, ত্যাগ, নিষ্ঠা, গৱেষণা, আৱিষ্কাৰ আৰু উৎকৰ্ষ সাধনাৰ এক গৌৰৱময় ইতিহাসক সন্মান জনোৱাৰ এক অনন্য মুহূৰ্ত। তেওঁৰ ভাষণত বিভাগটোৰ ঐতিহ্য, বৌদ্ধিক অৱদান আৰু আগন্তুক প্ৰজন্মৰ বাবে বিজ্ঞানচৰ্চাৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষ আলোকপাত কৰা হয়। সভাত ভাষণ প্ৰদান কৰি কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই বিভাগটোৰ প্ৰতিষ্ঠাপক মুৰব্বী তথা বিশিষ্ট উদ্ভিদ বিজ্ঞানী অধ্যাপক এ চি দত্তৰ অসামান্য অৱদান স্মৰণ কৰে। বিভাগটোৰ শতবৰ্ষীয় যাত্ৰাৰ উল্লেখযোগ্য সফলতাৰ ওপৰত আলোকপাত কৰি তেওঁ শিক্ষক, গৱেষক, শিক্ষাৰ্থী আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলৰ একাধিক প্ৰজন্মই বিভাগটোৰ শৈক্ষিক উৎকৰ্ষতাৰ ঐতিহ্য অক্ষুণ্ণ ৰখাত আগবঢ়োৱা অৱদানৰ উচ্চ প্ৰশংসা কৰে। অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড° জয়দ্বীপ বৰুৱাই আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ যৌথ প্ৰচেষ্টাত বিকশিত এক বিশেষা মাইক্ৰ'বায়'লজি কিটৰ বিষয়ে আলোকপাত কৰি এই সহযোগিতাক বিজ্ঞান গৱেষণাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য সাফল্য বুলি অভিহিত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিভাগীয় মুৰব্বী ড° ঋতুপৰ্ণা পতোৱাৰী কাকতিয়ে আদৰণি ভাষণ আগবঢ়ায়। ইয়াৰ পূৰ্বে উপাচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই বিশ্ববিদ্যালয়ৰ পতাকা উত্তোলন কৰাৰ লগতে আনুষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এ চি দত্ত ভৱনত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিসকলে পৰম্পৰাগতভাৱে বন্তি প্ৰজ্বলন কৰাৰ পিছত শিক্ষাৰ্থীসকলে সৰস্বতী বন্দনা পৰিৱেশন কৰে। অনুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক ভৱেশ চন্দ্ৰ গোস্বামীয়েও ভাষণ প্ৰদান কৰি অধ্যাপক এ চি দত্তৰ সৈতে জড়িত স্মৃতিমধুৰ অভিজ্ঞতা উপস্থিত সকলোৰে সৈতে ভাগ-বতৰা কৰে। এই উপলক্ষে বিভাগটোৰ সৈতে আজীৱন সম্পৰ্ক আৰু উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে ৮০ বছৰৰ উৰ্ধৰ তিনিগৰাকী বিশিষ্ট প্ৰাক্তন শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। একেদৰে ৭০ বছৰৰ উৰ্ধৰ অৱসৰপ্ৰাপ্ত শিক্ষকসকলকো বহু প্ৰজন্মৰ শিক্ষাৰ্থী গঢ়ি তোলাত আৰু বিভাগটোৰ শৈক্ষিক উৎকৰ্ষতাৰ



ঐতিহ্য সুদৃঢ় কৰাত আগবঢ়োৱা অৱদানৰ বাবে সন্মানিত কৰা হয়। ড° নিয়েট টেৰনপিয়ে শলাগৰ শৰাই আগবঢ়োৱাৰ জৰিয়তে উদ্বোধনী অনুষ্ঠানৰ সামৰণি পৰে। ইয়াৰ পিছতে অনুষ্ঠিত মত-বিনিময় আৰু নেটৱৰ্কিং অধিবেশনত প্ৰাক্তন শিক্ষাৰ্থী, শিক্ষক, গৱেষক, শিক্ষাৰ্থী আৰু শুভানুধ্যায়ীসকল একত্ৰিত হৈ বিভাগটোৰ সমৃদ্ধ ঐতিহ্য, বৰ্তমানৰ সাফল্য আৰু ভৱিষ্যত দৃষ্টিভংগীৰ ওপৰত মতবিনিময় কৰে। উল্লেখ্য যে, এই উদ্বোধনী অনুষ্ঠানৰ জৰিয়তে ২০২৭ চনত অনুষ্ঠিত হ'বলগীয়া বিভাগটোৰ শতবৰ্ষ উদযাপনৰ আনুষ্ঠানিক শুভাৰম্ভ হয়। ১৯২৭ চনত প্ৰতিষ্ঠা লাভ কৰা উদ্ভিদ বিজ্ঞান বিভাগটো উত্তৰ-পূৰ্বাঞ্চলৰ উদ্ভিদ বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ অন্যতম অগ্ৰণী কেন্দ্ৰ হিচাপে সুপ্ৰতিষ্ঠিত। বিভাগটোৱে উদ্ভিদ বিজ্ঞানৰ শিক্ষা, গৱেষণা, জীৱবৈচিত্ৰ্য সংৰক্ষণ আৰু দক্ষ উদ্ভিদ বিজ্ঞানী গঢ়ি তোলাৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে।

# আদিংগিৰী পাহাৰ, মাধৱদেৱৰ নগৰ, ভূতনাথত চুলাই মদৰ বিৰুদ্ধে জালুকবাৰী আবকাৰী বিভাগৰ অভিযান ঃ দুজনক আটক

**গুৱাহাটী, ২৪ জুলাই ঃ** গুৱাহাটী মহানগৰীক দেশী- বিদেশী অবৈধ সুৰাৰ পৰা মুক্ত কৰাৰ লক্ষ্যৰে কামৰূপ মহানগৰ জিলাৰ আবকাৰী অধীক্ষক দেৱজিৎ নাথৰ নিৰ্দেশনাত কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত গুৱাহাটী সদৰকে ধৰি আটাইকেইটা আবকাৰী চক্ৰ পৰিদৰ্শকৰ কাৰ্যালয়ে দেশী-বিদেশী অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান চলাই আহিছে। ইয়াৰ অংশ হিচাপে ২৩ জুলাইৰ দিনা জালুকবাৰী সম জিলাৰ অন্তৰ্গত জালুকবাৰী আবকাৰী চক্ৰ পৰিদৰ্শকৰ কাৰ্যালয়ে জালুকবাৰী সম জিলাৰ উপ-



আৱকাৰী অধীক্ষক নৈৰিতা বৰুৱাৰ নিৰ্দেশত মালিগাঁৱৰ কাষৰীয়া পাহাৰীয়া অঞ্চল ক্ৰমে আদিংগিৰী আৰু মাধৱদেৱ নগৰত চুলাই মদ প্ৰস্তুত কৰা ভাটীত এক বৃহৎ অভিযান চলায়। জালুকবাৰী আবকাৰী চক্ৰৰ চক্ৰ পৰিদৰ্শক চি কে বৰুৱা আৰু সহকাৰী আবকাৰী পৰিদৰ্শক চাইফুদ্দিন আহমেদৰ নেতৃত্বত মালিগাঁও আৰক্ষী চকীৰ সহযোগত আবকাৰী দলটোৱে ৭ টা চুলাই মদ প্ৰস্তুত কৰা ভাটী ধ্বংস কৰে। ইয়াৰ উপৰিও একেটা দলে ভূতনাথত চুলাই মদ বিক্ৰেতাৰ বিৰুদ্ধে এক অভিযান চলায়। আনহাতে অভিযানত চুলাই মদ প্ৰস্তুত কাৰ্যত ব্যৱহৃত প্ৰায় প্ৰায় ৬হাজাৰ কেজি পাছ, ১১০ লিটাৰ চুলাই মদ, মদ প্ৰস্তুত কাৰ্যত ব্যৱহৃত ১৮টা বিভিন্ন ধৰণৰ বাচন- বৰ্তন, সঁজুলি জব্দ কৰা হয়। অভিযানটোত চুলাই মদ প্ৰস্তুত আৰু বিক্ৰীৰ লগত জড়িত দুজন লোকক হাতে লোটে আটক কৰা হয়। আটক কৰা লোক দুজনৰ বিৰুদ্ধে অসম আবকাৰী আইন ৫৩(১) ক'ৰ অধীনত বিভাগীয় গোচৰ ৰজু কৰি আদালতলৈ তেওঁলোকক প্ৰেৰণ কৰা হয়। আনহাতে জব্দ কৰা চুলাই মদ আৰু পাছখিনি পাছত বিভাগীয় নিয়মানুসাৰে নষ্ট কৰি পেলোৱা হয়।

# উন্নত বিত্তীয় সুবিধাৰে গ্ৰাহকক অধিক মালিকীস্বত্বৰ নমনীয়তা প্ৰদান জে এল আৰ ইণ্ডিয়াৰ

**গুৱাহাটী,২৪ জুলাইঃ** জে এল আৰ ইণ্ডিয়াই আজি তেওঁলোকৰ নিশ্চিত বাইবেক কাৰ্যসূচী আৰু উন্নত বিত্তীয় সমাধান মুকলি কৰাৰ কথা ঘোষণা কৰিছে। সমগ্ৰ ভাৰতৰ গ্ৰাহকসকলৰ বাবে ৰেঞ্জ ৰ'ভাৰ, ডিফেণ্ডাৰ আৰু ডিস্ক'ভাৰী বাহনৰ মালিকীস্বত্ব অধিক সুলভ আৰু সুবিধাজনক কৰি তোলাৰ উদ্দেশ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।জে এল আৰে বিশেষভাৱে ভাৰতৰ বজাৰৰ বাবে এই কাৰ্যসূচী প্ৰস্তুত কৰিছে, য'ত আকৰ্ষণীয় বিত্তীয় বিকল্পৰ সৈতে এক পূৰ্বে নিৰ্ধাৰিত ভৱিষ্যতৰ মূল্য সংযোজিত কৰা হৈছে। ইয়াৰ দ্বাৰা গ্ৰাহকসকলে তেওঁলোকৰ বাহনখনৰ সমগ্ৰ মালিকীস্বত্বৰ সময়ছোৱাত অধিক বিত্তীয় সুৰক্ষা আৰু নিশ্চিতি লাভ কৰিব পাৰিব। যোগ্য গ্ৰাহকসকলে এতিয়া মডেলৰ যোগ্যতা, সন্মত হোৱা মাইলেজৰ সীমা আৰু ৰিটেইলাৰৰ প্ৰাক-নিৰ্ধাৰিত নিয়মাৱলী সাপেক্ষে এক্স-শ্ব'ৰুম মূল্যৰ ৫৫শতাংশ পৰ্যন্ত ন্যূনতম নিশ্চিত বাইবেক মূল্যৰ লগতে নিজৰ সুবিধা অনুসৰি মালিকীস্বত্বৰ সময়সীমা বাছি ল'ব পাৰিব।এই নিশ্চিত বাইবেক কাৰ্যসূচীয়ে বিলাসী বাহন ক্ৰেতাসকলৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় 'ভৱিষ্যতৰ মূল্য' সম্পৰ্কীয় অনিশ্চয়তা দূৰ কৰে। মালিকীস্বত্বৰ একেবাৰে আৰম্ভণিতেই বাহনখনৰ এক ন্যূনতম মূল্য নিশ্চিত কৰি দিয়াৰ ফলত, গ্ৰাহকসকলে তেওঁলোকৰ পৰৱৰ্তী বাহন ক্ৰয় বা আপগ্ৰেডৰ পৰিকল্পনা কৰাৰ সময়ত অধিক আত্মবিশ্বাস আৰু স্পষ্ট বিত্তীয় সুৰক্ষা লাভ কৰে। জে এল আৰ ইণ্ডিয়াৰ পৰিচালন সঞ্চালক ৰাজন আম্বাই কয়, 'নিশ্চিত বাইবেক কাৰ্যসূচীয়ে বাহনখনৰ ভৱিষ্যতৰ মূল্য নিশ্চিত কৰি গ্ৰাহকসকলৰ মনত বিশ্বাস বৃদ্ধি কৰে, যিয়ে বিলাসী বাহনৰ মালিকীস্বত্বক অধিক নিশ্চিত আৰু চিন্তামুক্ত কৰি তোলে। ইয়াৰ উপৰিও, বিশেষ বিত্তীয় ব্যৱস্থাসমূহে এই কাৰ্যসূচীক অধিক কাৰ্যকৰী কৰি তুলি গ্ৰাহকক বিত্তীয় নমনীয়তা আৰু পৰ্যাপ্ত আশ্বাস প্ৰদান কৰে। জে এল আৰ ইণ্ডিয়াত, আমি কেৱল বাহনখনৰ মাজতে সীমিত নাথাকি এক আধুনিক বিলাসী মালিকীস্বত্বৰ অভিজ্ঞতা প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এনেধৰণৰ পদক্ষেপৰ জৰিয়তে, আমি জে এল আৰ বাহনৰ গৰাকী হোৱাৰ সপোনক অধিক সহজলভ্য কৰি তোলাৰ লগতে সমগ্ৰ মালিকীস্বত্বৰ যাত্ৰাত গ্ৰাহকক আত্মবিশ্বাস আৰু দীৰ্ঘম্যাদী মূল্য প্ৰদান কৰিছো।'এই কাৰ্যসূচীয়ে গ্ৰাহকসকলক নমনীয় মাহেকীয়া কিস্তিৰ সুবিধা প্ৰদান কৰাৰ লগতে অধিক নিশ্চিতিৰে ভৱিষ্যতৰ বাহন আপগ্ৰেডৰ পৰিকল্পনা কৰাত সহায় কৰে। ইয়াৰ জৰিয়তে জে এল আৰ ইণ্ডিয়াৰ 'গ্ৰাহক-প্ৰথম' দৃষ্টিভংগী অধিক শক্তিশালী হৈ উঠিছে। গ্ৰাহকসকলে সমগ্ৰ ভাৰতৰ অংশগ্ৰহণকাৰী স্বিকৃতিপ্ৰাপ্ত জে এল আৰ ৰিটেইলাৰসমূহৰ জৰিয়তে এই নিশ্চিত বাইবেক কাৰ্যসূচী আৰু বিত্তীয় সমাধানসমূহৰ বিষয়ে বিশদভাৱে জানিব পাৰিব। অৱশ্যে, কাৰ্যসূচীৰ উপলব্ধতা, নিশ্চিত মূল্য, সময়সীমা আৰু যোগ্যতাৰ মাপকাঠি বাহনৰ মডেল আৰু ৰিটেইলাৰ সাপেক্ষে ভিন্ন হ'ব পাৰে।

# বানাক্ৰান্ত অঞ্চলত নিয়োগ প্ৰথম এনডিআৰএফ বাহিনীৰ উদ্ধাৰকাৰী দল



**গুৱাহাটী, ২৪জুলাই ঃ** দক্ষিণ পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱত বিগত প্ৰায় এটা সপ্তাহ ধৰি অসমকে ধৰি উত্তৰ পূবৰ সাতখন ৰাজ্যতে সকলো ঠাইতে কম- বেছি পৰিমাণে বৰষুণ হৈ আছে। আনকি চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ডাৱৰ বিস্ফোৰণৰ ফলত সৃষ্টি প্ৰৱল বৃষ্টিপাত হোৱাত নাগালেণ্ডৰ পৰা অসমলৈ নামি অহা সকলো নৈ -উপনৈৰ পানী ফেঁনে- ফেটেকাৰে ওফন্দি উঠাত চাৰি - পাঁচদিন ধৰি উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ, যোৰহাট, গোলাঘাট জিলাত বান পৰিস্থিতিৰ অধিক অৱনতি ঘটিছে। যাৰ বাবে অসম চৰকাৰ আৰু বানাক্ৰান্ত জিলাসমূহৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ চমুকৈ ডিডিএমএৰ আহ্বানমৰ্মে ৰাষ্ট্ৰীয় দুৰ্যোগ সহাঁৰি বাহিনী চমুকৈ এনডিআৰএফৰ পশ্চিম গুৱাহাটীৰ আজাৰা পাটগাঁওস্থিত প্ৰথম বেটেলিয়ানৰ দুটা বিশেষ প্ৰশিক্ষিত উদ্ধাৰকাৰী দল ১৯ জুলাইৰ দিনা নিশা যোৰহাট জিলাত উপস্থিত হৈ বানাক্ৰান্ত লোকক উদ্ধাৰ আৰু সাহায্য অভিযানত নিয়োজিত হৈ আছে। প্ৰথম এনডিআৰএফ বাহিনীৰ জনসম্পৰ্কৰক্ষী বিষয়াই সদৰি কৰা অনুসৰি প্ৰথম এন ডি আৰ এফ বাহিনীৰ ডেপুটী কমাণ্ডেণ্ট এন কে তিৱাৰীৰ নেতৃত্বত যোৱা দলটোৱে ২০ জুলাইৰ পৰা যোৰহাট জিলাৰ বানত অধিক ক্ষতিগ্ৰস্ত হোৱা টীয়ক ৰাজহ চক্ৰৰ বেছিকৈ বান প্ৰভাৱিত অঞ্চলত ৰাবাৰ বোট লৈ শিশু, মহিলাকে ধৰি পাঁচ শতাধিক লোকক নিৰাপদে উদ্ধাৰ কৰি সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰিবলৈ সক্ষম হৈছে। আনকি এজনী গৰ্ভৱতী মহিলাসহ তিনিজনী মহিলা আৰু দুটা শিশুক নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম হৈছে ডেপুটী কমাণ্ডেণ্ট এন কে তিৱাৰীৰ নেতৃত্বত যোৱা দলটোৱে। ইফালে ৰাজ্য চৰকাৰৰ অনুৰোধত পৰহিৰে পৰা গোলাঘাট জিলাৰ অধিক বানত আক্ৰান্ত অঞ্চলসমূহত প্ৰথম এনডিআৰ এফৰ আন এটা দল নিয়োগ কৰা হৈছে। বাহিনীটোৰ সুত্ৰই সদৰি কৰা অনুসৰি যোৰহাট আৰু গোলাঘাট জিলাত সম্প্ৰতি দুটা দলে ১২খন উন্নত মানৰ উদ্ধাৰ কাৰ্যত ব্যৱহৃত ৰাবাৰ বোট লৈ বানত আক্ৰান্ত লোকক উদ্ধাৰৰ বাবে সাজু হৈ আছে। দল দুটাত কেবাজনো অভিজ্ঞ ডুবাৰু আছে। দুয়োটা দলে তাত জিলা প্ৰশাসনৰ সহযোগত বানত আক্ৰান্ত লোকক উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। বাহিনীটোৰ সূত্ৰই সদৰি কৰা অনুসৰি প্ৰথম এন ডি আৰ এফৰ মুখ্য কাৰ্যালয়কে ধৰি উত্তৰ পূবৰ চাৰিখন ৰাজ্যত বানপানী, ভূমি খহনীয়াকে ধৰি যিকোনো প্ৰাকৃতিক আৰু মানৱসৃষ্ট দুৰ্যোগত আক্ৰান্ত লোকক উদ্ধাৰ কৰাৰ বাবে ১৮ টা উচ্চ প্ৰশিক্ষিত বিশেষ উদ্ধাৰকাৰী দল অত্যাধুনিক সা- সঁজুলিসহ ২৪ ঘণ্টাই সাজু হৈ থাকে। ইতিমধ্যে প্ৰথম এন ডি আৰ এফৰ নৱনিযুক্ত কমাডেণ্টগৰাকীয়ে মুখ্য কাৰ্যালয়ৰ পৰা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে বাহিনীটোৰ ফালৰ পৰা চলি থকা উদ্ধাৰ অভিযানৰ তদাৰক কৰি আছে।

# টিভিএছ মটৰৰ ২০২৬ বিত্তীয় বৰ্ষত অভিলেক সৃষ্টিকাৰী প্ৰদৰ্শন

**গুৱাহাটী,২৪ জুলাইঃ** টিভিএছ মটৰ কোম্পানীয়ে নিজৰ বাৰ্ষিক প্ৰদৰ্শনৰ আটাইতকৈ শক্তিশালী প্ৰদৰ্শনৰ কথা সদৰি কৰিছে, অধ্যক্ষ সুদৰ্শন ভেনুৱে কোম্পানীটোৰ বাৰ্ষিক সাধাৰণ সভাত অভিলেখ সংখ্যক বিক্ৰী, ৰাজহ আৰু লাভ অৰ্জনৰ কথা সদৰি কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰসাৰণ, বৈদ্যুতিক গতিশীলতা, প্ৰিমিয়াম মটৰ চাইকেল আৰু প্ৰযুক্তি নেতৃত্বাধীন উদ্ভাৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰি এক অভিলাষী ৰোডমেপৰ ৰূপৰেখা দাঙি ধৰিছে।কোম্পানীটোৱে ২০২৫-২৬ বৰ্ষত অভিলেখসংখ্যক ৫৮.৯ লাখ বাহন বিক্ৰী কৰিছে, যি পূৰ্বৱৰ্তী বছৰৰ তুলনাত ২৪ শতাংশ অধিক। কোম্পানীটোৰ ৰাজহ সৰ্বকালৰ সৰ্বোচ্চ ৪৭,২৭০ কোটি টকালৈ বৃদ্ধি পাইছে আৰু এবিটডা অভিলেখসংখ্যক ৬,০৭৯ কোটি টকা হৈছে। টিভিএছ মটৰৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ো লক্ষণীয়ভাৱে শক্তিশালী হৈছে, য'ত বিক্ৰী ১৫.৯ লাখ ইউনিট অতিক্ৰম কৰিছে আৰু ই মুঠ ৰাজহৰ এক চতুৰ্থাংশতকৈও অধিক অৰিহণা যোগাইছে। বৰ্তমান ৯০তকৈও অধিক দেশত কোম্পানীটোৰ উপস্থিতি আছে আৰু আফ্ৰিকা, লেটিন আমেৰিকা, এছিয়া তথা ইউৰোপত ব্যৱসায় অধিক সম্প্ৰসাৰণ কৰাৰ পৰিকল্পনা কৰিছে।টিভিএছ মটৰৰ বৈদ্যুতিক বাহনৰ ব্যৱসায়ো ক্ৰমান্বয়ে বৃদ্ধি পাইছে। যোৱা বছৰৰ তুলনাত ৩৩ শতাংশ বৃদ্ধিয়েৰে ৩.৭১ লাখতকৈও অধিক বৈদ্যুতিক দুচকীয়া বাহন বিক্ৰী হৈছে। টিভিএছ আইকিউব শৃংখলাৰ সম্প্ৰসাৰণ আৰু নতুনকৈ মুকলি কৰা অৰ্বিটাৰ স্কুটীৰ বাবেই এই বৃদ্ধি সম্ভৱ হৈছে। বৰ্তমান প্ৰতিষ্ঠানটোৰ ১,০০০তকৈও অধিক ইভি ডিলাৰশ্বিপ আৰু ৫,০০০ ৰাজহুৱা চাৰ্জিং পইণ্টৰ নেটৱৰ্ক আছে। ইয়াৰ লগতে কোম্পানীটোৱে টিভিএছ আপাচে আৰটিএক্স ৩০০ আৰু টিভিএছ এনটৰ্ক ১৫০ৰ দৰে প্ৰিমিয়াম বাহনৰ প্ৰতি গ্ৰাহকৰ তীব্ৰ সঁহাৰিৰ কথা উল্লেখ কৰে। আপাচে আৰটিএক্স-এ ইণ্ডিয়ান মটৰচাইকেল অৱ দ্য য়েৰ ২০২৬ বঁটা জিনিবলৈ সক্ষম হৈছে।ভেনুৱে জনায় যে কোম্পানীটোৱে এই বৰ্ষত গৱেষণা আৰু উন্নয়নৰ বাবে ১,২৫০ কোটিতকৈও অধিক টকা বিনিয়োগ কৰিছে, য'ত ২,০০০তকৈও অধিক



অভিযন্তাই বৈদ্যুতিকীকৰণ, সংযোজিত সুবিধা, নতুন বাহনৰ প্লেটফৰ্ম আৰু জেনেৰেটিভ এআই আদিৰ ওপৰত কাম কৰি আছে। টিভিএছ-এ ইটালীৰ বলোনিয়াত এক নতুন ডিজাইন আৰু ইঞ্জিনিয়াৰিং হাবৰ জৰিয়তে নিজৰ গোলকীয় কাৰিকৰী সামঞ্জস্য বৃদ্ধি কৰিছে। আনহাতে আন্তঃৰাষ্ট্ৰীয় বজাৰত নৰ্টন মটৰচাইকেলৰ নতুন মেনএক্স আৰ, এটলাছ আৰু এটলাছ জিটি মডেলসমূহ মুকলি কৰাৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে।গুৱাহাটী মহানগৰীত টিভিএছ মটৰৰ বৈদ্যুতিক বাহন, প্ৰিমিয়াম মটৰচাইকেল আৰু ডিলাৰ সম্প্ৰসাৰণৰ নিৰন্তৰ বিনিয়োগে অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত নিজৰ স্থিতি শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। ইন্ধন-সঞ্চয়ী স্কুটী, আৰামদায়ক মটৰচাইকেল আৰু বৈদ্যুতিক বাহনৰ বৰ্ধিত চাহিদাই উন্নত চাৰ্জিং আন্তঃগাঁথনিৰ সৈতে মিলি গ্ৰাহকসকলক অধিক বিকল্প প্ৰদান কৰিব। ইয়াৰ ফলত স্থানীয় ডিলাৰশ্বিপ আৰু আঞ্চলিক অট'মবাইল খুচুৰা ব্যৱসায়ৰ বাবে নন সুযোগৰ সৃষ্টি হ'ব পাৰে।কোম্পানীটোৱে নিজৰ বহনক্ষম উন্নয়নৰ পদক্ষেপসমূহৰ ওপৰতো আলোকপাত কৰে। কোম্পানীটোৱে জনায় যে ভাৰতত ব্যৱহৃত শক্তিৰ ৯৭ শতাংশই এতিয়া নৱীকৰণযোগ্য উৎসৰ পৰা আহে, যাৰ ফলত ৭৬,০০০ টনতকৈও অধিক কাৰ্বন নিৰ্গমন ৰোধ কৰাত সহায় হৈছে। ইফালে, টিভিএছ ক্ৰেডিটে ঋণ বিতৰণত ২৬ শতাংশ বৃদ্ধি লাভ কৰিছে। বৰ্ষটোৰ শেষত নিজৰ সম্পদৰ পৰিমাণ ৩০,০০০ কোটি টকা অতিক্ৰম কৰিছে আৰু ২৪.৪ মিলিয়নতকৈও অধিক গ্ৰাহকক সেৱা আগবঢ়াইছে। কোম্পানীৰ এই শক্তিশালী বিত্তীয় প্ৰদৰ্শনৰ প্ৰতি লক্ষ্য ৰাখি ব'ৰ্ডে প্ৰতিটো শ্বেয়াৰত ১২ টকাকৈ অন্তৰ্বৰ্তীকালীন লভ্যাংশত অনুমোদন জনাইছে, যি পূৰ্বৱৰ্তী বছৰৰ তুলনাত ২০ শতাংশ অধিক।

# এয়াৰটেল পেমেণ্টছ বেংকে ডিজিটেল বেংকিং আৰু বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ বাবে চিএচচিৰ সৈতে অংশীদাৰিত্ব

**গুৱাহাটী,২৪জুলাইঃ** দেশজুৰি বিত্তীয় অন্তৰ্ভুক্তিকৰণ শক্তিশালী কৰা আৰু ডিজিটেল বেংকিং তথা বিল পৰিশোধ সেৱাত অধিক প্ৰৱেশাধিকাৰ সক্ষম কৰাৰ উদ্দেশ্যে এয়াৰটেল পেমেণ্টছ বেংকে চিএছচিই-গভৰ্নেন্স ছাৰ্ভিচেচ ইণ্ডিয়া লিমিটেডৰ সৈতে এটা বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। কলকাতা চি এচ চিৰ ১৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ সময়ত এই অংশীদাৰিত্ব আনুষ্ঠানিকভাৱে সম্পন্ন হয়। এই সহযোগিতাৰ জৰিয়তে, এয়াৰটেল পেমেণ্টছ বেংকৰ বেংকিং আৰু ডিজিটেল পৰিশোধ সমাধানসমূহ চি এছ




চিৰ ৫,৬০,০০০ তকৈও অধিক উমৈহতীয়া সেৱা কেন্দ্ৰৰ নেটৱৰ্কত উপলব্ধ কৰোৱা হ'ব। যাৰ ফলত গ্ৰাম্য ভাৰতৰ নাগৰিকসকলৰ বাবে আনুষ্ঠানিক বিত্তীয় সেৱাৰ প্ৰৱেশাধিকাৰ উল্লেখনীয়ভাৱে বৃদ্ধি পাব। চৰকাৰৰ পৰা নাগৰিকলৈ (G2C) আঁচনিসমূহৰ ৰূপায়ণ তদাৰক কৰিবলৈ ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ দ্বাৰা প্ৰতিষ্ঠিত চিএছচি ই-গভৰ্নেন্সে ইয়াৰ আউটলেটসমূহৰ (যিবোৰ উমৈহতীয়া সেৱা কেন্দ্ৰ বা অৰুণোদয় কেন্দ্ৰ হিচাপে জনাজাত) জৰিয়তে নাগৰিকসকলক G2C সেৱা আগবঢ়ায়।

# বি এম প্ৰডাকচনৰ উদ্যোগত জুবিন গাৰ্গৰ গীত- নৃত্য প্ৰতিযোগিতা সম্পন্ন

**গুৱাহাটী,২৪জুলাইঃ** বি এম প্ৰডাকচনৰ উদ্যোগত আৰু বিছন ষ্টাইলৰ সহযোগত আয়োজন কৰা 'সুৰৰ সংজ্ঞা বিচাৰি' শীৰ্ষক জুবিন গাৰ্গৰ গীত আৰু নৃত্যৰ প্ৰতিযোগিতাখন ১৯জুলাইত অনুষ্ঠিত হৈ যায়। বেলতলাস্থিত 'আৰোহণ'ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে 'অসম পাব্লিক ৱৰ্কছ'ৰ সভাপতি অভিজিত শৰ্মাই। দুটাকৈ শাখা ('ক' শাখা- ৫-১৪ বছৰ, 'খ' শাখা- ১৪ বছৰ উৰ্ধৰ)ত অনুষ্ঠিত কৰা গীত-নৃত্যৰ প্ৰতিযোগিতাখনত প্ৰায় আশীগৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে লেখক-সাংবাদিক তথা সমাজকৰ্মী অবিনাশ কিশোৰ মহন্ত, অৱসৰপ্ৰাপ্ত বিষয়া অসীম কুমাৰ বৰুৱা আদিয়ে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বিভিন্ন ক্ষেত্ৰৰ কেইবাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। তাৰ ভিতৰত ড° বন্দনা কলিতা, অভিজিত কলিতা, আশুতোষ দাস, দিলীপ ভূএগ, অপৰ্ণা বৰা বৰুৱা, পূৰ্ণিমা দাস কলিতা, নীলাক্ষী চাংকাকতী, চাজাদ আহমেদ আদি উল্লেখযোগ্য। ৰঞ্জন শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত সবিতা ঠাকুৰীয়া, নমিতা পাঠক, জিতুল আলী আদিয়ে গীত পৰিৱেশন কৰি সৌষ্ঠৱ বৃদ্ধি কৰে।

# গুৱাহাটী প্ৰেছ ক্লাবত আছাম ষ্টেট আউটচ'ৰ্ট পাৱাৰ ৱাৰ্কাৰ ইউনিয়নৰ সংবাদমেল চাকৰি নিয়মীয়াকৰণৰ দাবীত ২৭জুলাইত বিজুলী ভৱনত অৱস্থান ধৰ্মঘট



**গুৱাহাটী,২৪জুলাইঃ** শক্তি খণ্ডৰ তিনিওটা কোম্পানীৰ যৌথ মঞ্চ আছাম ষ্টেট আউট চৰ্চ পাৱাৰ ৱাৰ্কাছ ইউনিয়ন, সদৌ অসম অস্থায়ী বিল ক্লাক মিটাৰ বিচাৰ সন্থা আৰু অসম ৰাজ্যিক বিদ্যুৎ কৰ্মচাৰী পৰিষদৰ যৌথ উদ্যোগত শক্তি খণ্ডৰ তিনিওটা কোম্পানীৰ ফিক্সড পে' কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণৰ একমাত্ৰ মূল দাবী লৈ ২৭জুলাইত গুৱাহাটীৰ বিজুলী ভৱনৰ সন্মুখত পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ দিনজোৰা কাৰ্যসূচীয়ে অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰিব। বুধবাৰে গুৱাহাটী প্ৰেছ ক্লাবত আছাম ষ্টেট আউটচ'ৰ্ট পাৱাৰ ৱাৰ্কাৰ ইউনিয়নৰ উদ্যোগত অনুষ্ঠিত এখন সংবাদমেলত এইকথা সদৰি কৰে ইউনিয়নৰ সভাপতি কৃষ্ণ শৰ্মাই। তেওঁ লগতে কয়, অসমৰ শক্তি খণ্ডত বহু শক্তিমন্ত্ৰীয়ে শক্তি খণ্ডৰ দায়িত্ব ল'লে কিন্তু উল্লিখিত কৰ্মচাৰীসকলৰ বৰ্দ্ধিত দৰমহা বা বিভিন্ন সা-সুবিধাৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা নল'লে। কিন্তু বৰ্তমান অসমৰ শক্তিমন্ত্ৰী হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব লৈছে যদিও আগন্তুক দিনত কি ব্যৱস্থা কৰে সেইটোহে লক্ষণীয় হ'ব। মুখ্যমন্ত্ৰীৰ ওপৰত অসমৰ মানুহৰ যি দৰে গভীৰ আস্থা আৰু বিশ্বাস আছে। ঠিক সেইদৰে শক্তি খণ্ডৰ এই কৰ্মচাৰীসকলৰো আস্থা আৰু বিশ্বাস আছে। সেই অনুসৰি মুখ্যমন্ত্ৰীয়ে বিচৰা দৰে আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধানৰ পোষকতা কৰি বহুবাৰ আনুষ্ঠানিক আলোচনা বিচাৰি পত্ৰ প্ৰেৰণ কৰা হৈছিল কিন্তু আজি পৰ্যন্ত আনুষ্ঠানিক আলোচনালৈ আমাক আমন্ত্ৰণ নজনালে। বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষৰ লগত বহুবাৰ আলোচনা কৰা হৈছে কিন্তু মুখ্যমন্ত্ৰী অবিহনে সকলো অসম্ভৱ আৰু মুখ্যমন্ত্ৰীয়ে আমাক সাক্ষাৎ নকৰে সেয়েহে উপায়ন্ত হৈ আমি আমাৰ জীৱন-জীৱিকা সুৰক্ষিত কৰাৰ স্বাৰ্থত বিজুলী ভৱনৰ সন্মুখত দিনজোৰা কাৰ্যসূচীয়ে গণতান্ত্ৰিক মাধ্যমেৰে ভাৰতীয় সংবিধানৰ ওপৰত বিশ্বাস ৰাখি আন্দোলন কাৰ্যসূচী পালন কৰা হ'ব। ইয়াৰ পাছতো যদি বিভাগ তথা চৰকাৰে কোনো ব্যৱস্থা নকৰে তেন্তে ধাৰাবাহিকভাৱে আন্দোলন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। সংবাদমেলত ইউনিয়নৰ সাধাৰণ সম্পাদক হেমন্ত শইকীয়াৰ লগতে অন্যান্য বিষয়ববীয়া উপস্থিত থাকে।

# বজালীত জিলা বিজেপিৰ সংবাদমেল সম্বোধন

## এইবাৰৰ বাজেটখন জনকল্যাণমুলক বাজেট




**প্ৰাঞ্জল দাস, পাঠশালা, ২৪ জুলাই ঃ** আজি বজালী জিলা বিজেপি কাৰ্যালয়ত অসম বিধানসভাৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পূৰ্ণাংগ ঐতিহাসিক বাজেট সন্দৰ্ভত এখনি গুৰুত্বপূৰ্ণ সংবাদ মেল অনুষ্ঠিত হয়। জিলা সভাপতি মুকুট কলিতাই মুখ্য বক্তা হিচাপে উপস্থিত থাকি সংবাদ মেল সম্বোধন কৰে আৰু বাজেটৰ বিভিন্ন জনকল্যাণমূলক দিশসমূহ বিস্তাৰিতভাৱে ব্যাখ্যা কৰে। সংবাদ মেলত বিশেষকৈ বজালী জিলাৰ বাবে অত্যন্ত তাৎপৰ্যপূৰ্ণ হৈ উঠা প্ৰস্তাৱিত মেডিকেল কলেজ নিৰ্মাণৰ প্ৰসংগটো সৰলভাৱে উত্থাপন কৰা হয়। জিলা সভাপতিগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে স্বাস্থ্য খণ্ডৰ সম্প্ৰসাৰণৰ বাবে হাতত লোৱা দূৰদৰ্শী পৰিকল্পনাৰ অংশস্বৰূপে বজালীতো আধুনিক চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কাম খৰটকীয়াকৈ আগবাঢ়িছে, যিয়ে সমগ্ৰ নামনি অসমৰ চিকিৎসা সেৱাৰ দিশত এক নতুন বিপ্লৱ আনিব। ইয়াৰোপৰি অৰুণোদয় প্লাছ, চাহ বাগিচাৰ শ্ৰমিক কল্যাণ, পথ আন্তঃগাঁথনি আৰু যুৱ প্ৰজন্মৰ কৰ্মসংস্থাপনৰ ক্ষেত্ৰত এই বাজেটে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ সংবাদ মাধ্যমৰ জৰিয়তে জনসাধাৰণৰ মাজলৈ দাঙি ধৰা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে জিলা মিডিয়া আহ্বায়ক ধ্ৰুৱজ্যোতি তালুকদাৰে। সংবাদ মেলত জিলা বিজেপিৰ শীৰ্ষ নেতৃত্বৰ সক্ৰিয় উপস্থিতি লক্ষ্য কৰা হয়। অনুষ্ঠানত জিলা বিজেপিৰ উপ-সভাপতি গোবিন্দ তালুকদাৰ, সুৰাজিৎ পাটগিৰি, প্ৰভা দাস, সাধাৰণ সম্পাদক চম্পক কাকতি, সম্পাদক সঞ্জীৱ শৰ্মা, উপমা দাস আৰু জিলা মহিলা মৰ্চাৰ সভানেত্ৰী ইৰা কলিতাকে ধৰি দলীয় বহুকেইজন গুৰুত্বপূৰ্ণ কাৰ্যকৰ্তা উপস্থিত আছিল। দলীয় নেতৃবৰ্গই আশা প্ৰকাশ কৰে যে এই জনকল্যাণমুখী বাজেটে বজালী জিলাকে ধৰি সমগ্ৰ ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নত এক মাইলৰ খুঁটি হিচাপে কাম কৰিব।

## কেন্দ্ৰীয় গৃহ মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীৰ পদত্যাগৰ দাবী ঃ আমছুৰ

**বাতৰি কাকত, জুৰীয়া, ২৪ জুলাই ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নগাঁও জিলাৰ জুৰীয়াত কেন্দ্ৰীয় চৰকাৰৰ গৃহ আৰু শিক্ষা মন্ত্ৰীৰ পদত্যাগৰ দাবীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৱে ক'লা বেজ পৰিধান কৰি তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। আজি জুৰীয়া বজাৰৰ মাজ মজিয়াত কেন্দ্ৰীয় চৰকাৰ আৰু আৰক্ষী প্ৰশাসনৰ বিৰুদ্ধে বিভিন্ন শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। আমছুৰ নগাঁও জিলা সমিতিয়ে দিল্লী আৰক্ষীয়ে ছাত্ৰ ছাত্ৰীৰ ওপৰত চলোৱা বৰ্বৰ আক্ৰমণ চলোৱা কাৰ্যক ধিক্কাৰ দিয়াৰ লগতে ককৰোচ জনতা পাৰ্টী চমুকৈ চি জে পি ৰ সমৰ্থনত আমছুৰ কৰ্মী-সমৰ্থক সকল ৰাজপথলৈ ওলাই অহা পৰিলক্ষিত হয় । জুৰীয়া আৰক্ষী - প্ৰশাসনৰ সন্মুখতে চৰকাৰ বিৰোধী শ্ল'গানেৰে পৰিস্থিতি উত্তাল কৰি তোলাৰ লগতে তাৎক্ষণিক ভাৱে কেন্দ্ৰীয় চৰকাৰৰ গৃহ আৰু শিক্ষা মন্ত্ৰীৰ পদত্যাগৰ দাবী তোলে। তদুপৰি ঘটনাৰ নিৰপেক্ষ তদন্ত, দোষীক কঠোৰ শাস্তি আৰু ন্যায় নিশ্চিত কৰাৰ দাবী পূৰণ নহ'লে আমছুয়ে অধিক তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ দিয়ে ।

# সমগ্ৰ ৰাজ্যৰ লগতে দৰং জিলাতো আৰম্ভ হ'ব লোকপিয়লৰ কাম-কাজ

**বাতৰি কাকত, পশ্চিম দৰং বিশেষ, ২৪ জুলাই ঃ** সমগ্ৰ ৰাজ্যৰ লগতে দৰং জিলাতো অহা ২ আগষ্ট, ২০২৬ৰ পৰা লোকপিয়লৰ কাম-কাজ আৰম্ভ হ'ব। এইবাৰৰ লোকপিয়ল দুখন পৰ্যায়ত অনুষ্ঠিত হ'ব আৰু প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল পদ্ধতিৰে পৰিচালিত হক্সব। লোকপিয়ল সফলভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে দৰং জিলাত ২,০১৮ গৰাকী গণনাকাৰী বিষয়াৰ লগতে ৩৪১ গৰাকী পৰ্যবেক্ষক নিযুক্তি দিয়া হৈছে। এই বিষয়াসকলৰ প্ৰশিক্ষণ ইতিমধ্যে আৰম্ভ হৈছে আৰু পৰ্যায়ক্ৰমে তিনিদিনীয়াকৈ প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অহা ২ আগষ্টৰ পৰা লোকপিয়লৰ প্ৰথম পৰ্যায় আৰম্ভ হ'ব আৰু উক্ত দিনাই ম'বাইল প'ৰ্টেল https://se.census.gov.in মুকলি হোৱাৰ পাছত জনসাধাৰণে এই প'ৰ্টেলত লগ ইন কৰি নিজৰ পৰিয়ালৰ সদস্য, বাসগৃহ, শিক্ষা, জীৱিকা আদি তথ্য স্ব-ঘোষণা (Self-enumeration)ৰ জৰিয়তে নিজেই দাখিল কৰিব পাৰিব। এই স্ব-নথিভুক্তিকৰণ প্ৰক্ৰিয়া ১৫ দিন পৰ্যন্ত অব্যাহত থাকিব। ইয়াৰ পাছত ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ সংগৃহীত তথ্যসমূহ পৰীক্ষা আৰু সত্যতা নিৰূপণৰ লগতে গৃহ গণনাৰ কাম সম্পন্ন কৰিব। এই পৰ্যায়ৰ কাম ১৫ ছেপ্টেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে এইবাৰৰ লোকপিয়লত মুঠ ৩৩টা প্ৰশ্ন সন্নিবিষ্ট কৰা হৈছে aru ai প্ৰশ্নসমূহৰ উত্তৰ প্ৰতিজন ব্যক্তিয়ে প্ৰদান কৰিব লাগিব। এইবাৰ প্ৰথমবাৰৰ বাবে প্ৰতিটো বাসগৃহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক এক বিশেষ পৰিচয়সূচক নম্বৰ (Unique House Identification Number) প্ৰদান কৰা হ'ব। উল্লেখ্য যে ক'ভিড-১৯ মহামাৰীৰ পৰিস্থিতিৰ বাবে ২০২১ চনত দেশত লোকপিয়ল অনুষ্ঠিত কৰিব পৰা হোৱা নাছিল। সেয়ে নিৰ্ধাৰিত সময়তকৈ পাঁচ বছৰৰ ব্যৱধানৰ অন্তত অনুষ্ঠিত হ'বলগীয়া এই লোকপিয়লক বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰা হৈছে। এই লোকপিয়লৰ জৰিয়তে ৰাজ্যখনৰ ভাষা, ধৰ্ম, শিক্ষা, জীৱিকা, বাসস্থান, জনসংখ্যাৰ গাঁথনি, দৰিদ্ৰতা আদি বিভিন্ন সামাজিক-অৰ্থনৈতিক দিশৰ হালনাগাদ তথ্য আহৰণ কৰা সম্ভৱ হ'ব। দৰং জিলা প্ৰশাসনৰ তৰফৰ পৰা দৰং জিলাৰ সকলো নাগৰিকক লোকপিয়লৰ সময়ত গণনাকাৰী বিষয়াসকলক পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ লগতে সঠিক আৰু সম্পূৰ্ণ তথ্য প্ৰদান কৰি নিৰ্ভুল তথ্য সংগ্ৰহ নিশ্চিত কৰাত সহযোগিতা আগবঢ়াবলৈ আন্তৰিকতাৰে আহ্বান জনোৱা হৈছে। উল্লেখযোগ্য যে, ১৯৪৮ চনৰ লোকপিয়ল আইন আৰু ১৯৯০ চনৰ লোকপিয়ল নিয়ম অনুসৰি এইবাৰৰ লোকপিয়লৰ সমগ্ৰ প্ৰক্ৰিয়াটো পৰিচালিত হ'ব। লগতে লোকপিয়ল সম্পৰ্কীয় ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে দৰং জিলা প্ৰশাসনে ইতিমধ্যে এক বিশেষ কোষ (Cell) গঠন কৰিছে। উল্লেখ্য যে, ২০১১ চনৰ পাছত এয়াই হৈছে দেশৰ সৰ্ববৃহৎ জনসংখ্যা গণনা অভিযান।

# শংকৰদেৱ শিশু কুঞ্জত তিনিদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালা

**বাতৰি কাকত, গুৱাহাটী, ২৪ জুলাই ঃ** অম্বিকাগিৰী নগৰস্থিত শংকৰদেৱ শিশুকুঞ্জত সংগীত, অভিনয়, নৃত্য, চিত্ৰাংকন আদি বিষয়ৰ তিনিদিনীয়া কৈ গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত কৰা হয়। ২১-০৭-২০২৬ ইং তাৰিখে গ্ৰীষ্মকালীন কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰি উদ্বোধনী ভাষনেৰে কৰ্মশালাখন উদ্বোধন কৰে বিদ্যাভাৰতী প্ৰাক্তন ছাত্ৰ ভাৰতীৰ ক্ষেত্ৰীয় সংযোজিকা, এগৰাকী পাৰিষদ , শিশু কুঞ্জৰ প্ৰাক্তন ছাত্ৰী মাননীয়া শ্ৰী স্বপ্না দেৱীয়ে। কৰ্মশালাৰ উদ্দেশ্য ব্যাখ্যা কৰে নিকেতনৰ প্ৰধানাচাৰ্যা মাননীয়া শ্ৰী কমলা গোস্বামীয়ে । আচাৰ্যা অনামিকা ডেকাই সঞ্চালন কৰা কৰ্মশালাত প্ৰথম দিনৰ সংগীতৰ প্ৰশিক্ষক এগৰাকী সংগীতজ্ঞ, মালিগাঁও শংকৰদেৱ শিশু নিকিতনৰ আচাৰ্য মাননীয় শ্ৰী মৃনাল দাসে শিশুসুলভ মনোমোহা মাত কথাৰে পৰিবেশ আনন্দ মুখৰ কৰি অতি সুন্দৰ শিশুগীত শিকায়। ৩ বছৰৰ পৰা ৮ বছৰ বয়সৰ শিশু সকলে অতি উৎসাহেৰে গান গায় নিকেতৰ পৰিবেশ জীপাল কৰি তোলে। আজি কৰ্মশালাত স্থানীয় অংগনবাদী কেন্দ্ৰৰ ৫ গৰাকী সহায়কাৰী শিক্ষয়িত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়। ৫০ গৰাকীতকৈ অধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক অভিভাৱিকা উপস্থিত থাকে। আচাৰ্য ভাৰতীৰ উদ্যোগত অনুষ্ঠিত কৰা কৰ্মশালাৰ আজি প্ৰথম দিনৰ সফল ৰূপায়ন হয়।



**NAME CORRECTION**

My actual and correct name is Beauti Das. But my name has wrongly Addhar card recorded in my saguntala Das. Actually Saguntala das and beatui das are same and single person.

**Beauti Das**
C/o - Nabajit Das
Vill - Sauraguri
Po - AnandaBazar
Dist - Baksa
Pin - 781318

**NAME CORRECTION**

My actual and correct name is NAZIRA SULTANA BEGUM . But my name has been wrongly recorded as NAZIRA SULTANA in my Aadhar Card vide Aadhar No. 3268 5398 0227.
That, both the names NAZIRA SULTANA BEGUM & NAZIRA SULTANA are the same and one identical person i.e.myself.

**NAZIRA SULTANA BEGUM**
D/O- Nazrul Islam.
Vill- Bhimapara,
P.O. Hatsingimari.
P.S. South Salmara.
Dist- South Salmara Mankachar.

**AFFIDAVIT**

My father late Ramesh Thakuria expired on 10/06/2026 of village- Jalkhana p.o- Jalkhana p.s- Tihu Dist- Nalbari(Assam) pin- 781371

**Dinabondhu Thakuria**
S/0- Late Ramesh Thakuria
Vill- Jalkhana
P.o- Jalkhana
P.s - Tihu
Dist- Nalbari(Assam)
Pin - 781371

**Correction**

My actual and correct name is Ankita Nath, c/o Pranjit Nath & Marami Nath and date of birth 5-07-2006. "But my name and date of birth has been wrongly recorded in my Adhar card is Mousumi Nath & dob 15-02-2007."Actualy Ankita Nath & Mousumi Nath Same and One Person. "Affidavit by Notary Officer, Kamrup "Certificate no- IN-AS04901445255361X

**Anikta Nath**
Vill- Gorakhattary
(3No Larkuchi)
Dist. - Nalbari

# দিল্লী আন্দোলনৰ প্ৰতি গুৱাহাটীত এ আই ডি এছ অ'-এ আই ডি ৱাই অ'ৰ সংহতি প্ৰকাশ




**গুৱাহাটী, ২৪ জুলাই ঃ** দিল্লী সহ সমগ্ৰ দেশতে ছাত্ৰ ছাত্ৰীসকলৰ ন্যায়সঙ্গত দাবীৰ ভিত্তিত গঢ়ি উঠা আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই আজি দেশব্যাপী সংহতি দিৱস পালন কৰিবলৈ এ আই ডি এছ অক্সৰ কেন্দ্ৰীয় কাউন্সিলৰ আহ্বানত সঁহাৰি জনাই আজি গুৱাহাটী উলুবাৰীৰ ভালৰো পইন্টত এ আই ডি এছ অ' আৰু এ আই ডি ৱাই অ'ৰ যৌথ উদ্যোগত বিক্ষোভ প্ৰদৰ্শন কৰা হয়। বিক্ষোভৰ সময়ত ব্যৰ্থ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান পদত্যাগ কৰক, এন টি এ বাতিল কৰক, প্ৰশ্নকাকত ফাদিলৰ লগত যুক্ত অপৰাধীসকলক দৃষ্টান্তমূলক শাস্তি সুনিশ্চিত কৰক। প্ৰতিবাদ স্থলীত বক্তৃতা ৰাখে এ আই ডি ৱাই অ'ৰ ৰাজ্যিক সম্পাদক হেমন্ত পেগু আৰু এ আই ডি ৱাই অ'ৰ ৰাজ্যিক সম্পাদক বিৰিঞ্চি পেগুৱে। তেওঁলোকে কয় যে নীট-ইউজি সহ বিভিন্ন গুৰুত্বপূৰ্ণ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ পিছত ২০ জনৰ অধিক ছাত্ৰ ছাত্ৰীৰ হতাশাত মৃত্যুৰ ঘটনা ঘটাৰ পিছৰ পৰাই দেশৰ ছাত্ৰ সমাজ আৰু সচেতন নাগৰিকসকলে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ, পৰীক্ষা নিয়ন্ত্ৰক সংস্থা এন টি এ বাতিল আৰু প্ৰশ্নকাকত ফাদিলৰ লগত যুক্ত দোষীসকলক চিনাক্ত কৰি দ্ৰুত শাস্তি প্ৰদানৰ দাবীত আন্দোলন আৰম্ভ কৰে। আজি দেশজুৰি এই আন্দোলন বিয়পি পৰিছে। অথচ কেন্দ্ৰীয় চৰকাৰে ছাত্ৰ ছাত্ৰীসহ দেশৰ মানুহৰ মনৰ আবেগ, অনুভূতি, বেদনাক গুৰুত্ব দিবলৈ সময় নাই। তাৰ বিপৰীতে পুলিচে আন্দোলনকাৰীৰ ওপৰত নৃশংসভাৱে অত্যাচাৰ চলোৱাৰ লগতে সমাজবিৰোধী চক্ৰক লাঠিৰে আন্দোলন দমন কৰিবলৈ সহায় কৰিলে। এই ঘটনাই প্ৰমাণিত কৰিছে যে চৰকাৰে আচলতে ছাত্ৰ ছাত্ৰীসকলৰ ভৱিষ্যতক লৈ চিন্তিত নহয় বৰঞ্চ কোচিং চেণ্টাৰ মাফিয়াৰ পক্ষত। বৰ্তমান সমগ্ৰ দেশব্যাপী গঢ়ি উঠা এই আন্দোলনক তীব্ৰ ৰূপ দিবলৈ সকলোকে আন্দোলনত চামিল হ'বলৈ নেতা দুজনে আহ্বান জনায়।

# কপিলী নৈত ভয়াবহ খহনীয়া

**বাতৰি কাকত, কচুৱা, ২৪ জুলাই ঃ** কামপুৰৰ পিপৰা গাঁৱত কপিলী নদীয়ে ধাৰাবাহিক ভাৱে চলাই থকা তীব্ৰ খহনীয়াই এতিয়া এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। নদীৰ এই কালৰূপৰ বাবে দক্ষিণ কপিলী পৰীয়া ৰাইজৰ যাতায়তৰ একমাত্ৰ ৰহা-আমতলা-কামপুৰ সংযোগী মূল ঘাইপথটো এতিয়া সম্পূৰ্ণ ৰূপে নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। পথটোৰ এটা ডাঙৰ অংশ ইতিপূৰ্বেই খহনীয়াই উটুৱাই নিয়াত অঞ্চলটোৰ ৰাইজ তীব্ৰ চিন্তাত পৰিছে।প্ৰাপ্ত খবৰ অনুসৰি, খহনীয়াৰ চৰম পৰিণতিৰ বাবে বৰ্তমান এই গুৰুত্বপূৰ্ণ পথছোৱাৰে গধুৰ যান-বাহন চলাচল সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হৈছে। স্থানীয় ৰাইজে ক্ষোভেৰে প্ৰকাশ কৰা মতে, অনাগত কেইটামান দিনত যদি অলপ বৰষুণো আহে, তেন্তে সমগ্ৰ পথচোৱা কপিলী নদীৰ বুকুত চিৰদিনৰ বাবে হেৰাই যাব আৰু অঞ্চলটোৰ যাতায়ত ব্যৱস্থা সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰিব। কেৱল যাতায়ত ব্যাহত হোৱাই নহয়, এই খহনীয়াই এতিয়া এক ডাঙৰ বানপানীৰ বিভীষিকাৰো সন্দেহ প্ৰকাশ কৰা হৈছে। বিভাগীয় কৰ্তৃপক্ষই যদি তাৎক্ষণিক ভাৱে খহনীয়া প্ৰতিৰোধৰ কোনো সু-ব্যৱস্থা হাতত নলয়, তেন্তে কপিলী নদীৰ বাঢ়নী পানী সোমাই অৰ্দ্ধ শতাধিক গাঁও জলমগ্ন হৈ পৰাটো প্ৰায় নিশ্চিত। ইয়াৰ ফলত হেজাৰ হেজাৰ লোক গৃহহীন হোৱাৰ লগতে ব্যাপক ধন-জনৰ ক্ষয়-ক্ষতি হোৱাৰ আশংকা ঘনীভূত হৈ পৰিছে। পৰিস্থিতিৰ এনে ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় ভুক্তভোগী ৰাইজে স্থানীয় ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ লগতে জলসম্পদ বিভাগ আৰু জিলা প্ৰশাসনক যুদ্ধকালীন তৎপৰতাৰে এই খহনীয়া প্ৰতিৰোধ কৰিবলৈ আৰু পথটো সুৰক্ষিত কৰিবলৈ জৰুৰীভাৱে অনুৰোধ জনাইছে।

*ছি জে পিৰ আন্দোলনৰ প্ৰতি সমৰ্থন জনাই কলগাছিয়াত ছাত্ৰ -ছাত্ৰীৰ প্ৰতিবাদী*

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী গো বেক ধ্বনিৰে উত্তাল কলগাছিয়া

**বাতৰি কাকত, কলগাছিয়া, ২৪ জুলাই ঃ** সমগ্ৰ দেশত ইতিমধ্যে নীট পৰীক্ষাৰ পেপাৰ লিগক কেন্দ্ৰ কৰি দিল্লীৰ জন্তৰ মন্তৰত চলি আছে ছাত্ৰ- ছাত্ৰী আৰু ছি জে পিৰ ব্যাপক প্ৰতিবাদী আন্দোলন। ছি জে পিৰ উক্ত প্ৰতিবাদক সমৰ্থন জনাই আজি বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত কলগাছিয়া চাৰি আলি চকত শ শ স্কুল, কলেজীয়া ছাত্ৰ-ছাত্ৰী সকলে স্বতঃস্ফুৰ্তভাৱে ওলাই আহি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী ছাত্ৰ-ছাত্ৰী সকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী গো বেক, শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান গো বেক, ধৰ্মেন্দ্ৰ প্ৰধান পদত্যাগ কৰক আদি শ্লোগানেৰে উত্তাল কৰি তোলে কলগাছিয়াৰ আকাশ বতাহ। প্ৰতিবাদকাৰী সকলে শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ দাবী কৰাৰ লগতে ছি জে পিৰ আন্দোলনক পূৰ্ণদমে সমৰ্থন জনায়। এই আন্দোলন কোনো নিৰ্দিষ্ট ছাত্ৰ সংগঠনৰ পৰা কৰা হোৱা নাই বুলি জানিবলৈ দিয়ে প্ৰতিবাদী ছাত্ৰ ছাত্ৰী সকলে।




*নগাঁও জিলাত শোভাযাত্ৰা, প'থ-অবৰোধ নিষিদ্ধ*

# ছাত্ৰ -ছাত্ৰীক বিশৃংখলতাৰ সৃষ্টি নকৰিবলৈ জিলা আয়ুক্তৰ আহ্বান

**বিশেষ প্ৰতিনিধি, নগাঁও, ২৪ জুলাই ঃ** নগাঁও জিলাত প্ৰশাসনৰ বিনা অনুমতিত কোনো ধৰ্ণা, শোভাযাত্ৰা, পথ-অবৰোধ আদি কাৰ্যসূচীৰ ৰূপায়ণত নিষেধাজ্ঞা আৰোপ কৰি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কালি সন্ধিয়া জাৰী কৰা এই সম্পৰ্কীয় এক নিৰ্দেশনা অনুসৰি জিলাখনৰ আইন-শৃংখলা ৰক্ষা, জনসাধাৰণৰ নিৰাপত্তা আৰু সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। সেই অনুসৰি ৰাজহুৱা স্থানত, বাট-পথত প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে এনে প্ৰতিবাদী কাৰ্যসূচী কোনেও গ্ৰহণ কৰিব নোৱাৰিব। ইয়াৰ অন্যথা আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশটোত কোৱা হৈছে। ইফালে দিনৰ ভাগত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এটা ভিডিঅক্স বাৰ্তাও প্ৰচাৰ কৰি জিলাখনৰ ছাত্ৰ সমাজক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰিব পৰা এনে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰিবলৈ আৰু অধ্যয়নত মনোনিবেশ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, কালি পুৱাৰ ভাগত পইটোচোৰা দলৰ সমৰ্থনত একাংশ লোকে হঠাতে ৰাষ্ট্ৰীয় ঘাইপথত বিক্ষোভ প্ৰদৰ্শন কৰাৰ ফলত আকস্মিকভাৱে সৃষ্টি হোৱা যানজঁট তথা বিশৃংখল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে এনে পদক্ষেপ গ্ৰহণ কৰা দৃষ্টিগোচৰ হয়।

## গদাধৰ নৈত পৰি ছাত্ৰীৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, ধুবুৰী, ২৪ জুলাই ঃ** ধুবুৰীত শোকাবহ ঘটনা। গদাধৰ নৈত গা ধুবলৈ গৈ মৃত্যু এগৰাকী মেধাবী ছাত্ৰীৰ। ছাত্ৰী গৰাকীৰ মৃত্যুৰে অঞ্চলজুৰি শোকৰ ছা পৰিছে। প্ৰাপ্ত তথ্য অনুযায়ী, আজি ধুবুৰী চহৰৰ ১নং ৱাৰ্ডৰ বাসিন্দা তথা মেলা ময়দানৰ সমীপৰ বাসিন্দা অক্ষৰা গোৱালা (১৭) নামৰ ছাত্ৰীগৰাকীয়ে নিজৰ গৃহতে লাগি থকা গদাধৰ নৈত গা ধুবলৈ আহি অকস্মাতে পানীত পৰি সন্ধানহীন হৈ পৰে। ঘটনাটোৱে অঞ্চলটোত হুৱা-দুৱাৰ সৃষ্টি কৰে আৰু খবৰ পাই ঘটনাস্থলীত ততাতৈয়াকৈ উপস্থিত হোৱা এছডিআৰএফ ৰ বাহিনীয়ে অভিযান আৰম্ভ কৰে। ঘটনাস্থলীৰ পৰা কিছু আঁতৰত নৈখনৰ বুকুৰ পৰা দলটোৱে উদ্ধাৰ কৰে ছাত্ৰীগৰাকীৰ নিথৰ দেহ। ধুবুৰীৰ শিশু পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ কলা শাখাৰ প্ৰথম বৰ্ষৰ ছাত্ৰী অক্ষৰা ৰামচন্দ্ৰ আৰু বীণা গোৱালপাৰা কনিষ্ঠ কন্যা। উল্লেখ্য যে, ছাত্ৰীগৰাকীৰ পিতৃ-মাতৃ উভয়েই ধুবুৰী পৌৰসভাৰ ১নং ৱাৰ্ডৰ প্ৰাক্তন ৱাৰ্ড আয়ুক্ত। ছাত্ৰীগৰাকীৰ এই অকাল মৃত্যুক লৈ সমগ্ৰ ধুবুৰী চহৰতে পৰিছে শোকৰ ছাঁ। ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত আজি ধুবুৰীৰ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয় ছাত্ৰীগৰাকীৰ নশ্বৰ দেহ।

*No.KED/NIT-66/2026-27/1562-A* — *Dated Kokrajhar, the 23rd July, 2026*

**DETAILS TENDER NOTICE**

Scaled tender in prescribed form affixing non-refundable Court Fee Stamp of Rs. 8.25 (Rupees Fight & twenty five paisa) only subsequently to be drawn up in printed "F-2 Form" Documents with validity period of 90 (Ninety) days from the date of receipt of Tenders are invited from the Registered Class-I (A, B, C) & Class-II PWD Electrical Contractor under the Addl. Chief Engineer, (Electrical) Chandmari, Guwahati-3, Superintending Engineer, PWD Guwahati Electrical Circle, Fancy Bazar. Guwahati-1 and the Registered Class-III, PWD Kokrajhar Electrical Division, Kokrajhar of 2026-27 and having valid Electrical Contractor License for the following electrical works and will be received in the Office of the undersigned up to 2.30p.m. on 29-07-2026 and will be opened at 3.00 p.m. of the same dale. The Contractors or their authorized agents may be present at the time of opening tender.

| Sl. No. | Name of work | Approx. Estimated Value | Time of Completion | Cost of Tender document (in Rs.) | Earnest Money |
|---|---|---|---|---|---|
| 1 | Establishment of New Govt. Nursing College attached to Kokrajhar Medical College & Hospital. Kokrajhar. Assam (External Electrification with Under Ground armoured cable and over head PVC insulated ET cable). | Rs. 24,60,432.00 | 60 (sixty ) Days | Rs. 700.00 | General 2% (P.C.) Of Tender value 1% of Tender value in case of SC/ST/BC |
| 2 | Tangla Girls High school (Repairing works ICBM Pavement including Toilet Block). (Providing electrification) | Rs. 6,78,534.00 | 30 ('thirty) Days | Rs. 500.00 | |

The Contractors shall be received the Tender Documents forms the Office of the Executive Engineer. PWD Kokrajhar Electrical Division, Kokrajhar during working hour by submitting the cost of Tender Document with a non-refundable fees as indicated in the table above, by Indian crossed Order payable to the undersigned up to 3.00p.m. Dated 28-07-2026 on application mentioned registration No. etc. No. application for issue of tender document will be received after the deadline as mentioned.

*IPR(BTC)/C/2026-27/908*

Sd/- Executive Engineer, PWD,
Kokrajhar Electrical Division, Kokrajhar

# হাতীৰ সুৰক্ষা আৰু সমাধান



**ৰাজীৱ কলিতা**

**হা**তী প্রকৃতিৰ অনবদ্য সৃষ্টি। হাতী অবিহনে প্রকৃতি শূন্য আৰু মানৱজাতি ধ্বংস। হাতী মানুহৰ প্রকৃত বান্ধৱ। এটা সময়ত পৰিয়াল আৰু বেপাৰ বনিজ কামত হাতীৰ আছিল মূখ্য ভূমিকা। হাতী আছিল আভিজাত্যৰ প্রতীক। ৰজা, মহাৰাজা, ধৰ্মীয় অনুষ্ঠান, সামাজিক, সাংস্কৃতিক অনুষ্ঠান সকলোতে হাতীৰ প্রয়োজন। আজি কিছু বছৰৰ পৰা হাতী আৰু মানুহৰ সংঘাট সমাজৰ শিৰোনাম হৈ আছে। ইয়াৰ কাৰণ মূখ্যত খাদ্যৰ অভাৱ। বনাঞ্চল লোপ। তেওঁলোকৰ বাসস্থানত মানুহৰ বাসস্থান নিৰ্মাণ। ইফালে আধুনিক জীৱন শৈলীয়ে মানুহৰ পৰা এলাগী হয়- হাতী। এতিয়া প্রায়ে মানুহ আৰু হাতীৰ সংঘাট হয়। কেতিয়াবা হাতীৰ মৃত্যু ঘটে আৰু কেতিয়াবা মানুহৰ, লগতে নষ্ট হয় ঘৰ-বাৰী, খাদ্য শস্য। এই সংঘাটৰ সমাধান হোৱা নাই। এই সংঘাটৰ সমাধান উলিয়াব লাগিব আমি। অতি পৰিতাপৰ কথা মানৱ আৰু প্রকৃতিৰ বন্ধুস্বৰূপ হাতী হৈ পৰিছে শত্রুস্বৰূপ। হাতীয়ে সন্ত্রাস কৰে বুলি খবৰ ওলালে মনটো বেজাৰেৰে পৰে। মই ভাবো উপায়বিহীন তেওঁলোক। হাতীক আমি বেয়া কাম কৰিবলৈ বাধ্য কৰাইছোঁ। আমি এটা উপায় বিচাৰি পাইছোঁ। এই মাধ্যমটো যদি চৰকাৰে গ্রহণ কৰে নিশ্চয় হাতী আৰু মানুহৰ সংঘাট কমি যাব। এই বিষয়ত সাধাৰণ জনতা আৰু প্রকৃতি প্রেমীসকলৰ যথেষ্ট কৰণীয় থাকিব। তেতিয়া খেতি, সম্পত্তি, জীৱন প্রকৃতি ৰক্ষা পৰিব। চৰকাৰ জনসাধাৰণ, প্রকৃতিপ্রেমী সকলোৱে কৰিব লাগিব কিছু ত্যাগ আৰু কষ্ট। আমাৰ এই পদ্ধতিটো অৱলম্বন কৰিলে পৃথিৱীৰ বাবেই আদৰ্শ হৈ পৰিব। মই এতিয়ালৈ এনেকুৱা ক'ৰবাত থকা বুলি শুনা নাই। সমাধানৰ পথটো বৰ্ত্তমান চৰকাৰে মানুহৰ বাবে অতি সুন্দৰ পাৰ্ক নিৰ্মাণ কৰে। সেয়াই আদৰণীয়। ঠিক তেনেকৈ বহুত বিঘা মাটিত চৰকাৰে এখন প্রকাণ্ড হাতীৰ বাবে নিৰ্মাণ লাগিব আটক ধুনীয়া পাৰ্ক। অত-তত ঘুৰি ফুৰা হাতীবোৰ তাত বৈজ্ঞানিক চিন্তাৰে আনি আবদ্ধ কৰিব লাগিব। চৌদিশে থাকিব সু-উচ্চ ৱাল। পানীৰ বাবে পুখুৰী। এতিয়া হাতীৰ বাবে ধন ক'ৰ পৰা আহিব? কাৰণ হাতীক খাদ্য যোগান কোনে দিব? তাতে লাগিব আন এখন আৰু বৃহৎ পাৰ্ক। এই পাৰ্কখন হ'ব মানুহৰ মনোৰঞ্জনৰ বাবে। যি পাৰ্কত দিনে দিনে বহু হাজাৰ পৰ্যটক আহে তেনেকৈ নিৰ্মাণ কৰিব লাগিব। মানুহৰ পাৰ্কৰ পৰা হোৱা আয়ে হাতীৰ খাদ্যৰ যোগান ধৰিব পাৰব। এনেকৈ উৎসাহিত হৈ বহুলোকে এক বছৰ, ছমাহ, হাতী এটাৰ খোৱাৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহিলে এই সমস্যা সমাধান হ'ব বুলি আশা কৰিব পাৰি। আমি ভাৰতবৰ্ষৰ বিভিন্ন মঠ-মন্দিৰত গৰুৰ বাবে একমাহ, সাতদিন, এবছৰৰ বাবে খাদ্যৰ ধন দি অহা মনত পৰে। এই বিষয়ত মাত্র চৰকাৰে এখন এনেকুৱা পাৰ্ক পৰীক্ষামূলক নিৰ্মাণ কৰিলে আমাৰ চিন্তাৰ ফলাফল বুজি উঠিব।

# ৰিক্সাৱালা



**ডাঃ বিলায়েত হুছেইন**

**শ্রী**মতী অনুৰাধা শৰ্মা নিজৰ একমাত্র সন্তান অভিযেকক নমাই থৈ ডনবস্কো হাইস্কুলৰ সন্মুখত ৰৈ আছে। এনেতে চল্লিশোৰ্ধৰ ৰিক্সাৱালাক মাতিলে- এই ৰিক্সা টাউনলৈ যাবা নে?

ৰিক্সাৱালা - অ' বাইদেউ, উঠক।

শৰ্মা বাইদেউ টাউনৰ চৰকাৰী হাইস্কুল এখনৰ শিক্ষয়িত্রী। বয়স অনুমানিক ৩২ বছৰ হ'ব। একমাত্র ল'ৰা সন্তান প্রথম শ্রেণীৰ ছাত্র। গিৰিয়েক চাকৰি সূত্রে বৰপেটাত থাকে, কৃষি বিষয়া।

যথা সময়ত আহি বাইদেউয়ে স্কুলৰ গেট পালে। ৰিক্সাৰ ভাড়া কিমান বুলি সুধোতে ৰিক্সাৱালাই ক'লে - বাইদেউ দিয়ক, যি দিয়ে দিয়ক।

বাইদেউ - কিয় এনেকৈ কৈছা, তোমাৰ নিৰ্দিষ্ট ভাড়াৰ নিৰিখ এটা নাই নেকি?

ৰিক্সাৱালা - নাই বাইদেউ, আচলতে ভাড়া ২০ টকাই, কিন্তু আজি কালি বহুতে বেয়া পায়, দিব নোখোজে। ২০ টকাৰ ঠাইত ১৫ , ১০ টকাহে দিয়ে। তাকো যা তা গালি গালাজ পাৰি দিয়ে।

বাইদেউ - হয় নেকি?

ৰিক্সাৱালা - হয়, বাইদেউ কি কম আৰু !

শ্রীমতী অনুৰাধা শৰ্মা বাইদেউৰ মনটো বেয়া লাগিলে, মানিবেগৰ পৰা ৫০ টকা এখন উলিয়াই তেওঁ ল'বলৈ টান পোৱা সত্ত্বেও জোৰ কৈ ৰিক্সাৱালাৰ হাতত দি ক'লে বেয়া নেপাবা, আজি কালি মানুহবোৰ ৰাজনৈতিক প্রদূষণৰ বলি হৈছে।

অ' ৰ'বাচোন ৰ'বা, তোমাৰ ঘৰত কোন কোন আছে, ল'ৰা ছোৱালী কেইটা কি কৰে ?

ৰিক্সাৱালা - বাইদেউ ছোৱালীজনী মেডিকেল কলেজত আছে , এমবিবিএছ পঢ়ি আছে আৰু দুবছৰ বাকী পাছ কৰি ওলাবলৈ, ল'ৰাটো গাঁৱৰে হায়াৰ ছেকেণ্ডাৰীত কলা শাখাত পঢ়ি আছে। সি ডাক্তৰ নহয়, সি বোলে উকীল নে হাকিম হ'ব।

শ্রীমতী অনুৰাধা শৰ্মা বাউদেৱৰ মুখত এক অপূৰ্ব সুখৰ ছায়া ভাহি উঠিল। আগৰ সেই ধাৰণা এতিয়া ভুল প্রমাণিত হৈ আছে। এওঁলোকৰ আগৰ সেই ১০ /১২ টা সন্তান এতিয়া নাই। মানুহৰ কৰ্ম সংস্কৃতিহে মূল কথা। বাকী আলসুৱা কৰ্মহীন জীৱন এক জৰাজীৰ্ণ ঘৰৰ দৰে য'ত ভূতৰ বাস হোৱাৰ বাদে আন একো নাথাকে।

# প্রতিৰোধৰ পৰা অংশীদাৰিত্বলৈ ঃ গাঁওসমূহে শক্তি আন্তঃগাঁথনি কেনেকৈ আঁকোৱালি লৈছে অথবা ক্ষেত্রৰ পৰা গ্রীডলৈ

**বৰুণ ভাটিয়া**

**ভা**ৰতৰ গ্রাম্য অঞ্চলৰ নিস্তব্ধ অঞ্চলত য'ত দিগন্তপ্রায়ে পান্না ধান আৰু ধূলিময় বাদামী মাটিৰ টুকুৰা-টুকুৰ হৈ পৰে, তাত এক নতুন ধৰণৰ আকাশৰ ৰেখাই গঢ় লৈ উঠিছে। তীখাৰ ট্রেন্সমিছন টাৱাৰ এতিয়া পথাৰ আৰু গাঁৱৰ পথৰ ওপৰলৈ উঠিছে, যাৰ ফলত এসময়ত কালজয়ী যেন লগা প্রাকৃতিক দৃশ্যৰ পৰিৱৰ্তন ঘটিছে। বছৰ বছৰ ধৰি এই কাঠামোবোৰক সন্দেহ আৰু নীৰৱ ক্ষোভেৰে আদৰি লোৱা হৈছিল। বহু কৃষকৰ বাবে তেওঁলোক আছিল অনুপ্রৱেশকাৰী যিয়ে বহুমূলীয়া মাটি দাবী কৰিছিল যাতে দূৰৈৰ, উজ্জ্বল বিদ্যুৎ কঢ়িয়াই নিব পাৰে। আনহাতে নিজৰ ঘৰখনে আন্ধাৰ আৰু অনিশ্চয়তা সহ্য কৰিছিল। প্রায় তিনিটা দশক ধৰি নীতি কাৰ্যালয় আৰু দূৰৱৰ্তী প্রকল্প স্থানৰ মাজত স্থানান্তৰিত হৈ মই এই সম্পৰ্ক সলনি হোৱাটো চাই আহিছোঁ। আজি আমি যি দেখিছোঁ সেয়া লজিষ্টিক শ্বিফটতকৈও অধিক। ই এক মানসিক আৰু অৰ্থনৈতিক পৰিৱৰ্তন। প্রতিৰোধে ক্রমাগতভাৱে অংশীদাৰিত্বৰ ঠাই দিছে। অকথিত বাৰ্তাটো 'বাহিৰলৈ ৰাখক'ৰ পৰা অধিক আশাবাদী 'আমাক সংযোগ কৰক'লৈ সলনি হৈছে। গ্রাম্য জনগোষ্ঠীসমূহে শক্তিৰ আন্তঃগাঁথনিক ৰাজ্যৰ জাপি দিয়া হিচাপে নহয়, সুযোগ আৰু মৰ্যাদাৰ দলং হিচাপে চাবলৈ আৰম্ভ কৰিছে।যেতিয়া গ্রীড গাঁৱৰ কাষেৰে পাৰ হৈ গৈছিল এই পৰিৱৰ্তন বুজিবলৈ আগৰ বিৰোধিতাৰ শিপা স্বীকাৰ কৰাটো গুৰুত্বপূৰ্ণ। দীৰ্ঘদিন ধৰি ভাৰতৰ শক্তি আন্তঃগাঁথনিয়ে ফ্লাই অভাৰ ইফেক্ট বুলি ক'ব পৰা বস্তুটোৰ দ্বাৰা ক্ষতিগ্রস্ত হৈছিল। যেনেকৈ নগৰীয়া উৰণীয়া সেতু এখনে তলৰ জীৱনটোক স্পৰ্শ নকৰাকৈ অনানুষ্ঠানিক বসতিস্থলৰ ওপৰেৰে যাতায়ত কঢ়িয়াই লৈ ফুৰে। ঠিক তেনেদৰে এসময়ত ট্রেন্সমিছন লাইনে গাঁওবোৰৰ ওপৰেৰে বিপুল পৰিমাণৰ বিদ্যুৎ কঢ়িয়াই লৈ ফুৰিছিল যিবোৰে এটা বাল্ব জ্বলি থাকিবলৈ সংগ্রাম কৰিছিল। গ্রীড ভাৰতৰ গ্রাম্য অঞ্চলৰ মাজেৰে পাৰ হৈ গ'ল, কিন্তু ই অৰ্থপূৰ্ণভাৱে সেৱা আগবঢ়োৱা নাছিল।ঘৰ্ষণটো অনিবাৰ্য আছিল। টাৱাৰ স্থাপনৰ বাবে যেতিয়া ট্রেন্সমিছন কোম্পানী আহিছিল, তেতিয়া কৃষকসকলে তাৎক্ষণিক লোকচান দেখিছিল। শস্যৰ ওপৰত প্রভাৱ পৰিছিল, ভূমি ব্যৱহাৰত বাধা আৰোপ কৰা হৈছিল আৰু ক্ষতিপূৰণ প্রক্রিয়াটো দূৰৈৰ আৰু অস্বচ্ছ অনুভৱ হৈছিল। মধ্যস্থতাকাৰীয়ে প্রায়ে পলম কৰা বা পাতল কৰা এককালীন ধন দিয়াৰ বাহিৰে গাঁওখন কেনেকৈ লাভৱান হ'ব সেই বিষয়ে স্পষ্টতা নাছিল। বিদ্যুতৰ আন্তঃগাঁথনি গাঁৱৰ বাবে নহয়, গাঁৱৰ ওপৰত কৰা কাম যেন লাগিল ।যি মুহূৰ্ততে বিদ্যুৎ ব্যক্তিগত হৈ পৰিল কথা-বতৰা সলনি হ'বলৈ ধৰিলে যেতিয়া বিদ্যুৎ নিজেই দৃশ্যমান আৰু নিৰ্ভৰযোগ্য হৈ পৰিল। সৌভাগ্য আৰু দীনদয়াল উপাধ্যায় গ্রাম জ্যোতি যোজনাৰ দৰে আঁচনিসমূহে অৱশেষত ক্ষমতা শেষ ঘৰখনলৈ যোৱাটো নিশ্চিত কৰিছিল। এবাৰ গাঁওবোৰে অভিজ্ঞতা লাভ কৰিছিল। কেইঘণ্টামানৰ অস্বাভাৱিক ঘণ্টাৰ যোগান আৰু নিৰ্ভৰযোগ্য বিদ্যুতৰ দীঘলীয়া সময়ৰ মাজৰ পাৰ্থক্য, ধাৰণাবোৰ সলনি হৈ গ'ল। গ্রীডটো আৰু এটা বিমূৰ্ত ব্যৱস্থাৰ ওভাৰহেড নাছিল। দৈনন্দিন জীৱনৰ কেন্দ্রবিন্দু হৈ পৰিল। নিৰ্ভৰযোগ্যতা হৈ পৰিল নতুন মাপকাঠী। যেতিয়া নিৰ্ধাৰিত সময়ত পাম্প চলিছিল, স্কুলবোৰ সুচাৰুৰূপে চলিছিল, আৰু সূৰ্যাস্তৰ পিছত স্বাস্থ্য কেন্দ্রবোৰ জ্বলি আছিল, তেতিয়া মানুহে বিভিন্ন প্রশ্ন কৰিবলৈ আৰম্ভ কৰিছিল। চিন্তাটো 'এই টাৱাৰটো ইয়াত কিয় আছে'ৰ পৰা 'আমি কেনেকৈ যোগান আৰু অধিক শক্তিশালী কৰিম'লৈ গতি কৰিলে। চাবষ্টেচন আৰু ট্রেন্সমিছন লাইনক বাধাৰ পৰিৱৰ্তে সক্ষমকাৰী হিচাপে দেখাবলৈ আৰম্ভ কৰিলে। মাটি, ক্ষতিপূৰণ, আৰু সন্মতিৰ ওপৰত পুনৰ চিন্তা কৰা ভূমি আৰু সম্প্রদায়ৰ সৈতে কেনেদৰে দৃষ্টি নিক্ষেপ কৰা হয় তাৰ পৰিৱৰ্তনও সমানেই গুৰুত্বপূৰ্ণ হৈ পৰিছে। বলপূৰ্বক অধিগ্রহণৰ পূৰ্বৰ আৰ্হিটো লাহে লাহে অধিক পৰামৰ্শমূলক কাঠামোৰ দ্বাৰা প্রতিষ্ঠাপন কৰা হৈছে। কেইবাখনো ৰাজ্যই ভূমি পট্টা ব্যৱস্থাৰ পৰীক্ষা-নিৰীক্ষা কৰি আছে য'ত কৃষকে মুদ্রাস্ফীতিৰ সৈতে জড়িত নিয়মীয়া আয় লাভ কৰে। ইয়াৰ ফলত লেণ্ড হ'ষ্টিং আন্তঃগাঁথনি স্থায়ী লোকচানৰ পৰিৱৰ্তে দীৰ্ঘম্যাদী সম্পত্তিলৈ পৰিণত হয়। নবীকৰণযোগ্য শক্তি খণ্ডত বিশেষকৈ বৃহৎ সৌৰ উদ্যানসমূহত এই অংশীদাৰিত্ব আৰু অধিক স্পষ্ট হৈ পৰিছে। ডেভেলপাৰসকলে ক্রমান্বয়ে কৃষি ভল্টিক মডেল গ্রহণ কৰিছে যিয়ে উত্থাপিত সৌৰ পেনেলৰ তলত খেতি কৰিবলৈ অনুমতি দিয়ে। এই পদ্ধতিয়ে স্বচ্ছ শক্তিৰ লক্ষ্যত অৰিহণা যোগোৱাৰ লগতে জীৱিকাৰ চিন্তাক সম্বোধন কৰে। কৃষকৰ বাবে ই অবিৰত খেতিৰ সমান্তৰালভাৱে ভাড়াৰ আয়ৰ সুবিধা প্রদান কৰে। ডেভেলপাৰসকলৰ বাবে ই গ্রহণযোগ্যতা আৰু বিশ্বাস গঢ়ি তোলে।গ্রাম্য উদ্যোগৰ অনুঘটক হিচাপে ক্ষমতা হয়তো এই পৰিৱৰ্তনৰ আটাইতকৈ দৃশ্যমান প্রভাৱ গ্রাম্য উদ্যোগীকৰণৰ উত্থানত দেখা যায়। অসম আৰু অন্ধ্রপ্রদেশৰ কিছু অংশত মহিলাৰ আত্মসহায়ক গোটসমূহে হাতৰ উৎপাদনৰ পৰা যান্ত্রিক ইউনিটলৈ গতি কৰিছে কাৰণ সুস্থিৰ বিদ্যুতৰ ফলত সেয়া সম্ভৱ হৈ উঠিছিল। এসময়ত অৰ্থনৈতিকভাৱে স্থবিৰ বুলি গণ্য কৰা ঠাইবোৰত সৰু সৰু কৰ্মশালা, শীতল মজুতকৰণৰ সুবিধা, সেৱা উদ্যোগৰ উত্থান ঘটিছে। এই গাঁওবোৰত নতুন স্কুল বা কমিউনিটি হলৰ দৰেই নাগৰিক গৌৰৱেৰে এটা চাবষ্টেচনৰ কথা কোৱা হয়। বিশেষকৈ মহিলাসকলে নতুন অৰ্থনৈতিক সংস্থা বিচাৰি পাইছে। বিদ্যুৎচালিত ঘৰে দৈনন্দিন কামৰ বোজা হ্রাস কৰে। আনহাতে বিদ্যুতৰ সুবিধাই আয় সৃষ্টিকাৰী কাৰ্যকলাপ সক্ষম কৰে। সামাজিক সুবিধাসমূহ মিটাৰৰ বহু ওপৰলৈকে বিস্তৃত। ডিজিটেল উচ্চাকাংক্ষা আৰু নতুন গ্রাম্য চাহিদা ডিজিটেল সংযোগৰ ভূমিকাক উপেক্ষা কৰিব নোৱাৰি। ভাৰতৰ ডিজিটেল ৰূপান্তৰ সম্পূৰ্ণৰূপে ইয়াৰ বৈদ্যুতিক মেৰুদণ্ডৰ ওপৰত নিৰ্ভৰশীল। গ্রাম্য যুৱক-যুৱতীসকলে এই কথা প্রবৃত্তিগতভাৱে বুজি পায়। হাতত থকা স্মাৰ্টফোন এটা ইয়াক সমৰ্থন কৰা গ্রীডৰ সমানেই শক্তিশালী। অনলাইন শিক্ষা, ই নেমৰ দৰে প্লেটফৰ্মৰ জৰিয়তে বজাৰৰ মূল্যৰ প্রৱেশ, ডিজিটেল পেমেণ্ট, আৰু মনোৰঞ্জন এই সকলোবোৰ নিৰ্ভৰযোগ্য শক্তিৰ ওপৰত নিৰ্ভৰশীল। আজিৰ আন্তঃগাঁথনিৰ চাহিদা ক্রমান্বয়ে ভূমিৰ পৰাই পৰিচালিত হৈছে। এই তৃণমূল পৰ্যায়ৰ দাবীয়ে ৰাজহুৱা নীতিক নতুন ৰূপ দিছে। বিশুদ্ধভাৱে গ্রীড কেন্দ্রিক পদ্ধতিৰ পৰা গ্রাহকৰ অভিজ্ঞতাক অগ্রাধিকাৰ দিয়া পদ্ধতিলৈ গুৰুত্ব দিয়া হৈছে। শেষৰ মাইলটো এতিয়া কেৱল অতিক্রম কৰিবলগীয়া দূৰত্ব নহয়। ই গুণগত মান আৰু নিৰ্ভৰযোগ্যতাৰ প্রতিশ্রুতি। যিবোৰ প্রত্যাহ্বান এতিয়াও বিশ্বাসক পৰীক্ষা কৰে প্রত্যাহ্বান ৰৈ গৈছে। ভূমিৰ ৰেকৰ্ড প্রায়ে পুৰণি বা বিতৰ্কিত হয়। ৰাইট অৱ ৱেৰ সমস্যাই এতিয়াও প্রকল্পত বিলম্ব ঘটায়। প্রতিশ্রুতিক সন্মান নকৰিলে অনাস্থা সোনকালে পুনৰ উত্থাপন হ'ব পাৰে। তথাপিও সলনি হৈছে প্রতিৰোধৰ স্বভাৱ। এতিয়া আন্তঃগাঁথনি প্রত্যাখ্যান কৰাটো কম আৰু ন্যায়পৰায়ণতা, স্বচ্ছতা, সন্মানৰ দাবী বেছি। গাঁওবোৰে আজি শুনাব বিচাৰে, বাইপাছ কৰিব বিচৰা নাই। তেওঁলোকে স্পষ্ট যোগাযোগ আৰু অভিযোগৰ সময়মতে সমাধানৰ আশা কৰে। এই আশাবোৰ যুক্তিসংগত আৰু অধিক আত্মবিশ্বাসী গ্রাম্য সমাজ এখন প্রতিফলিত কৰে।শক্তি পৰিৱৰ্তনৰ বাবে অংশীদাৰিত্ব গঢ়ি তোলা ভাৰতে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট অজীৱাশ্ম ইন্ধন ক্ষমতাৰ লক্ষ্যৰ দিশত কাম কৰাৰ লগে লগে এই পৰিৱৰ্তনৰ মূলতে গাঁওসমূহ থিয় দিব। এই ক্ষমতাৰ বহুখিনি গ্রাম্য ভূমিত নিৰ্মাণ কৰা হ'ব। সফলতা নিৰ্ভৰ কৰিব গাঁওসমূহক নিষ্ক্রিয় গৃহস্থ হিচাপে নহয়, সক্রিয় অংশীদাৰ হিচাপে গণ্য কৰাৰ ওপৰত। ইয়াৰ অৰ্থ হ'ল সৎ যোগাযোগ, দীৰ্ঘম্যাদী অৰ্থনৈতিক সুবিধা, আৰু স্থানীয় নিয়োগৰ প্রকৃত সুযোগ। এসময়ত দূৰত্ব আৰু অৱহেলাৰ প্রতীক হিচাপে থকা তীখাৰ টাৱাৰবোৰে সংযোগ আৰু সম্ভাৱনাক প্রতিনিধিত্ব কৰিবলৈ আৰম্ভ কৰিছে। তেওঁলোক এতিয়া দূৰৈৰ ৰাজ্যৰ অকলশৰীয়া চেণ্টিনেল নহয়। গ্রাম্য ভাৰতে যি মৰাপাটৰ ওপৰত নিজৰ আধুনিক পৰিচয় গঢ়ি তুলিছে, তাৰ অংগ হৈ পৰিছে তেওঁলোক। যেতিয়া এখন গাঁৱে নতুন চাবষ্টেচন এটালৈ চায় আৰু অনুভৱ কৰে যে জীৱনৰ উন্নতি হ'বলৈ ওলাইছে, তেতিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যৱধানটো দূৰ হোৱাৰ ইংগিত দিয়ে। আন্তঃগাঁথনি আৰু ইয়াৰ সেৱা আগবঢ়োৱা জনসাধাৰণৰ মাজৰ ব্যৱধান।

**উপ-সভাপতি- প্রকল্প আৰু শিক্ষণ সমাধান ইলেকট্রনিকছ খণ্ডৰ দক্ষতা পৰিষদ অৱ ইণ্ডিয়া**

# ৮২খন গ্রন্থ প্রণয়ন কৰিও সাহিত্য সভাৰ দৃষ্টিত নপৰা সাহিত্যিক বিপিন চন্দ্র কলিতা



**দিলীপ বৰ্মন**

**স**ৰ্বমুঠ ৮২ খন গ্রন্থৰ প্রণেতা, ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্রাপ্ত বিপিন চন্দ্র কলিতা আছিল এগৰাকী হৃদয়বান লোক। নীতি আদৰ্শৰ মাজেৰে জীৱন প্রতিফলিত কৰা কলিতাই ছাত্র কালত আৰ্থিক দৈন্যত ভুগি বহু কষ্টসাধ্য কাৰ্যৰে অগ্রসৰ হৈছিল। ছাত্রকালৰে পৰা সাহিত্য ক্ষেত্রত পদাৰ্পণ কৰা কলিতাৰ প্রথম গ্রন্থখন হ'ল 'গণিত পৰিচয়'। এই গ্রন্থখন ১৯৯০ চনত প্রকাশ পাইছে। তেতিয়াৰপৰাই কলিতাই নিৰৱচ্ছিন্নভাৱে গ্রন্থ প্রণয়ন কাৰ্য অব্যাহত ৰাখিছে। জানিবলৈ পোৱা মতে কলিতাৰ দুই-তিনিখন গ্রন্থ গুৱাহাটীৰ আগশাৰীৰ চন্দ্র প্রকাশনে প্রকাশ কৰিছে। কলিতাই প্রণয়ন কৰা গ্রন্থসমূহৰ ভিতৰত- কবিতা, গল্প, উপন্যাস, নাটক, জীৱনী, প্রবন্ধ আদিয়ে সৰহ। স্নাতক ডিগ্রীধাৰী কলিতাই শিক্ষা সেৱাকে জীৱনৰ ব্রত হিচাপে লৈ শিক্ষাসেৱা কাৰ্যত ব্রতী হয়। এগৰাকী নিষ্ঠাবান শিক্ষক হিচাপে কলিতাক ২০১০ চনৰ ৫ ছেপ্টেম্বৰত অসম চৰকাৰৰ শিক্ষা বিভাগে ৰাজ্যিক কৃতী শিক্ষক হিচাপে বঁটা প্রদান কৰে। কৃতী শিক্ষক কলিতাই ২০১৫ চনৰ ৩১ মে'ত জনতা এম ই স্কুল ষাঠিকুছিৰ পৰা সুখ্যাতিৰে অৱসৰ গ্রহণ কৰে। এগৰাকী কৃতী শিক্ষক আৰু সুসাহিত্যিক হিচাপে কলিতাক বহু অনুষ্ঠান-প্রতিষ্ঠানে বঁটা আৰু সম্বৰ্ধনা প্রদান কৰিছে। তেওঁ কেইবাটাও ৰাষ্ট্রীয় বঁটাও লাভ কৰিছে। হিন্দী ভাষা সাহিত্যতো কলিতাৰ অৱদান মনকৰিবলগীয়া। চাইকেলখনকে জীৱনৰ সাৰথি হিচাপে লোৱা কলিতাই দূৰ দূৰণিলৈ চাইকেলখনেৰে যাতায়ত অব্যাহত ৰাখিছিল। খোৱাৰ ক্ষেত্রত কলিতাই খুবেই সাবধানতা অৱলম্বন কৰিছিল। ৰাতিপুৱাই দুমুঠি অন্নগ্রহণ কৰি গোটেই দিনটো ঘূৰি ফুৰিলেও কাৰো ঘৰত এটুপি পানীও নাখাইছিল। পিয়াহ লাগিলে লগত নিয়া পানীৰ বটলটোৰ পৰা দুঘোট খাইছিল। অনাহক বা অবাবত তেঁও কেতিয়াও সময় নষ্ট কৰা নাছিল। ঠিক তেনেদৰে অনাৰ্থক কথা কৈ কাকো বিৰক্তিও দিয়া নাছিল। কলিতাই সময়ৰ মূল্য ভালকৈ বুজি পাইছিল। কলিতাই কষ্টক কেতিয়াও কষ্ট বুলি ভবা নাছিল। অপৰিসীম কষ্টৰ বাবে কলিতাই আজি দুবছৰমান পূৰ্বৰে পৰা মাজে সময়ে শাৰীৰিক অসুস্থতাত ভুগিছিল। কলিতাৰ প্রকাশিত - পঞ্চপদ- পঞ্চপ্রবচন, শিক্ষয়িত্রী আৰু সহপাঠী সঞ্চায়ন গ্রন্থ তিনিখন উন্মোচনৰ ক্ষেত্রত মোক অৱগত কৰালে যে, 'বৰ্মন মোৰ গ্রন্থ তিনিখন প্রকাশ হ'ল যদিও শাৰীৰিক অসুস্থতাৰ বাবে উন্মোচন কৰিব পৰা নাই, আপুনি পাৰে যদি উন্মোচনৰ ব্যবস্থা কৰি দিয়ক।' কলিতাৰ কথাক প্রত্যাখ্যান নকৰি ৮ মাৰ্চ ২০২৫ ত নলবাৰীৰ চ'কবজাৰস্থিত চৰকাৰী পেঞ্চনাৰ ভৱনত উন্মোচনৰ ব্যবস্থা কৰোঁ। কিন্তু দুখৰ কথা তেওঁৰ গ্রন্থ উন্মোচনী সভাত তেওঁ উপস্থিত থাকিব নোৱাৰিলে শাৰীৰিক অসুস্থতাৰ বাবে । সেইদিনা আমাৰ মনে বৰ দুখ পাইছিল। যানহওক সেইদিনা তিনিজন সন্মানীয় ব্যক্তিয়ে গ্রন্থ তিনিখন উন্মোচন কৰি কলিতা সন্দৰ্ভত বক্তব্য প্রদান কৰিছিল। সেই সভাখনত আমি সভাপতিত্ব কৰাৰ সৌভাগ্য ঘটিছিল। তথাপিও কিন্তু কলিতাই কলম স্থবিৰ কৰা নাছিল। ৰুগীয়া দেহাৰে হ'লেও সৃষ্টি কাৰ্য অব্যাহত ৰাখিছিল। শেহতীয়া আকৌ কলিতাই তিনিখন গ্রন্থ প্রণয়ন কৰি প্রকাশৰ দিশে অগ্রসৰ হয়। এদিন মোক ফোন কৰি ক'লে, 'বৰ্মন মোৰ আৰু তিনিখন গ্রন্থ প্রকাশ পালে, তাৰে এখন গ্রন্থ আপুনি উন্মোচন কৰিব লাগিব।' তেতিয়া মই ক'লো - ছাৰ, মোৰ দ্বাৰা উন্মোচন কৰাব নালাগে, অইন এজন বিজ্ঞ লোকৰ দ্বাৰা উন্মোচন কৰক। তেতিয়া কলিতাই আকৌ ক'লে - সেইখন আপুনিয়ে উন্মোচন কৰিব লাগিব। কাৰণ সেই কিতাপখন মোৰ বিষয়ক। আপুনি মোৰ বিষয়ে ভালদৰে জানে যিহেতু আপুনিয়ে উন্মোচন কৰিব লাগিব। মই কলিতাৰ কথা প্রত্যাখ্যান কৰিব নোৱাৰিলো। ২০২৫ চনৰ ২৪ আগষ্টত তেওঁৰ দ্বাৰা প্রণয়ন হোৱা 'মোৰ জীৱন সোঁৱৰণ' গ্রন্থ মহা আনন্দৰে উন্মোচন কৰো। গ্রন্থখন এখন গৱেষণাধৰ্মী। বহু তথ্য আছে গ্রন্থখনত। কলিতাৰ জন্মৰ পৰা সেই সময়লৈকে আহৰণ কৰা তথ্য সন্নিৱিষ্ট কৰিছে। সিদিনা মই গ্রন্থখন আৰু কলিতা সন্দৰ্ভত প্রায় ডেৰ ঘণ্টা ভাষণ প্রদান কৰোঁ। মোৰ ভাষণত কলিতা ছাৰে অতিশয় সন্তুষ্টি লাভ কৰিছিল। সিদিনা উন্মোচিত হোৱা আন দুখন গ্রন্থ হ'ল শিক্ষাৰ্থী আৰু অসমীয়া ভাষাৰ সমোচ্চৰিত শব্দ । ইয়াৰে শিক্ষাৰ্থী নামৰ গ্রন্থখন উন্মোচন কৰে কলিতাৰ একালৰ ছাত্রী তথা শৰাইঘাট মহাবিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যাপিকা ড° জ্যোতিৰ্ময়ী দেৱীয়ে । সেয়াই আছিল কলিতা ছাৰৰ গ্রন্থ প্রকাশৰ শেষ সামৰণি। কেইবাখনো গ্রন্থ হাতেলেখা অৱস্থাত আছে যদিও শাৰীৰিক অসুস্থতাই বাস্তৱায়িত হ'ব নিদিলে । লাহে লাহে ছাৰ দুৰ্বলৰ দিশে গতি কৰিব ধৰিলে । সেই দুৰ্বলতাই ছাৰ স্বৰ্গধামলৈ গতি কৰালে। বহু আশা বুকুত সাবতি ছাৰে ১২ জানুৱাৰী ২০২৬ত ইহসংসাৰৰ পৰা বিদায় মাগে। ছাৰৰ মৃত্যুৰ খবৰ শুনা মাত্রেই মনাকাশ বিষাদৰ ডাৱৰে ঢাকি ধৰিলে। ক্ষণিকৰ বাবে অবাক হ'লো। ছাৰ মোতকৈ বহুখিনি জ্যেষ্ঠ আছিল যদিও মোক বৰ্মন বুলিয়ে সম্বোধন কৰিছিল, ময়ো ছাৰক মোৰ পোনপটীয়া শিক্ষাগুৰু নহয় যদিও ছাৰ বুলিয়ে সম্বোধন কৰিছিলোঁ। ১৯৫৩ চনৰ ১৫ মাৰ্চত নলবাৰী জিলাৰ ষাঠিকুছি গাঁৱত জন্ম ধাৰণ কৰা কলিতা ছাৰৰ পিতৃ ভুগীৰাম কলিতা আৰু মাতৃ পবিত্রা প্রিয়া কলিতা। কলিতা ছাৰে মৃত্যুৰ সময়ত অৱসৰী শিক্ষয়িত্রী পত্নী ৰুক্মিণী কলিতা ,দুই পুত্র- বোৱাৰী , জী - জোঁৱাই, নাতি-নাতিনী আৰু অনেক গুণমুগ্ধক এৰি থৈ যায়। ইমানবোৰ গ্রন্থ প্রণয়ন কৰা কলিতা ছাৰে অসম সাহিত্য সভাৰ আজীৱন সভ্য পদ গ্রহণ কৰিলেও সাহিত্য সভাৰ বিভিন্ন অনুষ্ঠান - প্রতিষ্ঠানত দৰ্শক হিচাপে অংশগ্রহণ কৰিছিল যদিও জিলা সাহিত্য সভা বা অসম সাহিত্য সভাই কোনোধৰণৰ সন্মান প্রদান কৰাটো আমাৰ দৃষ্টিগোচৰ হোৱা নাই। কলিতা ছাৰৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও সমবেদনা জ্ঞাপন কৰিলো।

# ভালপোৱা মানুহবোৰ

**প্রভাত বণিয়া**

**ভা**লপোৱা মানুহবোৰলৈ সদায় বাট চাই থাকোঁ
মানুহবোৰ দেখিবলৈ ধুনীয়া, সুশ্রী, অতি দেখনিয়াৰ
হৃষ্টপুষ্ট, মুখত জিলিকি থাকে মনোৰম হাঁহি
পোছাক পৰিচ্ছদ চৌখিন
চৌখিন মন
ভালপোৱা মানুহবোৰলৈ মই ৰৈ থাকোঁ
তিনিআলিৰ চ'কত, নৈৰ ঘাটত অথবা পদূলি মুখত
আহে বা নাহে অধীৰ অপেক্ষাত উচপিচাই থাকোঁ
ভালপোৱা মানুহবোৰ মোৰ বৰ আপোন
বুকুৰ কুটুম্ব চিন্তাৰ সতেজ ফচল
তেওঁলোকৰ স্নেহসনা এষাৰি মাতত
মই আবেগ বিহ্বল হওঁ
আনন্দত আপোন পাহৰা হওঁ
কি সপোন, কি দিঠক
ভালপোৱা মানুহবোৰৰ স'তে কৰো মধুৰ আলাপ
বিনিময় কৰোঁ জীৱন যৌৱনৰ মধুৰ সংলাপ
তেজ মঙহৰ মানুহ আমি কত আশা কত আকাংক্ষা আমাৰ
জীৱন যুদ্ধত জয় পৰাজয় থাকে
আছে ঘাত-প্রতিঘাত
মোৰ প্রতিটো শুভ কামতে শুভাকাংক্ষীসকলে মোক জনায়
উষ্ণ অভিনন্দন
ভালপোৱা মানুহৰ আবদাৰত দুখ- কষ্ট সকলো পাহৰিব পাৰি
ভালপোৱা মানুহবোৰ লগত থাকিলে পাৰ হ'ব পাৰি জীৱনৰ অথাই-সাগৰ
জিনিব পাৰি সমস্ত জগত, দুহাত মেলি দি আকাশ চুব পাৰি
সঞ্চয় কৰিব পাৰি অপাৰ শক্তি অতিক্রম কৰিব পাৰি হেলাৰঙে
জীৱনৰ দুৰ্জেয় ৰণাংগন
ভালপোৱা মানুহবোৰ মোৰ
চিৰন্তন বুকুৰ বাসিন্দা
আশৈশৱ বন্ধু আপদ কালৰ লগৰী
ভালপোৱা মানুহবোৰ নহ'লে
ঘৰ সংসাৰ স্তব্ধ
জীৱন অসাৰ
অসাৰ এই বিশাল বিশ্ব-ব্রহ্মাণ্ড
ভালপোৱা মানুহবোৰ মোৰ
অমৃতসুধা
প্রাণৰ অক্ষয় বন্তি ।
ভালপোৱা মানুহবোৰলৈ সেয়ে
সদায় মই বাট চাই থাকোঁ
তিনিআলিৰ চ'কত নৈৰ ঘাটত
অথবা
পদূলি মুখত।

দৈনিক বাতৰি কাকত সত্য আৰু ন্যায়ৰ সপক্ষে

# নীট পৰীক্ষাত কৃতিত্ব লাভ কৰা শ্বাহিদ আলমক সমন্বয় শিল্পী- সাহিত্য পৰিষদ অসমৰ অভিনন্দন




**বাতৰি কাকত,নতুন দেহৰ,২৪ জুলাইঃ** সদ্য ঘোষিত নীট পৰীক্ষাত নলবাৰী জিলাৰ গুৱাকুছি গাঁও নিবাসী সাংবাদিক শ্বাহ আলম আৰু এলিজা বেগমৰ ডাঙৰ পুত্ৰ শ্বাহিদ আলমে সন্তোষজনক ফলাফল লাভ কৰাত অঞ্চলটোতে আনন্দ মুখৰ পৰিবেশ বিৰাজমান কৰিছে। কৃতীমান ছাত্ৰ শ্বাহিদ আলমে মুঠ ৭২০ নম্বৰৰ ভিতৰত ৫৪৭ নম্বৰ লাভ কৰিছে। ছাত্ৰকালৰে পৰা চিকিৎসক হোৱাৰ সপোন পুহি ৰখা শ্বাহিদৰ আশা এতিয়া বাস্তৱায়িত হোৱাৰ দিশে অগ্ৰসৰ। তেওঁৰ তনে সাফল্যত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ব্যক্তি বিশেষেও অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। অলপতে সমন্বয় শিল্পী - সাহিত্য পৰিষদ অসমৰ তৰফৰ পৰা কাৰ্যকৰী সভাপতি তথা কবি সাহিত্যিক চাইফ উদ্দিন আহমেদ আৰু সম্পাদক তথা সাহিত্যিক, সাংবাদিক, সাংস্কৃতিক মহাসভা, অসমৰ মাণ্ডলিক সম্পাদক (গুৱাহাটী মণ্ডল) দিলীপ বৰ্মন তেওঁলোকৰ বাসগৃহত উপস্থিত হৈ ফুলাম গামোচা আৰু গ্ৰন্থৰ টোপোলা হাতত অৰ্পণ কৰি অভিনন্দন জ্ঞাপন কৰাৰ লগতে শুভেচ্ছা জনোৱাৰ লগতে শ্বাহিদৰ আশা পদুমৰ দৰে বিকশিত হোৱাৰ কামনা কৰে। এগৰাকী মানৱ দৰদী চিকিৎসক হৈ সমাজৰ কল্যাণ সাধন কৰিবলৈও পৰামৰ্শ আগবঢ়ায়।

# ছেমছাং 'ছলভ ফৰ টুমৰ'ই পঞ্চম বৰ্ষত পদাৰ্পণ

**গুৱাহাটী, ২৪ জুলাইঃ** ছেমছাং ইণ্ডিয়াই ইয়াৰ মুখ্য চিএছআৰ কাৰ্যসূচী ছেমচাং ছলভ ফৰ টুমৰ পঞ্চম সংস্কৰণ উদযাপন কৰি দেশৰ ১৩৫খন চহৰত ডিজাইন থিংকিং কৰ্মশালা সম্পন্ন কৰিছে। ইয়াৰ জৰিয়তে যুৱসকলৰ বাবে ভাৰতৰ অন্যতম বৃহৎ তৃণমূল পৰ্যায়ৰ উদ্ভাৱনী মঞ্চ গঢ়ি তোলা হৈছে।ছেমচাং ছলভ ফৰ টুমৰহৈছে এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ উদ্ভাৱন আৰু শিক্ষা প্ৰতিযোগিতা, যিয়ে ১৪-২২ বছৰ বয়সৰ যুৱসকলক তেওঁলোকৰ সমাজত থকা গুৰুত্বপূৰ্ণ সমস্যাসমূহ চিনাক্ত কৰিবলৈ আৰু ডিজাইন থিংকিং, মেণ্টৰশ্বিপ আৰু ইনকিউবেচনৰ সহায়ত প্ৰযুক্তিভিত্তিক সমাধান বিকশিত কৰিবলৈ সক্ষম কৰি তোলে। বছৰ বছৰ ধৰি এই কাৰ্যসূচী ভাৰতৰ পৰৱৰ্তী প্ৰজন্মৰ উদ্ভাৱক, উদ্যোগী আৰু সামাজিক পৰিৱৰ্তনৰ নেতৃত্ব দিয়া যুৱসকলৰ বাবে এক শক্তিশালী মঞ্চ হিচাপে বিকশিত হৈছে।এই বছৰত ছেমছাঙে ১৮৪টা ডিজাইন থিংকিং কৰ্মশালা আয়োজন কৰি বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ হাজাৰ হাজাৰ শিক্ষাৰ্থীৰ কাষ চাপিছে - জম্মু আৰু কাশ্মীৰৰ পৰা তামিলনাডু আৰু গুজৰাটৰ পৰা ত্ৰিপুৰালৈকে।এই কৰ্মশালাসমূহত অংশগ্ৰহণকাৰীসকলক মানৱ-কেন্দ্ৰিক ডিজাইন থিংকিঙৰ সৈতে পৰিচয় কৰোৱা হয়। ইয়াৰ জৰিয়তে তেওঁলোকে বাস্তৱ জীৱনৰ সমস্যাসমূহ বুজি লোৱাৰ পিছত সমাজত অৰ্থপূৰ্ণ প্ৰভাৱ পেলাব পৰা প্ৰযুক্তি-ভিত্তিক সমাধান নিৰ্মাণ কৰাৰ দক্ষতা লাভ কৰে। ডিজাইন থিংকিং কৰ্মশালাসমূহ এতিয়া সম্পূৰ্ণ হোৱাৰ পিছত ছেমচাং ছলভ ফৰ টুমৰ কাৰ্যসূচীয়ে ইয়াৰ পৰৱৰ্তী পৰ্যায়ত প্ৰৱেশ কৰিছে। অংশগ্ৰহণকাৰীসকলে দাখিল কৰা ধাৰণাসমূহৰ ভিত্তিত শ্ৰেষ্ঠ ১০০টা দল নিৰ্বাচন কৰা হ'ব। ইয়াৰ পিছত এই দলসমূহে মেণ্টৰশ্বিপ, বিশেষজ্ঞৰ পৰামৰ্শ আৰু অধিক মূল্যায়ন প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়িব। ছেমচাং চাউথ ৱেষ্ট এছিয়াৰ কৰ্প'ৰেট ভাইচ প্ৰেচিডেণ্ট এছ পি চুনে কয়, 'প্ৰতিটো ডাঙৰ সফলতা আৰম্ভ হয় মনোযোগেৰে শুনা, পৰ্যবেক্ষণ কৰা আৰু সঠিক প্ৰশ্ন সোধাৰ পৰা। ছেমচাং ছলভ ফৰ টুমৰ জৰিয়তে আমি ভাৰতৰ যুৱসকলক এই ধৰণৰ চিন্তাধাৰা গঢ়ি তোলাত সহায় কৰি আছোঁ। ডিজাইন থিংকিং আৰু প্ৰযুক্তিৰ সংমিশ্ৰণে তেওঁলোকে নিজৰ সমাজৰ গুৰুত্বপূৰ্ণ সমস্যাসমূহৰ সমাধান বিচাৰি উলিয়াব পাৰে। কাৰ্যসূচীৰ পঞ্চম বৰ্ষ উদযাপন কৰাৰ সময়ত দেশৰ প্ৰতিটো প্ৰান্তৰ পৰা নতুন আৰু উদ্ভাৱনীমূলক ধাৰণা ওলাই অহা দেখি আমি অনুপ্ৰাণিত হৈছোঁ। আমি বিশ্বাস কৰোঁ যে পৰৱৰ্তী প্ৰজন্মৰ উদ্যোগী আৰু প্ৰযুক্তি নেতাসকল যিকোনো ঠাইৰ পৰা আহিব পাৰে, আৰু তেওঁলোকৰ ধাৰণাসমূহক বাস্তৱ জগতত প্ৰভাৱ পেলাব পৰা সমাধানলৈ ৰূপান্তৰ কৰাত সহায় কৰিবলৈ ছেমছাং গৌৰৱান্বিত।' শিক্ষাৰ্থীসকলে আগবঢ়োৱা বিভিন্ন ধৰণৰ ধাৰণাসমূহে ভাৰতৰ বৈচিত্ৰ্যক প্ৰতিফলিত কৰিছে। সুসংগঠিত ডিজাইন থিংকিং অনুশীলনৰ জৰিয়তে শিক্ষাৰ্থীসকলে সমস্যাসমূহ পৰ্যবেক্ষণ কৰা, সহানুভূতিৰ সৈতে বুজি পোৱা, প্ৰত্যাহ্বানসমূহ নিৰ্ধাৰণ কৰা, নতুন ধাৰণা সৃষ্টি কৰা আৰু সমাধানৰ প্ৰ'ট'টাইপ প্ৰস্তুত কৰা শিকিছে। কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত নাগৰিক প্ৰশাসন প্লেটফৰ্ম, বুদ্ধিমান খাদ্য গুণগত মান পৰীক্ষা কৰা স্কেনাৰ, বিশেষ সক্ষম ব্যক্তিসকলৰ বাবে সহায়ক প্ৰযুক্তি, গ্ৰাম্য সম্প্ৰদায়ৰ বাবে বহনযোগ্য সৌৰশক্তি চালিত শীতলীকৰণ ব্যৱস্থা, নদীৰ পানীৰ গুণগত মান ৰিয়েল-টাইমত নিৰীক্ষণ কৰা ব্যৱস্থা, ক্ৰীড়া প্ৰশিক্ষণ আৰু সঁজুলি অধিক সহজলভ্য কৰি তোলা ডিজিটেল প্লেটফৰ্ম। হায়দৰাবাদত, ইঞ্জিনিয়াৰিং শিক্ষাৰ্থী এ. শৰণ্যা ৰাৱে অণুবীক্ষণিক প্ৰদূষকৰ ফলত সৃষ্টি হোৱা লুকাই থকা বিপদসমূহ পৰ্যবেক্ষণ কৰি এটা ৰিয়েল-টাইম নদীৰ পানীৰ গুণগত মান নিৰীক্ষণ ব্যৱস্থাৰ ধাৰণা বিকশিত কৰে। তেওঁ কয়, 'আমাৰ নদীসমূহৰ প্ৰকৃত বিপদ আমি দেখা পোৱা প্লাষ্টিক নহয়; বৰং সেই অণুবীক্ষণিক প্ৰদূষকসমূহহে, যিবোৰ ক্ষতি ইতিমধ্যে সংঘটিত হোৱাৰ পিছতহে ধৰা পৰে।' আহমেদাবাদত, নৱম শ্ৰেণীৰ শিক্ষাৰ্থী সানভি নায়াৰে গ্ৰাম্য সম্প্ৰদায়সমূহত খাদ্য আৰু পানী সংৰক্ষণৰ সমস্যাৰ সমাধানৰ বাবে এটা বহনযোগ্য সৌৰশক্তি চালিত ৰেফ্ৰিজাৰেটৰৰ ডিজাইন প্ৰস্তুত কৰে। তেওঁ কয়, 'গাঁওসমূহৰ শ্ৰমিক আৰু কৃষকসকলে প্ৰায়ে শস্য, পানী আৰু খাদ্য সামগ্ৰী সংৰক্ষণ কৰাত সমস্যাৰ সন্মুখীন হয়।' তেওঁলোকে দেখুৱাইছে যে প্ৰযুক্তিয়ে কেনেদৰে ক্ৰীড়াক অধিক অন্তৰ্ভুক্তিমূলক আৰু সকলোৰে বাবে সহজলভ্য কৰি তুলিব পাৰে।ভাৰতত ছেমছাঙে ইয়াৰ ৩০ বছৰীয়া যাত্ৰা উদযাপন কৰাৰ সময়ত,ছেমচাং ছলভ ফৰ টুমৰ নিৰন্তৰ সম্প্ৰসাৰণে ভাৰতৰ যুৱসকলৰ মাজত উদ্ভাৱন, উদ্যোগিতা আৰু সমস্যা সমাধানৰ দক্ষতা বিকাশৰ প্ৰতি কোম্পানীটোৰ দীৰ্ঘম্যাদী প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে। ইয়াৰ জৰিয়তে সম্ভাৱনাময় ধাৰণাসমূহক বাস্তৱ জগতত প্ৰভাৱ পেলাব পৰা উদ্ভাৱনীমূলক সমাধানলৈ ৰূপান্তৰ কৰাৰ সুযোগ লাভ কৰিব।

# গড়লৰ চাইল্ড ওল্ড এজ এণ্ড ডিছেবুলড ৱেলফেয়াৰ ছ'চাইটিৰ আশ্ৰমত এবছৰীয়া পুত্ৰৰ জন্মদিন পালন পিতৃ-মাতৃৰ

**গুৱাহাটী,২৪জুলাইঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ আজাৰা থানাৰ অন্তৰ্গত গড়লস্থিত চৰকাৰী পঞ্জীয়নভুক্ত অনা চৰকাৰী সংস্থা চাইল্ড ওল্ড এজ এণ্ড ডিছেবুলড ৱেলফেয়াৰ ছ'চাইটিৰ অধীনত পৰিচালিত আশ্ৰমত ২০২৩ চনৰ পৰা শাৰীৰিক প্ৰতিবন্ধী বা দিবাংগ শিশু, মানসিকভাৱে বাধাগ্ৰস্ত মহিলা, বৃদ্ধা মহিলাক আশ্ৰয় দি পৰিচৰ্যা কৰি অহা হৈছে। ছ'চাইটিৰ সভাপতি মিনু মজুমদাৰ আৰু সম্পাদক ধীৰাজ দাসে মানৱ সেৱাৰ অংশ হিচাপে প্ৰায় তিনি বছৰ ধ্ৰী আশ্ৰমখনত মানসিকভাৱে বাধাগ্ৰস্ত শাৰীৰিক প্ৰতিবন্ধী এজনী ছোৱালীকে ধৰি দহজনী বৃদ্ধা মহিলাক তাত খোৱা- বোৱা, থকা-মেলাকে ধৰি সকলো সা-সুবিধাৰে পৰিচৰ্যা কৰি আহিছে। ইফালে বহু আগ্ৰহী লোকৰ অনুৰোধত আশ্ৰমত মাজে



সময়ে তেওঁলোকৰ সন্তানৰ জন্মদিনকে ধৰি বিশেষ কিছুমান স্মৰণীয় দিন পালন কৰি আশ্ৰমৰ আবাসীসকলক এসাজ খুৱাই তেওঁলোকৰ আশীৰ্বাদ গ্ৰহণ কৰাও পৰিলক্ষিত হয়। ২০ জুলাইৰ দিনা গড়লৰ পৰা প্ৰায় ২০ কিলোমিটাৰ নিলগৰ দক্ষিণ কামৰূপৰ নহিৰা অঞ্চলৰ গৌতম সিং নামৰ পেছাত গাড়ীচালক এজনে তেওঁৰ গৌৰৱ সিং কলিতা নামৰ পুত্ৰ সন্তানটোৰ এবছৰীয়া জন্মদিনটো আশ্ৰমত পালন কৰে। এই উপলক্ষে কেক কাটি পালন কৰা জন্মদিনৰ অনুষ্ঠানটোত আবাসীসকলৰ উপৰি সভাপতি মিনু মজুমদাৰ, সম্পাদক ধীৰাজ দাসকে ধৰি আশ্ৰমৰ লগত জড়িত কেবাজনো শুভাকাংক্ষী, পুত্ৰ সন্তানটোৰ মাতৃ জুৰি কলিতাকে ধৰি শিশু, মহিলাসহ তেওঁলোকৰ প্ৰায় ৩০ জনমান লোক উপস্থিত থাকে। কেক কটা পৰ্বৰ পাছত সন্তানটোৰ হকে পিতৃ- মাতৃয়ে আশ্ৰমৰ আবাসীসকলৰ আশীৰ্বাদ গ্ৰহণ কৰে। তাৰ পাছত আবাসীসকলৰ সৈতে উপস্থিত সকলোৰে লগে ভাগে এসাঁজ খাই জন্মদিনৰ কাৰ্যসূচীৰ সামৰণি মৰা হয়।

# ভূমি আন্দোলনৰ নেতাৰ মুক্তিৰ দাবীত হ'বলগীয়া আন্দোলন স্থগিত

**গুৱাহাটী, ২৪ জুলাইঃ** ৰাজ্যৰ ভয়ংকৰ বান পৰিস্থিতিৰ বাবে অহা ২৫ জুলাইত প্ৰণৱ দলে, আদিত চন্দ্ৰ ৰাভাসহ ভূমি অধিকাৰ আন্দোলনৰ নেতাসকলৰ মুক্তিৰ দাবীত হ'বলগীয়া ৰাজ্যজোৰা প্ৰতিবাদী কাৰ্যসূচী স্থগিত ৰাখিবলগীয়া হৈছে। এই সন্দৰ্ভত এক প্ৰেছ বিবৃতিযোগে নিখিল ৰাভা জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক গোবিন্দ ৰাভা, সদৌ তিৱা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰমোদ ছাগ্ৰা, সক্ৰিয় যুৱ নেতা লিটচং ৰংফাৰ আৰু ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ আহ্বায়ক সুব্ৰত তালুকদাৰে কয় যে, অসমৰ ৰাইজ বৰ্তমান সময়ত অত্যন্ত ভয়াৱহ দুৰ্যোগৰ সন্মুখীন হৈছে। অতৰ্কিতে অহা বানপানীৰ ফলত গএগ্ৰা ৰাইজৰ দুখ- দুৰ্দশাই অতি জটিল ৰূপ লৈছে। বিশেষকৈ উজনি অসমত দৈনিক মৃতদেহ উদ্ধাৰ হোৱা বাতৰিবোৰে সকলোকে চৰম উদ্বিগ্ন কৰি তুলিছে। সন্দেহ নাই যে, পাহাৰ - নৈ - জান- জুৰিৰ ওপৰত চৰকাৰৰ আশীৰ্বাদপুষ্ট মাফিয়াসকলৰ নিষ্ঠুৰ অত্যাচাৰৰ ফলতেই আজি বানপানীয়ে এই ৰূপ লৈছে আৰু সাধাৰণ মানুহৰ অকাল মৃত্যু হৈছে। সেয়েহে এই পৰিস্থিতিত আমি আমাৰ সতীৰ্থসকলৰ মুক্তিৰ দাবীত ৰাজপথৰ আন্দোলন সাময়িকভাৱে পৰিহাৰ কৰিছোঁ আৰু অসমৰ আৰ্ত জনতাৰ দুখ কষ্টৰ সমভাগী হৈছোঁ। লগতে চৰকাৰলৈ দাবী জনাইছোঁ যে বানপানীত আক্ৰান্তসকলৰ স্বাভাৱিক জীৱন ঘূৰি অহাৰ স্বাৰ্থত সকলো ধৰণৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰক। তৎকালীন উদ্ধাৰ, চিকিৎসা ব্যৱস্থা ক্ষীপ্ৰ কৰক। জিলা প্ৰশাসনসমূহলৈ পুঁজিৰ আবন্টন খৰতকীয়া কৰক। ৰাজ্যত দুৰ্যোগ প্ৰশমন বিভাগ এটা থকাৰ পিছতো কি কাৰণত ইমান মানুহৰ প্ৰাণহানি হ'বলগা হ'ল তাৰো উচ্চ পৰ্যায়ৰ তদন্ত ঘোষণা কৰক আৰু তদন্ত ৰাজহুৱা কৰক।

# বোৰ্কাত দৰ্পণ অমেন অৰ্গেনাইজেচন-ব্যতিক্ৰম গোষ্ঠীৰ লোকগীত, আধুনিক গীতৰ কৰ্মশালা সম্পন্ন


**আমিনগাঁও, ২৪জুলাইঃ** বোৰ্কাত বোৰ্কা সাতগাও হাইস্কুলত ১৯ জুলাইৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা লোকগীত আৰু আধুনিক গীতৰ কৰ্মশালাখন ২২জুলাইৰ নিশা সামৰণি পৰে।বোৰ্কাৰ দৰ্পণ অমেন অৰ্গেনাইজেচন আৰু ব্যতিক্ৰম গোষ্ঠীৰ সৌজন্যত এই গীতৰ কৰ্মশালাখন যোৱা তিনি বছৰ ধৰি ছাত্ৰ-ছাত্ৰীৰ এই গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত সংগঠন দুটাই যোৱা তিনি বছৰ ধৰি বোৰ্কা সাতগাও হাইস্কুলত অনুষ্ঠিত কৰি আহিছে। এইৰেলি ১৯ জুলাইৰ পৰা অনুষ্ঠিত হোৱা কৰ্মশালাখন হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণীত উৎসৰ্গিত কৰি সংগঠন দুটাই আয়োজন কৰাত স্বাভাৱিকতে ছাত্ৰ- ছাত্ৰীৰ উৎসাহ বৃদ্ধি পাইছিল। প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনৰ প্ৰথম দিনাৰ কাৰ্যসূচীৰ বন্তি প্ৰজ্বলনেৰে



শুভাৰম্ভ কৰিছিল শৰাইঘাট মহাবিদ্যালয়ৰ অবসৰপ্ৰাপ্ত অধ্যাপিকা ড° জ্যোতিৰ্ময়ী দেৱীয়ে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিকৃতিত মাল্য অৰ্পণ কৰে ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক ৰজত শৰ্মাই। ইয়াৰ পিছতে নাহৰৰ পুলি ৰোপণ অনুষ্ঠানত স্বভাৱ কবি মনেশ্বৰ দাস আৰু সমাজসেৱিকা ডলী ভট্টাচাৰ্যই নাহৰৰ পুলি ৰোপণ কৰে। সিদিনা কৰ্মশালাখন শুভ উদ্বোধন কৰে একালৰ বোৰ্কা মনিয়েৰি নিবাসী বলিউডৰ প্ৰখ্যাত কৰিঅ'গ্ৰাফাৰ কমল নাথে। চাৰিদিনীয়া কৰ্মশালাখনৰ বন্তি প্ৰজ্বলনেৰে সামৰণি মাৰে বিষয় শিক্ষক মহেন্দ্ৰ কলিতা, প্ৰখ্যাত লোকগীত আৰু নাগাৰা নামৰ শিল্পী ৰুণু নাথ শৰ্মাই। সামৰণিৰ দিনা বঁটা বিতৰণী সভা অনুষ্ঠিত হয়।বোৰ্কা সমন্বয় সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত শিল্পী প্ৰণীতা বৈশ্য মেধিক জীৱনজোৰা শিল্পী সাধনা বঁটা প্ৰদান কৰা হয়। বঁটাটো প্ৰদান কৰে ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতাই।এই সভাত উপস্থিত থাকে আজিৰ নতুন কবিতাৰ সম্পাদক নিৰ্মল দাস, সাধনা কলা কেন্দ্ৰৰ অধ্যক্ষ মোহচেন আলী, প্ৰদীপ কলিতা আদি।

# একলব্য আদৰ্শ বিদ্যালয়ত অসম প্ৰাকৃতিক কবি সন্মিলনৰ মাহেকীয়া বৈঠক সম্পন্ন

**গুৱাহাটী,২৪ জুলাইঃ** অসম প্ৰাকৃতিক কবি সন্মিলনৰ মাহেকীয়া বৈঠকখন গুৱাহাটীৰ হেঙেৰাবাৰী পথত থকা একলব্য আদৰ্শ বিদ্যালয়ত হেমেন কলিতা আৰু দিলীপ বৰুৱাৰ আহ্বানত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে অভিযন্তা প্ৰহ্লাদ শংকৰ ভাগৱতীয়ে। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে চানমাৰি সাহিত্য সভাৰ সভাপতি ভৰদ্বাজ ভট্টাচাৰ্য, বিশিষ্ট কবি ৰাজেন্দ্ৰ নাথ বৰদলৈ আৰু শিক্ষাবিদ হেমেন কলিতাই। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু সম্পাদকীয় পাঠ কৰে সম্পাদক দিলীপ বৰুৱাই। অসম প্ৰাকৃতিক কবি সন্মিলনৰ আজীৱন সদস্য শিক্ষাবিদ অজয়া বৰাৰ পৰলোকপ্ৰাপ্তিত সভাই গভীৰ



শোক প্ৰকাশ কৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। কবিতা পাঠ কৰে ভৰদ্বাজ ভট্টাচাৰ্য, হেমেন কলিতা, প্ৰহ্লাদ শংকৰ ভাগৱতী, কৃষ্ণকান্ত দাস, হেমেন কলিতা, অঞ্জলি চলিহা, প্ৰণতি দেৱী, দিলীপ বৰুৱা, অতুল চন্দ্ৰ শৰ্মা ,দেবযানি চৌধুৰী, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, কুসুম মেধি, মনমোহন মেধি আদি। প্ৰবন্ধ পাঠ কৰে ৰাজেন্দ্ৰ নাথ বৰদলৈয়ে। কবিতাৰ সমালোচনা আগবঢ়ায় ৰাজেন্দ্ৰ নাথ বৰদলৈয়ে। সভাপতি প্ৰহ্লাদ শংকৰ ভাগৱতীয়ে দুষাৰ কয়। শলাগৰ শৰাই আগবঢ়াই সম্পাদক দিলীপ বৰুৱাই। শেষত সকলোৱে সমবেত সংগীত পৰিৱেশন কৰে।

# বন্যাক্ৰান্ত ৰাইজৰ কাষত থিয় দিবলৈ অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ আহ্বান

**গুৱাহাটী,২৪জুলাইঃ** যোৱা চাৰি-পাঁচদিনত ৰাজ্যখনৰ ভিন্ন স্থানত বিশেষকৈ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৃষ্টি হোৱা প্ৰলয়ংকাৰী বানত ৰাজপথকে ধৰি সকলো স্তৰৰ ৰাস্তা-পদূলিৰ চিন-মোকাম নিঃশ্চিন্ন হৈছে। ঘৰ-দুৱাৰ এবুকু,এডিঙি আনকি দুৱাৰ খিৰিকীৰ ভেণ্টিলেটৰ পৰ্যন্ত পানীত ডুব গৈছে। ধানৰ ভঁড়ালকে ধৰি ঘৰৰ সমস্ত সা-সম্পত্তি বিনষ্ট হৈছে। গৰু-গাইকে ধৰি আন পোহনীয়া জীৱ-জন্তুবোৰ বানত উটি-ভাহি গৈছে। বহু মানুহৰ মৃত্যু ঘটাৰ লগতে আন অনেকজন সন্ধানহীন হৈছে। মুঠতে এই তিনিওখন জিলাতে পূৰ্বে কাহানিও নঘটা, নুশুনা অবিশ্বাস্য এক বন্যাক্ৰান্ত দুৰ্যোগত পতিত হৈ মানুহবোৰ দিগ্‌বিদিগ্ শূন্য হৈ পৰিছে। এইসকল দুৰ্দশাগ্ৰস্ত দুৰ্ভগীয়া লোকলৈ এই বিপদকালীন পৰিস্থিতিত বাৰ্দ্ধক্যজনিত কাৰণতে বিশেষ কিবা কৰিব নোৱাৰিলেও সন্মিলনৰ তৰফৰ পৰা নিম্নোল্লেখিত ধৰণে কিঞ্চিত সাহায্য আগবঢ়াবলৈ বুলি মনস্থ কৰি ৰাজ্যখনত থকা অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ৩৩ জিলা সন্মিলন আৰু ৪৩৫ শাখা সন্মিলনৰ সহৃদয় সদৌজন কাৰ্যকৰ্তা আৰু সদস্যসকললৈ এই প্ৰেছ বিজ্ঞপ্তিযোগেই আমি অনুৰোধ জনাইছোঁ যে আমাৰ লগত সহমত পোষণেৰে দুৰ্গত লোকসকলৰ সাহায্যাৰ্থে তেখেতসৰে নিম্নোল্লেখিত ধৰণে সহায়ৰ হাত আগবঢ়ায় যেন। স্বীকৃতিপ্ৰাপ্ত প্ৰতি শাখা সন্মিলনৰ সাধাৰণ সম্পাদকগৰাকীয়ে প্ৰতিগৰাকী সদস্যৰ পৰা সাধ্যানুসৰি আগবঢ়াব পৰা অৰিহণা সংগ্ৰহ কৰি মুঠ সংগৃহীত ধন সন্মিলনৰ IOB Dispur, Account No 140901000004086 ,IFSC Code IOBA0001571 ত জমা দি বেংকৰ ৰচিদ, শাখা সন্মিলনৰ নাম আৰু ঠিকনা সন্মিলনৰ বিত্ত সম্পাদক সতীশ চন্দ্ৰ অধিকাৰীলৈ ৯৭০৬০৪৪৯৮০ত হোৱাট্‌ছাপ কৰি পঠাব। অৰিহণা সংগ্ৰহৰ এই অভিযান অহা ৩০ জুলাইত বন্ধ কৰা হ'ব। এই সংগৃহীত পুঁজি দুৰ্গত লোকসকলৰ মাজত যথাযথভাৱে বিতৰণৰ উচিত ব্যৱস্থা হাতত লোৱা হ'ব। জিলা আৰু শাখা সন্মিলনসমূহে সাধ্যানুসৰি একোটিকৈ দল গঠন কৰি বন্যাক্ৰান্ত দুৰ্দশাগ্ৰস্ত লোকসকলৰ কাৰণে লাগতীয়াল কাপোৰ-কানিকে ধৰি খাদ্য সামগ্ৰী,আন প্ৰয়োজনীয় সামগ্ৰী আৰু দৰৱ-পাতি সংগ্ৰহৰ ব্যৱস্থা কৰি দুৰ্গত লোকসকলৰ মাজত যথাযথভাৱে বিতৰণৰ ব্যৱস্থা হাতত ল'ব। তদুপৰি,আমি বিশ্বাস কৰোঁ যে অভাৱনীয় আৰু অস্বাভাৱিক এনে বিধ্বংসী প্ৰাকৃতিক দুৰ্যোগৰ মূলতে আছে দীৰ্ঘকাল ধৰি প্ৰকৃতিৰ ওপৰত চলি অহা মানুহৰ অবিবেচক কৰ্মকাণ্ড। উত্তৰ পূৰ্বাঞ্চলৰ ভূ-প্ৰকৃতিৰ বিশিষ্টতাই অসমৰ বানৰ স্থায়ী সমাধানৰ বাবে বহুমাত্ৰিক প্ৰযুক্তিগত ব্যৱস্থাপনাৰ দাবী কৰে । কিন্তু তেনে ব্যৱস্থাপনা সমাদৃত হ'ব পৰাকৈ ৰাজ্যখনত লাগিব এটা সৌহাদ্যমূলক বাতাৱৰণ আমি নিশ্চয় আশা কৰিব পাৰোঁ সংঘটিত হৈ যোৱা দুৰ্যোগে ৰাজ্যখনত তেনে এক বাতাৱৰণ ৰচনাৰ আলোকসন্ধানী পথ নিৰ্মাণ হোৱা পৰিস্থিতিৰ জন্ম দিব।

# ২৬ জুলাইত অসমীয়া চলচ্চিত্ৰ 'আদি শক্তি'ৰ গীত মুকলি

**গুৱাহাটী, ২৪জুলাইঃ** আইৰা মশ্বন পিকচাৰ্চ'ৰ বেনাৰত নিৰ্মাণ হৈ থকা বহু প্ৰত্যাশিত অসমীয়া চলচ্চিত্ৰ 'আদি শক্তি'ৰ 'অনি বনি'ৰ টিজাৰ শেহতীয়াকৈ আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছে। জনপ্ৰিয় কণ্ঠশিল্পী জুবলী আৰু অসমৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ সুমধুৰ যুগলবন্দীৰে প্ৰাণ পাই উঠা এই গীতটোৱে ইতিমধ্যে অনুৰাগীসকলৰ মাজত ব্যাপক উৎসাহৰ সৃষ্টি কৰিছে। অহা ২৬ জুলাইত গুৱাহাটীস্থিত চিটী চেণ্টাৰত চলচ্চিত্ৰখনৰ আটাইকেইটা গীত আনুষ্ঠানিকভাৱে মুকলি কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে, আহিবলগীয়া অসমীয়া চলচ্চিত্ৰখনত অন্তিমবাৰলৈ একেলগে প্ৰাণ পাই উঠিব প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু জনপ্ৰিয় কণ্ঠশিল্পী জুবলীৰ যুঁটি। 'আদি শক্তি'ৰ আন এটি সুন্দৰ গীত আচুৰ্য বৰপাত্ৰ গোহাঁইৰ সুমধুৰ কণ্ঠৰে প্ৰাণ পাই উঠা 'খৰিকাজাঁই' গীতটি শ্ৰোতাই মৰমেৰে আঁকোৱালি ল'ব বুলি আশা প্ৰকাশ কৰিছে ছবিখনৰ সমগ্ৰ টিমে। উল্লেখ্য যে, গীতৰ কথা ৰাহুল গৌতম শৰ্মাৰ, সংগীত কৰিছে গৌৰাংগ- বিশালে আৰু মিক্সিং আৰু মাষ্টাৰিঙত হাত বোলাইছে ৰূপজিত দাসে।

# নেচলে ইণ্ডিয়াৰ ২৫.৪ শতাংশ বিক্ৰী বৃদ্ধি

**গুৱাহাটী,২৪ জুলাইঃ** নেচলে ইণ্ডিয়াৰ ব'ৰ্ড অফ ডাইৰেক্টৰ্ছে আজি ২০২৬-২০২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকৰ ফলাফলত অনুমোদন জনালে। ফলাফলসমূহৰ সন্দৰ্ভত মন্তব্য কৰি নেচলে ইণ্ডিয়াৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক মনীষ তিৱাৰীয়ে কয়, 'সামগ্ৰীৰ বিক্ৰীৰ পৰিমাণ বৃদ্ধি পোৱাৰ ফলত ২৫.৪শতাংশ বিক্ৰী বৃদ্ধিৰে আমি এক শক্তিশালী ত্ৰৈমাসিক প্ৰদৰ্শন দাঙি ধৰিছোঁ। আমাৰ ব্ৰেণ্ডসমূহৰ প্ৰতি গ্ৰাহকৰ অবিৰত আস্থা আৰু সুদৃঢ় কাষ সম্পাদনৰ ফলতেই মুঠ বিক্ৰীৰ পৰিমাণ ৬,৩৬৩.৩ কোটি টকা হৈছেগৈ। চলি থকা ভূ-ৰাজনৈতিক প্ৰত্যাহ্বান সত্বেও ৰপ্তানিৰ ক্ষেত্ৰতো ৩৫.৬ শতাংশ বৃদ্ধি দেখা গৈছে।'এই ত্ৰৈমাসিকত আমি পৰিচালন ব্যয় হ্ৰাসৰ গতি অধিক ক্ষিপ্ৰ কৰিলোঁ আৰু বিজ্ঞাপনৰ খৰচ ৪০ শতাংশতকৈ অধিক বৃদ্ধি কৰি আমাৰ ব্ৰেণ্ডসমূহত বিনিয়োগ অব্যাহত ৰাখিলোঁ। ত্ৰৈমাসিকটোত কৰ-পৰৱৰ্তী লাভৰ পৰিমাণ বিগত বৰ্ষৰ একে ত্ৰৈমাসিকৰ তুলনাত ৪৭.৯ শতাংশ বৃদ্ধি পাই ৯৭৫.১ কোটি টকা হ'লগৈ। সকলো চেনেলতে হোৱা উচ্চ দ্বি অংকৰ বৃদ্ধিৰ সহায়ত চাৰিওটা প্ৰডাক্ট গ্ৰুপেই দ্বিঅংকৰ শক্তিশালী বৃদ্ধি অৰ্জন কৰিছে। প্ৰিমিয়ামাইজেচন আৰু ই-কমাৰ্চৰ সহায়ত কনফেকশ্বনেৰী প্ৰডাক্ট গ্ৰুপে বিক্ৰীৰ পৰিমাণ বৃদ্ধিৰ জৰিয়তে পুনৰ দ্বিঅংকৰ এক শক্তিশালী ত্ৰৈমাসিক বৃদ্ধি অৰ্জন কৰিছে, য'ত প্ৰধান ব্ৰেণ্ডসমূহৰ লেনদেন অতি সুদৃঢ় আছিল। কিটকাটয়ে বজাৰত নিজৰ অংশগ্ৰহণ বৃদ্ধি অব্যাহত ৰাখিছে। পাউডাৰ আৰু লিকুইড বেভাৰেজেছ প্ৰডাক্ট গ্ৰুপে পুনৰ এক ত্ৰৈমাসিকত ধাৰাবাহিক আৰু শক্তিশালী প্ৰদৰ্শন দাঙি ধৰি ক্ৰমাগত ২০তম ত্ৰৈমাসিকৰ বাবে দ্বিঅংকৰ বৃদ্ধি অৰ্জন কৰিছে। কফিৰ ব্যৱহাৰ বৃদ্ধি, দ্ৰুত প্ৰিমিয়ামাইজেচন আৰু বিভিন্ন গ্ৰাহক শ্ৰেণীৰ মাজত ইয়াৰ গভীৰ প্ৰাসংগিকতাই এই প্ৰদৰ্শন সম্ভৱ কৰি তুলিছে। প্ৰিপেয়াৰ্ড ডিছেছ এণ্ড কুকিং এইডছ প্ৰডাক্ট গ্ৰুপে দ্বিঅংকৰ এক শক্তিশালী বৃদ্ধি অৰ্জন কৰিছে, যাৰ মূলতে আছিল নগৰীয়া গ্ৰাহকসকলৰ সৈতে অধিক ঘনিষ্ঠ সম্পৰ্ক, গ্ৰাম্য বজাৰসমূহত ধাৰাবাহিক সম্প্ৰসাৰণ আৰু লক্ষ্যভিত্তিক উদ্ভাৱন। ইয়াৰ ফলত বজাৰত অংশগ্ৰহণ আৰু প্ৰসাৰ দুয়োটাতে ইতিবাচক বৃদ্ধি দেখা গৈছে।প্ৰধান ব্ৰেণ্ড আৰু চেনেলসমূহত সামগ্ৰীৰ বিক্ৰীৰ পৰিমাণ বৃদ্ধি পোৱাৰ বাবেই মিল্ক প্ৰডাক্টছ এণ্ড নিউট্ৰিচন প্ৰডাক্ট গ্ৰুপে এক শক্তিশালী আৰু সৰ্বাত্মক প্ৰদৰ্শন দাঙি ধৰিছে। ডিজিটেল এক্টিভেচন, গ্ৰাহকৰ প্ৰয়োজনভিত্তিক পৰ্টফ'লিঅ' পৰিমাৰ্জন আৰু সুচাৰু কাৰ্যসম্পাদনত ধাৰাবাহিক গুৰুত্ব প্ৰদানৰ উপৰি কেটাগৰীৰ মূল ভেটি সুদৃঢ় কৰিবলৈ কৰা শৃংখলাবদ্ধ ব্ৰেণ্ড বিনিয়োগে এই সাফল্যত মূল অৰিহণা যোগাইছে।

# শালবাৰীত বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাত ৰথযাত্ৰাৰ গীত পৰিৱেশন



**গুৱাহাটী,২৪জুলাইঃ** নুনমাটিৰ ২নং শালবাৰীৰ ৰাধা-কৃষ্ণ শুভ মন্দিৰৰ বাকৰিত কবি-সাহিত্যিক, শিল্পী দিলস লক্ষ্মীন্দ্ৰ সিংহ ৰচিত ৰথযাত্ৰাৰ গীত নৃত্যসহকাৰে পৰিবেশন কৰা হয়। পুৰীৰ জগন্নাথদেৱৰ ৰথযাত্ৰা উৎসৱৰ লগত সংগতি ৰাখি বৈষ্ণৱ ধৰ্মীয় বিষ্ণুপ্ৰিয়া মণিপুৰী জনগোষ্ঠীয় লোকসকলে নিতৌ সন্ধিয়া মন্দিৰে মন্দিৰে এই গীত পৰিৱেশন কৰে। এই উৎসৱ নদিন ধৰি উদযাপন কৰা হ'ব। ২২জুলাইৰ নিশা অনুষ্ঠানত বিশিষ্ট কবি, সাংবাদিক দীপক শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত দিলস লক্ষ্মীন্দ্ৰ সিংহ আৰু দীপক শৰ্মাক বিষ্ণুপ্ৰিয়া মণিপুৰী গামোচাৰে আদৰণী জনোৱা হয়। দিলস লক্ষ্মীন্দ্ৰ সিংহই মাতৃভাষাৰ লগতে পৰম্পৰাগত সংস্কৃতি নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰাৰ উদ্দেশ্যেৰে এই কাৰ্যসূচী গ্ৰহণ কৰা বুলি উল্লেখ কৰে। তেওঁ স্থানীয় জনসাধাৰণৰ এই সঁহাৰি জনোৱাৰ শলাগ লয়। সাংবাদিক দীপক শৰ্মাই এটা জাতি জীয়াই ৰখাৰ বাবে মাতৃভাষাৰ কিমান প্ৰয়োজনীয় এই বিষয়ে সংক্ষিপ্ত বক্তব্য দাঙি ধৰে আৰু ৰাইজক বিশেষকৈ যুৱ সমাজ আগবাঢ়ি আহিবলৈ আহ্বান জনায়। মন্দিৰ কমিটিৰ সম্পাদক হৰিদাস সিংহ, বিবাহ সিংহ, তৰুণ কবি অভিনেতা বিজন সিংহ, শিল্পী শুক্লা সিংহ, সমাজকৰ্মী লক্ষ্মী সিংহ, ৰাম সেনা সিংহ প্ৰমুখ ব্যক্তিবৰ্গ উপস্থিত থাকে। শেষত জগন্নাথদেৱৰ খিচিৰী প্ৰসাদ পৰিবেশনৰ পিছত অনুষ্ঠানৰ সমাপ্তি ঘটে।

# শিশুসুলভ মনৰ ইলি দেবীৰ সোঁৱৰণত

*‘কোন কাৰ জগতৰ কোন কাৰ চেনেহৰ চকুৰ চিনাকি দুদিনৰ, সসীমৰ ৰূপ তৃষ্ণা অসীমত বুৰ যাব খহি হলে জৰী মৰমৰ।’ নলিনী বালা দেবী।*

ডাঃ অমিয় কুমাৰ শৰ্মা

**পৃথিৱীলৈ** মানুহ ৰূপী জীৱ আহিছে আৰু এদিন গুচি গৈছে। কবিয়ে কৈছে— ‘আহিছে মানুহ, গৈছে মানুহ, মানুহ ময়াপী জীৱ, মানুহ সোঁতৰ অন্ত নাইকিয়া, বুলিলে মৰত কিয়।’ আজিৰ এই কুটিল সময় আৰু ভোগবাদী পৃথিৱীত শিশুৰ নিচিনা মনৰ মানুহ এই পৃথিৱীত নাইকিয়া হৈ পৰিছে। কিন্তু এই ক্ষেত্ৰত ব্যতিক্ৰম আছিল চানমাৰি, মিলনপুৰ নিবাসী আমাৰ অতি স্নেহৰ ইলি দেবী। অতি কম বয়সতে নিষ্ঠুৰ নিয়তিৰ হাতত হাৰ মানি তেওঁ যোৱা ২১ ফেব্ৰুৱাৰী শনিবাৰ পুৱতি নিশা আমাক সকলোকে এৰি গুচি গ’ল অন্য এক জগতলৈ। পৃথিৱীখন যে কিমান জটিল, যিদৰে এজন শিশুৱে অনুভৱ কৰিব নোৱাৰে, ঠিক তেনেদৰে ইলিৰ আচৰণতো সদায় প্ৰকাশ পাইছিল এনে এক ভাৱনা। ইলিৰ পৃথিৱীখন হ’ল এখন সুন্দৰ পৃথিৱী, য’ত নাই কোনো হাই-উৰুমি অথবা ইটো সিটোৰ মাজত খোৱা কামোৰা। কোনোদিন ইলিৰ মুখত শুনা নাছিলোঁ কাৰো বিষয়ে কোনো লঘু মন্তব্য অথবা তাচ্ছিল্যৰ ভাষা। সকলোতে দেখিছিল মাত্ৰ আনন্দ আৰু সুখ। কোনো দিন মুখত শুনা নাই কিবা অভিযোগ বা দুখৰ কথা। শৰীৰৰ অতি কষ্টকৰ সময়তো মাথোন এটাই কথা ‘মই এতিয়া বহুত ভাল।’ নিজৰ দুখ আৰু বেদনাৰ কথাবোৰে যাতে কাকো কোনো ধৰণৰ কষ্ট নিদিয়ে, তাৰ বাবে সদা সজাগ। কি যে এক ষ্টয়িক দৰ্শনৰ উৎকৃষ্ট নিদৰ্শন। সেয়েহে সকলো সময়তে কেৱল সকলোকে সুখ আৰু আনন্দেৰে থকাৰ কাৰণে ইলিয়ে প্ৰেৰণা যোগাইছিল। ইয়াৰ উপৰিও যিটো গুণৰ বাবে তেওঁক মই অতি শ্ৰদ্ধা কৰো সেয়া হ’ল কোনোবাই কিবা খং বা অভিমান কৰিলেও সদায় নিৰ্বিকাৰ, নীৰৱ। কোনো ধৰণৰ বাক বিতণ্ডাৰ পৰা দূৰত থাকি কোনো উত্তৰ নকৰাকৈ ইমান গহীনভাৱে নিজৰ কামত লাগি যায় যে খং কৰোতা জনেও শেহত জ্বলি পুৰি মৰিব লগা হয়। মই ভাবোঁ এনেকুৱা এক মহৎ গুণৰ অধিকাৰী হ’বলৈ মানুহে অনেক তপস্যা আৰু ধৈৰ্যৰ অধিকাৰী হব লাগে। হয়তো এজন অতি শক্তিশালী গুণ আৰু আধ্যাত্মিক শক্তিৰ গৰাকী পিতৃ প্ৰয়াত নৰেন্দ্ৰ নাথ শৰ্মাৰ প্ৰেৰণাই ইলিক অনবৰতে উদ্বুদ্ধ কৰাৰ লগতে এনেবোৰ গুণৰ গৰাকী হবলৈ প্ৰেৰণা যোগাইছিল।



জীৱনত সুখী হ’বলৈ হ’লে মানুহে সৰু সৰু কথাৰ পৰা আনন্দ লভিব পৰা ক্ষমতা। যিদৰে শিশু এজনে সাধাৰণ পুতলা বা খেলোনা এটাৰ পৰা যি আনন্দ লাভ কৰে, একেধৰণৰ আনন্দত সদায় মতলীয়া হোৱা দেখা গৈছিল ইলিক। সেয়েহে, শিশুসকলৰ লগত গঢ়ি উঠা তেওঁৰ আত্মীয়তা আনৰ বাবে এক ইৰ্ষাৰ বিষয় হৈ পৰিছিল। পৰিয়ালৰ যিকোনো অনুষ্ঠানত কেতিয়াবা দেখা গৈছিল হঠাৎ ইলি গৈ ঘৰৰ শিশু বা কনিষ্ঠ সকলক লগত লৈ কিবা খেল খেলিছে। কেতিয়াবা শিশুৰ লগত দৰা কইনাৰ খেল বা কেতিয়াবা লুকাভাকু। দীপাৱলীৰ দিনা এসোপা ফটকা, বিহু বা দূৰ্গা পূজাৰ দিনা এমখা বেলুন আৰু চকলেট লৈ হঠাত ইলি আহি হাজিৰ। এনেবোৰ কাৰণত সন্তান সকলেও কেতিয়াবা নিজৰ ঘৰলৈ ইলি আহিব বুলি গম পালেই উৎফুল্লিত হৈ পৰিছিল। ইলিৰ উপস্থিতিয়ে সদায় এক আনন্দৰ মেলাৰ সৃষ্টি কৰি তোলে। অন্য এক গুণ আছিল অতিথি পৰায়ণতা যাৰ কাৰণে যিকোনো লোক ইলিৰ ঘৰত উপস্থিত হলেই যি তৎপৰতাৰে ইলিয়ে আদৰি লয়, সেয়া আজিৰ দিনত অতি দুষ্প্ৰাপ্য। এনেকুৱা লাগে যেন এয়াই শেষ দেখা। ইটো সিটো খাবলৈ দিয়া অথবা ঘৰলৈ পঠিয়াই দিয়াৰ বাবে কি যে এক উন্মাদ হৈ পৰিছিল হয়তো তাই বিশ্বাস কৰিছিল যতীন্দ্ৰ নাথ দুৱৰাৰ বিখ্যাত কবিতা ফাকি— ‘আজিয়েই দিয়া কালিলৈ কিয়, কোনে জানে মোৰ কালি কি হব? হাজাৰ হাজাৰ বছৰ বিয়পা, হয়তো অতীতে সামৰি লৱ।’ এলিৰ অৱৰ্তমানত আজি যেন আমি সকলো অন্ধকাৰত বোৰ গৈ আছোঁ। জীৱনটোনো কি, কিহৰ বাবে মানুহৰ ইমান অহংকাৰ, ইমান খোৱা-কামোৰা? ইলিয়ে দেখুৱাই থৈ গ’ল সকলোৰে বাবে জীৱনৰ এক মহান আদৰ্শ, কোনো খাম খিয়লি নকৰাকৈ সুখেৰে এই ক্ষন্তেকীয়া জীৱন উপভোগ কৰাহোৱা আৰু সৰু সৰু কথাবোৰৰ পৰাই আনন্দ লভি যোৱা। যোৱা সদায় এইবোৰৰ উপৰিও সমাজৰ সৰু সৰু লোকসকলৰ প্ৰতি ইলিৰ আছিল এক অফুৰন্ত স্নেহ আৰু সমমৰ্মিতা। তেওঁৰ অভিধানত নাছিল জাতি, ধৰ্ম অথবা ধনী- দুখীয়াৰ কোনো ভেদাভেদ। সেয়েহে নিজৰ পৰিয়ালৰ কোনোবাৰ দৰে চিকিৎসালয়লৈ দৌৰি যায় মঃ ইউনিচৰ দৰে আৰ্তজনৰ খবৰ ল’বলৈ। পৰিয়ালৰ যিকোনো অনুষ্ঠানতো পাহৰি নাযায় গাওঁখনৰ ইচমাইল হতক। হয়তো অনেক লোকেই মুখেৰে বহুতো মহান আদৰ্শৰ বাণী নিগৰায়। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় এনেবোৰ লোকে কেৱল কথাৰেহে পৃথিৱীখন সুন্দৰ কৰিব খোজে, কামেৰে নহয়। ইলিৰ আদৰ্শেৰে প্ৰেৰিত তেওঁৰ একমাত্ৰ জীয়ৰী ডাঃ বিদিশা শৰ্মা আৰু স্বামী প্ৰদীপ শৰ্মাৰ লগতে পৰিয়ালৰ সকলোকে এনে এক দুৰ্যোগৰ সময়ত পৰম পিতাই সাহস আৰু মনোবল দিয়ক। আজি আদ্যশ্ৰাদ্ধৰ দিনা প্ৰয়াত ইলি দেবীৰ আত্মাৰ চিৰ শান্তিৰ বাবে পৰমেশ্বৰৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা জনাইছো।

ফোন ঃ ৯১০১৩৪১৪৭৬

# এটা সূৰ্যমুখী সপোনৰ স্বৰ্গযাত্ৰা...

▫ স্বপ্নৰীশ ফুকন

**গাড়ীৰ** ভিতৰৰ ক’লা গ্লাছৰ মাজেৰেই মই বাহিৰৰ বিস্তীৰ্ণ সেউজীয়ালৈ চাই পঠিয়ালো। উত্তাল সেউজীয়া! নৈৰ সিপাৰে নাও বাই থকা নাঁৱৰীয়া কঁহুৱা। ক্ৰমাৎ পিছলৈ গৈ থকা গাঁৱৰ নিৰ্মল বতাহ, সুনীল আকাশ, পথাৰ-পুখুৰী-বাঁহনি, ৰোৱনী-দাৱনী, নাঙঠ-শিশু! মোৰ আগে পিছে সোঁৰে-বাঁৰে মানুহ। ক’লা গ্লাচৰ ভিতৰতে মই যেন এন্ধাৰৰঙী ভাৱ এটাত ডুব গ’লো। মোৰ কাষতে ৰাইফল, ষ্টেনগানধাৰী দুৰ্দান্ত শক্তিৰ দল। পিছে পিছে এখন জীপ-ভান। অথচ এই মুহূৰ্তত মোৰ মন গৈছে যেন সৌ পথাৰখনলৈ গৈ এপাক বিহু নাচিমগৈ, পথাৰৰ আলিয়ে আলিয়ে দৌৰিমগৈ, ধাননি-নৰানিত লুকামগৈ, বতাহৰ ছেঁৰে ছেঁৰে উমলিমগৈ! অৱশ্যে মই একো কৰিব নোৱাৰো। চৌপাশৰ যেন বহুত শিকলিৰ ঘোৰ। বিশৃংখলিত শিকলি!

মাজে সময়ে মোৰ কান্দি দিব মন যায়। এইটো জীৱন মোৰ সহ্য নহয়। মোৰ প্ৰেমত পৰিবলৈ মন যায়। প্ৰেমত পাগল হৈ সাংঘাতিক কিবা এক যেন কৰি পেলাম!! এতিয়া এই পথত ভৰি থৈ বুজিছো—ইয়াত প্ৰেমৰ অলপো স্থান নাই। সেয়ে কিদৰে পৰো প্ৰেমত! অহৰহ মোৰ সতে ৰাইফল, অস্ত্ৰ-শস্ত্ৰ, গুলী-বাৰুদ, দেশ আৰু জাতিৰ চিন্তা! মই পাগল প্ৰেমত পৰিব নোৱাৰো। ধাৰাবাহিক বোমা বিস্ফোৰণৰ বাবে ময়ে জগৰীয়া হৈছো। একো পন্থা ল’ব পৰা নাই হাতত। কৰিম বুলিও একো কৰিব পৰা নাই। যি উদ্দেশ্যে এদিন ওলাই আহিছিলো ঘৰৰ পৰা, সেয়া পূৰণ হোৱা নাই। চৌপাশে মোৰ অস্ত্ৰ-শস্ত্ৰধাৰী ডেকা শক্তিৰ দল। কি দৰ্কাৰ আছিল মোৰ এই পথ বাছি লোৱাৰ?? এনেকৈ বিখ্যাত হৈ নৰক যন্ত্ৰণা ভোগাৰ লাভ কি? এতিয়া গ্লাচৰ আঁৰ লৈ লৈ শিমলুগুৰি পাৰ হ’বলগাত পৰিছো। উস্। মই যেন ফেঁকুৰি উঠিম। এই নিৰাপত্তাহীনতাৰ হতাশাৰ অন্ত ক’ত??—এঠাইত গাড়ী ৰখালো। সতীৰ্থ কাৰো বাধা নুশুনি গাড়ীৰ পৰা নামিলো। সিহঁতবোৰ আচৰিত হ’ল। মই পিন্ধি থকা চেণ্ডেলযোৰ খুলি হাতত ল’লো। নিশব্দে শিমলুগুৰি গাঁৱৰ কেঁচা আলিটোত খোজ দিলো। বোকামাটিৰ আলতীয়া গোন্ধটো নাকত লাগিবলহি। মই মুক্ত এতিয়া। কোনো বান্ধোন নাই। আচলতে আমি এনেকৈয়ে থকা উচিত—খোলা আকাশৰ তলত। ৰাইজৰ কাম কৰিবলৈ হ’লে আমি ৰাইজৰ মাজতে থাকিব লাগে, আঁৰত নহয়। মই দুহাত মেলি আকাশলৈ চালো। যেন আকাশৰ প্ৰেমত পৰি গৈছো!! ‘হে আকাশ! হে পৃথিৱী! মাত্ৰ এক মিনিট, মাত্ৰ এক মিনিটৰ বাবে মোক এই প্ৰেমৰ মৰ্ত্ত্যত প্ৰেমাসক্ত হ’বলৈ দিয়া!’ দুচকু মুদি দিলো। কিন্তু এটা খুব শক্তিশালী শব্দ হ’ল। মোৰ বুকুৰ মাজেৰে যেন লোৰ বল এটা সোমাই গ’ল—মই তৎক্ষণাত ঢলি পৰিলো কেঁচা শালিৰ বোকা মাটিত আৰু গোটেই টাই টুকুৰা কলপতীয়া সেউজীয়া পৰা ৰঙীন কৰি পেলালো অনুক্ৰমে।......

সন্ধ্যালৈ এটা খবৰ প্ৰচাৰিত হ’ব সকলোতে....। ‘শিমলুগুৰি গাঁৱত আজি অজ্ঞাত আততায়ীৰ গুলীত মুখ্যমন্ত্ৰীৰ আকস্মিক কৰুণ মৃত্যু’...। মোৰ ওচৰত সশস্ত্ৰ দেহৰক্ষী কেইজনে চকুলো টুকিব। আৰু...... আৰু মোক ডাঙৰ মানুহ কৰাৰ সপোন দেখা মোৰ পিতাইক মোৰ আত্মাই যেন চিঞৰি চিঞৰি ক’ব, ‘পিতাই ঐ, মই পথ ভুল কৰি পেলালো। ৰাজনীতিবিদ নিজেই নিজৰ দেহৰক্ষী। শুদা ভৰিৰে খোজকঢ়াৰ সৌভাগ্য ৰাজনীতিৰ নাই!’ মাত্ৰ এক মিনিটৰ বাবে গাড়ীৰ পৰা নামিছিলোহে। উশাহটিও আধৰুৱা হৈ থাকিল মোৰ। মই এক মিনিটৰ স্বৰ্গখন নেদেখিলো!.......সমাজৰ আঁৰত ৰাজনীতিয়ে হয়তো ৰাতি ৰাতি কান্দে। উচুপি থাকে। নিজকে নিজে বকে। নিজকে নিজে ধিক্কাৰ দিয়ে। নিজৰ বন্দী জীৱনৰ বাবে আক্ষেপ কৰে। ৰাজনীতিৰোটো মুক্ত জীৱন এটা কটাবৰ মন যায়। এক মিনিটৰ বাবে মুক্ত হৈ আকাশৰ সতে সপোনৰ স্বৰ্গ ৰচিব খোজে।........... অথচ, সেই যাঠি চেকেণ্ড পূৰ নহয়গৈ....তাৰ আগতেই ৰাজনীতি ৰাঙলী হৈ পৰে.......সূৰ্যমুখী সপোনটোৱে স্বৰ্গযাত্ৰা আৰম্ভ কৰে।

# ৰাম গগৈ সাহিত্য বঁটা প্ৰাপক কবি বংকিম বৰুৱাৰ ‘ৰাতিৰ ৰূপালী নদীৰ ঘাট’

ড° যতীন বৰুৱা

**ৰাম** গগৈ সাহিত্য বঁটা প্ৰাপক কবি-লেখক-গল্পকাৰ বংকিম বৰুৱাই ২০১৭ চনৰ ছেপ্টেম্বৰত প্ৰকাশ কৰা তেখেতৰ দ্বিতীয়খন কাব্যগ্ৰন্থ হ’ল ‘ৰাতিৰ ৰূপালী নদীৰ ঘাট’। উল্লেখ্য যে বংকিম বৰুৱাৰ প্ৰথম কবিতা পুথি ‘সোণোৱালী পথাৰৰ মোহত’ প্ৰকাশ হৈছিল ২০১৭ চনৰ ২ এপ্ৰিলত।

বংকিম বৰুৱাৰ এই ‘ৰাতিৰ ৰূপালী নদীৰ ঘাট’ কাব্যগ্ৰন্থখনিত তেখেতে তিনিকুৰি পাঁচটা কবিতা সন্নিবিষ্ট কৰিছে। কবিতাখিনিৰ মাজৰ কেইবাটাও কবিতা ইতিমধ্যে অগ্ৰদূত, আজি, আজিৰ সংবাদ, বাৰ্তাপখিলী, দৈনিক বাতৰি কাকত আৰু তেজপুৰৰ পৰা ওলোৱা জোনাকৰ কবিতা, সেউজী ছন্দ, পোহৰৰ কবিতা, নন্দন, নতুন চিন্তা, সাপ্তাহিক স্বদেশ আদি কাকত-আলোচনীৰ উপৰি তেজপুৰৰ বিভিন্ন ঠাইৰ পৰা ওলোৱা স্মৰণিকা, স্মৃতিগ্ৰন্থ আৰু মুখপত্ৰত প্ৰকাশ হৈছে। এই সংকলনখনিৰ সৰহভাগ কবিতাই প্ৰেমমূলক। কিন্তু এই প্ৰেম ব্যক্তিকেন্দ্ৰিকতাতে আৱদ্ধ থকা নাই; সামাজিকদায়বদ্ধতা, জীৱন-জিজ্ঞাসা, জীৱনৰ প্ৰমূল্যবোধৰ চেতনা, আধ্যাত্মিকতাবাদী দৰ্শন আদিৰ প্ৰতিফলনো এই কবিতাৰাজিৰ মাজেদি স্পষ্টৰূপত প্ৰতিফলিত নোহোৱাকৈ থকা নাই।

বংকিম বৰুৱা মূলত প্ৰেমৰ কবি। এক কথাত প্ৰেম সৰ্বস্ব কবি। সাম্প্ৰতিক কালৰ সৰহ ভাগ কবিৰ দৰে বংকিম বৰুৱাও কবিতাৰ প্ৰেমত পৰিছে। সমগ্ৰ পৃথিৱীখন টোপনিত লালকাল দি শুলেও তেওঁ শুব নোৱাৰে। কবি মাত্ৰৰেই প্ৰথম অনুভূতি প্ৰেম আৰু বিষাদ, যাৰ কোনো নাম নাই, যি মাথোঁ এটা অতৃপ্তি। এই আত্মজ দুঃখৰ পৰাই আৰম্ভ হয় কবি মাত্ৰৰেই জীৱনমুখী যাত্ৰা। এনেকৈ কবিৰ হৃদয়ৰ অনুভূতিৰ মাজত চলা দুখৰ আহ-যাহৰ মাজতেই ভীৰ কৰে কবিৰ জীৱনৰ লগত সম্পৃক্ত অলেখ কবিতাই। কবিৰ বাবে জীৱনটো হৈ পৰি তেতিয়া এটা মাটিৰ প্ৰজ্বলিত চাকি অথবা এডাল মমবাতি। বংকিম বৰুৱাইও কবিতাৰ স’তে প্ৰথম প্ৰেমত পৰি, প্ৰেমৰ দেহ কঁপোৱা উন্মাদনাত অনুভৱ কৰিছে জীৱনৰ পূৰ্ণতা আৰু সাৰ্থকতা। এই প্ৰসংগত বংকিম বৰুৱাই লিখা নিম্নোক্ত কবিতাফাঁকি প্ৰণিধানযোগ্যঃ

প্ৰতিটো ৰাতিৰ বাবেই মই  
মোৰ আঁচলত বান্ধিছিলোঁ  
সৃষ্টিৰ যন্ত্ৰণা  
কবিতাৰ বীজ।  
শব্দৰ সাঁকোৰে বিচাৰিছিলোঁ  
ফুলাম অৰণ্য  
বাৰিষাৰ নৈ।  
মোৰ বিৰিণাপাতৰ ঘৰ  
বতাহত নজহে-নপমে  
সোণত সুৱগা চৰে।  
মোৰ ঘৰ  
নিঃস্ব কবিৰ ঘৰ  
অৰণ্যৰ দৰে বিশাল  
আকাশৰ দৰে অটল।  
(নিঃস্ব কবিৰ ঘৰ)

জীৱনৰ প্ৰমূল্যবোধৰ চেতনা বংকিম বৰুৱাৰ আৱেগ-অনুভূতিৰ গাঢ়তাৰ মাজেদি অতি সুন্দৰ ৰূপত জিলিকি ওলাইছে। কবিজনাৰ এনে অনুভূতি জাগিছে তেওঁৰ ব্যক্তিগত জীৱন জিজ্ঞাসাৰ পৰা। সেয়ে বংকিম বৰুৱাই তেওঁৰ সৰহ সংখ্যক কবিতাতে অনুভৱবোৰ প্ৰকাশ কৰিবলৈ যাওঁতে অতি নষ্টালজিক হৈ পৰিছে। উদাহৰণস্বৰূপে - এই সংকলনখনিত সন্নিৱিষ্ট ‘কি আছিল সেই জুইকুৰা?’, ‘পিতাইৰ কথা ভাবিলে’, ‘ঘিলাধাৰী’! মোৰ কৈশোৰৰ কুটুম,’ ‘মৰনৈ! মোৰ শৈশৱৰ কুটুম,’ ‘দিকৰাইৰ বুকুত বসন্ত,’ ‘মোৰ ল’ৰালিৰ নিচুকনি গীত,’ ‘আই,’ ‘মাইথানৰ গোঁসানী,’ ‘মোৰ প্ৰিয় নাৰী,’ ‘স্বামী,’ ‘মানুহ হ’বলৈ লাগে কঠিন তপস্যা’ - এই কবিতাকেইটালৈ আঙুলিয়াব পাৰি।

কবি বংকিম বৰুৱাই এই সংকলনটিত সন্নিৱিষ্ট কৰা ‘নাৰী’ শীৰ্ষক কবিতা তিনিটাৰ মাজেদি নাৰীক সৃষ্টিৰ সবাটোকৈ সুন্দৰোপম, মহত্বপূৰ্ণ আৰু বৈচিত্ৰ্যময়ী জীৱ হিচাপে চিত্ৰিত কৰিছেঃ

নাৰী!  
ৰঙা  
নীলা  
হালধীয়া মেৰপাকত  
তুমি বৈ আছা।  
দিনৰ আকাশে দি যোৱা বতাহত  
নিজৰাৰ দৰে তুমি  
কুলুকুলুকৈ বোৱা।  
তুমি বব ধৰা  
গোমোঠা সেউজীয়া শইচৰ  
আমোলমোল গোন্ধৰ সুবাসত।  
কিন্তু তুমি নাজানা - তুমি কোন?  
তুমি পুৱাৰ সূৰুযৰ দীপ্তিমান শিখা।  
(নাৰী/ পৃঃ ৩২)

তুমি সুখত হাঁহা  
দুখত চকুলো টোকা  
স্বামীৰ চকুত  
অলীক সপোনৰ  
চাংঘৰ সাজা।  
সন্তানৰ সুখৰ স’তে  
দুখৰ স’তে  
গছ হৈ গজা।  
সুন্দৰৰ নিজানৰ স’তে  
তেজ হৈ শিপোৱা  
বিষাদৰ বুকুত।

কবি বংকিম বৰুৱাৰ কবিতাই তেওঁৰ বুকুৰ খোৰোঙত জোনাক হৈ নতুবা জীৱনৰ বৰ্ণময় ভাষা হৈ বাহ সাজিছে; ঋতু পৰিবৰ্তনৰ পিছত ন সাজ পিন্ধি উন্মান হৈছে, জোনাকৰ পোহৰত তিৰ্বিৰাইছে আৰু কেতিয়াবা আৱেগত তিতিছে অথবা সেমেকিছে।

কবি বংকিম বৰুৱাৰ আৱেগ-অনুভূতিবোৰ খুবেই কোমল আৰু স্পৰ্শকাতৰ। তেওঁৰ আৱেগ-অনুভৱবোৰৰ যেন সুকীয়া সুকীয়া ৰং আৰু ৰূপ আছে; সেইবোৰ যেন তেওঁৰ হৃদয়ত সঘনাই সলনি হয়। উদাহৰণঃ

স্বাধীনতা!  
কি যে মিঠা তোমাৰ পৰশ  
অথচ স্বদেশৰ প্ৰান্তৰে প্ৰান্তৰে  
আমিহে আজিও দিশহাৰা।  
পূজাৰ বতৰত ফুলা মনবোৰ  
আবেলিৰ গৰাহত মোলান পৰিল।  
হ’লেও জীৱন নহয়  
গতিহীন  
ছন্দহীন  
সংগীবিহীন।

কবি বংকিম বৰুৱাই কবিতাৰ সৈতে সান্নিধ্য বিচাৰিছে - বাঁহীৰ সুৰত, পথাৰৰ সেউজীয়াত, নদীমুখী উপনৈৰ বা জানৰ বুকুত, সন্ধিয়াৰ নিঃসংগতাত, ৰাতিৰ নিৰ্জনতাত, ধুমুহাৰ কোলাহলত অথবা হৃদয়ৰ মৌন স্বৰলিপিৰ বুকুত। তেওঁৰ কবিতাই আকৌ কেতিয়াবা ম’হৰ শিঙৰ পেঁপাৰ ফুঁ হৈ তেওঁৰ বুকত সিঁচি দিছে প্ৰেমৰ মালিতাঃ

তুমি ম’হৰ শিঙৰ পেঁপাটিত  
ফুঁ দিলেই মই সাৰ পাওঁ  
শিতানতে সপোনটো থৈ  
দৌৰিব ধৰো পথাৰত  
তেতিয়া মাথোঁ ৰিণি ৰিণি  
বাজি থাকে তোমাৰ  
পেঁপাৰ সুৰ।

বংকিম বৰুৱা এগৰাকী প্ৰচণ্ড সাহসী আৰু স্পষ্টবাদী কবি। এই সংকলনটিৰ কেইবাটিও কবিতাত, তেওঁ কেনেকৈ পাঁচ বছৰীয়া নৌহওঁতেই পিতৃহাৰা হৈ অত্যন্ত দুখ-কষ্টৰ মাজেদি ডাঙৰ-দীঘল হৈ আজিৰ পৰ্যায়ত উপনীত হৈছেহি, সেই কথা দ্বিধাহীনভাৱে প্ৰকাশ কৰিছে। এনে প্ৰকাশৰ মাজত প্ৰতিভাত হৈছে - তেওঁৰ বুকুত শৈশৱৰে পৰা দুখৰ সৈতে যুঁজাৰ মানসিকতা তথা অভ্যাস থকাৰ কথাঃ

তুমিতো অনুভৱ কৰা নাই  
কলিজাৰ আমঠুলৈকে  
কি দৰে পোতখাই আছে  
মোৰ দুখ।  
মোৰ দুখ বৈ আছে  
নিজৰাৰ দৰে কুলু কুলুকৈ  
শৈশৱৰে পৰা এই পৰ্যন্ত  
মোৰ হৃদয় নদীত।  
মোৰ তেজত লাগি আছে মোৰ দুখ  
তথাপি দুখৰ মাজেৰেই অনুভৱ কৰো  
জীৱনৰ সেউজীয়া স্পন্দন।  
তুমি জানি থোৱা ভাল  
দুখে মোক কাহানিও  
কোঙা কৰিব নোৱাৰে;  
কাৰণ দুখবোৰ গিলি খোৱাৰ  
পুৰণা অভ্যাস এটা মোৰ আছে,  
যিটো অভ্যাস মই  
মাৰ পৰা শিকিছিলোঁ।

পৰিশেষত ক’বই লাগিব যে বংকিম বৰুৱাৰ এই কাব্যগ্ৰন্থখনিৰ আটাইখিনি কবিতাই সাম্প্ৰতিক সময়ৰ বহু কবিৰ কবিতাতকৈ বহু-বেছি উন্নতমানৰ হৈছে। অৱশ্যে ইয়াৰ মাজত বেছি সুখপাঠ্য আৰু স্পৰ্শকাতৰ কবিতাকেইটি হৈছে - ৰাতিৰ ৰূপালী নদীৰ ঘাট, বুঢ়া লুইত, কি আছিল সেই জুইকুৰা? পিতাইৰ কথা ভাবিলে, মৰনৈ! মোৰ শৈশৱৰ কুটুম, ঘিলাধাৰী! মোৰ কৈশোৰৰ কুটুম, দিকৰাইৰ বুকুত বসন্ত, মোৰ ল’ৰালিৰ নিচুকনি গীত, আই, মাইথানৰ গোঁসানী, অভ্যাস, বন্ধুত্ব, প্ৰাৰ্থনা, তামুলীবাই, চছ্মা, মই এতিয়া পাহৰি পেলাইছো, মোৰ প্ৰিয় নাৰী, নাৰী, নাৰী আৰু স্বামী।

বংকিম বৰুৱাৰ এই কাব্যগ্ৰন্থখনিত সন্নিবিষ্ট কবিতাসমূহৰ মাজেদি কবিগৰাকীৰ প্ৰাপ্তি-অপ্ৰাপ্তিৰ বেদনা, নিৰাশা, যন্ত্ৰণা, ব্যৰ্থতা আদি কিছু পৰিস্ফুট হৈছে যদিও তাৰ বাবে কবিগৰাকী হতাশ হোৱাৰ উমান কোনো এটা কবিতাতে প্ৰত্যক্ষভাৱে প্ৰকট হোৱা নাই।

কবি বংকিম বৰুৱাৰ শব্দচয়ন আৰু বাক্যবিন্যাস-ৰীতি মন কৰিবলগীয়া। উপমা, ৰূপক,প্ৰতীক, চিত্ৰকল্প আদি প্ৰয়োগৰ ক্ষেত্ৰত কবি অত্যন্ত সচেতন। বংকিম বৰুৱাৰ কাব্যিক চেতনাৰ বহিৰ্গমনে বৰ্হিজীৱনৰ সৈতে তেওঁক সহমৰ্মী কৰি তোলাৰ উপৰি উপলদ্ধিৰ গভীৰতা আৰু ভাষাৰ সংযমতা আনি দিছে। আশা কৰিছো, বংকিম বৰুৱাৰ কাব্যিক দৃষ্টিভংগী আৰু অধিক স্বচ্ছ হওক, অনুভূতিৰ গাঢ়তা আৰু অধিক তীব্ৰ হওক, জীৱনৰ প্ৰতি আৰু বেছি বিশ্বাসী হওক, ধনী-নিৰ্ধনী সকলো মানুহৰ প্ৰতি আৰু বেছি প্ৰেমিক হওক।

কবি বংকিম বৰুৱাৰ ‘সোণোৱালী পথাৰৰ মোহত’ শীৰ্ষক প্ৰথম কাব্যগ্ৰন্থখনিয়ে যেনেকৈ পাঠক সমাজৰ পৰা সমাদৰ লাভ কৰিছিল, ঠিক তেনেকৈ এই দ্বিতীয় কাব্যগ্ৰন্থখনিয়েও পাঠক সমাজৰ পৰা একেই সমাদৰ লাভ কৰিবলৈ সক্ষম হ’ব বুলি আমাৰ বিশ্বাস।

# সাৰে আছো ৰ’বা

নৱৰত্ন পাটোৱাৰী

এটা নদীৰ পাৰত  
মই আজি সাৰে আছো  
বিষাদৰ কুলু কুলু সুৰে  
উত্তাল তৰংগ  
ওফন্দি উঠিছে  
নদীৰ নাভি।  
এটা নদীৰ পাৰত  
মই আজি সাৰে আছো  
বিষাদৰ চকুপানী, ক’ত ধাৰে উটুৱাই  
ক’ৰ নাৱৰীয়াই জানো  
ধাৰৰ কোৰত নাও বচাই!  
ণৰীত ক্ৰন্দন ৰথিত স্পন্দন  
এটা নদীৰ পাৰত  
মই আজি সাৰে আছো  
হয়তো নাথাকে ঠিকনা ইয়াৰো  
নিছিন্ন পাৰৰ সমাধি  
জীৱনবোৰৰো দেখোন  
নদীৰ বুকুত জাহ যোৱা  
দুটি পাৰৰ চিনাকি।  
এটা নদীৰ পাৰত  
মই আজি সাৰে আছো  
সিঁহতে কিন্তু সদায় সাৰে থাকে  
সাৰে থাকে দুখ  
সাৰে থাকে অভাৱ,  
সাৰে থাকে জীৱনৰ দুৰ্নীবাৰ সংগ্ৰাম  
এটা নদীৰ পাৰত  
মই আজি সাৰে আছো  
কিহৰ নদী চাবলৈ  
দুখৰ উচ্চতা জুখিম, অভাৱৰ পথালি  
নদীৰ কিমান আটিব চকুপানী  
তাৰে এটি বিনিদ্ৰ ৰজনী।



## বানত সৰ্বস্বান্ত হাজাৰ হাজাৰ পৰিয়াল

এক অবৰ্ণনীয় পৰিৱেশত দিন কটাইছে বানাক্ৰান্তই। বহু বানাক্ৰান্তই এতিয়াও লাভ কৰা নাই কোনো সাহায্য। সংহাৰী বানে সৰ্বস্বান্ত কৰি থৈ গ'ল হাজাৰ হাজাৰ পৰিয়ালক। বছৰ বছৰ ধৰি কষ্টেৰে গোটোৱা ঘৰৰ সম্পদবোৰ মূহুৰ্ততে শেষ কৰি থৈ গ'ল বলিয়া বানে। বহু পৰিয়ালৰ ভঁৰালসমূহ বানত তল যোৱাত এতিয়া ভৱিষ্যতৰ চিন্তাই জুমুৰি দি ধৰিছে তেওঁলোকক। গোহালিৰ গৰু, পুখুৰীৰ মাছ সকলো হেৰুৱাই এতিয়া অনিশ্চিত ভৱিষ্যতৰ আশংকাত মূৰে কপালে হাত দিবলগীয়া হৈছে বহু পৰিয়ালে। বান পৰিস্থিতি সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনাইছে, বান পৰিস্থিতি পূৰ্বতকৈ অলপ উন্নত হৈছে। এতিয়াও প্ৰায় ২০ শতাংশ লোক সাহায্যৰ পৰা বঞ্চিত হৈ আছে। সেইসকল ভুক্তভোগীৰ লগত যোগাযোগ সম্ভৱ হোৱা নাই। ৬০ হাজাৰ মানুহৰ ঘৰত বৰ্তমানো বিদ্যুৎ বিচ্ছিন্ন হৈ আছে। ৫০লৈ বৃদ্ধি পাইছে মৃতকৰ সংখ্যা। ৪০টাকৈ পৰিয়ালে হেৰুৱাইছে আত্মীয়ক। চৰকাৰৰ পাৰ্যমানে সকলো ধৰণৰ সহায় কৰিব। শিৱসাগৰৰ চহৰৰ বহুকেইটা ৱাৰ্ড আৰু শিৱসাগৰৰ দুই শতাধিক গাঁও পঞ্চমদিনাও জলমগ্ন হৈ আছে। বান পৰিস্থিতি সামান্য উন্নতি হৈছে, শিৱসাগৰ চহৰ আৰু দাঁতি-কাষৰীয়া অঞ্চলত সামান্য হ্ৰাস পাইছে পানী। দিচাং, দৰিকা, দিখৌৰ বাঢ়নী পানী আজিও বিপদ সীমাৰ ওপৰেৰে বৈ আছে। চৰকাৰ-প্ৰশাসনৰ লগতে বানাক্ৰান্তৰ মাজত সাহায্য বিতৰণ কৰিছে একাংশ বেচৰকাৰী ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে এনজিঅ'ই। বহু লোকে ব্যক্তিগতভাৱেও বানাক্ৰান্তলৈ সহায় আগবঢ়োৱাৰ খবৰ আহিছে। ইফালে, যোৰহাটৰ টীয়ক, মৰিয়নিৰ বান পৰিস্থিতিও অপৰিৱৰ্তিত হৈ আছে। জিলাখনৰ ১৭৭খন ৰাজহ গাঁও জলমগ্ন হৈ আছে। চৰকাৰী শিৱিৰত ৫,৮০০ আৰু অস্থায়ী শিৱিৰত ছচ হাজাৰ বানাক্ৰান্তই আশ্ৰয় লৈ আছে। যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে অৱগত কৰা অনুসৰি, জিলাখনত মুঠ ১৯টা প্ৰশাসনে স্থাপন কৰা শিৱিৰত ৫৮০০ লোকে এতিয়াও আশ্ৰয় লৈ থকাৰ বিপৰীতে নিজৰ সুবিধা অনুসৰি আশ্ৰয় শিৱিৰ স্থাপন কৰি ৬২,০০০ লোক আছে। ইতিমধ্যে এইসকল লোকক বান সাহায্য প্ৰদান কৰি থকা হৈছে। ইপিনে এই প্ৰলয়ংকৰী বানত ৮৭,০০০ পশুধন আক্ৰান্ত হৈছে। জিলা আয়ুক্ত গৰাকীয়ে সদৰী কৰা অনুসৰি, ঘৰ-দুৱাৰ, সা-সম্পত্তি, কৃষি পথাৰ আদিৰ ক্ষয়-ক্ষতিৰ জৰীপ ইতিমধ্যে এছ ডি আৰ এফ আৰু এন ডি আৰ এফ বাহিনীৰ জৰিয়তে চলাই থকা হৈছে। উল্লেখ্য যে এই সংহাৰী বানত জিলাখনৰ টীয়ক আৰু মৰিয়নি সমষ্টি আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। জাঁজী নদীৰ জলস্তৰ পুনৰ বৃদ্ধি পোৱাত বান শুকাবলৈ আৰম্ভ কৰা অঞ্চলসমূহ পুনৰ প্লাৱিত হৈছে। বনাই ধনটোলাৰ ভগ্ন মথাউৰিৰে এতিয়াও হোৱাহোৱে পানী সোমাই আছে। মুঠৰ ওপৰত ৭১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰপাৰৰ বিস্তৃত অঞ্চল এতিয়াও জলমগ্ন হৈ আছে।

## গুৱাহাটীত ফেৰী সেৱা বন্ধৰ নিৰ্দেশ

অভ্যন্তৰীণ জল পৰিবহণ (IWT) বিভাগে। আইডব্লিউটিৰ বিষয়াসকলে জনোৱা মতে, ই এক সতৰ্কতামূলক ব্যৱস্থা। নদীৰ জলস্তৰ আৰু সোঁতৰ ওপৰত নিৰন্তৰ নজৰ ৰখা হৈছে। পৰিস্থিতি স্বাভাৱিক হ'লেই পুনৰ ফেৰী চলাচল আৰম্ভ কৰা হ'ব। বৰ্তমান ব্ৰহ্মপুত্ৰৰ জলন্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত সাময়িকভাৱে ফেৰী সেৱা বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে, বিশেষকৈ উমানন্দ মন্দিৰৰ কাষত নদীৰ সোঁত অতি প্ৰবল। কৰ্তৃপক্ষই জলস্তৰৰ ওপৰত নিবিড়ভাৱে নজৰ ৰাখিছে। পানী কমিলেই পুনৰ ফেৰী সেৱা আৰম্ভ কৰা হক্সব। ইয়াৰ পূৰ্বেও অম্বুবাচী মহাযোগৰ সময়ছোৱাত সম্ভাব্য দুৰ্ঘটনা এৰাবলৈ ব্যক্তিগত খণ্ডৰ ফ্ৰেীসমূহ চলাচল নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। ফেৰী সেৱা বন্ধ কৰাৰ লগতে অসম চৰকাৰে ৰাজ্যৰ কেইবাখনো জিলাত উচ্চ সতৰ্কতা জাৰি কৰিছে। চুবুৰীয়া অৰুণাচল প্ৰদেশত হোৱা ধাৰাসাৰ বৰষুণ আৰু আকস্মিক বানৰ ফলত ওপৰৰ জলাগ্ৰহণ এলেকাৰ পানী অহা ৰ-চ দিনৰ ভিতৰত অসমত প্ৰৱেশ কৰাৰ সম্ভাৱনা আছে। আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰ, গুৱাহাটী আৰু ইটানগৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি, অৰুণাচল প্ৰদেশৰ ল'ৱাৰ সোৱণশিৰি জিলাৰ য়াজালি অঞ্চলত যোৱা ২৪ ঘণ্টাত ৭২.৮ মিলিমিটাৰ বৰষুণ ৰেকৰ্ড কৰা হৈছে। বিশেষকৈ পুৱা ৬ বজাৰ পৰা ৯ বজাৰ ভিতৰত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত উজনি অঞ্চলত আকস্মিক বানৰ সৃষ্টি হৈছে। চৰকাৰে সতৰ্ক কৰি দিছে যে বানৰ ঢৌয়ে প্ৰথমে ধেমাজি, লখিমপুৰ, বিশ্বনাথ আৰু শোণিতপুৰ জিলাক প্ৰভাৱিত কৰিব। তাৰ পিছত এই পানী ৰাজ্যৰ আন অঞ্চল অতিক্ৰম কৰি ধুবুৰী অভিমুখে আগবাঢ়িব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলো সংশ্লিষ্ট বিষয়াক সৰ্বোচ্চ সতৰ্কতাত থাকিবলৈ আৰু প্ৰয়োজনীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। মুখ্য সচিবেও জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহক পৰিস্থিতিৰ ওপৰত নিবিড় নজৰ ৰাখি প্ৰয়োজনীয় প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ইফালে, SDRF, NDRF আৰু অন্যান্য জৰীকালীন উদ্ধাৰকাৰী দলসমূহক যিকোনো পৰিস্থিতিৰ বাবে সাজু কৰি ৰখা হৈছে। নদীৰ কাষত বসবাস কৰা লোকসকল আৰু নিয়মীয়াকৈ ফেৰী ব্যৱহাৰ কৰা যাত্ৰীসকলক চৰকাৰী নিৰ্দেশনা অনুসৰণ কৰিবলৈ, অপ্ৰয়োজনীয় নদী যাত্ৰা পৰিহাৰ কৰিবলৈ আৰু পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে।

## অসমত দুৰ্যোগসদৃশ পৰিৱেশৰ সৃষ্টি হৈছে

৪৩৬ শতাংশ বেছি বৰষুণ হৈছিল। শিৱসাগৰত ১৩৪ শতাংশ বেছি বৰষুণ হয়। মোককচুং, ৱাখা আৰু মন জিলায়ো একেসময়তে যথেষ্ট বৰষুণ ল'বলগীয়া হয়। ইয়াৰ ফলতে আমি এটা ভাবিব নোৱৰা পৰিৱেশৰ সন্মুখীন হওঁ। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠও বৃদ্ধি পায়। সকলো উপ-নৈৰ পৰা পানী আহিল ব্ৰহ্মপুত্ৰলৈ। চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ পৰা পানী ওলাই যাব পৰা নাছিল ব্ৰহ্মপুত্ৰলৈ। মুখ্যমন্ত্ৰীয়ে কয়— চৰাইদেউত ৪টা ৰাজহ চক্ৰ সংকটত পৰিছে। ১০জনৰ মৃত্যু হৈছে। এজন নিৰুদ্দেশ হৈ আছে। শিৱসাগৰ জিলাত ৫টা ৰাজহ চক্ৰ বানত ডুবিছে। ২১গৰাকী লোকৰ মৃত্যু হয়। নিৰুদ্দেশ হৈ আছে ৬গৰাকী লোক। এই বছৰত ৭৭টা ৰাজহ চক্ৰ বানত ডুবিছে। ৪৭গৰাকী লোকৰ মৃত্যু হৈছে। যোৰহাটত মৃত্যু হৈছে ৮গৰাকী লোকৰ। সমগ্ৰ অসমত ৮জন লোক সন্ধানহীন। চৰাইদেউ জিলাৰ প্ৰতিটো অঞ্চললৈ সাহায্য পঠিয়াব পৰা হৈছে। কিন্তু নাজিৰাৰ ৩০ শতাংশ অঞ্চললৈ কোনো যাব পৰা নাই। এই মানুহবোৰৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ আছে। শিৱসাগৰ সমষ্টিত ২০ শতাংশ মানুহৰ মাজলৈ যাব পৰা নাই। মাহমৰা, সোণাৰি, ডিমৌৰ প্ৰায় অঞ্চলত প্ৰশাসন যাব পাৰিছে। পৰিস্থিতি এতিয়াও জটিল হৈ আছে। কেশৱ মহন্ত আজি নিশা পুনৰ শিৱসাগৰলৈ যাব। গুৱাহাটী, ডিব্ৰুগড়, তিনিচুকীয়াৰ পৰা বান সাহায্য প্ৰেৰণ কৰা হৈছে। কাষৰীয়া বিভিন্ন জিলাৰ পৰা টুলুঙা নাও অনা হৈছে। এয়াৰ ড্ৰ'পিং কৰাত বস্তুবিলাক ফাটি যায়। আজি কথা পাতিম কেনেকৈ বস্তুবিলাক নফটাকৈ দিব পাৰি। শনিবাৰে কেন্দ্ৰৰ প্ৰতিনিধি অহাৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়— ২৫ তাৰিখে কেন্দ্ৰৰ টীম আহিব। দুৰ্যোগ চলি থাকোঁতেই প্ৰেৰণ কৰিবলৈ আমি আহ্বান জনাইছিলোঁ। এই টীমটোৱে চাব ক্ষয়-ক্ষতি। বেমাৰ যাতে নহয় তাৰ ব্যৱস্থা কৰা হৈছে। টীম বনাই দিয়া হৈছে। ডিব্ৰুগড় আৰু যোৰহাট মেডিকেল কলেজৰ টীম সাজু আছে। পশুধনৰ যথেষ্ট ক্ষতি হৈছে। ফিচাৰীসমূহৰ ক্ষতি হৈছে। ল'ৰা-ছোৱালীৰ স্কুল কলেজৰ চাৰ্টিফিকেটবিলাক নষ্ট হৈছে। ৩ দিনৰ পাছত কৃষি মন্ত্ৰী, পশুপালন মন্ত্ৰী , স্বাস্থ্য মন্ত্ৰী, শিক্ষা মন্ত্ৰী দুয়োখন জিলালৈ যাব, লগতে যোৰহাট আৰু গোলাঘাটলৈও যাব। তেওঁলোকে চাব ক্ষয়-ক্ষতিবোৰ। বানৰ পাছতে স্কুল বা নষ্ট হোৱা অন্য সম্পত্তি মেৰামতি বা নিৰ্মাণ কৰা হ'ব। তাৰ মানুহবোৰক এতিয়া বেছি প্ৰয়োজন কাপোৰৰ। স্থানীয় বিধায়ক আটাইকেইজন ৰাইজৰ লগত লাগি আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয়— বহু ৰাইজৰ মাজত এতিয়াও চৰকাৰ গৈ পোৱা নাই, আমি স্বীকাৰ কৰিছোঁ। নাগালেণ্ডৰ নীপকোৰ পাৱাৰ প্ৰজেক্টৰ পানী কালিৰ পৰা এৰি দিয়াৰ পাছতো এই মুহূৰ্তলৈ গোলাঘাট বা সৰুপথাৰত পানী হোৱা নাই। আৰু দুদিন নীপকোই পানী খুলিব, গতিকে সাৱধানে থকা ভাল। অহা দুই-এদিনত মই পুনৰ যাম চৰাইদেউ বা শিৱসাগৰলৈ।

## প্ৰলয়ংকাৰী বান ঃ ২৪ ঘণ্টাত আৰু ৬ জনৰ প্ৰাণহানি

প্লাৱিত হৈছে। ক্ষতিগ্ৰস্ত জিলাসমূহ হৈছে- গোলাঘাট, হোজাই, কামৰূপ, চৰাইদেউ, যোৰহাট, ডিব্ৰুগড়, শিৱসাগৰ, নগাঁও, কামৰূপ মহানগৰ, কাৰ্বি আংলং, তিনিচুকীয়া। বানপানী ঘৰত, পথত আৰু কৃষিভূমিত সোমাই পৰাত হাজাৰ হাজাৰ পৰিয়ালে চূড়ান্ত দুৰ্ভোগৰ সন্মুখীন হৈছে। শিৱসাগৰ জিলাতেই সৰ্বাধিক প্ৰায় ৩.৭৫ লাখ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ পিছতে চৰাইদেউত ১.৮৬ লাখ আৰু যোৰহাটত প্ৰায় ১.১৫ লাখ লোক বানৰ প্ৰভাৱত আছে। উল্লেখযোগ্য যে বুধবাৰে বানত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা ৬.৪৩ লাখ আছিল। মাত্ৰ এদিনতে বানৰ বিস্তাৰ বৃদ্ধি পাই নতুনকৈ আন এখন জিলাসহ হাজাৰ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। গৃহহীন হৈ পৰা লোকসকলৰ বাবে প্ৰশাসনে ১০৩টা সাহায্য শিবিৰ মুকলি কৰিছে। বৰ্তমান এই শিবিৰসমূহত ২৪,১২৪ জনে আশ্ৰয় লৈ আছে। লগতে ২৫৫টা সাহায্য বিতৰণ কেন্দ্ৰৰ জৰিয়তে খাদ্য, খোৱাপানী আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ অব্যাহত আছে। বানৰ ফলত ২৫,৩৭৫.৪৪ হেক্টৰ কৃষিভূমি এতিয়াও পানীৰ তলত আছে। ফলত চলিত বৰ্ষৰ কৃষি উৎপাদনত ব্যাপক ক্ষতি হোৱাৰ আশংকা প্ৰকাশ পাইছে। ৰাজ্যৰ কেইবাখনো গুৰুত্বপূৰ্ণ নদী এতিয়াও বিপদসীমাৰ ওপৰেৰে বৈ আছে। অব্যাহত বৰষুণৰ বাবে নদীসমূহৰ জলস্তৰৰ ওপৰত প্ৰশাসনে নিৰন্তৰ নজৰ ৰাখিছে। বানৰ ফলত ৰাজ্যৰ বিভিন্ন স্থানত পথ, দলং আৰু অন্যান্য ৰাজহুৱা আন্তঃগাঁথনিৰো ব্যাপক ক্ষতি হৈছে। পানী নামিলেহে পুনৰ মেৰামতিৰ কাম সম্পূৰ্ণৰূপে আৰম্ভ কৰিব পৰা যাব। জিলা প্ৰশাসনে বানাক্ৰান্ত অঞ্চলৰ বাসিন্দাসকলক চৰকাৰী নিৰ্দেশনা মানি চলিবলৈ, নিয়মীয়াকৈ চৰকাৰী আপডেট অনুসৰণ কৰিবলৈ আৰু প্ৰয়োজন হ'লে নিৰাপদ স্থানলৈ স্থানান্তৰিত হ'বলৈ আহ্বান জনাইছে।

## ধুবুৰীত বাঢ়নী পানীত পৰি ছাত্ৰীৰ মৃত্যু

মেলাঘাট এলেকাৰ বাসিন্দা ৰামচন্দ্ৰ গোৱালাৰ কন্যা আকছাৰা গোৱালাৰ মৃতদেহ ইতিমধ্যে এছডিআৰএফ বাহিনীয়ে স্থানীয় ৰাইজৰ সহযোগত উদ্ধাৰ কৰিছে। ১৭ বছৰীয়া ছাত্ৰী গৰাকীৰ কৰুণ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## বানত নাগালেণ্ডৰ পৰা উটি আহিল হাতী

বৃহস্পতিবাৰে দিখৌ নদীৰে উটি অহা ঘৰচীয়া মাখুন্দী হাতীজনী শিৱসাগৰ জিলাৰ বিহুবৰত উদ্ধাৰ কৰা হয়। হাতীজনী বয়স ৫৩ বছৰ বুলি অনুমান কৰা হৈছে। হাতীজনীয়ে পিছত খোজকাঢ়ি শিমলুগুৰিৰ বালিঘাটলৈ যায়, য'ত বৰ্তমান জিৰণি লৈ আছে। হাতীজনীক পৰীক্ষা কৰা আৰু জৰুৰী চিকিৎসা প্ৰদানৰ বাবে নাজিৰা পশু চিকিৎসালয়ৰ এটা পশু চিকিৎসা দল ঘটনাস্থলীত উপস্থিত হয়। নাজিৰা ভ্ৰাম্যমাণ পশু চিকিৎসা গোটৰ ডাঃ মৃণাল জ্যোতি বৰাৰ লগতে ডাঃ লাচিত বৰা, পশু চিকিৎসা ক্ষেত্ৰ সহায়কদ্বয় কুমুদ শইকীয়া আৰু অভিলাষ শইকীয়াৰে গঠিত দলটোৱে হাতীজনীক পৰীক্ষা কৰি চিকিৎসা প্ৰদান কৰে। হাতীজনীৰ এখন ঠেং বেয়াকৈ আঘাতপ্ৰাপ্ত হৈছে। হাতীজনীৰ স্বাস্থ্যৰ অৱস্থা বৰ্তমান পশু চিকিৎসকৰ তত্বাৱধানত তীক্ষ্ণ নিৰীক্ষণত ৰখা হৈছে।

## গুৱাহাটীৰ কৃত্ৰিম বান ঃ নলা-নৰ্দমা পৰিষ্কাৰ, জাবৰ নিষ্কাশন তীব্ৰতৰ কৰাৰ

গুৱাহাটীৰ সকলো নলা-নৰ্দমা আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ নলাসমূহৰ ব্যাপক পৰিষ্কাৰ আৰু জাবৰ নিষ্কাশনৰ কাম তৎকালে অধিক গতিশীলভাৱে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে, যাতে বৰষুণৰ পানী বাধাহীনভাৱে নিষ্কাশিত হ'ব পাৰে। মন্ত্ৰীগৰাকীয়ে কামৰূপ (মহানগৰ) জিলাৰ আয়ুক্তক নগৰখনৰ নলা-নৰ্দমা ব্যৱস্থাৰ নিয়মিত ব্যৱস্থাপনাৰ বাবে এখন বিস্তৃত মানসম্পন্ন পৰিচালন পদ্ধতি প্ৰস্তুত কৰাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে এক সুস্পষ্ট বাৰ্ষিক কাৰ্যসূচী প্ৰস্তুত কৰাৰ নিৰ্দেশ দিয়ে। তেওঁ স্পষ্টভাৱে কয় যে নলা-নৰ্দমা পৰিষ্কাৰ কৰাটো কেৱল এককালীন ব্যৱস্থা হ'ব নালাগে। বৰঞ্চ বাৰিষা আৰম্ভ হোৱাৰ পূৰ্বে, বৰ্ষাকাল চলি থাকোঁতে, বৰ্ষাৰ পিছত আৰু প্ৰয়োজন অনুসৰি প্ৰতিটো ডাঙৰ বৰষুণৰ পিছতো এই কাম নিয়মীয়াভাৱে সম্পন্ন কৰিব লাগিব। মন্ত্ৰীগৰাকীয়ে কয় যে মহানগৰখনৰ কৃত্ৰিম বানপানী হ্ৰাস কৰিবলৈ সময়োপযোগী ব্যৱস্থা, নিয়মিত ৰক্ষণাবেক্ষণ আৰু সকলো সংস্থাৰ সমন্বিত দায়বদ্ধতা অতি প্ৰয়োজনীয়। ৰাজ্য চৰকাৰ গুৱাহাটীক অধিক সুৰক্ষিত, পৰিষ্কাৰ আৰু বানপানী প্ৰতিৰোধী নগৰ হিচাপে গঢ়ি তোলাৰ বাবে বদ্ধ পৰিকৰ। সভাত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন আৰু কামৰূপ শ্চমহানগৰগ্ন জিলাৰ আয়ুক্ত স্বপ্নীল পালে ভাৰ্চুৱেল মাধ্যমত অংশগ্ৰহণ কৰে। সভাত লোক নিৰ্মাণ বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিব সঞ্জীৱ শ্যাম, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিব ড° জীৱন বি, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত চিন্ময় ফুকন, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়ববীয়া আৰু অন্যান্য সংশ্লিষ্ট বিভাগৰ প্ৰতিনিধিসকল উপস্থিত আছিল।

## শীঘ্ৰেই অসমলৈ আহিব কেন্দ্ৰীয় উচ্চস্তৰীয় প্ৰতিনিধি দল

প্ৰাণ হেৰুৱাইছে। মৃতসকলৰ পৰিয়াললৈ তেওঁ গভীৰ শোক আৰু সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে জানিবলৈ দিয়ে যে, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যজুৰি উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। ক্ষতিগ্ৰস্ত লোকসকলক সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। আনহাতে, কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, কেন্দ্ৰীয় প্ৰতিনিধি দলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি এখন বিস্তৃত প্ৰতিবেদন দাখিল কৰিব। সেই প্ৰতিবেদনৰ ভিত্তিত ৰখন ক্ষতিগ্ৰস্ত জিলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এক বিশেষ আৰ্থিক সাহায্য পেকেজ ঘোষণা কৰিব। ইয়াৰ লগতে এই সংবাদমেলত সৰ্বানন্দ সোণোৱালে স্পষ্টকৈ কয়, "দেশৰ যিকোনো প্ৰান্তত সৃষ্টি হোৱা সমস্যা সমগ্ৰ দেশৰ সমস্যা। সেই দৃষ্টিৰে অসমৰ বান পৰিস্থিতিও কেৱল ৰাজ্যখনৰ নহয়, ই এক ৰাষ্ট্ৰীয় সমস্যা।

## স্বাস্থ্য মন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েছনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ জুলাই ঃ** ৰাজ্যৰ ঔষধ ব্যৱসায়ীসকলে সন্মুখীন হৈ অহা বিভিন্ন সমস্যা সমাধানৰ আহ্বান জনাই স্বাস্থ্যমন্ত্ৰী অশোক সিংহলক এখন স্মাৰকপত্ৰ প্ৰদান কৰিছে কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েছন অব্ অসমে। দিছপুৰত অসম সচিবালয়ত স্বাস্থ্যমন্ত্ৰীগৰাকীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনাই এছ'চিয়েছনৰ এটা প্ৰতিনিধি দলে উক্ত স্মাৰকপত্ৰখন প্ৰদান কৰে। কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েছন অব্ অসমৰ সভাপতি ড° এন এল আগৰৱালা, দিলীপ চন্দ্ৰ গোস্বামী, হৰেণ শৰ্মা আৰু সঞ্জীৱ দেৱচৌধুৰীৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে স্বাস্থ্যমন্ত্ৰীগৰাকীক ৰাজ্যত গুণাগুণ পৰীক্ষা নকৰাকৈ অনলাইযোগে ঔষধ বিক্ৰী, এআইৰ জৰিয়তে নিদানপত্ৰ প্ৰস্তুত কৰা, বিভিন্ন উপায়েৰে নিম্নমানৰ জীৱনদায়িনী ঔষধ এটা চক্ৰই ৰাজ্যৰ বজাৰত মেলি দিয়া, ঔষধৰ খুচুৰা আৰু পাইকাৰী বিক্ৰেতাৰ অনুজ্ঞাপত্ৰ বিভিন্ন জিলাত সামঞ্জস্য নথকাকৈ প্ৰদান কৰা, অনলাইনযোগে ঔষধ বিক্ৰীৰ ফলত নিষিদ্ধ দৰবৰ প্ৰচলন ঘটি থকা, ড্ৰাগছ এণ্ড ক'ষ্টমেটিক এক্ট, ১৯৪০ত কিছুমান প্ৰয়োজনীয় দফা অন্তৰ্ভুক্তি নোহোৱা আদিৰ লগতে ৰাজ্যৰ প্ৰকৃত ঔষধ ব্যৱসায়ীসকলে সন্মুখীন হৈ অহা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। প্ৰতিনিধি দলটোৱে লগতে ৰাজ্যত ভেজাল ঔষধৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰা বাবে স্বাস্থ্যমন্ত্ৰীগৰাকীৰ লগতে স্বাস্থ্য বিভাগ আৰু ঔষধ নিয়ন্ত্ৰণ বিভাগক ধন্যবাদো জনায় । ইপিনে, এছ'চিয়েছনৰ এই স্মাৰকপত্ৰখন গ্ৰহণ কৰি স্বাস্থ্যমন্ত্ৰীয়ে জনসাধাৰণক বৈধভাৱে সুৰক্ষিত আৰু গুণগতমানসম্পন্ন ঔষধ যোগান নিশ্চিত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

## গুৱাহাটীত কৃত্ৰিম বান ঃ ৰুক্মিণীগাঁৱত চলিছে স্পীড বোট- কলৰ ভূঁৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ জুলাই ঃ** গুৱাহাটীত কৃত্ৰিম বানে স্তব্ধ কৰিছে মহানগৰীৰ স্বাভাৱিক জনজীৱন। আজিও মহানগৰীৰ বিভিন্ন স্থানত অপৰিৱৰ্তিত হৈ আছে বান পৰিস্থিতি। ৰুক্মিণীগাঁৱত স্পীড বোটৰ লগতে চলিছে কলৰ ভূৰ। হাতীগাঁৱৰ অলিয়ে-গলিয়ে কেৱল পানী আৰু পানী। গুৱাহাটীৰ ৰাজপথ নহয় যেন অসমৰ কোনোবা নদীকাষৰীয়া গাঁওহে। পানীৰ মাজতে বিকল হৈছে বাইক, কিছু সময়ৰ বাবে থমকি ৰৈ গৈছে এম্বুলেঞ্চ। ওপঙি ৰৈছে আৱৰ্জনা। ৰুক্মিণীগাঁও, পাঞ্জাবাৰীৰ জুৰিপাৰ, সাউকুছি, হাতীগাঁওকে ধৰি কেইবাটাও স্থানত শুকুৰবাৰে দেখা গ'ল কৃত্ৰিম বান। বৃহস্পতিবাৰে হোৱা ধাৰাসাৰ বৰষুণৰ পাছত পূৰ্বে নোহোৱা স্থানতো উপচি পৰিছিল পানী। আজিও সেই পানী শুকোৱা নাই। কৃত্ৰিম বান ৰোধ কৰিবলৈ ব্যৱস্থা কৰাৰ সলনি আজিলৈকে বানপীড়িত অঞ্চলসমুহত জলবন্দী জনতাক দিয়া নাই সাহায্য। আচৰিত কথা যে, বিধায়ককেইজনকো কালিৰেপৰা আজি দুপৰীয়ালৈকে দেখা পোৱা নাই জনতাই। দিছপুৰ সমষ্টিৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈ বৃহস্পতিবাৰৰ দিনটোত ভৰিত বোকা লাগিব বুলি ওলাই নাহিলেও শুকুৰবাৰে কিছুসময়ৰ বাবে ওলাই আহিল ৰাইজৰ ককৰ্থনা সহ্য কৰিব নোৱাৰি। গুৱাহাটীক বাতিৰ সৈতে তুলনা কৰি মেঘালয়ক দোষ দিলে দিছপুৰৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে। পানী হ'লে গাড়ীৰ পৰা ননমা বিধায়ক প্ৰদ্যুৎ বৰদলৈক শুকুৰবাৰৰ দিনটোত ৰকেট চায়েঞ্চৰ প্ৰবক্তাৰ ৰূপতহে দেখা গ'ল। সাহায্য দিয়াতো দূৰৈৰ কথা, তেওঁৰ যুক্তিকেইটাও অদ্ভুত। গুৱাহাটী কেন্দ্ৰীয় সমষ্টিৰ বিধায়ক তথা গুৱাহাটীক ছুইজাৰলেণ্ড বনোৱাৰ স্বপ্নদ্ৰষ্টা বিজয় গুপ্তাৰ মতে গুৱাহাটীৰ বাসিন্দাসকলৰ কাৰণেহে কৃত্ৰিম বান হৈছে। গতিকে জনতা সজাগ হ'ব লাগিব। আওপকীয়াকৈ গুৱাহাটীৰ বাসিন্দাৰ গাতহে দোষ জাপিলে ছুইজাৰলেণ্ড বনোৱাৰ স্বপ্নদ্ৰষ্টা বিজয় গুপ্তাই। এয়া গুৱাহাটী মহানগৰ, দেশৰ আন আন মহানগৰতকৈ কিছু পৃথক, অনন্য আৰু বিকাশৰ নতুন ৰূপ। য'ত এজাক বৰষুণ দিলেই ৰাজপথত কলৰ ভূৰ চলে, নাও চলে।

## হোজাইত ২ কিশোৰী সন্ধানহীন

**বাতৰি কাকত, হোজাই, ২৪ জুলাই ঃ** হোজাই চহৰৰ পৰা দুগৰাকী কিশোৰী নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। বৃহস্পতিবাৰে দুপৰীয়া প্ৰায় আঢ়ৈ বজাত কম্পিউটাৰ ক্লাছ কৰিবলৈ আহি হোজাই চহৰৰ পৰাই নিৰুদ্দেশ হয় কিশোৰী দুগৰাকী। জানিব পৰা মতে, নিৰুদ্দেশ হোৱা দুয়োগৰাকী কিশোৰী মণিপুৰী সম্প্ৰদায়ৰ। পৰিয়ালৰ লোকে এগৰাকী বিবাহিত মুছলিম মহিলাৰ বিৰুদ্ধে কিশোৰী দুগৰাকীক অপহৰণ কৰাৰ সন্দেহ প্ৰকাশ কৰিছে। ঘটনা সন্দৰ্ভত আজি পুৱা হোজাই থানাত দুয়োটা পৰিয়ালে পৃথকে পৃথকে এজাহাৰ দাখিল কৰে। ইয়াৰ পিছতে হোজাই আৰক্ষী অধীক্ষক নিজে আৰক্ষী থানাত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰে। ইফালে, ঘটনাক লৈ হোজাই মণিপুৰী সমাজৰ প্ৰায় শতাধিক মহিলাই থানাত উপস্থিত হৈ কিশোৰী দুগৰাকীক শীঘ্ৰে উদ্ধাৰৰ দাবী জনায়। তেওঁলোকে আৰক্ষীক ২৪ ঘণ্টাৰ সময়সীমা বান্ধি দিয়াৰ কথাও জানিবলৈ দিয়ে। বৰ্তমান হোজাই আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে আৰু নিৰুদ্দেশ হোৱা কিশোৰী দুগৰাকীৰ সন্ধানত অভিযান চলাই আছে।

## কলং নৈৰ জলপৃষ্ঠ বৃদ্ধিত আতংকিত হৈছে নগাঁওবাসী

**বাতৰি কাকত, নৰ্নে, ২৪ জুলাই ঃ** কাৰ্বি পাহাৰৰ পৰা নামি অহা পানীৰ ঢলে জিলাখনৰ এক বিস্তীৰ্ণ অঞ্চল প্লাবিত কৰিছে। জিলাখনৰ কলিয়াবৰ ৰাজহ আৰু চামগুৰি ৰাজহ চক্ৰত বহুকেইখন গাঁও প্লাবিত কৰাৰ পিছত নিশাৰী আৰু হাৰিয়া নৈৰ বাঢ়নী পানীয়ে কামপুৰ ৰাজহ চক্ৰৰ ১৮ খন আৰু নগাঁও সদৰ ৰাজহ চক্ৰৰ ৭ খন গাঁও সম্প্ৰতি বানৰ কবলত পৰিছে। দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সূত্ৰ অনুসৰি কামপুৰ ৰাজহ চক্ৰৰ তেতেলীসৰা গ্ৰান্ট, মহগড়, পুৰ কাৰৈমাৰী, পশ্চিম নাম বৰ লালুং গাঁও, পশ্চিম কঠীয়াতলি, সৰুপথাৰ, মিকিৰগাঁও, গৰু বন্ধাগাঁও, তেঁতেলীসৰাগাঁও, পূব খালৈভঙা, ১০ পৃষ্ঠাত পশ্চিম কাৰৈমাৰী, পশ্চিম খালৈভঙা, বামুণীজান, দৰঙীগাঁও, কচাৰীখন্দা, কেকুৰিবাৰী, ভলুকাগুৰি, কলাইখোৱা, নগাঁও সদৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গড়েহাগী, দক্ষিণ গমাৰীআটি, বৰকন্দলি মিকিৰগাঁও, উৰিয়াগ্ৰান্ট ৰাঙলু, মিকিৰপুৰ উৰিয়া, কচুপিট, চচকৰি গাঁও আৰু চামগুৰি ৰাজহ চক্ৰৰ সোণাৰী বালি, মিছাগাঁও, খলিহামাৰী শিয়ালেখাটি, পামগাঁও, আমণিগাও, চামগুৰি গ্ৰান্ট, ২ নং গৰমৰা, বৰদল, কঠালগুৰি, ভোমোৰাগুৰি, চনং ভৰাগুৰি আৰু পদুমনি গাঁও বানত আক্ৰান্ত হৈছে। জিলাখনত এই তিনিটা ৰাজহ চক্ৰত প্ৰায় তিনি সহস্ৰাধিক লোক আক্ৰান্ত হোৱাৰ বিপৰীতে ২২৮০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। বিগত চাৰিদিন ধৰি বানৰ কবলত থকা কলিয়াবৰ ৰাজহ চক্ৰৰ বান পৰিস্থিতি উন্নত হৈছে। প্ৰায় চাৰি সহস্ৰাধিক পশুধন আক্ৰান্ত হৈছে। নগাঁও জিলা প্ৰশাসনে যুদ্ধকালীন তৎপৰতাৰে সাহায্য প্ৰদান অভিযান অব্যাহত ৰাখিছে। ইপিনে নগাঁও জিলাৰ শিলঘাটত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বিপদসীমাৰ তলেৰে বৈ আছে। কপিলী নৈ কামপুৰত বিপদসীমাৰ তলেৰে বৈ আছে। নগাঁও চহৰত কলং নৈৰ জলপৃষ্ঠ বৃদ্ধি হৈছে। অৱশ্যে নগাঁও চহৰত কলংনৈ বিপদসীমাৰ ৩৬ চেন্টিমিটাৰ তলেৰে বৈ আছে। বহাত কলং নৈ অপৰিৱৰ্তিত হৈ আছে।

### যন্তৰ মন্তৰত ক'কৰোচ জনতা পাৰ্টিৰ প্ৰতিবাদ অব্যাহত

## যিকোনো মুহূৰ্তত পদত্যাগৰ সম্ভাৱনা কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰৰ

### প্ৰশ্নকাকত ফাদিল সংশোধনী বিধেয়কত অনুমোদন কেন্দ্ৰীয় কেবিনেটৰ

**নতুন দিল্লী, ২৪ জুলাই ঃ** ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ সন্দৰ্ভত কাইলৈ (শনিবাৰ) দুপৰীয়ালৈ চৰকাৰে বিচাৰিছে সময়। চৰকাৰৰ সৈতে হোৱা বৈঠকৰ পাছত সাংবাদিকৰ আগত এই কথা সদৰী কৰে চি জে পিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ আশুতোষ ৰাংকাই। ইয়াৰ উপৰি কেন্দ্ৰীয় কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই কেবিনেটত 'প্ৰশ্নকাকত ফাদিল সংশোধনী বিধেয়ক'ক অনুমোদন জনোৱা হয়। নীট প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে ককৰোচ জনতা পাৰ্টিৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱককে ধৰি হাজাৰ হাজাৰ লোকে প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হৈছে। প্ৰতিবাদকাৰীসকলে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী উত্থাপন কৰিছে। ২০ জুলাইৰ পৰা দিল্লীৰ যন্তৰ-মহন্তৰ পৰা সংসদ ভৱনলৈ কৰা চলো সংসদ শীৰ্ষক যাত্ৰাৰ সময়চোৱাত আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কন্দুৱা গেছ নিক্ষেপৰ লগতে কৰিছিল লাঠীচালনা। তাৰপাছত চৰকাৰী পক্ষ আৰু ককৰোচ জনতা পাৰ্টিৰ এটা প্ৰতিনিধি দলৰ মাজত এক বৈঠকত মিলিত হয়। চৰকাৰৰ সৈতে বৈঠকৰ পাছত ককৰোচ জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ আশুতোষ ৰাংকাই কয় যে ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীৰ সন্দৰ্ভত চৰকাৰে শনিবাৰৰ দুপৰীয়ালৈ সময় বিচাৰিছে। আমি আশা কৰো চৰকাৰে অতি সোনকালে তেওঁক পদৰ পৰা অপসাৰণ কৰিব। লগতে নীট পৰীক্ষাৰ আত্মহননৰ পথ বাচি লোৱা কৰা পৰীক্ষাৰ্থীৰ পৰিয়ালসমূহক ক্ষতিপূৰণ প্ৰদান আৰু শিক্ষাৰ্থীসকলৰ বিৰুদ্ধে দাখিল কৰা এফআইআৰ তথা অন্যান্য আইনী গোচৰ প্ৰত্যাহাৰ, এই দুটা দাবীৰ ক্ষেত্ৰত চৰকাৰে নীতিগতভাৱে সন্মতি প্ৰকাশ কৰিছে। ইফালে, শুকুৰবাৰে প্ৰধানমন্ত্ৰী মোডীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই কেবিনেট বৈঠকত প্ৰশ্নকাকত ফাদিল সংশোধনী বিধেয়কক অনুমোদন জনোৱা হৈছে বুলি জানিব পৰা গৈছে। এই বিধেয়কৰ জৰিয়তে প্ৰশ্নকাকত ফাদিল কৰা চক্ৰৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ ৰখা হয়। ৰাষ্ট্ৰীয় সংবাদমাধ্যমৰ খবৰ অনুসৰি, প্ৰস্তাৱিত সংশোধনীত বিশেষ ফাষ্ট-ট্ৰেক আদালতক আইনী স্বীকৃতি প্ৰদান কৰাৰ ব্যৱস্থা থাকিব। লগতে এই আদালতসমূহক প্ৰশ্নকাকত ফাদিলৰ গোচৰ তিনি মাহৰ ভিতৰত শুনানি সম্পূৰ্ণ কৰি ৰায় ঘোষণা কৰিবলৈ নিৰ্দেশ দিয়াৰ ব্যৱস্থা থাকিব। ইয়াৰ উপৰি, প্ৰশ্নকাকত ফাদিলৰ অপৰাধত সৰ্বাধিক ১০ বছৰৰ কাৰাদণ্ড আৰু ১০ কোটি টকালৈকে জৰিমনা বিহাৰ প্ৰস্তাৱ ৰখা হৈছে। চৰকাৰে অহা সপ্তাহতে এই সংশোধনী বিধেয়ক সংসদত উত্থাপন কৰিব বুলি জানিব পৰা গৈছে। সম্ভাৱনা অনুসৰি, সোমবাৰেই বিধেয়কখন সদনত দাখিল কৰা হ'ব। ভিডিঅ'যোগে প্ৰধানমন্ত্ৰীৰ মন্তব্যঃ বৃহস্পতিবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰশ্নকাকত ফাদিলৰ বিষয়ত এটা ভিডিঅ'যোগে মন্তব্য কৰিছিল। প্ৰধানমন্ত্ৰীগৰাকীয়ে কৈছিল- প্ৰশ্নকাকত ফাদিল কোনো সাধাৰণ বিষয় নহয়। লাখ লাখ শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱকৰ বাবে ই এক গভীৰ কষ্টৰ বিষয়। সেয়েহে বিগত আঢ়ৈ মাহত আমি একাধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছো। দোষীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোক বৰ্তমান কাৰাগাৰত আছে। শিক্ষাৰ্থীসকলৰ এবছৰ সময় যাতে নষ্ট নহয়, তাৰ বাবে অতি কম সময়ৰ ভিতৰত চচ লাখ শিক্ষাৰ্থীৰ পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। ১৯ জুলাইত ফলাফলও প্ৰকাশ কৰা হৈছিল। কিন্তু ইয়াতেই আমি সন্তুষ্ট নহওঁ। সেইবাবেই ফাষ্ট-ট্ৰেক আদালত গঠনৰ নিৰ্দেশ দিছোঁ। চৰকাৰৰ মতে, নতুন আইন প্ৰণয়নৰ জৰিয়তে এই বিশেষ আদালতসমূহ গঠন কৰা হ'ব। প্ৰশ্নকাকত ফাদিলৰ সৈতে জড়িত গোচৰসমূহ সৰ্বাধিক তিনি মাহৰ ভিতৰত নিষ্পত্তি কৰাৰ লক্ষ্য লোৱা হৈছে। এই বিধেয়ক ২৭ জুলাইত সংসদত উত্থাপন কৰা হ'ব পাৰে। শুকুৰবাৰেও সংসদৰ দুয়োখন সদনত প্ৰশ্নকাকত ফাদিলৰ বিষয়টোক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰ মাজতে কেন্দ্ৰীয় চৰকাৰে বৃহস্পতিবাৰে শিক্ষা বিভাগতো এক সাল-সলনি কৰে। নৰেশ পাল গাংৱাৰক শিক্ষা মন্ত্ৰালয়ৰ উচ্চ শিক্ষা বিভাগৰ সচিব হিচাপে নিযুক্তি দিয়া হয়। ১৯৯৪ বেটছৰ ৰাজস্থান কেডাৰৰ আইএএছ বিষয়া গাংৱাৰে বৰ্তমানৰ সচিব বিনীত যোশীৰ পৰা দায়িত্ব গ্ৰহণ কৰিব।

### কেন্দ্ৰীয় মন্ত্ৰীদ্বয় নাড্ডা-জিতেন্দ্ৰ সিঙৰ সৈতে সাক্ষাতৰ পিছতে সিদ্ধান্ত

## ২৬ দিনৰ অন্তত মাজনিশা অনশন ভংগ কৰিলে সোনম ৱাংচুকে

চিজেপিৰ আন্দোলনৰ মাজতে অনশন ভংগ কৰিলে সমাজকৰ্মী সোনম ৱাংচুকে। ২৬ দিনৰ পাছত বৃহস্পতিবাৰে নিশা তেওঁ ভংগ কৰিলে অনশন। বৃহস্পতিবাৰে নিশা ৰচ বজাৰ পিছতে হাৰিয়ানাৰ গুৰুগ্ৰামস্থিত মেদান্তা হাস্পতালত তেওঁ অনশন ভংগ কৰে। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু ড° জিতেন্দ্ৰ সিঙে ব্যক্তিগতভাৱে হাস্পতাললৈ গৈ তেওঁক অনশন ভংগ কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ পাছতেই সোনম ৱাংচুকে অনশন ভংগ কৰাৰ সিদ্ধান্ত লয়। তেওঁৰ পত্নী গীতাঞ্জলিও সেই সময়ত তেওঁৰ সৈতে উপস্থিত আছিল। কিন্তু সোনম ৱাংচুকে কিয় অনশন ভংগ কৰিলে? এই বিষয়ে তেওঁ নিজেই অৱগত কৰিছে। অনশন সমাপ্ত কৰাৰ পাছত সোনম ৱাংচুকৰ প্ৰথম প্ৰতিক্ৰিয়াও ইতিমধ্যে প্ৰকাশ পাইছে। তেওঁ হাস্পতালৰ বিচনাৰ পৰা জে পি নাড্ডা, ড° জিতেন্দ্ৰ সিং আৰু অন্যান্য নেতাসকলৰ সৈতে এখন ফটো সামাজিক মাধ্যমত শ্বেয়াৰ কৰাৰ লগতে এটা ভিডিঅ'ও পোষ্ট কৰিছে। অনশন ভংগ কৰাৰ পাছত ইনষ্টাগ্ৰামত তেওঁ লিখিছে, ক্টএইমাত্ৰ কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, ড° জিতেন্দ্ৰ সিং আৰু লেহ-লাডাখ Apex Bodyৰ জ্যেষ্ঠ নেতাসকলৰ উপস্থিতিত মই অৱশেষত ২৬ দিনৰ পাছত মোৰ অনশন ভংগ কৰিলোঁ। নিজৰ পোষ্টত সোনম ৱাংচুকে আৰু কয় যে বিভিন্ন ৰাজনৈতিক দলৰ ৬৫ জন সাংসদে তেওঁৰ সৈতে সাক্ষাৎ কৰিছে অথবা তেওঁক অনশন ভংগ কৰিবলৈ অনুৰোধ জনাই চিঠিত স্বাক্ষৰ কৰিছে। তেওঁ কয় যে, বিভিন্ন চৰ্তৰ ওপৰত দীঘলীয়া আলোচনাৰ পাছত আৰু দেশৰ সম্ভাব্য শান্তিপূৰ্ণ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ লগতে জনায় যে অতি সোনকালে এটা সুকীয়া ভিডিঅ'ৰ জৰিয়তে তেওঁ নিজৰ চৰ্তসমূহৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰিব। তেওঁ লিখিছে, মই অতি সোনকালে এটা সুকীয়া ভিডিঅ'ত মোৰ চৰ্তসমূহৰ বিষয়ে সবিশেষ জনাম। ইয়াৰ মাজতে মই আপোনালোক সকলোকে যিকোনো ঠাইতে, যিকোনো ধৰণৰ হিংসাৰ পৰা আঁতৰি থাকিবলৈ আৰু অত্যন্ত সতৰ্কতা অৱলম্বন কৰিবলৈ অনুৰোধ জনাইছোঁ। নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ প্ৰতিবাদত যন্তৰ মন্তৰত চি জে পিৰ আন্দোলনৰ সমৰ্থনত সোনম ৱাংচুকে ২৮ জুনৰ পৰা অনশন আৰম্ভ কৰিছিল। ইয়াৰ মাজতে তেওঁৰ স্বাস্থ্য অৱনতি ঘটাত তেওঁক প্ৰথমে ছফদৰজং হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। পাছত দিল্লী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত তেওঁক মেদান্তা হাস্পতাললৈ স্থানান্তৰ কৰা হয়। বৃহস্পতিবাৰে নিশা অনশন ভংগ কৰাৰ পূৰ্বেও জে পি নাড্ডা আৰু ড° জিতেন্দ্ৰ সিঙে মেদান্তা হাস্পতাললৈ গৈ তেওঁৰ স্বাস্থ্যৰ বুজ লয়। আনহাতে, বৃহস্পতিবাৰে নিশা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমত এটা ভিডিঅ' বাৰ্তা প্ৰকাশ কৰে। ইয়াত তেওঁ প্ৰশ্নকাকত ফাদিল ৰোধৰ বাবে চৰকাৰে গ্ৰহণ কৰিবলৈ ওলোৱা কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপৰ বিষয়ে দেশৰ যুৱ সমাজ, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক অৱগত কৰে। মোদীয়ে জনায় যে এই সম্পৰ্কীয় এখন খচৰা শুকুৰবাৰে অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত উপস্থাপন কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে কয়— মই জানো যে প্ৰশ্নকাকত ফাদিল কোনো সৰু বিষয় নহয়। ই লাখ লাখ ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকৰ বাবে অত্যন্ত বেদনাদায়ক। সেইবাবেই যোৱা আঢ়ৈ মাহত প্ৰশ্নকাকত ফাদিলৰ ঘটনা ৰোধৰ বাবে বহুতো গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অপৰাধীসকলক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোক কাৰাগাৰত আছে। আমাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব আছিল ছাত্ৰ-ছাত্ৰীসকলৰ এটা শিক্ষাবৰ্ষ যাতে নষ্ট নহয়, সেয়া নিশ্চিত কৰা। প্ৰধানমন্ত্ৰীয়ে আৰু কয় যে অতি শীঘ্ৰে পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাটো প্ৰয়োজনীয় আছিল। চৰকাৰে সম্ভৱপৰ আটাইতকৈ কম সময়ৰ ভিতৰতে ২২ লাখ ছাত্ৰ-ছাত্ৰীৰ বাবে পৰীক্ষাৰ আয়োজন কৰিবলৈ নিজৰ সকলো সামৰ্থ ব্যৱহাৰ কৰিছে। পাঁচ-ছয় দিন পূৰ্বেই, অৰ্থাৎ ১৯ তাৰিখে পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। দেশজুৰি উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ আনন্দৰ খবৰ লাভ কৰা গৈছে। কিন্তু চৰকাৰ ইয়াতেই সন্তুষ্ট নহয়। মোদীয়ে জনায়, সেইবাবেই আজি মই সংশ্লিষ্ট বিভাগসমূহক প্ৰয়োজনীয় নিৰ্দেশনা দিছোঁ। বিভাগসমূহে অক্লান্ত পৰিশ্ৰম কৰি গভীৰ নিশালৈকে তেওঁলোকৰ খচৰা প্ৰস্তুত কৰিছে। ফাষ্ট-ট্ৰেক আদালত গঠন আৰু কঠোৰ শাস্তিৰ ব্যৱস্থাসহ এই খচৰাখনৰ ওপৰত শুকুৰবাৰে মন্ত্ৰীসভাত আলোচনা হ'ব। মন্ত্ৰীসভাৰ সহকৰ্মীসকলৰ পৰামৰ্শৰ পাছত ইয়াক চূড়ান্ত ৰূপ দিয়া হ'ব। সোমবাৰৰ পৰা সংসদৰ দ্বিতীয় সপ্তাহ আৰম্ভ হ'ব, সেয়েহে যিমান সোনকালে সম্ভৱ সংসদত এই বিধেয়কখন গৃহীত কৰাৰ চেষ্টা কৰা হ'ব।

## কমনৱেলথ গেমছত ভাগ ল'বলৈ যোৱা ভাৰতীয় এথলীটসকললৈ প্ৰধানমন্ত্ৰী মোদীৰ শুভেচ্ছা

**গ্লাছগো, ২৪ জুলাইঃ** গ্লাছগোত অনুষ্ঠিত ২৩ সংখ্যক কমনৱেলথ গেমছত অংশগ্ৰহণ কৰিবলৈ সাজু হোৱা ভাৰতীয় ক্ৰীড়াবিদসকলৰ দলটোলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত এটা পোষ্টৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতীয় এথলীটসকলে অসীম উৎসাহ, দৃঢ় সংকল্প আৰু উৎকৃষ্ট প্ৰদৰ্শনৰ মনোভাৱেৰে খেলসমূহত ভাগ ল'ব বুলি তেওঁ সম্পূৰ্ণ আশাবাদী। তেওঁ উল্লেখ কৰে, আমাৰ ক্ৰীড়াবিদসকলৰ দক্ষতা আৰু নিষ্ঠাই সদায়ে অগণন ভাৰতীয়ক অনুপ্ৰাণিত কৰে। ২৩ সংখ্যক কমনৱেলথ গেমছ ২৩জুলাইৰ পৰা আৰম্ভ হৈছে ২ আগষ্টলৈকে গ্লাছগোত চলিব। এইবাৰ ১০টা ভিন্ন ক্ৰীড়াৰ ২১৫টা প্ৰতিযোগিতাত মেডেল প্ৰদান কৰা হ'ব।

## ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদক লৈ গভীৰ উদ্বেগ প্ৰকাশ সুৰেশ ৰাইনা আৰু মহম্মদ কাঈফৰ

**নতুন দিল্লী, ২৪ জুলাইঃ** সমগ্ৰ দেশজুৰি চলি থকা নীট পৰীক্ষাৰ বিসংগতি আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন খেলুৱৈ সুৰেশ ৰাইনা আৰু মহম্মদ কাইফে। সামাজিক মাধ্যমৰ জৰিয়তে দুয়োগৰাকী ক্ৰিকেটাৰে ছাত্ৰ-ছাত্ৰীসকলক শান্ত হৈ থাকিবলৈ আৰু চৰকাৰ তথা প্ৰশাসনক আলোচনাৰ জৰিয়তে সমাধান বিচাৰিবলৈ আহ্বান জনায়। সুৰেশ ৰাইনাই সামাজিক মাধ্যম এক্সত লিখিছে যে প্ৰত্যেকটো প্ৰত্যাহ্বানেই এক নতুন পথৰ সন্ধান দিয়ে। ছাত্ৰ-ছাত্ৰী আৰু দেশৰ ভৱিষ্যতৰ বাবে সকলো পক্ষই আলোচনাৰ মাধ্যমেৰে এটা ভাল সমাধান উলিওৱাটো প্ৰয়োজন। দিল্লীত প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীৰ ওপৰত কৰা লাঠিচালনাক লৈ দুঃখ প্ৰকাশ কৰি মহম্মদ কাঈফে কয় যে এজন পিতৃ হিচাপে শিক্ষাৰ অধিকাৰৰ বাবে যুঁজি থকা সন্তানৰ ওপৰত এনে অত্যাচাৰ দেখাটো অতি কষ্টকৰ। ক্ৰিকেটাৰ শিখৰ ধাৱান আৰু অভিনৱ বিন্দ্ৰাইও ছাত্ৰ-ছাত্ৰীসকলক ধৈৰ্য্য ধৰিবলৈ অনুৰোধ জনায় আৰু দেশৰ শিক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ পোষকতা কৰে।

# আজিৰে ৱেষ্ট ইণ্ডিজ-পাকিস্তানৰ মাজত টেষ্ট শৃংখলা

**ট্ৰিনিদাদ, ২৪ জুলাইঃ** ট্ৰিনিদাদৰ ঐতিহাসিক ব্ৰায়েন লাৰা ষ্টেডিয়ামত অহা শনিবাৰৰ পৰা ৱেষ্ট ইণ্ডিজ আৰু পাকিস্তানৰ মাজত দুখন টেষ্ট শৃংখলাৰ প্ৰথমখন মেচ অনুষ্ঠিত হ'ব। এই মেচখনৰ জৰিয়তে ব্ৰায়েন লাৰা ষ্টেডিয়ামে প্ৰথমবাৰৰ বাবে টেষ্ট মেচ আয়োজন কৰাৰ গৌৰৱ অৰ্জন কৰিব। ই ট্ৰিনিদাদৰ দ্বিতীয়খন টেষ্ট ষ্টেডিয়াম আৰু সমগ্ৰ ৱেষ্ট ইণ্ডিজৰ ১৩ নম্বৰ টেষ্ট স্থান হিচাপে পৰিগণিত হৈছে। ৰোষ্টন চেইছৰ অধিনায়কত্বত আৰু মুখ্য প্ৰশিক্ষক ডাৰেণ ছেমীৰ তত্ত্বাৱধানত ৱেষ্ট ইণ্ডিজ দলে খেলপথাৰত অৱতীৰ্ণ হ'ব। শ্ৰীলংকাৰ বিৰুদ্ধে শেহতীয়া সুন্দৰ প্ৰদৰ্শনৰ পাছত দলটোৰ মনোবল যথেষ্ট বৃদ্ধি হৈ আছে। শৃংখলাটোত পাকিস্তান দলৰ অধিনায়কত্ব পুনৰ চম্ভালিব অভিজ্ঞ বেটাৰ বাবৰ আজমে। প্ৰথমখন টেষ্ট তাৰৌবাৰ ব্ৰায়েন লাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ পাছত, দ্বিতীয়খন টেষ্ট মেচ পোৰ্ট অৱ স্পেইনৰ ঐতিহাসিক কুইনছ পাৰ্ক অ'ভেলত খেলা হ'ব। দুয়োটা দলৰ মাজত এক ৰোমাঞ্চকৰ আৰু প্ৰতিদ্বন্দ্বিতামূলক টেষ্ট শৃংখলা আশা কৰা হৈছে।



## গ্লাছগ'ত ২৩ সংখ্যক কমনৱেলথ গেমছৰ আৰম্ভ

### লাভলীনা-মীৰাবাঈয়ে নেতৃত্ব দিয়ে ভাৰতীয় দলক



**গ্লাছগ', ২৪ জুলাই ঃ** বৃহস্পতিবাৰে স্কটলেণ্ডৰ গ্লাছগ' চহৰত ২৩ সংখ্যক কমনৱেলথ গেমছ আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে। স্কটলেণ্ডৰ এই ঐতিহাসিক চহৰখনে ১২ বছৰৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে এই বৃহৎ ক্ৰীড়া প্ৰতিযোগিতাখন আয়োজন কৰিছে। ভাৰতৰ হৈ উদ্বোধনী সমাৰোহত অলিম্পিক পদক বিজয়ী ভাৰোত্তোলক মীৰাবাঈ চানু আৰু বক্সাৰ লাভলীনা বৰগোহাঁয়ে পতাকা আৰু বেটন বহন কৰি ভাৰতীয় দলটোক নেতৃত্ব দিয়ে। এইবাৰৰ কমনৱেলথ গেমছ যথেষ্ট হ্ৰাস কৰা বাজেটেৰে (প্ৰায় ১৬০ নিযুত পাউণ্ড) আয়োজন কৰা হৈছে। ৭৪খন দেশৰ প্ৰায় ৩,০০০ ক্ৰীড়াবিদে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। পূৰ্বৰ তুলনাত খেলৰ সংখ্যা কমাই ১০টা মুখ্য বিভাগত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰে ৬টা বিভাগত পেৰা-স্পৰ্টছ (প্ৰতিবন্ধী ক্ৰীড়াবিদসকলৰ বাবে) অন্তৰ্ভুক্ত কৰা হৈছে। বাকিংহাম প্ৰাসাদৰ বিশেষ বাৰ্তাৰে ৰজা তৃতীয় চাৰ্লছে এই প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই ক্ৰীড়া মহোৎসৱ অহা ২ আগষ্টলৈকে চলিব। এইবাৰ ভাৰতৰ ১২৩ জন ক্ৰীড়াবিদে ৮টা সাধাৰণ ক্ৰীড়া আৰু ৫টা পেৰা-ক্ৰীড়া বিভাগত প্ৰতিদ্বন্দ্বিতা কৰিব। কুস্তি, শ্যুটিং, বেডমিন্টন, হকী আৰু ক্ৰিকেটৰ দৰে ভাৰতে পদক পোৱাৰ সম্ভাৱনা থকা খেলসমূহ এই সংস্কৰণৰ পৰা বাদ পৰাৰ বাবে পদকৰ সংখ্যাত প্ৰভাৱ পৰিব পাৰে। মন কৰিবলগীয়া যে, পৰৱৰ্তী ২০৩০ চনৰ কমনৱেলথ গেমছ ভাৰতৰ আহমেদাবাদত সম্পূৰ্ণ ১৭টা ক্ৰীড়া বিভাগেৰে ৰাঁজকীয়ভাৱে অনুষ্ঠিত হ'ব।

## শ্ৰীলংকা ভ্ৰমণৰ বাবে ভাৰতীয় টেষ্ট দল বাছনি

নতুন দিল্লী, চচ্ছ্ৰ জুলাই: শেহতীয়াকৈ ইউ কে ভ্ৰমণৰ পিছত ভাৰতীয় ক্ৰিকেট দলৰ মনোযোগ এতিয়া পুনৰ টেষ্ট ক্ৰিকেটলৈ ঘুৰি আহিছে। শ্ৰীলংকাৰ বিৰুদ্ধে হ'বলগীয়া দুখন টেষ্ট মেচৰ শৃংখলাৰ বাবে অতি সোনকালে ভাৰতীয় দল ঘোষণা কৰাৰ সম্ভাৱনা আছে। এই শৃংখলাৰ পূৰ্বে বাছনিকৰ্তা আৰু দল প্ৰশাসনৰ সন্মুখত তিনিটা মুখ্য প্ৰশ্নই দেখা দিছে। তাৰ ভিতৰত আছে কুশল স্পিনাৰ কুলদীপ যাদৱৰ শেহতীয়া ফৰ্ম আৰু ৱাশ্বিংটন সুন্দৰৰ আঘাতৰ সমস্যা, যিটো চিন্তাৰ কাৰণ হৈ পৰিছে। তেওঁলোকৰ অনুপস্থিতিত মানৱ সুথাৰ, হৰ্ষ ডুবে, সৰানশ জৈন আৰু তনুশ কোটিয়ানৰ দৰে নতুন স্পিনাৰক দলত সুযোগ দিয়া হ'ব পাৰে। ইয়াৰ লগতে আছে টেষ্ট দলৰ্ নম্বৰ স্থানৰ বাবে বি সাই সুদৰ্শন আৰু দেৱদত্ত পাডি!।লৰ মাজত প্ৰতিযোগিতা। আফগানিস্তানৰ বিৰুদ্ধে আৰু ক্সইণ্ডিয়া এক্স দলৰ হৈ সুদৰ্শনে ভাল প্ৰদৰ্শন কৰিছে যদিও পাডি!।লেও ঘৰুৱা ক্ৰিকেটত ক্ৰমাগতভাৱে ৰান সংগ্ৰহ কৰি হেঁচা প্ৰয়োগ কৰিছে। আনহাতে, তৃতীয়টো হৈছে জছপ্ৰীত বুমৰাহ আৰু মহম্মদ চিৰাজ দলৰ মূল স্তম্ভ হ'লেও, দীৰ্ঘম্যাদী পৰিকল্পনাৰ বাবে আন ফাষ্ট ব'লাৰসকলক পৰীক্ষা কৰা হ'ব পাৰে। প্ৰসিদ্ধ কৃষ্ণ আৰু আকাশ দীপিং উপৰি 'ইণ্ডিয়া এ' ভ্ৰমণত উৎকৃষ্ট প্ৰদৰ্শন কৰা গুৰনুৰ ব্ৰাৰ আৰু আকিব নবীক দলত স্থান দিয়াৰ সম্ভাৱনা আছে। শ্ৰীলংকাৰ এই ভ্ৰমণে ভাৰতীয় টেষ্ট দলৰ ভৱিষ্যতৰ দিশ নিৰ্ধাৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

## ভাঙিল এম এছ ধোনীৰ ধাৰাবাহিক টছ জয়ৰ ৰেকৰ্ড

### শ্ৰেয়াছ আয়াৰৰ অধিনায়কত্বত ঐতিহাসিক অভিলেখ

**হাৰাৰে, ২৪ জুলাই ঃ** ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক শ্ৰেয়াছ আয়াৰে ক্ৰিকেট জগতত এক বিৰল আৰু ঐতিহাসিক অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। জিম্বাবৱেৰ বিৰুদ্ধে অনুষ্ঠিত প্ৰথমখন টি-২০ মেচত আয়াৰে মেচৰ টছ জয়ৰ লগে লগে ভাৰতীয় অধিনায়ক হিচাপে ক্ৰমাগতভাৱে আটাইতকৈ বেছি টছ জিকাৰ পূৰ্বৰ এম এছ ধোনীৰ অভিলেখ ভংগ কৰে। অধিনায়ক হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পৰা শ্ৰেয়াছ আয়াৰে ক্ৰমাগতভাৱে নিজৰ প্ৰথম ৮ খন টি-২০ মেচতে টছত জয়লাভ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতীয় ক্ৰিকেটৰ সফল অধিনায়ক মহেন্দ্ৰ সিং ধোনীয়ে ক্ৰমাগত ৭ খন মেচত টছ জিকাৰ ৰেকৰ্ড গঢ়িছিল (২০১০-২০১২)। আয়াৰে ক্ৰমাগত ৮ খন টি-২০ মেচত টছ জিকি ধোনীৰ (৭ খন) ৰেকৰ্ড ভংগ কৰে। কেৱল টি-২০ নহয়, আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ সকলো ফৰ্মেট মিলি অধিনায়ক হিচাপে নিজৰ প্ৰথম ৮ খন মেচতেই টছ জিকাৰ ক্ষেত্ৰত আয়াৰ হ'ল বিগত ৮৭ বছৰৰ প্ৰথমগৰাকী অধিনায়ক। ইয়াৰ পূৰ্বে ১৯৩৮-৩৯ চনত ইংলেণ্ডৰ ৱিলী হেমণ্ডে এই অভিলেখ গঢ়িছিল। ধাৰাবাহিক টছ জয়ৰ সত্বেও প্ৰথম ৮ খন মেচত অধিনায়ক হিচাপে জয়ৰ মুখ দেখা আয়াৰে, জিম্বাবৱেৰ বিৰুদ্ধে ৭ উইকেটত জয়লাভ কৰি অৱশেষত নিজৰ নামত প্ৰথমখন জয় নিশ্চিত কৰে। ভাৰতে জিম্বাবৱেক ৭ উইকেটত পৰাস্ত কৰি এই শৃংখলাত ১-০ ত অগ্ৰগতি লাভ কৰাৰ লগতে নিজৰ ধাৰাবাহিক পৰাজয়ৰ ধাৰাটোও ভংগ কৰিবলৈ সক্ষম হয়।

# বাক্সাত পিআইবি গুৱাহাটীৰ উদ্যোগত সংবাদ মাধ্যম 'বাৰ্তা'ৰ কৰ্মশালা

### লোকপিয়ল-২০২৭ সন্দৰ্ভত সজাগতা



**গুৱাহাটী, ২৪ জুলাই ঃ** গুৱাহাটীৰ প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰ'ৰ উদ্যোগত আজি বাক্সাস্থিত জিলা আয়ুক্ত কাৰ্যালয়ৰ কনফাৰেন্স হলত জিলা সংবাদ মাধ্যমৰ কৰ্মশালা 'বাৰ্তা'ৰ আয়োজন কৰা হয়। ইয়াৰ উদ্দেশ্য আছিল আগন্তুক লোকপিয়ল ২০২৭ সম্পৰ্কে জনসচেতনতা বৃদ্ধি আৰু জিলাখনৰ উন্নয়নমূলক পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰা। সংবাদ মাধ্যমৰ প্ৰতিনিধি আৰু চৰকাৰী বিষয়াকে ধৰি প্ৰায় ৩৫ গৰাকী অংশগ্ৰহণকাৰীয়ে এই কৰ্মশালাখনত অংশগ্ৰহণ কৰে। ২০২৭ চনৰ লোকপিয়ল সন্দৰ্ভত মুখ্য বক্তব্য প্ৰদান কৰি অসমৰ লোকপিয়ল পৰিচালনা সঞ্চালকালয়ৰ উপ-মহাপঞ্জীয়ক ভাৰতী চন্দাই লোকপিয়লৰ তাৎপৰ্য, পদ্ধতি আৰু কাৰ্যকৰীকৰণ প্ৰক্ৰিয়াৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ গুৰুত্বসহকাৰে কয় যে লোকপিয়লৰ তথ্যই চৰকাৰী পৰিকল্পনা আৰু নীতি নিৰ্ধাৰণৰ ভেটি গঠন কৰে আৰু নাগৰিকসকলক সঠিক আৰু প্ৰামাণিক তথ্য প্ৰদান কৰি লোকপিয়লৰ অনুশীলনত সম্পূৰ্ণ আন্তৰিকতাৰে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ভুল তথ্য প্ৰদানৰ বিৰুদ্ধে সতৰ্ক কৰি দি তেওঁ কয় যে জনসাধাৰণেই লোকপিয়লৰ চূড়ান্ত হিতাধিকাৰী, কিয়নো সংগৃহিত তথ্যই কল্যাণমূলক আঁচনি, আন্তঃগাঁথনি উন্নয়ন আৰু জনসেৱা প্ৰদানৰ পৰিকল্পনাত সহায় কৰে। চন্দাই লোকপিয়লৰ দুটা পৰ্যায়, ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰ আৰু স্ব-গণনাৰ সুবিধা, এই অনুশীলনৰ সময়ত সংগ্ৰহ কৰা ব্যক্তিগত তথ্যৰ গোপনীয়তা, গণনাকাৰী আৰু তত্বাৱধায়কৰ ভূমিকা তথা দায়িত্বৰ বিষয়েও বিশদভাৱে উল্লেখ কৰে। তেওঁ সঠিক আৰু নিৰ্ভৰযোগ্য তথ্য সংগ্ৰহ নিশ্চিত কৰাৰ বাবে লোকপিয়লৰ বিষয়াসকলক সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ সকলো নাগৰিককে আহ্বান জনায়। লোকপিয়লৰ বাবে জিলাখনৰ প্ৰস্তুতিৰ ওপৰত আলোকপাত কৰি বাক্সাৰ জিলা আয়ুক্ত আই এ এছ কিমনেই চাংছানে কয় যে ২০২৭ চনৰ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰস্তুতিৰ ক্ষেত্ৰত জিলাখন অসমৰ আগশাৰীৰ জিলাসমূহৰ ভিতৰত অন্যতম। ইতিমধ্যে জিলা আৰু ভাৰপ্ৰাপ্ত বিষয়া, ক্ষেত্ৰ প্ৰশিক্ষক, গণনাকাৰী আৰু তত্বাৱধায়কৰ বাবে বিস্তৃত প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে আৰু লোকপিয়লৰ সময়সূচী অনুসৰি স্ব-গণনা আৰু গৃহ তালিকাভুক্তিকৰণ পৰ্যায়ৰ বাবে জিলাখন সম্পূৰ্ণৰূপে সাজু। জিলা আয়ুক্তগৰাকীয়ে বিগত কেইবছৰমানৰ পৰা স্বাস্থ্য, শিক্ষা, কৃষি আৰু জীৱিকা খণ্ডত বাক্সাৰ উল্লেখযোগ্য অগ্ৰগতিৰ ওপৰত আলোকপাত কৰে। আকাংক্ষিত জিলা কাৰ্যসূচীৰ অধীনত কৰা অসাধাৰণ প্ৰদৰ্শনৰ বাবে জিলাখনে সন্মানীয় জে আৰ ডি টাটা মেম'ৰিয়েল বঁটা লাভ কৰা, শালবাৰীত ৰাজ্যিক পৰ্যায়ৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন কৰা আৰু আমেৰিকালৈ ২০ মেট্ৰিক টন মৌ অ'ডিঅ'পি (এখন জিলা এবিধ সামগ্ৰী)ৰ অধীনত ৰপ্তানি কৰাকে ধৰি জিলাখনৰ উল্লেখযোগ্য সাফলতাৰ বিষয়ে কয়। ইয়াৰ পূৰ্বে পি আই বি গুৱাহাটীৰ যুটীয়া সঞ্চালক পৰনী গুপ্তাই আদৰণী ভাষণ দি চৰকাৰী গুৰুত্বপূৰ্ণ কাৰ্যসূচীসমূহৰ সঠিক আৰু সময়োপযোগী তথ্য প্ৰচাৰৰ ক্ষেত্ৰত বাৰ্তা কৰ্মশালাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। আগন্তুক লোকপিয়লৰ তাৎপৰ্যত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে জনসচেতনতা সৃষ্টি, ভুল ধাৰণা দূৰ কৰা আৰু নাগৰিকসকলক সঠিক তথ্য প্ৰদান কৰি লোকপিয়লত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰাত সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

# এছিয়ান গেমছৰ ক্ৰিকেটত পোনপটীয়া নকআউট পৰ্যায়ত ভাৰতীয় পুৰুষ দল

### বাংলাদেশ, পাকিস্তান আৰু শ্ৰীলংকাৰো পোনপটীয়া যোগ্যতা

**নাগোয়া (জাপান), ২৪ জুলাই ঃ** জাপানৰ নাগোয়াত অনুষ্ঠিত হ'বলগীয়া এছিয়ান গেমছৰ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ভাৰতীয় পুৰুষ ক্ৰিকেট দলে পোনপটীয়াকৈ নকআউট পৰ্যায়ত প্ৰৱেশৰ যোগ্যতা অৰ্জন কৰিছে। ভাৰতৰ লগতে বাংলাদেশ, পাকিস্তান আৰু শ্ৰীলংকায়ো পোনে পোনে এই পৰ্যায়ত খেলিবলৈ সুযোগ পাইছে। সকলো মেচ জাপানৰ নাগোয়াত টি-২০ ফৰ্মেটত খেলা হ'ব। ১০টা দলে অংশগ্ৰহণ কৰিব। প্ৰাৰম্ভিক ৰাউণ্ডত আফগানিস্তান, জাপান, নেপাল, হংকং, মালয়েছিয়া আৰু ওমানে খেলিব। ইয়াৰ পৰা শীৰ্ষ ৪ টা দলে নকআউট পৰ্যায়ত ভাৰতসহ বাকী ৩টা দলৰ সৈতে যোগ দিব। মহিলা প্ৰতিযোগিতা ১৭ ছেপ্টেম্বৰৰ পৰা ২২ ছেপ্টেম্বৰলৈ অনুষ্ঠিত হ'ব। য'ত ৮ টা দলে ভাগ ল'ব আৰু খেলসমূহ কোৱাৰ্টাৰ ফাইনেলৰ পৰা আৰম্ভ হ'ব। ভাৰতে জাপানৰ বিৰুদ্ধে নিজৰ প্ৰথম মেচ খেলিব। উল্লেখ্য যে, ২০২৩ চনৰ এছিয়ান গেমছত ভাৰতে পুৰুষ আৰু মহিলা দুয়োটা বিভাগতে সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।



# ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰলৈ চি এছ আৰ পুঁজি যোগান এছ বি আই লাইফৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ জুলাই** ভাৰতীয় ষ্টেট বেংক (এছ বি আই) লাইফৰ সমাজিক দায়বদ্ধতা আঁচনিৰ (চি এছ আৰ) অধীনত ক্ৰীড়াৰ উৎকৰ্ষ সাধনৰ বাবে ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰক ৫০ হেজাৰ টকাৰ এক পুঁজি যোগান ধৰা হয়। এই উপলক্ষে ২২ জুলাই তাৰিখে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ জালান আউটডৰ ষ্টেডিয়ামত থকা ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰৰ কাৰ্যালয়ত চেণ্টাৰৰ সভাপতি জ্ঞান প্ৰকাশ শৰ্মাৰ সভাপতিত্বত সভাৰ আয়োজন কৰা হয়। অনুষ্ঠানত এছ বি আই লাইফৰ গুৱাহাটীস্থিত আঞ্চলিক প্ৰৱন্ধক মৃদুল কলিতা, জক্সনেল এৰিয়া মেনেজাৰদ্বয় সঞ্জিত ৰঞ্জন আৰু চিন্ময় ডেকা, জ্যেষ্ঠ ক্ষেত্ৰ প্ৰবন্ধক কুনাল পাণ্ডে, জ্যেষ্ঠ ব্যৱসায়িক উন্নয়ণ প্ৰবন্ধকদ্বয় মানস প্ৰতীম বৰা আৰু ৰশ্মি আগৰৱাল উপস্থিত আছিল। অনুষ্ঠানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়া, অসমৰ প্ৰথমগৰাকী এন আই এছ ক্ৰিকেট প্ৰশিক্ষক তথা ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰৰ জ্যেষ্ঠ উপদেষ্টা প্ৰণৱ বৰুৱা, প্ৰাক্তন ৰঞ্জী খেলুৱৈ তথা অসম ক্ৰিকেট সন্থাৰ নিয়োজিত অসম জুনিয়ৰ দলৰ নিৰ্বাচকদ্বয় নিৰঞ্জন শইকীয়া আৰু সৌৰভ ভাগৱতী, প্ৰাক্তন ৰঞ্জী খেলুৱৈ তথা কোচিং চেণ্টাৰৰ সাধাৰণ সম্পাদক চেলিম আহমেদ, প্ৰাক্তন ৰঞ্জী ট্ৰফী খেলুৱৈ তথা কোচিং চেণ্টাৰৰ জ্যেষ্ঠ উপ সভাপতি অজিত হাজৰিকা, ডিব্ৰুগড় ভেটাৰ্ণ ক্ৰিকেট সন্থাৰ সভাপতি তাৰিক খান বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি চেণ্টাৰৰ সভাপতি জ্ঞান প্ৰকাশ শৰ্মাই কয় যে ১৯৮৭ চনত প্ৰতিষ্ঠা হোৱা এই ক্ৰীড়ানুষ্ঠানে বিগত ৩৯ বছৰে অসমৰ ক্ৰিকেট ক্ষেত্ৰলৈ একাধিক খেলুৱৈ সৃষ্টি কৰি আহিছে। তেখেতে এছ বি আই লাইফৰ এই সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অতিথিৰ ভাষণত জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়াই খেলুৱৈ সকলক নিষ্ঠা আৰু একাগ্ৰতাৰে খেলি একোজন সুদক্ষ খেলুৱৈ হিচাপে নিজকে গঢ় দিবলৈ আহ্বান জনায়। এছ বি আই লাইফৰ মাণ্ডলিক প্ৰৱন্ধক মৃদুল কলিতাই অনুষ্ঠানটোত উপস্থিত থাকিবলৈ পাই সুখী অনুভৱ কৰাৰ উপৰিও কোচিং চেণ্টাৰৰ ক্ৰীড়াৰ প্ৰতি থকা দায়বদ্ধতাক প্ৰশংসা কৰে। এছ বি আই লাইফে চি এছ আৰ পুঁজিৰ অধীনত বিভিন্ন ক্ষেত্ৰলৈ সাহায্য প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰি ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা এই অৱদানৰ বাবে তেওঁ সন্তোষ প্ৰকাশ কৰে। অনাগত দিনবোৰত এছ বি আই লাইফৰ পৰা আৰু সাহায্য আগবঢ়াবলৈ চেষ্টা চলাব বুলি তেওঁ কয়। অনুষ্ঠানত মৃদুল কলিতাই এছ বি আই লাইফৰ পৰা আগবঢ়োৱা ৫০ হেজাৰ টকাৰ এখন চেক প্ৰদান কৰাৰ লগতে তেওঁ ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰৰ অফিচিয়েল জাৰ্ছী আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানৰ আঁত ধৰে জিলা ক্ৰীড়া সন্থাৰ কায্যকৰী সভাপতি তথা কোচিং চেণ্টাৰৰ উপ সভাপতি মানস জ্যোতি দত্তই।

## জাগীভকতগাঁৱত যোগ কৰ্মশালা

**বাতৰি কাকত,জাগীৰোড,২৪ জুলাইঃ** মনিকাঞ্চন যোগা স্পৰ্টচ এছ'চিয়েচনৰ উদ্যোগত অৰুণোদই স্কীল ইনষ্টিটিউট আৰু সামাজিক সংস্থা সুন্দৰমৰ সহযোগত আয়োজিত তিনিদিনীয়া গ্ৰীষ্মকালীন যোগ কৰ্মশালা আজি পুৱা শুভ উদ্বোধন কৰে ভাৰতীয় জনতা পাৰ্টি জাগীভকতগাঁও মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী প্ৰাঞ্জুমিতা বৰাই। বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটি মাংগলিক ভাৱে আৰম্ভণি কৰে এছ'চিয়েচনৰ উপ-সভাপতি নৰেন বৰদলৈয়ে। অনুষ্ঠানত এছ'চিয়েচনৰ সভাপতি জয়ন্ত সাগৰ শইকীয়া, সম্পাদক তথা মুখ্য যোগ প্ৰশিক্ষক অনন্ত বৰাৰ লগতে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ড° ভূপেন হাজৰিকা সাংস্কৃতিক গোষ্ঠীৰ সভাপতি থানেশ্বৰ ডেকা। কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে যোগগুৰু তথা অসম যোগ উত্তৰণ সংস্থাৰ সভাপতি ৰিণ্টু কুমাৰ বৰা। অনুষ্ঠানত এছ'চিয়েচনৰ উপদেষ্টা ইন্দ্ৰেশ্বৰ বৰা, উপ-সভাপতি ৰমেন ডেকা, সাংগঠনিক সম্পাদক হিমজ্যোতি গোস্বামীৰ লগতে হেমৰাজ শইকীয়া, মৃন্ময়ী ডেকা,মিতালী শইকীয়া প্ৰমুখ্যে বিষয় ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য যে, এই বেলি মনিকাঞ্চন যোগা স্পৰ্টচ এছ'চিয়েচনৰ উদ্যোগত জাগীৰোড সমজিলাৰ অন্তৰ্গত বহা বৰজাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়তো গ্ৰীষ্মকালীন তিনিদিনীয়া যোগ কৰ্মশালা সফলতাৰে অনুষ্ঠিত কৰা হৈছিল।

এ বি পাব্লিকেশ্যনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 Fax : 0361-2665919 batorikakot@rediffmail.com
মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা
সম্পাদকঃ অনিল বৰ্মন